ডং ৰুবুল মাউত



মোৰো এটা সপোন আছে

দৰিদ্ৰতাৰ সীমা নেওচি আমেৰিকাৰ
মাচাচ্ছুচেটচ বিশ্ববিদ্যালয়লৈ
যোৱাৰ কাহিনী

মোৰো এটা সপোন আছে

ড° ৰুবুল মাউত

মোৰো এটা সপোন আছে

ড° ৰূবুল মাউত

পূৰ্বায়ণ
প্ৰকাশন

Moro eta sapon ase
A memoir by Dr. Rubul Mout
ISBN: 978-93-87263-02-4

প্ৰকাশকঃ	পূৰ্বায়ণ প্ৰকাশন যশৱন্ত পথ, পাণবজাৰ আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ সমীপত পাণবজাৰ, গুৱাহাটী-১, অসম Email- purbayonindia21@gmail.com Website: www.purbayonpublication.com ✆ ৯৮৬৪৪২২১৫৭
প্ৰথম প্ৰকাশঃ	অক্টোবৰ, ২০১৭
দ্বিতীয় প্ৰকাশঃ	নৱেম্বৰ, ২০১৭
তৃতীয় প্ৰকাশঃ	ফেব্ৰুৱাৰী, ২০১৮
চতুৰ্থ প্ৰকাশঃ	জুন, ২০১৮
পঞ্চম প্ৰকাশঃ	আগষ্ট, ২০১৮
ষষ্ঠ প্ৰকাশঃ	নৱেম্বৰ, ২০১৮
সপ্তম প্ৰকাশঃ	জানুৱাৰী, ২০১৯
অষ্টম প্ৰকাশঃ	মে, ২০১৯
নৱম প্ৰকাশঃ	জুন, ২০১৯
দশম প্ৰকাশঃ	আগষ্ট, ২০১৯
একাদশ প্ৰকাশঃ	অক্টোবৰ, ২০১৯
দ্বাদশ প্ৰকাশঃ	নৱেম্বৰ, ২০১৯
ত্ৰয়োদশ প্ৰকাশঃ	ফেব্ৰুৱাৰী, ২০২০
চতুৰ্দশ প্ৰকাশঃ	জুন, ২০২০
পঞ্চদশ প্ৰকাশঃ	অক্টোবৰ, ২০২০
ষষ্ঠদশ প্ৰকাশঃ	ডিচেম্বৰ, ২০২০
সপ্তদশ প্ৰকাশঃ	জানুৱাৰী, ২০২১
অষ্টাদশ প্ৰকাশঃ	ফেব্ৰুৱাৰী, ২০২১
উনবিংশ প্ৰকাশঃ	এপ্ৰিল, ২০২১
বিংশ প্ৰকাশঃ	আগষ্ট, ২০২১
একবিংশ প্ৰকাশঃ	নৱেম্বৰ, ২০২১
দ্বাবিংশ প্ৰকাশঃ	ডিচেম্বৰ, ২০২১
ত্ৰয়োবিংশ প্ৰকাশঃ	জানুৱাৰী, ২০২২
চতুৰ্বিংশ প্ৰকাশঃ	ফেব্ৰুৱাৰী, ২০২২
পঞ্চবিংশ প্ৰকাশঃ	ফেব্ৰুৱাৰী, ২০২২
ষষ্ঠবিংশ প্ৰকাশঃ	মাৰ্চ, ২০২২
সপ্তবিংশ প্ৰকাশঃ	মে', ২০২২
অষ্টবিংশ প্ৰকাশঃ	জুন, ২০২২
উনত্ৰিংশ প্ৰকাশঃ	জুলাই, ২০২২
ত্ৰিংশ প্ৰকাশঃ	আগষ্ট, ২০২২
একত্ৰিংশ প্ৰকাশঃ	ছেপ্টেম্বৰ, ২০২২
দ্বাত্ৰিংশ প্ৰকাশঃ	অক্টোবৰ, ২০২২
ত্ৰয়ত্ৰিংশ প্ৰকাশঃ	নৱেম্বৰ, ২০২২
মূল্যঃ	১৯০ টকা
বেটুপাতঃ	ড° সঞ্জীৱ বৰা
গ্ৰন্থস্বত্বঃ	লেখক

A memoir written by Dr. Rubul Mout and published by Dr. Amrit Kumar Upadhyay on behalf of Purbayon Publication, Jashwanta Road, Panbazar, Guwahati- 1

1st edition: October, 2017
33rd edition: November, 2022

Rs. 190/-

Hope is the thing with feathers
That perches in the soul
And sings the tune without the words
And never stops -at all-

—**Emily Dickinson**

উছৰ্গা

প্ৰতিবন্ধকতাৰ মাজতো সপোন দেখা প্ৰতিজনৰ হাতত...

সূচীপত্ৰ

প্ৰথম খণ্ড

শৈশৱ................................/৭-৪৩

দ্বিতীয় খণ্ড

সংগ্ৰাম................................/৪৪-৯০

তৃতীয় খণ্ড

সুযোগ................................/৯১-১১৯

চতুৰ্থ খণ্ড

দেউতাৰ অসুখ................................/১২০-১৫৭

শৈশৱ

(এক)

বহল চাংখনৰ কাষতে দীঘল টেবুলখন। চাৰিটা খুঁটা পুতি বাঁহেৰে বনোৱা টেবুলখন আচলতে এখন চাঙেই। টেবুলৰ ওপৰত নিৰ্দিষ্ট স্থানত থাকে মোৰ, বাইদেউ আৰু ককাইদেউৰ কিতাপ-পত্ৰ, বহী। কণ আৰু মুন তেতিয়াও স্কুল যাবৰ হোৱাই নাই। সন্ধিয়া হ'লেই টেবুলৰ সন্মুখত বৈ আমি আটায়ে প্ৰাৰ্থনা জুৰোঁ। কেতিয়াবা কণ-মুনেও উলাহতে যোগ দিয়ে। কিন্তু সিহঁতে প্ৰাৰ্থনাৰ গাম্ভীৰ্য তেতিয়াও বুজা হোৱা নাই। সিহঁতৰ বাবে প্ৰাৰ্থনাত যোগ দিয়াটো এক আমোদৰ কাৰ্য। আমি কিমান মনঃপুত প্ৰাৰ্থনা গাইছোঁ, সেয়া পৰ্যবেক্ষণ কৰি থাকে দেউতাই; কেতিয়াবা কেতিয়াবা মায়ো। কণ-মুনৰ উপদ্ৰৱ বাঢ়িলে সিহঁতক চুপ-চাপ উলিয়াই নিয়া হয় কোঠাটোৰ পৰা। ঘৰলৈ সেই সময়ত কোনোবা মানুহৰ আগমন ঘটিলে চোতালতে বহে মানুহ। আমাৰ প্ৰাৰ্থনা শেষ হোৱাৰ পিছত বাহিৰৰ পৰাই বেণুধৰ বৰতাই কয়— 'বুজিছ, এই প্ৰাৰ্থনাটো সন্ধিয়া নাগায়, পুৱাহে গাব লাগে।' কোন সময়ত কি প্ৰাৰ্থনা গাব লাগে সেই সন্দৰ্ভত সাধাৰণতে দেউতাই সিদ্ধান্ত লয়, কাৰণ দেউতা গাঁৱৰ পাঠেকী, গাঁৱৰ সমাজত দেউতাই কীৰ্তন পঢ়ে। গতিকে দেউতাৰ প্ৰাৰ্থনা সন্দৰ্ভত জ্ঞান বহুত। কীৰ্তন-নামঘোষাৰ আদি-অন্ত দেউতাই কৈ যাব পাৰে, তাক লৈ দেউতাই অহংকাৰো কৰে— 'মোৰ দৰে কীৰ্তন পঢ়িব পৰা মানুহ গাঁওখনত দ্বিতীয় এটা ক'ত?' বেণুধৰ বৰতাই আকৌ কয়— 'বাপেৰে কীৰ্তন পঢ়ি ইফাল-সিফাল কৰে, কোনফাঁকি প্ৰাৰ্থনা কেতিয়া ধৰিব লাগে তাকেহে তহঁতক শিকাব নোৱাৰে।'

সঁচা ক'বলৈ দ্বিধা নাই— মই হ'লে অন্তঃকৰণেৰে, একাগ্ৰতাৰে কেতিয়াও প্ৰাৰ্থনা নাগাইছিলোঁ। মোৰ বাবে প্ৰাৰ্থনা আছিল কেৱল এক পুৱা-গধূলিৰ গীত। পুৱা হ'লে যিদৰে বেলি ওলায়, গধূলি মাৰ যায় নতুবা পুৱা গোহালিৰ গৰু মেলি দিয়া হয়, গধূলি আকৌ বান্ধি থোৱা হয়, ঠিক প্ৰাৰ্থনাও মোৰ বাবে পুৱা-গধূলি পালন কৰা নিয়ম। প্ৰাৰ্থনা

গাওঁতে মোৰ মনলৈ বাৰে ৰকমৰ ভাব আহি থাকে। দিনটোত হৈ যোৱা ঘটনাবোৰ— আইতাই মোক মেটেকা আনিবলৈ কৈছিল মই পাহৰিলোঁ, এতিয়া আইতাই গালি দিব নেকি বাৰু মোক ? বাইদেৱে মোক কালি চুলি জোঁকোৰা দিছিল মই হেনো প্ৰাৰ্থনা গাওঁতে চকু মেলি আছিলোঁ, কাৰণ তাই মোক দেখিছিল। তাই কেনেকৈ দেখিলে ? তাৰ মানে তায়ো চকু মেলি আছিল ? আজিও তাই চকু মেলি আছে নেকি ? মই প্ৰাৰ্থনা গাই থাকোঁতেই এবাৰ চকু মেলি তাইৰ ফালে চাওঁ, নাই তাই এতিয়া চকু মেলা নাই। দেউতা ঘৰত নাছিল, এতিয়া আহিছে চাগে, বাহিৰত মাত শুনিছোঁ। বেণুধৰ বৰতা এতিয়াও বহি আছে, দেউতা আহিছে, দেউতাৰ লগত কথা পাতিছে...

আমাৰ প্ৰাৰ্থনা শেষ হ'ল, শ্লোকো শেষ হ'ল— 'ওঁম শান্তি ওঁম।'

বেণুধৰ বৰতাক দেউতাই কৈছে— 'ককাই মই জানো দে কোনফাঁকি প্ৰাৰ্থনা কেতিয়া গাব লাগে, মোক শিকাব নালাগে।' দেউতাৰ ফিতাহি মৰা কথা। বৰতাই কথাটো ভাল নাপালে, সেয়েহে উঠি গুচি গ'ল।

আমাৰ সন্ধিয়াবোৰ এনেকৈয়ে আৰম্ভ হয়।

দীঘল বাঁহৰ টেবুলখনৰ এটা মূৰত মই বহি লওঁ আমি শোৱা চাংখনত। মোৰ কাষতে বহে ককাইদেউ। মই আৰু ককায়ে একেটা চাকিৰ পোহৰতে পঢ়োঁ। বাইদেউ নিলগাই বহে। তাই নিজাববীয়াকৈ এটা চাকি লয়। আমি যিমান জোৰেৰে পাৰি সিমান জোৰেৰে চিঞৰি পঢ়োঁ। কেতিয়াবা দেউতাই ভুমুকি মাৰি চায়, কেতিয়াবা মায়ো। আইতা সাধাৰণতে এইটো কোঠালৈ নাহে। আহিলেও আইতাই কিতাপৰ ভু-ভা নাপায়। মায়ে ৰঘৰত ভাতৰ চৰুত ধৰেগৈ, আইতাই জুহালত বহে, দেউতাই ইফাল সিফাল কৰি থাকে।

আমি যে মনপুতি পঢ়োঁ সেয়াও নহয়।

বাইদেৱে হেনো লগৰ এজনীৰ পৰা বহী এখন আনিছে আৰু বহীখন চাই চাই নিজৰ বহীত কিবা লিখি আছে। এসময়ত তাই নিজৰ কিতাপ-বহীৰ মাজত কিবা এটা খুঁচৰিছে। এনেদৰে খুঁচৰি থাকোঁতে কিতাপ এখন বাগৰি আহি চাকিত পৰিলহি। চাকি নুমাল। ভাগ্যে তেল নপৰিল। তাই আমাৰ কাষলৈ আহি চাকিটো আকৌ জ্বলালে। জ্বলাবলৈ আহোঁতে তাই দেখিলে যে ককাইদেৱে কাঠপেঞ্চিলেৰে বহীত লিখি আছে। বাইদেউৱে সুধিলে— 'কলম কি কৰিলি ?' কলম নাই, কলম হেৰাল। —'হেৰাল ? যোৱা সপ্তাহতহে কিনিছিলি ? কেনেকৈ হেৰুৱালি ?' — 'নাজানো, স্কুলৰ পৰা আহোঁতেই বাটত ক'ৰবাত পৰিল' —'তোৰ উৎপাত বাঢ়িছে, ৰ মাক ক'ম।' আচলতে আজি ককাইদেউ স্কুলৰ পৰা আহোঁতে বাটত তাক ল'ৰাকেইটামানে জোকাইছিল— 'তোৰ বায়েৰাক দিবি মোলৈ ?' তাৰ ভীষণ খং উঠিছিল, সি পিছে পিছে খেদি গৈছিল। এইদৰে দৌৰি যাওঁতেই ক'ত কলম পৰি থাকি আহিল সি গমকে নাপায়। হ'লেও সিতো নিজৰ খাতিৰত কলম হেৰুওৱা

নাই, সি বাইদেউৰ খাতিৰতে কলম হেৰুৱালে, অথচ এতিয়া তাই কৈছে— 'মাক ক'ম।'

কেতিয়াবা দেউতাই আহি ভুমুকি মাৰি চায়, কেতিয়াবা মায়ো চায়; মায়ে কাঢ়া মাতেৰে কয়— 'তহঁতে পঢ়িছনে? নে নিহপালী দি শুইছ?' মা আকৌ বৰঘৰলৈ গুচি যায়। অলপ পাছত ভাত খাবৰ হয়। মায়ে আহি মাতেহি— 'ল'ৰাহঁত ভাত খাবি আহ, টোপনিয়াই থাকিব নালাগে।' আমি কিতাপ বহী জপাই, হাতত চাকি লৈ হুৰহুৰকৈ ভাত খোৱা ঘৰলৈ দৌৰোঁ।

ভাতখোৱা কোঠাত (আমি জুহালৰ কোঠা বুলিছিলোঁ) জুহালৰ একাষে দেউতা বহি থাকে, পীৰা এখনত। অন্য কাষত আইতা বহি থাকে ঢৰা এখনত। মা বা সৰুপেহীয়ে খেৰৰ সোপা এটাৰে জুহালৰ মজিয়াখন সাৰে। পিতলৰ ঘটিত পানী এচলুৰে আইতা-দেউতাই ভাত খাবলগা ঠাইখিনি মচি দিয়ে। তাৰ পাছত চাৰিওফালে পীৰা পাৰি দিয়ে। মায়ে কাঁহীত বঢ়া ভাত আগবঢ়াই দিয়ে। আমি আটায়ে খাওঁ।

খাবৰ পৰত দেউতাই নীতি শিক্ষা দিয়ে— 'খোৱাৰো নিয়ম থাকে, খোৱাৰ সময়ত কথা ক'ব নাপায়। ইমান খৰকৈ খোৱাটো বেয়া অভ্যাস।' আইতাই কয়— 'ধীৰে সুস্থিৰে খাচোন, গোটেই ৰাতিটো আছে।' ৰাতিটো? ক'ত ৰাতিটো আছে? আমাৰ টোপনি ধৰা নাই? কেতিয়াবা মোৰ খোৱাৰ তলিতে টোপনি ধৰে। দেউতাই জোৰেৰে 'ঐ' বুলি চিঞৰি দিলে মোৰ টোপনি ভাগে। দেউতাই টেলেকাকৈ চায়। মায়ে পৰিস্থিতিটো পাতলাবলৈ কয়— 'দিনটো দৌৰি ফুৰে, সেয়েহে টোপনি ধৰিছে।' তাৰ পাছত আমাৰ ফালে লক্ষ্য কৰি কয়— 'বেগাই খা আৰু শোগৈ যা।'

—শুমগৈ? ক'ত শুম আজি?

তেতিয়া আমাৰ ককাই-ভাইৰ মাজত হোৱা যুঁজসমূহৰ ভিতৰত শোৱাৰ যুদ্ধখনেই আছিল আটাইতকৈ স্মৰণীয়। কোনখন চাঙত কাৰ লগত কোন শুব সেইটো আছিল আমাৰ বাবে সৰ্বাধিক চিন্তনীয় বিষয়। কোনে আধিপত্য বিস্তাৰ কৰিব মাৰ চাঙত? কোন শুব আইতাৰ লগত? আৰু দেউতা আৰু মা যিদিনা একেলগে নোশোৱে (মা নোৱৰা হ'লে) তেতিয়া দেউতাৰ লগত কোন শুব?

মায়ে যদি কয়— 'তই সৰুটোৱে বাপেৰৰ লগত শোগৈ যা', তেন্তে সেইদিনা মোৰ মৰণ। আৰু যদি কয়— 'তই ডাঙৰটোৱে বাপেৰৰ লগত শোগৈ যা', তেন্তে মোৰ আনন্দ।

আচলতে আমি আটায়ে দেউতাক ভয় কৰিছিলোঁ। সাংঘাতিক ভয়। ৰাতি ভূতৰ ভয় আৰু দেউতাৰ লগত শোৱাৰ ভয় সমান। সেই ভয়, সেই বিচ্ছিন্নতা আমাৰ সত্তাত আজীৱন থাকি গৈছিল। দেউতাৰ কঠোৰ মাতত আমাৰ বুকু দুৰু দুৰু কঁপিছিল। দেউতাৰ তীক্ষ্ণ চাৱনিত আমাৰ অস্তিত্ব জ্বলি ছাই হোৱাৰ উপক্ৰম হৈছিল। দেউতাৰ মাত, দেউতাৰ সিদ্ধান্তই আছিল অন্তিম কথা— তাত আমি মাত মতাৰ সাহ নাছিল।

সেয়েহে, শুবৰ পৰত আমাৰ দৃষ্টি হয় আইতাৰ চাঙত নহয় মাৰ চাঙত। এই চাংকেইখন যি আগেয়ে দখল কৰিব সিয়েই জয়ী। মাৰ চাঙত শুব পৰাটো আছিল এক অনন্য সোৱাদ। বহল চাংখনত, বেৰৰ ফালে মূৰ গুঁজি, গাত কঁথা এখন লৈ শোৱাৰ পিছ মুহূৰ্ততে টোপনিয়ে হেঁচা মাৰি ধৰিছিল। ৰাতিৰ গভীৰতাত গম্ভীৰ হৈছিল টোপনি, যেন মনৰ কোঠালিয়ে কোঠালিয়ে জিৰাইছিল টোপনি।

(দুই)

মই যি ঠাইত, যি পৰিয়ালত জন্ম লৈছিলোঁ, সেই ঠাইত আধুনিক জ্ঞান-বিজ্ঞান-সভ্যতাৰ শিক্ষা লোৱাৰ সপোন দেখাটো প্ৰায় অবাস্তৱৰ দৰে আছিল।

মোৰ জন্ম হৈছিল অসম-অৰুণাচল সীমান্তৰ কৈলাসপুৰৰ টঙনা ন-গাঁও নামৰ গাঁৱত। মানুহে আমাৰ গাঁওখন বেতনি গাঁও বুলিছিল।

মোৰ জন্মৰো আগতে আমাৰ ককা-আইতাই সেই গাঁৱত কেনেকৈ খোপনি পুতিছিলগৈ সেয়া কৈ নল'লে মোৰ অথবা আমাৰ পৰিয়ালৰ সামগ্ৰিক কাহিনী আধৰুৱা হৈ ৰ'ব।

আমাৰ পূৰ্বপুৰুষসকল আহোম ৰজাৰ দিনত হাতীৰখীয়া হোৱাৰ বাবেই আমাৰ উপাধি প্ৰথমতে হাতীচুঙ্গী আৰু ক্ৰমান্বয়ে মাউত হৈছিলগৈ। কিন্তু দূৰ অতীতত এই পূৰ্বপুৰুষসকলে ক'ত কেনেকৈ বাস কৰিছিল জনা নাযায়। শুনামতে আমাৰ আজোককা অৰ্থাৎ ককাৰ দেউতাকহঁত যোৰহাটৰ কোনোবা ঠাইৰ পৰা ডিব্ৰুগড়ৰ নাহৰকটীয়া অঞ্চললৈ উঠি আহিছিল। নাহৰকটীয়াৰ চাচনি অঞ্চলৰ শান্তিপুৰত আজোককাই মাটি ভাঙিছিলহি। আজোককাৰ পুতেক আছিল তিনিজন— আমাৰ ককা অকন্তি আৰু ককাৰ দুজন ককায়েক। কালৰ সোঁতত অকন্তিয়ে ডাঙৰ ককায়েক ফলঙৰ সৈতে নতুন ঠাই নতুন মাটি বিচাৰি পুনৰ প্ৰব্ৰজন কৰিছিল। ফলত ফলং আৰু অকন্তি আহি তিনিচুকীয়া জিলাত অৰ্থাৎ মোৰ ওপজা ঠাই কৈলাসপুৰ পাইছিলহি। অটব্য অৰণ্য ভাঙি গাঁও পাতিবলৈ লগত আৰু বহুলোক আহিছিল। তেতিয়া এই গোটেই অঞ্চলটো আছিল গভীৰ অৰণ্য, দুৰ্গম ঠাই। কিন্তু ক্ৰমাৎ মানুহৰ প্ৰব্ৰজনৰ ফলত এই ঠাই থকাৰ উপযোগী হৈ উঠিছিল।

অকন্তিৰ মাটিৰ দাগটো আছিল গাঁওখনৰ একেবাৰে সোঁমাজত। মানুহবোৰে কৈছিল, আমাৰ ককা অকন্তি হেনো বৰ উদাৰ মনোভাবৰ মানুহ আছিল, সেয়েহে নিজৰ মাটি আনক দান কৰিছিল তেওঁ। সেয়েহে অকন্তিৰ ভাগত থাকিলগৈ গাঁওখনৰ ভিতৰতে আটাইতকৈ কম মাটি। তদুপৰি, মাটি থাকিলেও খেতিৰ বাবে সকলো মাটি উপযোগী নাছিল। আচলতে অটব্য অৰণ্য ভাঙি লৈছিলহে, ইমান সতকাই এই গোটেই মাটিবোৰ

খেতি-পথাৰলৈ ৰূপান্তৰ কৰাটো সম্ভৱপৰ নাছিল।

বেতনিত হাবি ভাঙি গাঁও পতাৰ কেইবছৰমানৰ পিছতে অকন্তিৰ বিয়া হৈছিল। পিছে ককাৰ প্ৰথমখন বিয়া নিটিকিল। কাৰণ অকন্তিৰ ঘৈণীয়েকৰ প্ৰথমটো সন্তান জন্ম দিয়াৰ সময়ত প্ৰসৱজনিত ব্যাধিত মৃত্যু হৈছিল, মৃত্যু হৈছিল সন্তানটিৰো। প্ৰথমা পত্নীৰ মৃত্যুৰ পাছত গাঁৱৰ মানুহে অকন্তিক আকৌ বিয়া পাতিবলৈ উপদেশ দিছিল। গাঁৱৰ ধনীৰামেই ছোৱালী চাই দিছিল। ধনীৰামৰ সম্বন্ধীয় ভনীয়েক এজনী— নাহৰকটীয়াৰ চাচনিত ঘৰ। ফলত অকন্তিৰ দ্বিতীয় বিবাহ হৈছিল পদ্মেশ্বৰীৰ লগত। পদ্মেশ্বৰীৰো আগেয়ে এবাৰ বিবাহ হৈছিল। কিন্তু সেই বিবাহ এবছৰো টিকা নাছিল। পদ্মেশ্বৰীৰ প্ৰথমটো গিৰীয়েকে হেনো তাইক অন্য পুৰুষৰে সম্পৰ্ক থকা বুলি সন্দেহ কৰিছিল— সেয়েহে সেই বিয়া বেছিদিন টিকা নাছিল। পদ্মেশ্বৰী অকন্তিলৈ বিয়া হৈ অহাৰপাছতে আমাৰ দেউতা তিলেশ্বৰৰ জন্ম হৈছিল। তিলেশ্বৰৰ পাছতে আৰু এটি ল'ৰা আৰু তিনিজনী ছোৱালীৰ জন্ম হৈছিল। গতিকে দেউতাহঁতৰ মুঠ ককাই-ভাই, ভাই-ভনী আছিল পাঁচটি।

বালক তিলেশ্বৰক সেই সময়ত নতুনকৈ স্থাপন হোৱা কৈলোসপুৰৰ স্কুলত নাম লগাই দিয়া হৈছিল। তিলেশ্বৰৰ বয়স যেতিয়া দহ-বাৰ বছৰমান হৈছিল, তেতিয়াই দেউতাক অকন্তিৰ যক্ষ্মা ৰোগত মৃত্যু হৈছিল। অকন্তিৰ মৃত্যু হৈছিল ডিব্ৰুগড়ৰ হাস্পতালত। সেয়েহে অকন্তিৰ শৱটো ঘৰলৈ অনাটো সম্ভৱপৰ নাছিল। অকন্তিৰ মৃত্যুত পদ্মেশ্বৰী ভাগি পৰিছিল— এই এমাডিমা পাঁচোটি সন্তানক লৈ কেনেকৈ জীৱন আগুৱাব? কিন্তু পদ্মেশ্বৰীৰ দুখ ইয়াতে অন্ত পৰা নাছিল। অকন্তিৰ মৃত্যুৰ তিনিমাহৰ পাছত, তিলেশ্বৰৰ ভায়েক, দ্বিতীয়টি পুত্ৰ সন্তানৰো বিয়োগ হৈছিল। মানুহে কোৱা-কুই কৰিছিল— অকন্তিৰ আত্মাই নিজৰ লগৰীয়া কৰিবলৈকে পুতেকক ইপুৰীলৈ লৈ গৈছিল।

তিলেশ্বৰৰ আৰু পঢ়া নহ'ল। পদ্মেশ্বৰীয়ে গিৰীয়েকৰ অকাল মৃত্যুত জীৱনৰ সমস্ত দায়িত্ব অকলে ল'ব লগা হ'ল। জীৱন নামৰ পদযাত্ৰাৰ সন্মুখত এক দীঘল প্ৰত্যাহ্বান। চাৰিটা ল'ৰা-ছোৱালীক পোহপাল দিয়াৰ দায়িত্ব, নিজৰ বিধৱা দেহৰ দায়িত্ব এই দুৰ্গম জংঘলহেন অঞ্চলত কেনেকৈ পালন কৰিব? এনে কণ-কণ ল'ৰা-ছোৱালীকেইটাক লৈ পদ্মেশ্বৰীয়ে নিজে খেতি-খোলা কৰি জীৱন নিৰ্বাহ কৰিব পাৰিব জানো?

অসম্ভৱ— অসম্ভৱ!

অসম্ভৱ হ'লেও উপায় নাই। জীয়াই থাকিবতো লাগিব।

শুনা মতে, সেই অঞ্চলত বন্য জীৱ-জন্তুৰ উপদ্ৰৱো আছিল অত্যধিক। সহজেই অনুমান কৰিব পৰা যায় যে অৰণ্য কাটি শেষ কৰি অনাত অতদিনে বাস কৰি অহা জীৱ-জন্তুবোৰৰ থাকিবলৈ ঠাই নাইকিয়া হ'ল। ফলত অকণমান হাবি পালেই, মানুহৰ ওচৰে-পাঁজৰেই সহাৱস্থান কৰিবলৈ ল'লে। মানুহৰ নিষ্ঠুৰতাৰ বলি হৈ বহুতো পশু-পক্ষী ধ্বংস

হ'ল; যিবোৰ থাকিল, সিহঁত হৈ পৰিল হিংসুক। ছল চাই মানুহক ওলোটাই আক্ৰমণ কৰিবলৈ ধৰিলে। ৰাতি-ৰাতি মানুহৰ ঘৰৰ আশে-পাশেই বিচৰণ কৰিবলৈ ধৰিলে।

বাঘৰ উপদ্ৰৱত মানুহবোৰৰ বৰ বিলৈ হৈছিল। বাঘে গোহালিৰ পৰাই গৰু-ছাগলী লৈ গৈছিল। খেতিয়ক মানুহৰ বাবে গৰুৱেই আছিল একমাত্ৰ সম্পদ। কিন্তু গএগৰ ভয় হৈছিল— কেতিয়াবা বাঘে মানুহকে যদি উঠাই লৈ যায়? সেই ভয়তে পদ্মেশ্বৰীয়ে হেনো আটাইকেইটা সন্তানক বুকুত সাবটি বাঁহৰ চাং এখনত উজাগৰী নিশা পাৰ কৰি দিছিল। ভালুক আহি পিছফালৰ চোতাল পাইছিলহি। হাতী আহি ঘৰৰ কাষত থকা নামঘৰত সেৱা লৈছিলহি। দুৰত হুদু চৰাইৰ গহীন মাত, বাৰীৰ ঢাপত শিয়ালৰ হোৱা, ৰাতিবোৰ জয়াল। আমাৰ ঘৰৰ বাৰীৰ পিছফালে সেই তাহানি দিনৰে জয়াল হাবি এখনৰ একাংশ এতিয়াও সংৰক্ষিত কৰি থোৱা আছে। কোন কাহানিৰ অৰণ্যৰ মাজৰ এছোৱা যে দুটা প্ৰজন্মৰ পিছলৈকে সংৰক্ষিত হৈ থাকিব, সেই কথা হয়তো অকন্তি-পদ্মেশ্বৰীয়ে কল্পনাও কৰিব পৰা নাছিল।

এই খণ্ডৰ পৃথিৱীলৈ যাতায়াতৰ ব্যৱস্থা তেনেকৈ নাছিলেই। দূৰণিবটীয়া আলহী আহিলে ডুমডুমাৰ পৰা বেতনিলৈ কমেও আধা দিন খোজ কাঢ়িব লাগিছিল। সেই সময়ত ডুমডুমালৈকে ৰে'লৰ সুবিধা আছিল। কিন্তু নাহৰকটীয়াৰ পৰা অকন্তি অথবা পদ্মেশ্বৰীৰ ঘৰৰ ফালৰ আলহী আহিলে কেতিয়াবা তিনিচুকীয়াৰ পৰাই খোজ কাঢ়িব লাগিছিল (ৰে'ল নচলিলে)। এনেকুৱা অৱস্থাত প্ৰায় দুদিন খোজ কাঢ়ি গৈ মানুহবোৰ আমাৰ গাঁৱত উপস্থিত হৈছিলগৈ। ইফালে ৰাস্তা-ঘাটৰ আকাৰ-আকৃতি আছিল অতি শোচনীয়, বাৰিষাৰ দিনত ফেনে-ফোটোকাৰে বৈ থকা নৈ-জান পাৰ হৈ দূৰণিবটীয়া মানুহবোৰ আমাৰ গাঁৱলৈ অহাটো আছিল কল্পনাৰো অগোচৰ। এই আলি-পদূলিবোৰ কেইবাদশক ধৰি ইমানেই শোচনীয় আছিল যে অকন্তিহঁতে নতুন ঠাইত ঘৰ পতাৰ প্ৰায় ছয় দশকৰপাছত মই মেট্ৰিক পাছ কৰি তিনিচুকীয়াত নাম লগাওঁতে ময়ো দৈনিক পাঁচঘণ্টা বাট অহা-যোৱাৰ নামত খোজ কাঢ়িব লগা হৈছিল।

এবাৰ হেনো নাহৰকটীয়াৰ পৰা আমাৰ দেউতাৰ সম্বন্ধীয় বায়েক তথা আপায়েকৰ জীয়েক আমাৰ ঘৰলৈ ফুৰিবলৈ আহিছিল। ৰে'লৰ পৰা নামি ডুমডুমাৰ পৰা খোজেৰে আহোঁতে কলাফুল শুকাই গৈছিল।

ভাগৰুৱা শৰীৰৰ পৰা সকলো শক্তি বাষ্প হৈ উৰি গৈছিল। শক্তি ওভতাই পাবলৈ কেইবাদিনো খাব লগা হৈছিল। শৰীৰত শক্তি ঘূৰাই পোৱাৰ পিছত গাভৰুহঁত আকৌ চঞ্চল হৈ পৰিছিল, কাৰণ ইয়াত মাক-দেউতাকৰ হকা-বাধা নাছিল। বেছ মুকলিভাৱে চাল-চলন কৰিবলৈ পাইছিল। তেতিয়ালৈ আমাৰ পেহীকেইজনীও গাভৰু হৈছিল। আটাইকেইজনী গাভৰুৰ হাঁহি-খিকিন্দালিত ঘৰ ৰজনজনাই আছিল। তেতিয়া দেউতাৰ হেনো ভীষণ অভিযোগ। গাভৰুহঁতক অতিপাত ৰং-ৰহইচ নকৰিবলৈ বাৰে বাৰে সতৰ্ক কৰি দিছিল। গোটেই ঘৰখনত দেউতাই আছিল একমাত্ৰ পুৰুষ। গাভৰুহঁতৰ চঞ্চলতা

ইমানেই বাঢ়ি গৈছিল যে এদিন হেনো দেউতাই শুই উঠিয়েই গাভৰুহঁতক একেলগে শাৰীপাতি প্ৰস্ৰাৱ কৰি থকা দেখিবলৈ পাইছিল। দেউতা খঙত অগ্নিশৰ্মা হৈ 'এনে অমংগলীয়া কাম কিয় কৰ' বুলি হালোৱা এচাৰিৰে গাভৰুহঁতৰ টিকাত কোব শোধাইছিল। আইতাই তেতিয়াই সিদ্ধান্ত লৈ কৈছিল— 'তিলেশ্বৰক বিয়া পাতি দিলেহে ইয়াৰ উপদ্ৰৱ কমিব।'

পিছে ছোৱালী ক'ত?

নিৰ্মালিৰ ঘৰ শিৱসাগৰত। নিৰ্মালিৰ দেউতাকক পথাৰত হাল বাবলৈ যাওঁতে বজ্ৰপাতত মৃত্যু হোৱাত সিহঁতৰ পৰিয়ালটো দুটা ভাগত বিভক্ত হৈছিল। নিৰ্মালি আৰু ডাঙৰটো ভায়েক শিৱসাগৰতে বৰতাকহঁতৰ লগত থাকিবলৈ লৈছিল। আনফালে মাক, ভনীয়েক আৰু সৰু ভায়েকে টালি-টোপোলা লৈ নিৰ্মালিৰ খুৰাকহঁতৰ সৈতে নতুন মাটি ভাঙিবলৈ গৈছিল ডুমডুমাৰ দ-পথাৰ গাঁৱলৈ। শিৱসাগৰৰ ফুলেশ্বৰী হাইস্কুলত অষ্টম শ্ৰেণীলৈকে পঢ়ি নিৰ্মালিয়ে পঢ়া বাদ দিছিল।

পঢ়া শুনা বাদ দিলত এবাৰ হেনো নিৰ্মালি দ-পথাৰ গাঁৱলৈ আহিছিল, মাকহঁতৰ লগত দীঘলীয়াকৈ থকাকৈ। নিৰ্মালিৰ মনলৈ মাকহঁতৰ সান্নিধ্যই আনি দিছিল সুখ-শান্তি, আনফালে দ-পথাৰৰ যাতায়াতবিহীন কেঁচাময় বাট পথে আনি দিছিল বিৰক্তি। মনৰ এনে এক দোদুল্যমান অৱস্থাত অৱস্থান কৰোঁতেই এটা খবৰ আহিছিল— বেতনিৰ এটা দৰাই নিৰ্মালিক চাবলৈ অহাৰ কথা।

দুয়োঘৰৰ সন্মতিত ক্ষিপ্ৰতাৰে কোনো অসুবিধাৰ সন্মুখীন নোহোৱাকৈয়ে তিলেশ্বৰ আৰু নিৰ্মালিৰ বিয়া হৈ গৈছিল। বিয়াৰ সময়ত তিলেশ্বৰ-নিৰ্মালিৰ বয়স হয়তো ওঠৰ-ঊনৈশমান হৈছিল। এই বিয়াৰ ফলশ্ৰুতিতে প্ৰথমে এটি কন্যা সন্তান, দ্বিতীয়তে এটি পুত্ৰ সন্তান আৰু তৃতীয়তে মোৰ জন্ম হৈছিল। মোৰ পিছতো আৰু দুটি পুত্ৰ সন্তানৰ জন্ম হৈছিল।

(তিনি)

এলাৰ্ম ঘড়ীৰ দৰে বাজি উঠা দেউতাৰ কৰ্কশ মাতত সাৰ পাওঁ।

—'সৰুদৌ উঠ। ডাঙৰ দৌ উঠ।'

দেউতাই চিঞৰিছে। এবাৰ, দুবাৰ...

মায়ে কৈছে— 'ইমান মৰ টোপনি নে তহঁতৰ?'

অনিচ্ছা সত্বেও চাং এৰোঁ আমি। মধুময় টোপনিৰ কোলাৰ পৰা নামি আহি মাটিত ভৰি থওঁ। জাৰৰ দিনত মজিয়াৰ মাটি ইমান চেঁচা। মা-আইতাই বৈ দিয়া ডাঙৰী সূতাৰ

চাদৰ এখন গায়ে-মূৰে মেৰিয়াই আধা টোপনিৰেই চাওঁৰ পৰা নামি আহোঁ। আন্ধাৰতে খেপিয়াই চাকিটো জ্বলাব খোজোঁ। জুইশলা কাঠী ঘঁহনি খোৱাৰ মাত শুনি, আকস্মিক পোহৰৰ ৰেশ দেখি দেউতাই পুনৰ চিঞৰি উঠে— 'বাহিৰত পোহৰ হৈছে, বাৰাণ্ডাত পঢ়গৈ যা, চাকি জ্বলাই চাকিৰ তেল শেষ কৰিব নালাগে।' উপায়ন্তৰত আমি কিতাপ ফলি লৈ ঘৰৰ বাহিৰলৈ ওলাওঁ। বাহিৰত দেখ-নেদেখকৈ পোহৰ হৈছে। পিৰালিত ঢাৰি এখন পাৰি বহোঁ। সন্মুখত পীৰা এখন পাৰি কিতাপ থওঁ। গাত চাদৰখন ভালকৈ মেৰিয়াই লৈ (যাতে ঠাণ্ডাই আমনি নকৰে) কিতাপৰ পাত লুটিয়াওঁ। চিঞৰি চিঞৰি পঢ়োঁ। গোটেই পৃথিৱীখন যেতিয়া 'চিকুণ-পুৱাৰ' আৰামি আচ্ছন্নতাত শুই থাকে, আমি কেইটিমান শিশুৱে— কিতাপৰ বাক্য আওৰাওঁ।

তেনেকৈয়ে আৰম্ভ হৈছিল আমাৰ শৈশৱৰ দিনবোৰ। আহিন সোমালেই বাম খেতিৰ দিন আহে। দেউতাই শুই উঠি এঙাৰ মাৰি দাঁত চাফা কৰে। তাৰ পাছত মুখত তামোল এখন সোমোৱাই হাললৈ যায়। যোৱাৰ সময়ত কৈ যায়— 'তহঁতে এতিয়া এখন্তেক পঢ়ি ল। আজি খেতি তলীত কচু বাচিব লাগিব।' খেতিৰ মাটিত বনৰীয়া কচুৱে ছানি ধৰে, সেয়ে হাল বাওঁতে ওলোৱা কচুবোৰ বুটলি দূৰৈত পেলাই দিব লাগে। এই কামটো কৰিবলৈ দেউতাৰ সময় নহয়গৈ, সেয়েহে আমি সময়ে সময়ে কচু পেলাবগৈ লাগে। কেতিয়াবা দেউতাই কৈ থৈ যায়— 'আজি মৈ দিম, তই সৰুদৌ বা ডাঙৰ দৌ কোনোবা এটা আহিবি মৈত উঠিবলৈ।' কেইচাহমান হাল বোৱাৰ পাছত মাটিৰ লডাবোৰ গুড়ি কৰিবলৈ মৈ দিয়া হয়। দেউতাই হালোৱা তলীৰ পৰাই মাজে মাজে আমাৰ ফালে চকু কাণ দি থাকে— আমি পঢ়িছোঁ নে নাই তাৰ সন্তেদ ল'বলৈ। দেউতাই কয়— জোৰেৰে পঢ়িবি, যাতে হাল বাই থাকোঁতে মই শুনিবলৈ পাওঁ। পাছত, বেলিটোৱে যেতিয়া দুই নং বেতনি গাঁৱৰ ওপৰত ভুমুকি মাৰেহি, তেতিয়া মায়ে দেউতালৈ পানী লৈ যায়। চেনি দিয়া গৰম পানী, লগত চেনিকল দুটামান। পানী দি যেতিয়া মা ঘৰলৈ উভতি আহে, তেতিয়া খবৰ আহে আজি কোন মৈত উঠিবলৈ যাব, নতুবা কচু পেলাবলৈ আজি যাব লাগিব নে নাই। 'সৰুদৌ তোক দেউতাৰে মৈত উঠিবলৈ মাতিছে'— এইবুলি কৈ মা ভিতৰলৈ যায়গৈ। মই কিতাপ-পত্ৰ সামৰি ভিতৰৰ নিৰ্দিষ্ট স্থানত থৈ আহোঁগৈ, ঢৰাখন থৈ আহোঁগৈ জুহাল ঘৰত। থৈয়েই খেতিৰ তলীলৈ দৌৰোঁ। মই যোৱাৰ পৰত ককাই আৰু বাইদেউ কিতাপৰ পাতহে বহি থাকে।

দেউতাই ইতিমধ্যে নাঙলটো সোলোকাই আঁতৰাই থয়, নাঙলৰ ঠাইত মৈখন লগাই দিয়ে। মাটিবোৰত চাৰিচাহ পৰিছেহে, মাটিৰ লডাবোৰ তেতিয়া ডাঙৰ ডাঙৰ হৈয়েই আছে। দেউতাই কয়— 'বহ, মাজত বহিবি, ভালকৈ ধৰি ল'বি।' গৰুহালক যাবলৈ নিৰ্দেশ দি দেউতাই মৈয়াবলৈ আৰম্ভ কৰে। অসমান তলীত মৈত উঠি মোৰ যাত্ৰা আৰম্ভ হয়।

কোমল হ'লেও মাটিবোৰ ভগা নাই, সেয়েহে মৈত ভাৰ বেছি কৰিবলৈ কেতিয়াবা দেউতাও জাঁপ মাৰি মৈত উঠি দিয়ে। গৰুহালে টানিব নোৱৰা যেন পালে আকৌ নামি দিয়ে। আহিন, কাতি আনকি আঘোণ পর্যন্ত বর্তি থাকে আমাৰ এই বাম খেতিৰ পর্ব। আঘোণৰ শেষৰফালে বেলিৰ কিৰণত যেতিয়া তাপ নোহোৱা হৈ আহে, যেতিয়া নিয়ৰৰ কণিকাত ভৰি লাগিলেই গা শিয়ৰি উঠে, তেতিয়া স্বতঃস্ফূর্তভাৱে বন্ধ হয় আমাৰ খেতিৰ পর্ব।

তেতিয়ালৈ পথাৰত ধান দোৱাৰ দিন আহেই।

আঠমান বাজোঁতেই দেউতাই হাল খুলি দিয়ে। গৰুহালক আগফালৰ পুখুৰীত পানী খুৱাই পিছফালৰ বাঁহনিত এৰাল দি থয়। দেউতাই আহি হাত-ভৰি ধোৱে মানে মায়ে বৰঘৰত ভাতৰ যোগাৰ কৰে। ভাত খাবৰ হয়, মায়ে চিঞৰে, আমি হুৰমূৰকৈ দৌৰোঁ জুহালৰ ঘৰলৈ। জুইৰ কাষত আইতাই হাত সেকি-সেকি বহি থাকে, মায়ে পানী ছটিয়াই মজিয়াখন মচে, এভাগ-এভাগকৈ ভাত বিলায়...।

খোৱাৰ পৰত আইতাই আব্দাৰ কৰে— 'চাচোন ইমান শুদা শুদা ভাত, কেৱল আলু আৰু বঙালাউ জোলেৰে ভাত কেনেকৈ খাওঁ? মাছ-পুঠি এটাও নাই।' তাৰ পাছত মৰমসনা মাতেৰে মোৰ ফালে চাই আইতাই কয়— 'সৰুদৌ, তই আজি স্কুলৰ পৰা আহোঁতে বাটৰ খাল, নলাবোৰত মেটেকা ফুল পাৱ যদি আনিবিচোন দেই, সোণটো।'

খাই থকা ঠাইৰ পৰা মূৰ দাঙি দেউতাই চায় এবাৰ মোৰ ফালে, এবাৰ আইতাৰ ফালে। দেউতাৰ তীক্ষ্ণ দৃষ্টিত মই তল মূৰ কৰি ভাত খাওঁ।

(চাৰি)

মোৰ জন্মৰ কেইবছৰমান আগতেই ডাঙৰ পেহীৰ বিয়া হৈ গৈছিল। মাজু পেহীক বিয়া দিওঁতে মোৰ বয়স তিনি-চাৰি বছৰমান। সেয়েহে মাজু পেহীৰ বিয়াৰ কথা মোৰ স্পষ্টকৈ মনত নাই। মাজুপেহীৰ বিয়াৰ মাত্ৰ এটা দৃশ্য মোৰ মনত আছে— 'মই বৰঘৰৰ কোঠা এটাত ৰৈ আছোঁ— পেহীয়ে কান্দিছে— খুউব কান্দিছে— ৰাতি কিমান হৈছে নাজানো। পেহীক বিয়া দিয়া হ'ল দ-পথাৰলৈ। পেহী বিয়া হৈ যোৱাৰ পাছত আইতাৰ লগত সেই গাঁৱলৈ কেইবাবাৰো যোৱা মনত পৰে। কিন্তু বাৰিষাৰ দিনত তালৈ যোৱা নাছিলোঁ। খেতি চপোৱাৰ পাছত পেহীৰ ঘৰলৈ গ'লে পথাৰৰ মাজৰ চমু বাটেৰে যাব পাৰি। চমু বাটেৰে খোজ কাঢ়ি গ'লে পেহীৰ ঘৰলৈ আমাৰ ঘৰৰ পৰা প্ৰায় এক-ডেৰ ঘণ্টা লাগে। আলি-পদূলি প্ৰায় বন্ধ হৈ আহিছিল। বাটটোৰ কথা মনত পৰিলে যাওঁ বুলিলেও যাব নোৱাৰিছিলোঁ। পেহীয়ে আহি আব্দাৰ কৰিছিল— 'তহঁতেতো মোৰ ঘৰৰ বাট পাহৰিলিয়েই, মই মৰিলোঁ বুলিয়েই ধৰিলি।' পেহীৰ সৈতে বাঢ়ি অহা এই বিচ্ছিন্নতাৰ

নহয়, পাঁচজন আহিছিল। আইতাই ধেমালিতে কৈছিল— 'গোটেই গাঁওখনেই আহিছে নেকি অ'?' আলহী হেনো কাকপথাৰৰ পৰা আহিছিল। চাইকেলেৰে আহিছিল। মূৰত চুলি কম থকা আৰু চকুৰে কেঁঞাকৈ চোৱা মানুহ এজনো আহিছিল, যাৰ বয়স হয়তো দেউতাতকৈও বেছি আছিল। তেওঁ বৰকৈ কথা কৈছিল। মটীয়া ৰঙৰ লংপেণ্ট এটা পিন্ধিছিল আৰু ভৰিত পিন্ধিছিল এযোৰ চেণ্ডেল। তেওঁ অনৰ্গল কথা কৈছিল— 'আমাৰ কিন্তু ছোৱালী পছন্দ হৈছে দেই। সোনকালে কামফেৰা কৰিব লাগে, এই মাহতে ল'ৱাৰ ঘৰত বোৱাৰী এজনীৰ দৰকাৰ।' 'আমাৰ ছোৱালী কিবা বজাৰৰ গৰু-ছাগলী নেকি, দৰাৰ ঘৰ নোচোৱা-নেমেলাকৈ দিম?' আইতাই কৈছিল। পিছত শুনিছিলোঁ— বৰকৈ কথা কোৱাজন হেনো ছোৱালী চাবলৈ অহাজনৰ মোমায়েক। আলহীবোৰ বহিছিল আমাৰ ঘৰৰ মাজৰ কোঠাটোত থকা চাংখনত। আইতা দুৱাৰৰ ওচৰতে পীৰা পাৰি বহিছিল। মই আইতাৰ গাতে আঁউজি আটাইৰে কথা শুনি আছিলোঁ। এজনে মুখত তামোল এখন চোবাই চোবাই কোনো কথাৰ ৰগৰ উলিয়াই বৰকৈ হাঁহিছিল। এবাৰত তেনেকৈ জোৰেৰে হাঁহোঁতে মুখৰ পৰা পিক ওলাই কাষৰ কেইজনৰ গা বোলাই দিছিল। আইতাৰ মুখৰ পৰা ছিঃছিঃ জাতীয় শব্দ এটা ওলাই আহিব খুজিছিল।

পেহীক চাবলৈ অহাজন ক'লা বৰণৰ, খীণ আছিল। ডাঠ চেলাউৰী, উজ্জ্বল মুখ আৰু মূৰত লিপিট খাই থকা চুলিৰে অৱশ্যে তেওঁ সাজি-কাচিয়েই আহিছিল। মানুহজনে হয়তো নিজকে শকত-ডাঙৰ কৰি তুলিবলৈ কেইবা তৰপৰ কাপোৰ পিন্ধিছিল। বৰকৈ কথা পতা নাছিল— এক সৌম্য-গাম্ভীৰ্যত বুৰ গৈ আছিল তেওঁ। পিৰিক-পাৰাককৈ ইফালে-সিফালে চাইছিল তেওঁ। (হয়তো পেহীক চাবৰ বাবে মন ব্যাকুল হৈ উঠিছিল।) মানুহজনৰ ফালে মই বহু সময় চাই আছিলোঁ আৰু ভাবিছিলোঁ— পেহীৰ সৈতে জানো মিলিব? আলহীৰ সৈতে কথা পাতিবলৈ দেউতা বহু দেৰিকৈহে ওলাই আহিছিল। (সেই কথাটোত আইতা বিতুষ্ট হৈ পৰিছিল আৰু আলহী যোৱাৰ পাছত দেউতাক ককৰ্থনা কৰিছিল।) দেউতাক দেখি পেহীক চাবলৈ অহাজনে এটা সুদীৰ্ঘ নমস্কাৰ দিছিল। দেউতাই ইটো-সিটো সোধাত তেওঁ সেমেনা-সেমেনিকৈ উত্তৰ দিছিল। বেছি কথা কোৱাজনে পেহীক চাবলৈ অহাজনক ঘোপাকৈ চাইছিল। আলহীৰে সৈতে কথা পাতিবলৈ মা আৰু পেহী একেলগে ওলাই আহিছিল। আলহীক চাহ-জলপান-তামোল খাবলৈ দিছিল পেহী আৰু মায়ে।

পেহীৰ ৰূপ লাৱণ্য হেনো আলহীয়ে বৰ পছন্দ কৰিছিল। বেছিকৈ কথা কোৱাজনে বাৰে বাৰে কৈছিল— 'আমাৰ ফালৰ পৰা আমি সিদ্ধান্ত ল'লোঁৱেই, আমাক ছোৱালী লাগে, যিমান পাৰি সোনকালে।' আইতাই কৈছিল— 'লাগে বুলিলেই হ'ল নে? আপোনালোক গৰু চোৰেই নে ছাগলী চোৰ কেনেকৈ জানিম আমি, আমিও দৰাৰ ঘৰ

চাব লাগিব, তাৰপাছতহে সিদ্ধান্ত ল'ব পাৰিম।'

—হ'ব, দিন-বাৰ চাই আপোনালোকো আহিব আমাৰ ঘৰলৈ, বেছি কথা কোৱাজনে কৈছিল।

পথাৰৰ সেউজীয়া ধাননিৰ একা-বেঁকা পথেৰে তেওঁলোক উভতি যাওঁতে বেলি পৰিবৰ হৈছিল।

সেইদিনা ৰাতিলৈ দেউতাই ঘৰত কন্দলৰ সূত্ৰপাত কৰিছিল। গধূলিতে গৰু-গাই বান্ধি দেউতা ক'ৰবালৈ ওলাই গৈছিল। কিন্তু আন্ধাৰ হোৱাৰ পিছতে দেউতা ঘৰ সোমাইছিলহি। দপ্‌দপ্‌কৈ খোজ দি দেউতা পোনছাটে জুহাল ঘৰ পাইছিলগৈ। জুহালত মায়ে শাক কুটি আছিল, আইতা আছিল জুইৰ কাযত। দেউতাই আইতাক উদ্দেশ্যি কৰ্কশ মাতেৰে কৈছিল— 'মানুহক কথা ক'ব নাজান।' আইতাই প্ৰত্যুত্তৰত কৈছিল—

—অ আই, মইনো কি ক'লোঁ?

দেউতাই কোনো উত্তৰ নিদি দপ্‌দপাই ওলাই গৈছিল।

আচলতে আইতাই যে কৈছিল— আলহী গৰু চোৰেই নে ছাগলী চোৰ আদি বুলি, সেই কথাতে দেউতা বিতুষ্ট হৈছিল। আলহী থকা অৱস্থাতে দেউতাই একো নক'লেও, 'আলহী যাওক ৰ, গধূলিকে তহঁতক এমজা দিম' বুলি পাঙি আছিল। অলপ সময়ৰ পাছত দমকলত হাত-ভৰি ধুই দেউতাই গুজৰি-গুমৰি পুনৰ ঘৰ সোমাইছিলহি। এইবাৰ আইতাই ফেপেৰি পাতি ধৰিলে—

—তই ক'ত মৰি আছিলিগৈ, নিজে কথা পাতিব নোৱাৰিলি?

দেউতা— 'মই য'তেই নাথাকিলোঁ, তহঁতে আলহীক সন্মানেৰে সুধিব নোৱাৰ?'

—কিহৰ সন্মান? আহিয়েই সিহঁতক ছোৱালী লাগে, আমাৰ ছোৱালী কি দেওবৰীয়া বজাৰৰ বস্তু নেকি? এইবাৰ দেউতাই চিঞৰি চিঞৰি কৈছিল— 'তহঁতে মোৰ নাক-কাণ কাটিছ, ওলাই যাবি সব মোৰ ঘৰৰ পৰা।' দেউতাই উদ্‌ভ্ৰান্তৰ দৰে আইতাৰ ফালে চাইছিল, তাৰ পাছত হাতত লৈ থকা পীৰা এখন জুইৰ ওচৰলৈ দলিয়াই আকৌ গপ্‌গপ্‌কৈ কোঠাটোৰ পৰা ওলাই গৈছিল। পীৰাখন ভাগ্যে আইতাৰ গাত লগা নাছিল।

আইতাৰ কথাও সঁচা— লাগ বুলিলেই বাৰু ঘৰৰ জীয়ৰী এজনীক অজান মানুহক গতাই দিব পাৰি? দৰাৰ ঘৰখন চাব লাগিব, কেনেকুৱা বা মানুহ তেওঁলোক? সচাঁকৈয়ে যদি গুণ্ডা-চোৰৰ ঘৰৰ মানুহ হয়। আইতাৰ সংশয় হয়। সৰুপেহী সাত-আঠ মহীয়ামান হওঁতেই ককা ঢুকাইছিল, আইতাই কম কষ্টৰে পেহীহঁতক ডাঙৰ-দীঘল কৰিলে! আৰু এতিয়া পেহীক এঘৰলৈ উলিয়াই দিবৰ সময়ত যদি নোচোৱা-নিচিন্তাকৈ দিয়া হয়, পেহীয়ে ওৰেটো জীৱন দুখত ভুঞ্জিব নালাগিব? আইতাৰ ভয় হয়।

ৰাতি শোওঁতে আইতাই কান্দিছিল, মুখৰ ভিতৰতে বিৰ্‌বিৰাই আছিল— 'তোৰ

ভনী বুলিবলৈ মাত্ৰ এজনী আছেগৈ, তাইকো খুৱাবলৈ-পিন্ধাবলৈ টান পাই নোচোৱা-নিচিন্তাকৈ এঘৰলৈ উলিয়াই পঠাব খুজিছ।'

আমাৰ পেহী আছিল ৰূপ-গুণেৰে অতুলনীয়া গাভৰু। পেহীৰ সৌন্দৰ্যক মানুহে মুক্ত কণ্ঠে গুণানুকীৰ্তন কৰিছিল। আমাৰ গাঁৱত পেহীৰ নিচিনা ধুনীয়া দ্বিতীয় এগৰাকী গাভৰু নাছিল। পেহীৰ লাৱণ্যময়ী ৰূপটো দেখি মোৰ অনুভৱ হয়, আমাৰ আইতাও চাগৈ জীয়ৰী কালত ৰূপৱতী আছিল। কেতিয়াবা ভাব হয়, ককা অকস্থিৰ মৃত্যুৰ পাছত আইতাই নিজৰ যৌৱনক বান্ধি চাৰিটি ল'ৰা-ছোৱালীক চাগৈ কম কষ্টৰে ডাঙৰ দীঘল কৰিলে? আইতাৰ ত্যাগৰ আধাৰত আজি আমি থিয় দি আছোঁ, সেই ত্যাগৰ মহত্ত্ব আমাৰ বাবে অপৰিসীম। মানুহৰ বিৱৰ্তন চাগৈ এনেকৈয়ে হয়— আমি জীৱনত যিখিনি পাইছোঁ, আমাৰ প্ৰাপ্তি আচলতে পূৰ্বপুৰুষে কৰি থৈ যোৱা নিৰন্তৰ শ্ৰম-সাধনাৰ ফল। ইচ্ছা কৰা হ'লে আইতাই বাঘ-ভালুক তথা অলেখ হিংস্ৰ জানোৱাৰেৰে ভৰপূৰ সেই দুৰ্গম ঠাই এৰি নিজৰ ককাই-ভাইৰ ওচৰলৈ যাবগৈ পাৰিলহেঁতেন, কিন্তু ল'ৰা-ছোৱালীকেইটিক ভালকৈ তুলি-তালি ডাঙৰ-দীঘল কৰাৰ স্বাৰ্থতে আইতাই প্ৰত্যাহ্বানক বুকুত সাবটি ল'লে। তেনেহ'লে গৰু-ছাগলী হাটলৈ উলিয়াই দিয়াৰ দৰে, কোনোবাই লাগে বুলিলেই নিজৰ জীয়েকক উলিয়াই দিব পাৰে?

অসম্ভৱ।

যৌৱনে দগ্‌মগাই থকা পেহীৰ গাভৰু দেহক চাবলৈ সেই দিনবোৰত আমাৰ ঘৰলৈ ডেকাৰ সোঁত বৈছিল। মোৰ মনত থকাৰ ভিতৰত মাইথঙৰ পৰা বৰ ওফাইদাং মৰা এজন আহিছিল। ফিল'বাৰীৰ পৰা এজন আহিছিল যাৰ 'শৰীৰত মাংসই নাই চোন' বুলি পেহীয়ে মুখৰ আগতে প্ৰত্যাখ্যান কৰিছিল। প্ৰত্যাখিত এই ডেকাবোৰ যেতিয়া ঘৰলৈ উভতি গৈছিল, সিহঁতৰ হৃদয়ত বাৰু কেনেকুৱা অনুভৱ হৈছিল? মোৰ জানিবলৈ বৰ মন যায় এতিয়া। বিষাদৰ অশ্ৰুৰে চাগৈ বেচেৰাহঁতৰ বাট ভেটি ধৰিছিল। প্ৰত্যাখ্যানৰ অসহনীয় বোজা কান্ধত লৈ যাওঁতে তেওঁলোকে চাগৈ ৰূপ-গৰিমাৰে দৰ্পিতা পেহীক শাওপাত দি গৈছিল। নাজানো।

পিছে মাকুমৰ পৰা এজন আহিছিল, যাক পেহীৰ অন্তৰে বিচাৰিছিল। এই কথা কিন্তু আমাৰ ঘৰৰ কোনেও নাজানিছিল, জানিছিলোঁ কেৱল মই, মোৰ চকুত পেহী ধৰা পৰি গৈছিল।

মাকুমৰজন কাৰ সৈতে, কেনেকৈ আমাৰ ঘৰলৈ আহিছিল মনত নাই, কিন্তু মনত আছে তেওঁ আমাৰ ঘৰত দুই নে তিনি নিশা থাকি গৈছিল। তেওঁ হেনো মাকুমৰ কোনোবা এটা প্লাইউড ফেক্টৰীত ছিকিউৰিটী গাৰ্ডৰ কাম কৰিছিল। সেই সময়ত উজনি অসম আৰু অৰুণাচলৰ বহু ঠাইত কাঠৰ মিল আছিল। এই মিলবোৰত কাম কৰিবলৈ অসমৰ নানা

প্ৰান্তৰ পৰা লোক আহিছিল। আমাৰ ঘৰলৈ অহা মাকুমৰজনৰ আচল ঘৰ মাকুমত নাছিল, তেওঁ লখিমপুৰৰ ফালৰ আছিল। তেওঁ আমাৰ ঘৰলৈ আহোঁতে খাকী ৰঙৰ দীঘল পেণ্ট এটা পিন্ধি আহিছিল। আমাৰ ঘৰত থকা দুদিনতে পেহীৰ সৈতে অলেখ কথা পাতিছিল। কি পাতিছিল নাজানো; কিন্তু দুয়ো জীৱনৰ মনোৰম সময়খিনি উপভোগ কৰিছিল। দ্বিতীয় দিনা মানুহজনে খাকী পেণ্টটো আৰু এটা বগা হাফ গেঞ্জী পিন্ধি পিছফালৰ চোতালৰ দাঁতিতে লাগি থকা মিৰিকা টেঙাজোপাৰ কাষত বহিছিল। মেলা চুলিৰে পেহীয়ে তেওঁৰ ওচৰে-পাঁজৰে অৱস্থান কৰিছিল। দুয়ো দুয়োৰে সৈতে জীৱনৰ অনিৰ্বচনীয় ৰংবোৰ ভগাই লৈছিল।

এই পীৰিতি-বিনোদন অৱশ্যে বেছি সময় নিটিকিল। দুদিনৰপাছতে দুয়োৰে মাজত কিবা মতান্তৰ ঘটিছিল। ফলত তিনিদিনৰ দিনা মানুহজন গ'লগৈ— পেহীৰ হৃদয় জোকাৰি থৈ। বোধকৰোঁ পেহীৰ আৰু মানুহজনৰ মাজত সেয়াই শেষ দেখা। বিমৰ্ষিতা পেহীয়ে এই কথাটো সহজে ল'ব পৰা নাছিল। মানুহজন গুচি যোৱাৰ পাছত পেহীয়ে হেনো কেইবাখনো চিঠি লিখিছিল তেওঁলৈ— চিঠিত আঙুলি কাটি তেজ সানি দিছিল। (অৱশ্যে পেহী বিয়া হৈ যোৱা দুবছৰমানৰ পিছত এদিন কথা ওলোৱাত মায়ে কৈছিল— তইঁতি ভাবিছ তাই আঙুলি কাটি চিঠিত তেজ লগাইছিল? তাৰ পিছত মায়ে এপৰ হাঁহি কৈছিল— 'মই ভাজিবলৈ লোৱা কুকুৰা মাংস এডোখৰ নি তাই চিঠিত ঘঁহি দিছিল। এতিয়া বুজিলি চিঠিত কাৰ তেজ?') পেহীয়ে চিঠিবোৰ কি কৰিছিল, সঁচাই মানুহজনলৈ পঠাইছিল নে নাই, আমি নাজানো।

বিষণ্ণতাত নিমজ্জিত পেহীয়ে আহি এদিন মোক ধৰিছিলহি— 'সৰুদৌ তই মোৰ লগত টাউনলৈ যাবি? কাকপথাৰলৈ?'

—যাম পেহী।

—তই এদিনলৈ স্কুল যাব নালাগে, মোৰ লগত ওলাবি, তোক হোটেলত মিঠাই খুৱাম।

মোৰ মন উৎফুল্লিত। কাৰণ সেই সময়ত টাউনলৈ যোৱা, গাড়ীত উঠা, আৰু তাতোকৈ ডাঙৰ কথা হোটেলত সোমাই মিঠাই খোৱাৰ সমান আনন্দৰ কথা একোৱেই নাছিল। আমি হয়তো এবছৰত এদিন গাড়ী দেখিছিলোঁ। হোটেলত সোমাই মানুহে চাহ-মিঠাই খোৱাৰ কথা শুনিছিলোঁহে, নিজে কোনোদিন সোমাই পোৱা নাছিলোঁ।

এদিন আমি খুব ৰাতিপুৱাই কাকপথাৰলৈ ওলাইছিলোঁ। পেহীয়ে পুৱাতে গা-পা ধুই মেখেলা-চাদৰ পিন্ধি সাজি-কাচি ওলাইছিল। মোৰনো সাজিবলৈ কি— হাফপেণ্ট এটা, চোলা এটা পিন্ধিলেই হ'ল। ভৰিত চেণ্ডেল পিন্ধিলোনে নাই মনত নাই, কিন্তু মোৰ শৈশৱত মই ভৰিত জোতা কেতিয়াও পিন্ধি পোৱা নাছিলোঁ। আমি এপৰ খোজ কাঢ়ি

টঙনাত গৈ মিলন নামৰ বাছখনত উঠিছিলোঁগৈ। বাটত যাওঁতে মোৰ ভৰি বোকাত লুতুৰি পুতুৰি হৈছিল। ঠায়ে ঠায়ে পেহীয়ে মোক দাঙি লৈছিল। তেতিয়া হয়তো আহিন-কাতি মাহেই চলি আছিল।

আমি কাকপথাৰ গৈ পাওঁতে বেলি ওলাই বহুখিনি পাইছিলহি। পেহীয়ে মোক কাকপথাৰত থকা শিৱমন্দিৰলৈ লৈ গৈছিল। মন্দিৰলৈ যোৱাৰ আগতে বাটত ধূপ এপেকেট কিনি লৈছিল। মন্দিৰৰ ভিতৰত বিৰাজ কৰা শান্ত-সৌম্য পৰিৱেশৰ দৃশ্য মোৰ মনত এতিয়াও স্পষ্টকৈ ভাহি উঠে। সেইদিনা পেহীয়ে ধূপ জ্বলাই, মন্দিৰৰ মজিয়াত পৰি গভীৰ আকূতিৰে প্ৰাৰ্থনা কৰিছিল। বহুপৰলৈকে পেহী মজিয়াতে পৰি আছিল। মই চুচুক-চামাককৈ ইফালে সিফালে মন্দিৰৰ চৌহদ চাইছিলোঁ। পেহীয়ে প্ৰাৰ্থনা শেষ কৰি যেতিয়া মজিয়াৰ পৰা উঠিছিল, তেতিয়া পেহীৰ অশ্ৰুসিক্ত চকুযুৰি দেখিছিলোঁ; দেখিছিলোঁ সেই চকুত লুকাই থকা বেদনাৰ ছাঁ। পেহীৰ চকু দুটা ৰঙা পৰি আছিল, গালত বহি আছিল চকুলো বৈ যোৱাৰ চিন।

ওভতনি যাত্ৰা মনত নাই, কিন্তু সেইদিনা ৰাতি শোওঁতে আইতাই গোপনে সুধিছিল—

—ঐ, তই আজি পেহীয়েৰৰ লগত গৈছিলি নহয়, পেহীয়েৰে কি কৰিছিল?

—পেহী মন্দিৰলৈ গৈছিল।

—তাৰপাছত?

—মন্দিৰত প্ৰাৰ্থনা কৰিছিল।

—তোক হোটেলত মিঠাই খুৱাব বুলি কৈছিল, খুৱালেনে নাই?

—নাই।

—দেখিলি, তোক পেহীৰে ঠগিলে।

তাৰ পিছত আইতা বহুপৰ নিশ্চুপ হৈ শুই আছিল।

পিছত, আইতাই মোৰ মূৰত হাত বুলাই সুধিছিল—

—পেহীয়েৰে মন্দিৰত সোমাই কান্দিছিল নেকি?

—অ কান্দিছিল। আপুনি কেনেকৈ জানিলে?

আইতাই আৰু একো উত্তৰ দিয়া নাছিল। অলপ পাছত আইতাই কেইবাবাৰো নাক উজাইছিল। মই বুজি উঠিছিলোঁ যে ইতিমধ্যেই আইতাৰ গালতো তপত চকুলো বাগৰি গৈছিল।

কি আছিল সেই অশ্ৰু নিসৰণৰ কাৰণ? পেহীক এঘৰলৈ উলিয়াই দিব নোৱৰাৰ বোজাই আনি দিয়া উদ্বিগ্নতা?

আইতাৰ এই উদ্বিগ্নতা অৱশ্যে বেছিদিন নাথাকিল। কাৰণ যিদিনা দেউতাই আইতাক 'আলহীৰ লগত কথা পাতিব নাজান' বুলি তিৰস্কাৰ কৰিছিল, সেইদিনাই ৰাতি হেনো

পেহীয়ে প্ৰতিজ্ঞা কৰিছিল যে লাজুমৰ পৰা চাবলৈ অহাজন ক'লা হ'লেও, চাপৰ হ'লেও তেওঁৰ লগত বিয়াত বহিবই।

নানান প্ৰতিবন্ধকতাকো নেওচি অতি শীঘ্ৰেই আমাৰ সৰুপেহীৰ বিয়া হৈ গৈছিল— লাজুমৰ ভুবন গগৈৰ সৈতে।

(ছয়)

আশীৰ দশকৰ শেষৰ আৰু নব্বৈ দশকৰ আৰম্ভণিৰ বছৰকেইটা অসমত আলফা আৰু মিলিটেৰীৰ সংঘাত তুংগত হৈ উঠিছিল। সংঘৰ্ষৰ এই ভৰপক সময়ছোৱাত কাকপথাৰ অঞ্চলটো হৈ পৰিছিল যুদ্ধখনৰ ভাৰকেন্দ্ৰ। সেই উত্তেজনাময় বাতাৱৰণে মোৰ দৰেই অগণন শিশুৰ শৈশৱক বাৰুকৈয়ে প্ৰভাৱান্বিত কৰিছিল।

ইতিমধ্যে আমাৰ অঞ্চলত মিলিটেৰী প্ৰৱেশ কৰিছিল। আন্ধাৰ বৰণৰ শাৰী শাৰী মিলিটেৰীৰ গাড়ীবোৰ ডুমডুমা আৰু কাকপথাৰ হৈ ডিবাক গেটত ৰাখিছিলহি। কেতিয়াবা ডিবাক গেটৰ পৰা আগুৱাই চিতপানী হৈ বৰডুমচা পৰ্যন্ত পাইছিলগৈ। গাড়ীবোৰ চিতপানীত ৰখালে, তাতে মিলিটেৰী নামি কৈলাসপুৰ পাইছিলহি। কৈলাসপুৰৰ পৰা গাঁৱৰ ভিতৰলৈ সোমাইছিল— মদাৰখাট, নামসোলোং, শুৱনিপথাৰ ইত্যাদি ঠাইলৈকে মিলিটেৰীয়ে পিয়াপি দি ফুৰিছিল। শাৰী শাৰীকৈ অহা গাড়ীবোৰৰ মাত আমি বহুত দূৰৈৰ পৰাই শুনিছিলোঁ। মিলিটেৰীৰ গাড়ীৰ মাত শুনাৰ ঠিক এঘণ্টামানৰ পাছতে কৈলাসপুৰৰ ৰাস্তাত আমি মিলিটেৰী দেখিবলৈ পাইছিলোঁ। আমাৰ গাঁৱৰ সন্মুখত এখন বিস্তীৰ্ণ পথাৰ থকাৰ হেতুকে, পথাৰৰ সিটো পাৰত কৈলাসপুৰৰ পথত মিলিটেৰী আহি খোজ দিলেই আমি ঘৰৰ পদূলিৰ পৰাই সিহঁতক দেখা পাইছিলোঁ। গছৰ ছাঁৰ দৰে পোছাক পিন্ধা, শাৰী শাৰী মিলিটেৰীৰ দল যেতিয়া ভিতৰৰ গাঁওবোৰলৈ আগুৱাই গৈছিল, তেতিয়া ভয়ত আমাৰ চেতনা যোৱাৰ উপক্ৰম হৈছিল। মা বা আইতাই সতৰ্কৰ বাণী শুনাইছিল— আজি যাৰে ভাগ্য বেয়া তাৰে পিঠি বহল হ'ব। কেতিয়াবা মিলিটেৰীবোৰ আমাৰ গাঁৱত প্ৰৱেশ নকৰাকৈ ভিতৰৰ গাঁওবোৰলৈ গৈছিলগৈ। আৰু কেতিয়াবা আমাৰ গাঁৱলৈও সোমাই আহিছিল।

আমাৰ গাঁৱৰ ৰাস্তাত মিলিটেৰী দেখা মাত্ৰকে মাহঁতে চেপা মাতেৰে আমাক নিৰ্দেশ দিছিল— 'ল'ৰাহঁত, এতিয়াই ঘৰৰ ভিতৰ সোমা, পদূলিত মিলিটেৰী।' ভয় আৰু উত্তেজনাত আমি দৌৰি ঘৰৰ ভিতৰ সোমাইছিলোঁ। প্ৰাপ্তবয়স্ক পুৰুষসকল প্ৰায়ে ঘৰৰ ভিতৰত নোসোমাই হাবিৰ মাজলৈ দৌৰিছিল। কেতিয়াবা মিলিটেৰী আহি ঘৰৰ চোতালত ৰৈছিলহি। গপগপকৈ ঘৰৰ চাৰিওফালে দুপাক ঘূৰিছিল, তাৰ পাছত দুৱাৰমুখত ৰৈ চিঞৰিছিল— 'ঘৰ মে কৌন হায়?' ভিতৰৰ পৰা আইতাই চিঞৰিছিল— 'কোনো নাই।' তাৰ পাছত

চোতালতে অলপ পৰ বৈ মিলিটেৰীবোৰ গুচি গৈছিল। ঘৰৰ ভিতৰত বন্ধ হৈ ৰৈছিল এক শ্বাসৰুদ্ধকৰ পৰিৱেশ।

এনেকৈয়ে আহে, এনেকৈয়ে যায় তেওঁলোক, চাৰিওফালে আতংক বিয়পায়।

ইফালে ৰাতিলৈ আলফা সংগঠনৰ সদস্যসকল আহে।

প্ৰায়ে, গধূলিৰ সাঁজ খোৱাৰ পাছতে আমি শোৱা-পাটীত পৰিছিলোঁগৈ। গাঁৱৰ নিৰ্জন বাতাৱৰণ। ফুট গধূলিতে মানুহবোৰ শুইছিল। যেন গোটেই গাঁ ওখনেই নিদ্ৰামগ্ন। আমি এঘুমটিমান মৰাৰ পাছত বাহিৰত, ৰাস্তাত, কুকুৰবোৰে ৰকৈ ভুকিছিল। সাৰ পাই, কুকুৰৰ ভুকভুকনি শুনিয়েই আমি গম পাইছিলোঁ যে সংগঠনৰ সদস্যসকল গাঁৱত ঘূৰি ফুৰিছে। খন্তেকতে আহি তেওঁলোক আমাৰ ঘৰ পাইছিলহি। ঘৰটোৰ চাৰিওফালে এপাক ঘূৰি দুৱাৰমুখত থিয় দি সুধিছিলহি— 'দদাইদেও টোপনি গ'ল নেকি?' দুৱাৰত দুবাৰমান ঢকিয়াই, তাৰ পিছত আকৌ— 'দুৱাৰ খোলঁক, আমি আহিছোঁ।' চকামকাকৈ সাৰ পাই দেউতাই দুৱাৰখন খুলি দিবলৈ গৈছিল। লগে লগে পাঁচজন সদস্য ঘৰৰ ভিতৰলৈ সোমাই আহিছিল। লগত কঢ়িয়াই অনা বয়বস্তু আৰু অস্ত্ৰ-শস্ত্ৰবোৰ মজিয়াত থৈ দেউতাক কৈছিল— 'আমাক শুবৰ বাবে যোগাৰ কৰি দিয়ক আৰু আপোনালোকো শোৱকগৈ।' মা আহি দেউতা শোৱা চাংখন আজৰাই দিছিল। তাতেই সংগঠনৰ সদস্যসকল শুইছিল, ৰাতিটোৰ বাবে।

এইদৰেই বহু আহিছিল, বহু গৈছিল। কিন্তু এবাৰ অহা কেইজনমান সদস্যৰ কথাই আমাৰ ল'ৰালি মনত ভালকৈ সাঁচ বহুৱাই থৈ গৈছিল।

তেওঁলোক আহিছিল মাজনিশা। গাঁওখন নিহপালী দি শুই থকাৰ পৰত। কাতি মাহৰ হিমচেঁচা শীতকো নেওচি তেওঁলোক ওলাইছিলহি। কুকুৰে ৰাউচি পাৰোঁতেই দেউতাই সাৰ পাই গৈছিল— 'ইমান ৰাতি ক'ৰ পৰানো ওলালহি অ', গধূলিতে আহিব নোৱাৰে জানো ইহঁত?' পিছে দুৱাৰ খুলি দেউতাই দেখিলে এজন এজনকৈ সংগঠনৰ দহজন সদস্য। দেউতাই চিন্তিত হৈ ক'লে— 'আমাৰ ঘৰত দহজন নধৰিব নহয় বোপাহঁত।' দেউতাই আমাৰ ঘৰত আটাইকেইজন নধৰিব বোলাত তেওঁলোকৰ দলপতিজনে পাঁচজনক কাষৰ বৰতাহঁতৰ ঘৰলৈ পঠাই দিলে।

পিছদিনা পুৱা তেওঁলোক আমাৰ ঘৰৰ মানুহতকৈ আগেয়ে শোৱাৰ পৰা উঠিল। খেনোৱে কেঁচা তামোলৰ বাকলিৰে আৰু খেনোৱে এঙাৰেৰে দাঁত ঘঁহিলে। মুখ ধুবলৈ মায়ে পিতলৰ ঘটিত পানী আনি দিলে। ঘটিৰ পৰা পানী বাকী বাকী চোতালৰ ৰবাবটেঙাজোপাৰ কাষতে আটায়ে মুখ ধুলে। মুখ ধুই হোৱাৰ পিছত মায়ে আটাইকে পানী খাবলৈ মাতিল— গিলাচত চেনি নিদিয়া গৰম পানী, লগত এডোখৰকৈ গুৰ। পানী দিবৰ সময়ত মায়ে সুধিলে— 'আপোনালোকৰ ঘৰ ক'ত ক'ত?' শকত, চাপৰ

জনেই মাত মাতিছিল— 'মই শিৱসাগৰৰ।' তাৰ পাছত তেওঁ এজন এজনকৈ চিনাকি কৰাই দিছিল— 'এওঁ ধলাৰ, এওঁ বৰালীৰ ...।' অনুমান কৰা হৈছিল যে সেই শকতজনৰ নেতৃত্বত বাকীকেইজন আমাৰ ঘৰলৈ আহিছিল। তেওঁ সময়ে সময়ে, কৰ্তৃত্বসুলভেৰে বাকীকেইজনক ইটো সিটো কৰিবলৈ আদেশ দিছিল।

দুপৰীয়ালৈ আটাইকেইজনে তেওঁলোকে কোঠাটোৰ মজিয়াত বহি লগত অনা অস্ত্ৰ-শস্ত্ৰবোৰ পৰীক্ষা কৰি আছিল। আমি ল'ৰাহঁতে দুৱাৰৰ কাষত ৰৈ জুমি জুমি চাইছিলোঁ। তেওঁলোকে যুদ্ধত ব্যৱহাৰ কৰা অশেষ বস্তু আনিছিল। প্ৰত্যেকৰে হাতত আছিল একোটাকৈ এ. কে. ৪৭। কঁকালত মেৰিয়াই থ'ব পৰা এপাত বেল্টত অলেখ হেণ্ড গ্ৰেণেড ওলোমাই থোৱা আছিল। এটা প্ৰকাণ্ড পিঠিত লোৱা বেগ— য'ত সোমাই আছিল কাপোৰ, জৰুৰীকালীন প্ৰাথমিক চিকিৎসা-সামগ্ৰী, মেপ, গুলী-বাৰুদ ইত্যাদি। ৰবাবটেঙাটোৰ সমান ধাতুৰ পাত্ৰ এটাত হেনো পানী কঢ়িয়াই লৈ ফুৰিছিল। এই পাত্ৰটো ককাঁলত ওলোমাই থ'ব পাৰি। এজনে এনে এটা পাত্ৰ আমাৰ ওচৰলৈ দলিয়াই দি চিঞৰি উঠিছিল— 'ব'ম ফুটিল, ব'ম ফুটিল।' আমি ভয়ত ত্ৰাসিত হৈ উঠিছিলোঁ। এজনে আমাৰ অৱস্থা দেখি বৰ ৰং পাইছিল। ৰঙতে হাঁহি হাঁহি কৈছিল— 'ভয় নকৰিবি আহ'। শকতজনে আমাক উদ্দেশ্যি কৈছিল— 'আহচোন আহ, আমি কি কি আনিছোঁ চাবি আহ।'

আমি তেওঁলোকৰ কাষতে মজিয়াত বহি লৈছিলোঁ। লক্ষ্য কৰিছিলোঁ, তেওঁলোকে কঢ়িয়াই লৈ ফুৰা বস্তুবোৰৰ অ'ত ত'ত তেজৰ চেকুৰা। আনকি পিন্ধি থকা কাপোৰতো তেজৰ দাগ। দাগ লাগি আছিল অস্ত্ৰ-শস্ত্ৰবোৰতো। শকতজনে কৈছিল— 'ল এইখন তিতা কপোৰ ল আৰু এই এ. কে. ৪৭ টোত লাগি থকা তেজবোৰ মোহাৰি চাফা কৰ।' এজনৰ ভৰিত এডোখৰ কটা ঘা। অন্য এজনে ঘাডোখৰ ফটা কাপোৰ এখনেৰে বান্ধি দিছিল। বান্ধি বান্ধি তেওঁ ধেমালিৰে কৈছিল— 'গুলী আহি ভাগ্যে ভৰিত লাগিল, মূৰত লগা হ'লে ইমানপৰে ইপুৰী পালিগৈহেঁতেন।' এনেতে দেউতাই আহি সুধিছিলহি— 'পিছে ইমানবোৰ তেজৰ চেকা ক'ত লাগিল?'

শকতজনে কৈছিল— 'সিদিনা টেঙাপানীত মিলিটেৰীৰে সৈতে আমাৰ যুদ্ধ হ'ল, তাতেই লাগি আহিল।' তাৰ পাছত তেওঁ যুদ্ধত প্ৰতিপক্ষক হৰুৱাই তেওঁলোক এইখিনি কেনেকৈ পালেহি তাৰে এটি বিৱৰণ দিবলৈ ধৰিলে—

'টেঙাপানীলৈ মিলিটেৰী আহিব বুলি আমি আগতীয়াকৈ খবৰ পোৱাত আমি সেই ঠাইত দুদিনমানৰ আগৰ পৰাই আছিলোঁগৈ। পথৰ এডোখৰ নিৰ্জন ঠাইত আমি বোমা পাতিছিলোঁ। বোমা পাতি থোৱা ঠাইত ওচৰতে দুঘৰমান মানুহ আছিল, আমি তাৰ পৰাই সকলো নিয়ন্ত্ৰণ কৰি আছিলোঁ। বোমা বিস্ফোৰণৰ আগে আগে আমি পথৰ দাঁতিৰ দ খাৰৈত লুকাই আছিলোঁ। মিলিটেৰী গাড়ী বোমা পাতি থোৱা ঠাই পোৱাৰ লগে লগে

বুটাম টিপি দিছিলোঁ। লগে লগে প্ৰচণ্ড শব্দ কৰি মিলিটেৰীৰ গাড়ী ওপৰলৈ উৰি গৈছিল। একুৰা বৃহৎ জুয়ে গাড়ী ছানি ধৰিছিল। গাড়ীৰ পৰা কেইটামান মিলিটেৰীৰ ক্ষত-বিক্ষত শৰীৰ উফৰি আহি আমি বৈ থকা খাবৈত পৰিছিলহি, আমাৰ ঠিক কাষতে। আমি ভাবিছিলোঁ আমাৰ ওপৰতে মিলিটেৰীৰ আক্ৰমণ! তৎক্ষণাৎ অস্ত্ৰ-শস্ত্ৰ উলিয়াই আমি আক্ৰমণ কৰিবলৈ ধৰিলোঁ মিলিটেৰীকেইজনক। এনেদৰে আক্ৰমণ কৰোঁতেই তেওঁলোকৰ শৰীৰৰ পৰা তেজ ছিটিকি আহি আমাৰ গাত পৰিলহি। আমি তৎক্ষণাৎ সেই ঠাই ত্যাগ কৰিলোঁ।'

আইতাই কৈছিল— 'ছিঃ ছিঃ বোপাহঁতে বাৰু ক'ৰ অজাতি মানুহৰ তেজ আনি ঘৰ সোমাইছহি।'

শকতজনে কৈছিল— 'অজাতিয়ে আমাৰ তেজ শুহি শেষ কৰিলে, আইতা।' সেইদিনা গধূলি সংগঠনৰ সদস্যকেইজনৰ হাতত কিছুমান নতুন যন্ত্ৰ-পাতি দেখা গৈছিল। যন্ত্ৰসমূহৰ প্ৰতি আমাৰ উৎসুক্য বাঢ়িছিল। আমি কিতাপৰ টেবুললৈ নগৈ তেওঁলোকৰ আশে-পাশেই অৱস্থান কৰিছিলোঁ। নতুন যন্ত্ৰবিধ অৰ্থাৎ ৱাৰলেছৰ যোগেদি তেওঁলোকে দূৰৈত থকা সতীৰ্থৰ সৈতে কথা পতা চাই আমি তবধ মানিছিলোঁ। তেনেতে ৱাৰলেছৰ যোগেদিয়েই কোনোবা অজান ঠাইৰ পৰা বাৰ্তা আহিছিল যে এই অঞ্চলটো তেওঁলোকৰ বাবে সুৰক্ষিত নহয়। ইতিমধ্যে মিলিটেৰী আহি অঞ্চলটোত উপস্থিত হৈছেহি। ৰাতিটোৰ ভিতৰতে তেওঁলোকে এই অঞ্চল ত্যাগ কৰিব লাগে। শীঘ্ৰেই।

সদস্যসকলক চিন্তিত হোৱা দেখা গৈছিল। হঠাৎ তেওঁলোকৰ তৎপৰতা বাঢ়িছিল। আৰু অকণো পলম নকৰি তেওঁলোকে আন্ধাৰৰ মাজত হেৰাই গৈছিল।

ইয়াৰ পৰৱৰ্তী দিনকেইটাত আমাৰ অঞ্চলটো কিছু শান্ত হৈ থাকিলেও সেই বছৰৰ শেষৰৰ ফালে মিলিটেৰীৰ অত্যাচাৰ ব্যাপকভাৱে বৃদ্ধি পাইছিল। আঘোণ মাহৰ শেষৰ ফালে পথাৰত ধান দোৱাৰ ভৰপক হওঁতেই লানি নিছিগা শাৰীৰ মিলিটেৰী উপস্থিত হৈছিলহি। দিনে-নিশাই মিলিটেৰীৰ গুৰুপ-গাৰাপ ভৰিৰ শব্দ, জনতাৰ হা-হুতাশ, চিঞৰ-যন্ত্ৰণা।

চৌপাশ আতংকময়।

মই তেতিয়া তৃতীয় নে চতুৰ্থ শ্ৰেণীত পঢ়িছিলোঁ। আমাৰ গাঁৱৰ পশ্চিম দিশত আছিল মই পঢ়া প্ৰাথমিক বিদ্যালয়খন। আমাৰ বিদ্যালয়ত দুজন শিক্ষক আছিল। প্ৰধান শিক্ষকজন আহিছিল টঙনাৰ পৰা। ছাৰে বহুদূৰ বাট খোজেৰেই আহিছিল, ফলত তেওঁ স্কুলত উপস্থিত হওঁতে প্ৰায়ে পলম হৈছিল। এদিন ছাৰ তেনেদৰে পলমকৈ বিদ্যালয়ত উপস্থিত হোৱাৰ মুহূৰ্তত ইতিমধ্যে আমাৰ বিদ্যালয়ত মিলিটেৰীয়ে অৱস্থান কৰিছিল। মিলিটেৰী দেখি আমি ভয়ত পেপুৱা লাগি শ্ৰেণীকোঠাতে বহি আছিলোঁ। ছাৰ বিদ্যালয়ত উপস্থিত হোৱাত দুজনমান মিলিটেৰীয়ে তেওঁক একাষলৈ মাতি নিছিল। অলপ পাছত

ছাৰ আহি আমাক, ছাত্ৰ-ছাত্ৰীসকলক আদেশ দিছিল— আমি আটায়ে বিদ্যালয়ৰ বাহিৰলৈ ওলাব লাগে। আটায়ে শৃঙ্খলাবদ্ধভাৱে।' আমি শাৰীপাতি পাতি বাহিৰলৈ ওলাইছিলোঁ। বাহিৰত পথৰ কাষত আমাক মিলিটেৰীয়ে আদেশ দিছিল— আমি আটায়ে কাণত ধৰি আঁঠু কাঢ়িব লাগে। আনকি আমাৰ ছাৰকো আদেশ দিছিল, যাতে ছাৰেও তেনে কৰে। মোৰ মনত আছে— ছাৰে অতি দ্বিধাগ্ৰস্ততাৰে, অথচ বাধ্য ছাত্ৰৰ দৰে মোৰ কাষতে কাণত হাত ধৰি আঁঠু কাঢ়ি ৰৈছিল। আমাক আদেশ দিয়া হৈছিল— আমি যাতে লৰচৰ নকৰোঁ, ক'লৈকো যোৱাৰ চেষ্টা নকৰোঁ। কাৰণ সেইদিনা মিলিটেৰীয়ে গাঁৱৰ ঘৰে ঘৰে সোমাই তালাচী চলোৱাৰ দিন। এনে তালাচী চলোৱাৰ মুহূৰ্তত যদি কোনোবাই হকা-বাধা কৰে, তেন্তে তেওঁ চৰম শাস্তিৰ সন্মুখীন হ'ব লাগিব।

ইতিমধ্যে গাঁৱৰ সকলো মানুহকে অন্য এখন খেলপথাৰলৈ লৈ যোৱা হ'ল। মিলিটেৰীৰ আদেশত গাঁওখন এফালৰ পৰা খালী কৰি দিয়া হ'ল। তালাচী শেষ হ'লেই মানুহবোৰক ঘৰলৈ যাবলৈ দিয়া হ'ব, কিন্তু তেতিয়ালৈ সকলোৱে খেলপথাৰত থাকিব লাগিব— আঁঠু কাঢ়ি, কাণত ধৰি। সুঠাম শৰীৰৰ ডেকাবোৰক অন্য এঠাইলৈ লৈ যোৱা হ'ল। বিনাদোষে সিহঁতৰ শৰীৰত চলিল অত্যাচাৰ। বাধা দিব খোজাজনৰ ওপৰত দুগুণ অত্যাচাৰ চলিল। এনে অমানুষিক অত্যাচাৰৰ কোবত খেনো হৈ পৰিল পংগু। আকৌ কিছুমান সাহসী ডেকাই পলাই গৈ ধাননিৰ মাজত সোমাল। কিন্তু কেতিয়াবা ধাননি পথাৰৰ পৰা দুই এক ডেকাক মিলিটেৰীয়ে উদ্ধাৰ কৰি আনিছিল। পাছত পলৰীয়া ডেকাই পোৱা শাস্তিৰ কথা শুনিলে মানুহে চকুপানী টুকিছিল। সেইদিনাই আমাৰ বিদ্যালয়ৰ দ্বিতীয়জন শিক্ষককো মিলিটেৰীয়ে ধৰি লৈ গৈ অমানুষিক শাস্তি দিছিল।

বেলি লহিওৱাৰ পৰত মানুহবোৰক ঘৰা-ঘৰি যাবলৈ দিয়া হৈছিল। ভোক-পিয়াহ আৰু নানান শাস্তিত ক্ষত-বিক্ষত মানুহবোৰে বেগাই ঘৰলৈ ঢাপলি মেলিছিল। দিনটোৰ অন্তত মিলিটেৰীবোৰো উভতি যাবলৈ ওলাইছিল। আমাৰ অঞ্চলৰ আকাশ-বতাহ কঁপাই শাৰী-শাৰীকৈ তেওঁলোক উভতি গৈছিলগৈ।

আন্ধাৰ হোৱাৰ পাছত ক'ৰ পৰা জানো আলফাৰ সদ্যসকল আমাৰ গাঁৱৰ অলিয়ে-গলিয়ে আকৌ ওলাইছিলহি।

তেনেকৈয়ে চলিছিল উৎপীড়নৰ এই শৃংখল।

মোৰ কিশোৰ মনত দাগ পেলোৱা ঘটনাবোৰৰ ভিতৰত সেনাবাহিনীয়ে সৃষ্টি কৰা সন্ত্ৰাস অন্যতম। এই ঘটনাবোৰে মোৰ মস্তিষ্কত এনেদৰে চিন বহুৱাইছিল যে এতিয়াও মোৰ দুঃস্বপ্নত এনে ঘটনাবোৰৰেই পুনৰাবৃত্তি ঘটে। মই প্ৰায়ে সপোনত দেখোঁ যে মিলিটেৰীয়ে মোৰ পিছ লৈ আহিছে, মই পাৰ্যমানে পলাবলৈ চেষ্টা কৰিছোঁ। মই পলাব পৰা নাই, মিলিটেৰী মোৰ ওপৰত জঁপিয়াই পৰিছে। মই বাচিবলৈ যুঁজ দিছোঁ কিন্তু পৰা

নাই। মোক আক্ৰমণ কৰিছে, গুলী আহি মোৰ শৰীৰ পাৰ হৈ গৈছে।...

অথচ সাৰ পাই দেখিছোঁ— মই জীৱিত।

এই দুঃস্বপ্নটো মোৰ জীৱনত এতিয়ালৈকে কিমান বাৰ দেখিছোঁ তাৰ কোনো লেখ-জোখ নাই।

(সাত)

মই চতুৰ্থ শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ উত্তীৰ্ণ হ'লোঁ। মোৰ বয়স ন বছৰ। চাৰি বছৰ আমাৰ গাঁৱৰ প্ৰাথমিক বিদ্যালয়ত পঢ়াৰ অন্তত মই কৈলাসপুৰৰ মধ্য ইংৰাজী বিদ্যালয়ত পঢ়িবলৈ যাব লাগিব। এদিন দেউতাই পথাৰৰ পৰা ধান কঢ়িয়াই থাকোঁতেই কৈলাসপুৰ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষকজন দেউতাৰ কাযেৰেই পাৰ হৈ গৈছিল। তেখেতক দেখি দেউতাই সুধিছিল— 'ককাইদেউ, মোৰো ল'ৰা এটা আপোনালোকৰ স্কুললৈ পঠিয়াম বুলি ভাবিছোঁ, পৰা হ'বনে?' শিক্ষকজনে কৈছিল— 'পাৰিবি পাৰিবি। ল'ৰাটো পঢ়াত ভাল নে?' দেউতাই কৈছিল— 'বেয়া নহয়।'

মই পঢ়াত বৰ ভালো নাছিলো, বেয়াও নাছিলোঁ। অৱশ্যে ভাল-বেয়া নিৰ্ধাৰণৰ মান ক'ত? আমাৰ শ্ৰেণীত (চতুৰ্থ) মুঠ ছাত্ৰ-ছাত্ৰী আছিল বাৰটি। তাৰে দুটামান পৰীক্ষাত উত্তীৰ্ণ হোৱা নাছিল। মই দ্বিতীয় স্থানত উত্তীৰ্ণ হৈছিলোঁ। অতি পিছপৰা আৰু স্পৰ্শকাতৰ এখন গাঁৱৰ স্কুলৰ বাৰটি ছাত্ৰ-ছাত্ৰীৰ মাজত মই দ্বিতীয় স্থান পাইছিলোঁ— মই পঢ়াত ভাল আছিলোঁ নে বেয়া আছিলোঁ, সেয়া থিৰাং কৰাটো টান। তদুপৰি আমাৰ গাঁৱৰ বিদ্যালয়ত পঢ়ি পাছত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ উদাহৰণো তেনেই কম আছিল। এইফালৰ পৰা চাবলৈ গ'লে পঢ়ি-শুনি মোৰো যে কিবা ভৱিষ্যৎ হ'ব সেয়া একেবাৰে শূন্য আছিল। আমাৰ গাঁওখনত মেট্ৰিক পাছ কৰা লোকৰ সংখ্যা মাত্ৰ এজন দুজনহে আছিল। আমাৰ ঘৰত মাজু আৰু সৰু পেহীয়ে মেট্ৰিকলৈকে পঢ়িছিল, কিন্তু মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰি পঢ়া সামৰিছিল। ইয়াৰ বহুবছৰৰ পাছত আমাৰ পাঁচোটি ককাই-ভাই-বাইদেৱে মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হ'লেও কেৱল মই আৰু সৰু ভাইটিহে এই পৰীক্ষাত কৃতকাৰ্য হৈছিলোঁ। গতিকে প্ৰধান শিক্ষকে দেউতাক পথাৰত ধান কঢ়িয়াই থাকোঁতে যেতিয়া সুধিছিল যে ল'ৰাটো পঢ়াত কেনেকুৱা, দেউতাই উত্তৰত নিশ্চয় ক'ব নোৱাৰিলেহেঁতেন যে ল'ৰাটো পঢ়াত ভাল নে বেয়া।

এদিন দেউতাই কৈলাসপুৰ এম. ই. স্কুলত মোৰ নাম লগাই থৈ আহিলগৈ। মাঘ বিহু যোৱাৰ পাছতে মই স্কুল যাবলৈ আৰম্ভ কৰিলোঁ। স্কুললৈ যোৱাত মোৰ সংগী আছিল ককাই আৰু আমাৰ ঘৰৰ ওচৰৰ দুটামান ল'ৰা। খৰালিৰ দিনত স্কুললৈ যোৱাৰ সমস্যা

নাই— আমাৰ গাঁৱৰ সন্মুখৰ পথাৰখন পাৰ হ'লেই স্কুল পাওঁ। পথাৰৰ মাজেৰে পোনাই গ'লে আধা ঘণ্টাতে স্কুল পাওঁগৈ। কিন্তু বাৰিষাৰ দিনত ফেনে-ফোটোকাৰে ভৰি থকা পথাৰখন পাৰ হৈ যাব নোৱাৰি। সেয়েহে গাঁৱৰ মাজৰ একা-বেঁকা মূল পথেৰে যাব লাগে। এনেকৈ গ'লে প্ৰায় এঘণ্টামান লাগিছিল। আমাৰ শ্ৰেণীৰ প্ৰায় সকলো ল'ৰা-ছোৱালীয়ে খোজ কাঢ়ি স্কুললৈ গৈছিল, এক বা দুয়েহে চাইকেলেৰে গৈছিল। নীলা হাফপেণ্ট, বগা ছাৰ্ট, উদং ভৰি, হাতত পাঁচটা শ্ৰেণীৰ কিতাপ আৰু বহী লৈ পুৱা ন-বজাৰ পৰা শাৰী শাৰীকৈ ল'ৰা-ছোৱালীবোৰ স্কুললৈ গৈছিল। স্কুল আৰম্ভ হৈছিল দহ বজাৰ পৰা। আমাৰ শ্ৰেণীত মাত্ৰ এটি ছাত্ৰইহে ভৰিত জোতা পিন্ধিছিল, কিতাপ-বহীবোৰ কঢ়িয়াইছিল এটা পিঠি বেগত। এই ছাত্ৰটিৰ দেউতাকে হেনো চাকৰি কৰিছিল, তেহে সিহঁতৰ জোতা-বেগ কিনাৰ সামৰ্থ আছিল।

আমাৰ শ্ৰেণীত (পঞ্চম) পঞ্চাশটিমান ছাত্ৰ-ছাত্ৰী আছিল। সৰহসংখ্যক ছাত্ৰ-ছাত্ৰীয়েই আহিছিল কৈলাসপুৰৰ পৰা। আমাৰ গাঁৱৰ ছাত্ৰ-ছাত্ৰী বেছি নাছিল। (আমাৰ গাঁৱৰ অধিকাংশ ল'ৰা-ছোৱালীয়েই স্কুললৈ যোৱা নাছিল।) শ্ৰেণীকোঠাটোৰ এফালে ল'ৰাবোৰ, আনফালে ছোৱালী বহিছিল। দীঘল দীঘল বেঞ্চবোৰত এখনতে পাঁচটিকৈ বহিব পৰা। স্কুল ঘৰৰ বেৰবোৰ সম্পূৰ্ণকৈ সজা নাছিল, আধালৈকেহে আছিল। তদুপৰি খিৰিকীবোৰ সদায়ে খোলা থাকিছিল। বাৰিষাৰ দিনত স্কুলৰ দুৱাৰ ভাঙি শ্ৰেণীকোঠাত গৰু সোমাই ৰাতি ৰাতি থাকিছিল। আমি পুৱা শ্ৰেণীকোঠা চাফা কৰাৰ পাছতহে পাঠদান আৰম্ভ হৈছিল। প্ৰত্যেকদিনাই পুৱা ন বাজি পঞ্চল্লিশ মিনিটত প্ৰাৰ্থনা আৰম্ভ হৈছিল, দহ বজাত আৰম্ভ হৈছিল পাঠদান, দুপৰীয়া বাৰৰ পৰা চাৰে বাৰ বজালৈকে জিৰণিৰ সময় আছিল, তাৰ পাছত তিনি বজাত স্কুল ছুটী হৈছিল।

পঞ্চমৰ পৰা দশম শ্ৰেণীলৈকে প্ৰত্যেক বছৰেই মই শ্ৰেণীটোত প্ৰথম হৈ উত্তীৰ্ণ হৈছিলোঁ। সেই হেতুকে শিক্ষকসকলে মোক বৰ মৰম কৰিছিল। আমাৰ ঘৰৰ অৱস্থা একেবাৰে বেয়া হোৱাৰ বাবে সপ্তম শ্ৰেণীৰ জিলা ভিত্তিক বৃত্তি পৰীক্ষাত মোৰ পৰীক্ষাৰ মাচুল ৰেহাই দিয়া হৈছিল। আচৰিত ধৰণেৰে এই সময়ছোৱাত মোৰ পঢ়াৰ প্ৰতি ধাউতি ইমানেই বাঢ়িছিল যে পৰীক্ষা আহিলেই মোৰ মন ৰোমাঞ্চিত হৈ উঠিছিল। এই সময়ছোৱাত প্ৰতিটো বিষয়ৰ প্ৰতিটো পৰীক্ষাত লাভ কৰা নম্বৰবোৰ মোৰ এতিয়াও জলজল পটপটকৈ মনত আছে। শ্ৰেণীকোঠাত শিক্ষকসকলে বাকী ছাত্ৰ-ছাত্ৰীসকলক পঢ়াত উদ্‌গনি দিবলৈ প্ৰায়ে কৈছিল— 'চাছোন ৰুবুলে ইমান দুখীয়া ঘৰৰ পৰা আহিও পৰীক্ষাত ইমান নম্বৰ পায়, তহঁতে কিয় নাপাবি।' এদিন হিন্দীৰ শিক্ষকে পৰীক্ষাৰ বহী ওভতাই দিওঁতে সপ্তম শ্ৰেণীত পঢ়া ককাইক জেওৰা খুঁটি ভাঙি হাতত কোব দি কৈছিল— 'ভায়েৰে ইমান নম্বৰ পায়, তোৰ লাজ নালাগে ইমান কম নম্বৰ পাবলৈ?'

মই ষষ্ঠ শ্ৰেণীত থাকোঁতে এদিন অংকৰ ছাৰে হঠাৎ আহি নিৰ্দেশ দিলেহি যে মই দশম শ্ৰেণীৰ কোঠালৈ যাব লাগে। মোৰ আচৰিত হোৱাৰ পাল। মই নুবুজাৰ দৰে ছাৰৰ মুখলৈ চালোঁ— 'কিয় ?' ছাৰে ক'লে— 'মোৰ সৈতে আহচোন।' উপায়ন্তৰত মই ছাৰৰ পিছ ল'লোঁ। ভিতৰি ভিতৰি ভয় খালোঁ— মোক শাস্তি দিব বিচৰা নাইতো ? স্কুল ঘৰৰ একেবাৰে অন্যটো মূৰত দশম শ্ৰেণীৰ কোঠাটো। গৈ পাওঁমানে মোৰ বুকু দুৰু দুৰু কঁপিবলৈ ধৰিলে। ভীতি আৰু উত্তেজনাত দশম শ্ৰেণীৰ কোঠাত সোমালোঁ। ছাৰে শ্ৰেণীকোঠাত থকা ছাত্ৰ-ছাত্ৰীৰ উদ্দেশ্যি ক'লে, 'ব'ৰ্ডত থকা অংকটো ৰুবুলে কৰি দিব।' মই শংকিত হৈ উঠিলোঁ। দশম শ্ৰেণীৰ পাঠ্যপুথিৰ এটা অংক কৰাটো ষষ্ঠ শ্ৰেণীৰ এটা ছাত্ৰৰ বাবে কেনেকৈ সম্ভৱ ? কিন্তু নিৰ্দেশ দি ছাৰ ওলাই গ'ল। মই বন্দী হৈ ৰ'লোঁ দশম শ্ৰেণী কোঠাত। মোৰ সন্মুখত এখন বৃহৎ ক'লা বৰ্ড। মোৰ পিঠিফালে শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকল। এই ছাত্ৰ-ছাত্ৰীসকলৰ মাজতে কোনোবা কোণত বহি আছে মোৰ নিজা বাইদেউ। পিছফালৰ পৰা দুটামান ছাত্ৰই চিঞৰিছিল— 'অই হ'ব হ'ব, নোৱাৰ যদি যাগৈ যা।' মই ব'ৰ্ডত পাতি থৈ দিয়া অংকটোলৈ চাইছোঁ। পাৰিমনে ? মোৰ মগজুত দেখোন একোকে সোমোৱা নাই। সব খেলি মেলি লাগি গৈছে।

আৰু হঠাৎ মোৰ মনত পৰি গ'ল। কেইদিনমানৰ আগতে গণিতৰ পাঠত শিকোৱা অংকটোৰ ফৰ্মূলাটো মনত পৰি গ'ল। পূৰণৰ এইনতুন সূত্ৰটো কিছুদিনৰ আগতেহে শিকাইছিল ছাৰে। মই তৎক্ষণাৎ ব'ৰ্ডত অংকটো কৰি শ্ৰেণীকোঠাৰ পৰা ওলাই দৌৰিবলৈ ধৰিলোঁ। ষষ্ঠ শ্ৰেণীৰ কোঠাৰফালে দৌৰি যাওঁতে গোটেই স্কুলখনৰ ছাত্ৰ-ছাত্ৰীয়ে দুৱাৰ-খিৰিকীৰ মুখত জুম বান্ধি মোলৈ চাই আছিল। দুপৰীয়া পানী খোৱাৰ ছুটীৰ সময়ত মই শ্ৰেণীকোঠাৰ এচুকত বহি আছিলোঁ। ওপৰৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীবোৰে মোক চাবলৈ আমাৰ শ্ৰেণীকোঠালৈ আহিছিল। বাইদেউৰ লগৰবোৰে আহি কৈছিল— 'মাতুৰ ভায়েক কোনটো চাওঁ।' মই লাজত সেমেনা-সেমেনিকৈ চুক এটাত বহি আছিলোঁ। মোৰ ভয় হৈছিল— অংকৰ উত্তৰ যদি ভুল হয় তেন্তে ছাৰে আহি মোক শাস্তি দিব। কিন্তু সেইদিনা ছাৰ আমাৰ শ্ৰেণীকোঠালৈ দ্বিতীয়বাৰ অহা নাছিল। স্কুল ছুটী হোৱাত মই দৌৰা-দৌৰিকৈ পথাৰৰ মাজেৰে ঘৰলৈ গৈছিলোঁ। ৰাতি শোৱাৰ পৰত দেউতাই মাক কৈছিল— 'আজি সৰুদৌৱে দশম শ্ৰেণীত গৈ অংক কৰি থৈ আহিল। এদিন ই মেট্ৰিক পাছ কৰিবই চাবি। আমাৰ বংশৰ প্ৰথম মেট্ৰিক পাছ হ'ব।'

সেইবছৰ স্কুলৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ সমাৰোহত আমাৰ অংকৰ ছাৰে মোক স্কুলখনৰ শ্ৰেষ্ঠ ছাত্ৰ হিচাপে ঘোষণা কৰিছিল।

(আঠ)

ইতিমধ্যে আমি ডাঙৰ হৈ অহাৰ লগে লগে আমাৰ ঘৰত খাৰৱীয়াৰ সংখ্যা বৃদ্ধি হ'ল। আমি পাঁচটি ল'ৰা-ছোৱালীৰে ঘৰত মুঠ প্ৰাণীৰ সংখ্যা নটি। মা-দেউতা, আইতা আৰু সৰু পেহী। ককা অকন্তিয়ে হাবি ভাঙি খুলি থৈ যোৱা আটাইখিনি মাটিতে দেউতাই খেতি কৰিব নোৱাৰিছিল। কেইবিঘামান মাটি আছিল অতি দ, য'ত পৰ্যাপ্ত পৰিমাণে দল ঘাঁহ ওপজাৰ বাবে এইখিনিত দেউতাই অকলে খেতি কৰিব নোৱাৰিছিল। অন্যহাতে তিনিআলি নগাঁৱৰ সীমাত থকা মাটিখিনি আছিল অতি বাম চানেকীয়া, সেই হেতুকে ইয়াতো ধান খেতি ভাল নহৈছিল। এই মাটিখিনি ঘৰৰ পৰা কিছু নিলগত থকাৰ বাবে অন্য খেতি কৰিবৰ বাবেও অসুবিধা হৈছিল। দুই-এবছৰমান খেতিৰ বাবে ঘৰত হালোৱা ৰখা হৈছিল, কিন্তু হালোৱাৰ বাবদ বছৰেকত দু বিঘা মাটিৰ ধান দিব লাগিছিল। ঘৰৰ মাটিৰ খেতিৰে বছৰটোৱেই খাবলৈ নহয়গৈ, তাতে যদি দু বিঘা মাটিৰ ধান হালোৱালৈ যায়, তেন্তে আমি ন-টি প্ৰাণীয়ে কেনেকৈ বৰ্তি থাকিম? ফলত হালোৱা ৰখাটো দুৰুহ হৈ আহিছিল। ঘৰৰ আৰ্থিক অৱস্থা দিনক দিনে বেয়াৰ ফাললৈ যোৱাত ককাই আৰু মোৰ ওপৰত দায়িত্ব আহি পৰিছিল। কণ আৰু মুন তেতিয়াও পথাৰত খেতি কৰিব পৰা হোৱা নাই।

পৰিস্থিতিয়ে বাধ্য কৰাত কান্ধত তুলি ল'ব লগা হৈছিল ঘৰ চলোৱাৰ আংশিক দায়িত্ব। এই যাত্ৰাত সহযোগী আছিল দেউতা আৰু ককাই। যাত্ৰা আৰম্ভ হৈছিল মই চতুৰ্থ-পঞ্চম শ্ৰেণীত থাকোঁতেই। এতিয়া সেই দিনবোৰলৈ ঘূৰি চালে অবিশ্বাস্য যেন লাগে— ন-দহ বছৰীয়া ল'ৰা দুটাই পথাৰত হাল-কোৰ বাই কেনেকৈ ঘৰ চলোৱাৰ দায়িত্ব ল'ব পাৰে? আজিকালি কেতিয়াবা ঘৰলৈ গ'লে পথাৰত ঘূৰি ফুৰা কণ কণ ল'ৰা-ছোৱালীবোৰ দেখিলে মোৰ শৈশৱলৈ মনত পৰে। মনত পৰে— এবাৰ চতুৰ্থ শ্ৰেণীত পঢ়ি থাকোঁতে স্কুলৰ দ্বিতীয়জন শিক্ষক ইন্দ্ৰ ছাৰে শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক কৈছিল— 'ৰুবুলে, বুবুলে পথাৰত খেতি কৰি দেউতাকক সহায় কৰি দিয়ে, সেয়েহে পঢ়িব পাৰে, ঘৰৰ দায়িত্বৰ লগতে পঢ়াৰ দায়িত্বও বজাই ৰাখে। আৰু তহঁতে একোকে নকৰ, সেয়েহে পঢ়িব নোৱাৰ।' কোৱা শুনিছিলোঁ আমাৰ গাঁৱৰ মোৰ সমনীয়া ল'ৰাবোৰক হেনো মাক-দেউতাকহঁতে গালি দিছিল— 'তহঁতে জীৱনত উন্নতি কৰিবলৈ সৰুদৌ-ডাঙৰদৌৰ ভৰিৰ তলেৰে পাৰ হৈ আহিব লাগিব।'

মই এইটো ক'ব খোজা নাই যে আমাৰ শিশু মনত দায়িত্ববোধৰ জ্ঞান উদিত হৈছিল। আচলতে আমাক পৰিস্থিতিয়েহে ঘৰৰ দায়িত্ব ল'বলৈ বাধ্য কৰাইছিল। আমি কাম নকৰিলেই নহয়, ঘৰৰ ধানেৰে বছৰটো নোজোৰে। আচলতে কাম কৰিও কেতিয়াবা বছেৰেকৰ

এক-দুই মাহ খাবলৈ নুজুৰিছিল। গাঁৱৰ মানুহৰ সম্পদ-ভঁৰাল বুলিবলৈ কেৱল ধানমুঠিয়েই। তেনে ক্ষেত্ৰত ধানমুঠি নোহোৱা মানেই আতংক। পেটত গামোচা বান্ধি থকা মানুহেহে হৃদয়ংগম কৰিব পাৰিব সেই আতংকৰ গম্ভীৰতা। সেয়া যি কি নহওক, সেই যে কিশোৰ বয়সতে কান্ধত নাঙল লৈ পথাৰলৈ ওলাই গৈছিলোঁ— সেই কথাটোৱে মোক জীৱনৰ এক অপৰিহাৰ্য কৰ্তব্যক শিকাই থৈ গৈছিল। দায়িত্ব অৰ্থাৎ ৰেচপনচিবিলিটী। যি ল'ৰা-ছোৱালীয়ে হাজাৰ প্ৰতিকূলতাকো নেওচি দায়িত্ব সহকাৰে নিজৰ কৰ্তব্য কৰি গৈছে, তেওঁলোকেই মানৱ সমাজৰ আচল সম্পদ। তেওঁলোকৰ উন্নতি নোহোৱাৰ মানে নাই। জীৱনৰ দুৰ্যোগৰ মুহূৰ্ত এই গভীৰ সত্যফাঁকিকে মই বাৰে বাৰে আওৱাবলৈ চেষ্টা কৰিছোঁ আৰু ভৱিষ্যতেও কৰিম বুলি স্থিৰ কৰিছোঁ।

প্ৰতিনিয়ত আমাৰ জীৱন আৰম্ভ হৈছিল ব্ৰহ্মপুৱাতে। চাৰি বজাৰ আগতেই পথাৰলৈ হাল নিব লাগে। বাহিৰত তেতিয়াও আন্ধাৰ। খেতিৰ সময় আৰম্ভ হয় ঠিক বহাগ বিহুৰ আগে-পিছে। অৱশ্যে আৰম্ভণিৰ দিনকেইটাত পথাৰলৈ ব্ৰহ্মপুৱাতে হাল নিব নালাগে; জেঠ-আহাৰৰ পাছত যেতিয়া খেতি ভৰপক হয়, তেতিয়াহে ইমান পুৱাতে হাল নিব লাগে। মাটি একেখিনিয়েই, কিন্তু খেতি কৰিছিলোঁ দুবাৰ। প্ৰথমবাৰ ঠিক বহাগৰ আগে-পিছে। এনে আগতীয়া খেতিৰ ধান আহাৰ-শাওণত দাবৰ হয়। তাৰ পিছত আৰম্ভ হয় দ্বিতীয়টো খেতি— শালি খেতি। দুবাৰ খেতি কৰিলেও ধানে বছৰটো নাযায়, এবাৰ কৰিলেতো কথাই নাই। বহাগ-জেঠত আই আৰু, বিহাৰীৰ দৰে আগতীয়া ধান খেতি আমাৰ গোটেই গাঁওখনেই কৰিছিল।

কঠীয়া ৰোৱাৰ পাছতেই ধান ৰখাৰ দিনবোৰ আহিছিল। জেঠ মাহত গৰু উদং হৈয়ে থাকে, সেয়েহে ৰোৱা মাটিবোৰত ৰখীয়া থাকিব লাগে। নহ'লে গৰুৱে আৰু খেতি কৰি নথয়। আমি পথাৰত সৰু এটা চালি দিয়া ঘৰ সাজি লৈছিলোঁ— গৰু ৰখাৰ উদ্দেশ্যে। জেঠ মাহৰ প্ৰখৰ ৰ'দ অথবা বৰষুণৰ পৰা বাচিবলৈ চালি ঘৰৰ বিকল্প নাই। আমি চালি ঘৰতে বাঁহৰ এখন চাং সাজি লৈছিলোঁ, যাতে ৰোৱা ৰখোঁতে অলপ জিৰাই ল'ব পাৰি। আমি পাল পাতি পাতি চালিঘৰলৈ গৈছিলোঁ— পুৱা আঠ-ন মান বজালৈকে মই বা ককাই, ন বজাৰ পৰা সৰুপেহী, তাৰ পাছত আইতা বা দেউতা বা মা। ঘৰৰ কামত ব্যস্ত থকাৰ বাবে মা বৰকৈ চালি ঘৰলৈ নগৈছিল। পাছত স্কুলৰ পৰা আহি ভাতমুঠি খায়েই আমি আকৌ চালি ঘৰলৈ দৌৰিছিলোঁ। সন্ধিয়া যেতিয়া চৰণীয়া গৰুবোৰ ঘৰা-ঘৰি গৈছিলগৈ তেতিয়াহে আমাৰ দিনটোৰ ৰোৱা ৰখাৰ পৰ্ব শেষ হৈছিল। কষ্ট তেনেকৈ নাছিল— কেৱল গৰুৱে যাতে ৰোৱা খাব নোৱাৰে তাৰ দায়িত্ব ল'ব লাগিছিল। আমাক চালি ঘৰতে পঢ়ি থাকিবলৈ উপদেশ দিয়া হৈছিল। মায়ে কৈছিল— 'কিতাপ-বহী লৈ যা, পথাৰতে পঢ়িবি।' গৰু ৰখাৰ পাছত পথাৰৰ মাজত কিতাপ পঢ়াটো প্ৰায় অভ্যাসত পৰিণত

হৈছিল, বিশেষকৈ পাঠ্যপুথিৰ কিতাপ নহয়, বাহিৰা কিতাপ, যিবোৰ কিতাপ লুকাই-চুৰকৈ পঢ়িবলগীয়া হৈছিল। মই অষ্টম-নৱম শ্ৰেণীত থাকোঁতে চালি ঘৰতে "মহাভাৰত", "ৰামায়ণ", "সূৰুযমুখীৰ স্বপ্ন", "ডাৱৰ আৰু নাই" আদি গ্ৰন্থবোৰ পঢ়ি আঁতাইছিলোঁ। নৱম-দশম শ্ৰেণীত থাকোঁতে আহাৰ-শাওণ মাহত পথাৰত গৰু চৰাবলৈ যাওঁতে বিস্ময়-তৃষ্ণাতুৰ জাতীয় লঘু আলোচনীবোৰৰ প্ৰেম-ৰহস্যৰ গল্প-কাহিনীবোৰ বৰ মনোযোগেৰে পঢ়িছিলোঁ।

পথাৰৰ মাজত পঢ়াৰ কিছুমান সুবিধা আছিল। প্ৰথম— নিৰ্জন ঠাই হোৱাৰ হেতুকে কোনেও আমনি নিদিছিল। বতাহৰ 'হো হোৱনি' আৰু গৰুৰ হেম্বেলনিৰ বাদে কাৰোৰে মাত শুনা নগৈছিল। পুৱাৰ সময়খিনিত অৱশ্যে হাল বাই থকা হালোৱাৰ মাত বতাহত ভাহি আহিছিল— ঠিক কেঁকাই থকা মানুহৰ দৰে 'ঘূৰ-বাহিৰ' জাতীয় শব্দবোৰ। দ্বিতীয়— নিজৰ ইচ্ছানুসৰি পঢ়িব পৰা গৈছিল। অৱশ্যে পথাৰত পঢ়াৰ বেয়া দিশো আছিল। যেনে— কোমল মলয়া বতাহে টোপনি আনি দিছিল। দেউতাই পথাৰৰ মাজত পঢ়াৰ উপকাৰৰ কথা সোঁৱৰাই দিছিল, কৈছিল— 'আমাৰ গাঁৱৰ ৰোহিণীক দিলীপে পথাৰৰ চালি ঘৰত পঢ়ুৱাই পঢ়ুৱায়েই মেট্ৰিক পাছ কৰোৱালে।' মই অনুপ্ৰাণিত হৈ উঠিছিলোঁ— এদিন ময়ো মেট্ৰিক পাছ কৰাৰ স্বপ্নত বিভোৰ হৈ পৰিছিলোঁ।

আমাৰ শিশু শৰীৰৰ বাবে আটাইতকৈ কঠিন দিনকেইটা আছিল আহাৰ-শাওণ-ভাদ মাহ। ইতিমধ্যে, প্ৰথমটো আগতীয়া ধানখেতি শেষ হোৱাৰ পাছত দ্বিতীয় শালি-লাহী খেতিত নামিবৰ হৈছিল। খেতিৰ ভৰপকৰ সময়ত আমি, ককাই আৰু মই পুৱা চাৰি বজাতে হাল লৈ যাওঁ। পিছে পিছে দেউতা যায়। দেউতাই পুৱাই উঠি তামোল দুখনমান হাঁচতিত বান্ধি মুখত এখন সুমুৱাই লয় মানে আমি পথাৰ পাওঁগে। আমাৰ গৰু আছিল দুহাল। এহাল দেউতাই বায়, আনহাল মই আৰু ককাই সলনা-সলনিকৈ বাইছিলোঁ। হাল নোবোৱাটোৱে পথাৰত কোৰ মাৰিব লাগে— আঁচ কোৰ, আলিৰ পাৰ, পথাৰৰ মাটিৰ চুক-কোণবোৰ কুৰি দিব লাগে। মাটিত চাৰি চহ পৰাৰ পাছত আলিবোৰ বোকা মাটিৰে লিপি দিব লাগে, যাতে বন গজিব নোৱাৰে। পাঁচ চাহত ৰুবলৈ দিয়া হয়। ৰুবলৈ দিয়াৰ দিনত দেউতাই কঠীয়া আনে, আমি বিলাই দিওঁ। আমাৰ বয়স ন-দহ বছৰ হৈ থাকোঁতে আমি কঠীয়া ভাৰ বৈ অনাটো আমাৰ দায়িত্বত পৰিছিল। ন বজাৰ আগে আগে হাল সামৰি স্কুললৈ দৌৰোঁ। যোৱাৰ আগে আগে মায়ে গৰম পানীৰ সৈতে কল-গুৰ-কঁঠাল গুটি খাবলৈ দিয়ে।

মোৰ বাবে আটাইতকৈ প্ৰত্যাহ্বানৰ দিনবোৰ আছিল দ-মাটিত হাল বোৱা দিনবোৰ। আমাৰ কেইবাবিঘাও দ মাটি আছিল। তাত দল ঘাঁহ গজাৰ বাবে হাল বোৱাটো অতি দুঃসাধ্যৰ কাম আছিল। মাটিবোৰত প্ৰায় এককঁকাল পৰ্যন্ত পানী আছিল। মাটিৰ তলিত দল

ঘাঁহবোৰ প্ৰোথিত হৈ আছিল। অতি ঘনকৈ ঘাঁহবোৰ গজাৰ বাবে মাটিত নাঙলৰ চাব নবহিছিল। তদুপৰি দলঘাঁহবোৰ নাঙলত লাগি ধৰিছিল আৰু প্ৰতি মিনিটে মিনিটে ঘাঁহবোৰ নাঙলৰ পৰা আঁতৰাব লাগিছিল। হাল জোৰাৰ কেইমিনিটমানৰ পিছতে মই অৱশ হৈ পৰিছিলোঁ। নাঙল দাঙি জাবৰ আঁতৰোৱাটো মোৰ বাবে দুঃসাধ্য হৈ পৰিছিল। কিন্তু দেউতাৰ ৰঙা চকুলৈ ভয় কৰি একো ক'বও নোৱাৰিছিলোঁ আৰু বাধ্য হৈ দেউতাৰ পিছে পিছে হাল বাই থাকিছিলোঁ। দেউতাই হাল বাই থাকোঁতে হাতত এখন মেচি দা লৈ ফুৰিছিল, নাঙলত লাগি ধৰা দল ঘাঁহবোৰ কাটিবলৈ। মাজে মাজে দেউতাই হাল ৰখাই মোকো সহায় কৰি দিছিল নাঙলত লাগি ধৰা জাবৰবোৰ কাটি কাটি। এইদৰে তিনি চাহমান বোৱাৰ পিছত হাতেৰেই দলবোৰ টানি পাৰলৈ উঠোৱা হৈছিল। তেহে এই মাটিত কঠীয়া ৰুব পৰা হৈছিল। বন্ধ পানী থকাৰ কাৰণে এই ঠাইত জোক প্ৰচুৰ পৰিমাণে আছিল। মায়ে জোকলৈ ভয় কৰিছিল। বৃহৎ বৃহৎ ম'হ-জোকবোৰ পানীত আহি থকা দেখিলে মায়ে ভয়ত দৌৰি পাৰত উঠিছিলগৈ। ইমান কষ্ট কৰি ৰোৱাৰ পাছতো এই মাটিডোখৰত অতি কম পৰিমাণেহে ধান পোৱা গৈছিল। কাৰণ আঁকি শালি ধানগছবোৰ লহপহকৈ বাঢ়ি পানীতে পৰি নষ্ট হৈ গৈছিল।

শাওণ-ভাদ মাহত গৰম বন্ধৰ দিন আহিছিল। এই মাহটোত আমি স্কুললৈ যোৱাৰ পৰিৱৰ্তে পথাৰত গৰু চৰাবলৈ যাব লাগে। ইতিমধ্যে খেতিয়কে পথাৰত ৰুবলৈ আৰম্ভ কৰাৰ বাবে গৰুৰ চৰণীয়া পথাৰ সংকুচিত হৈ আহিছিল। এই দিনকেইটাত গৰুবোৰ মেলি দিব নোৱাৰি, কাৰণ মেলি দিলে আনৰ ৰোৱা মাটিত ৰোৱা খাবগৈ। সেয়েহে হাল খুলিয়েই আমি দুবাৰকৈ গৰু চৰাবলৈ গৈছিলোঁ। এবাৰ পুৱা দহৰ পৰা বাৰমান বজালৈকে। বাৰ বজাত আহি আমি জিৰণি লৈছিলোঁ। পিছবেলা ঠিক তিনিমান বজাতে পুনৰ গৰু চৰাবলৈ গৈছিলোঁ। শাওণ মাহৰ প্ৰখৰ ৰ'দক প্ৰতিহত কৰিবলৈ মূৰত এটা জাপি নতুবা কান্ধত এটা ছাতি, এখন হাতত এডাল এছাৰি, অন্য হাতত এখন কিতাপ। এই দিনবোৰত বাহিৰা কিতাপ পঢ়াটো নিচা হৈ গৈছিল। আমাৰ কাষৰ বৰতাহঁতৰ ল'ৰা দুটা দীপ-মাকণে বিস্ময়-তৃষ্ণাতুৰ জাতীয় কিতাপ যোগান ধৰিছিল। নৱম শ্ৰেণীত থকা বছৰটোৰ গৰমৰ বন্ধত এইদৰে গৰু চৰাবলৈ যাওঁতে সাহিত্যৰ কেইখনো মূল্যৱান কিতাপ যেনে— "কৰ্কাদেউতাৰ হাড়", "নৈ বৈ যায়" আদি পঢ়া মনত আছে। এই কিতাপবোৰ আনৰ ঘৰৰ পৰা খুজি আনিছিলোঁ, নিজে কিনি কিতাপ পঢ়াৰ মনত নাই, সামৰ্থ্যও নাছিল।

ভাদ মাহ সোমাওঁতেই খেতি শেষ হয়। ইফালে গৰমৰ বন্ধও শেষ। আকৌ স্কুললৈ যাব লাগে। জীৱনৰ একেটাই চক্ৰ বছৰি-বছৰি আহি থাকে। তেতিয়াৰে পৰা গ্ৰীষ্মকাল মোৰ একেবাৰে প্ৰিয় নাছিল। অত্যধিক গৰম বা বৰষুণ হোৱাৰ বাবে ঠিক নহয়, মোৰ শৰীৰ-মনত অত্যধিক কষ্ট হোৱাৰ বাবেহে। দিনত ইমান শ্ৰম কৰি, ৰাতিলৈ স্কুলৰ পাঠ পঢ়িব লাগিছিল।

ইফালে আহাৰ-শাওণৰ কিছুদিন আমাৰ ঘৰত প্ৰায়ে খাবলৈ নুজুৰিছিল। পেটত ভোকৰ জুই লৈ খাবলৈ পোৱাৰ চিন্তাই দেহ-মনক হতাশ কৰি তুলিছিল। আজিকালি মই গ্ৰীষ্মকালত যেতিয়া শীত-তাপ নিয়ন্ত্ৰিত অত্যাধুনিক পৰীক্ষাগাৰত সোমাই বিজ্ঞানৰ পৰীক্ষা-নিৰীক্ষা কৰি থাকোঁ, তেতিয়া মোৰ প্ৰায়ে শৈশৱৰ দিনবোৰলৈ মনত পৰে। মনত পৰে সেইসকললৈ, যিসকলে এতিয়াও মোৰ শৈশৱৰ দৰেই পথাৰত গৈ ৰ'দ-বৰষুণ নেওচি মাত্ৰ দুবেলা-দুমুঠি ভাতৰ বাবেই শ্ৰম কৰিবলগীয়া হৈছে। এই পৃথিৱীত তেওঁলোকৰ সংখ্যা কোটিৰ ঘৰত।

(ন)

আহিন আহিলেই বাম খেতিলৈ যাবৰ হয়।

দেউতাই বাৰীত অলেখ ধৰণৰ বাম খেতি কৰিছিল। আমি সৰু হৈ থাকোঁতে দেউতাক বাম খেতি কৰাত সহায় কৰিছিলোঁ, কিন্তু পাছলৈ অৰ্থাৎ মই অষ্টম-নৱম শ্ৰেণী পাওঁতে নিজেই এই বাম খেতিৰ দায়িত্ব লৈছিলোঁ। জাত জাত শাক-পাচলিৰ খেতি হৈছিল— লাই, লফা, মূলা আগতীয়াকৈ কৰা হৈছিল। কাতি মাহত আৰম্ভ হৈছিল বন্ধা কবি, ফুল কবি, ওল কবি, আলু, পিঁয়াজ, নহৰুৰ খেতি। কাতিৰ শেষৰ ফালে ৰঙালাও, কেৰেলা, মটৰ আদিৰ খেতি আৰম্ভ কৰা হৈছিল।

কেৰেলা খেতি গোটেই অঞ্চলটোৰ ভিতৰত কেৱল আমাৰ গাঁৱতেই হৈছিল। তাকো কেইজনমান খেতিয়কৰ উদ্যোগতহে। আমাৰ দেউতাই আৰু পিছলৈ আমি প্ৰত্যেক বছৰেই কেৰেলা খেতি কৰিছিলোঁ। প্ৰায় আধাবিঘা-এবিঘামান মাটিত এই খেতি কৰিছিলোঁ। কেৰেলা খেতি বৰ লাভজনক আছিল। বজাৰত সতকাই বিক্ৰী গৈছিল। ইয়াৰ কাৰণটো হ'ল আন গাঁওবোৰত এই খেতি কৰা নহৈছিল। দেউতাই হাল বাই, মৈয়াই মাটি উলিয়াই দিছিল, আমি, ককাই আৰু মই খুলি খান্দি গৰু গোবৰ দি গৈছিলোঁ। কোৰেৰে এই গোবৰ মাটিৰ সৈতে মিহলাই এটা খুলিত চাৰি-পাঁচটাকৈ গুটি দি গৈছিলোঁ। পুলি ওলাবলৈ এক-দুই সপ্তাহ লাগিছিল। পুলি ওলোৱাৰ পাছত সময়ে সময়ে কেৰেলাৰ তলিখন চিকুণাই দিয়া হৈছিল। এইদৰে দুই তিনিবাৰ চিকুণোৱাৰ পাছত পুহ-মাঘ মাহত কেৰেলাৰ তলিত ধানখেৰ পাৰি দিয়া হৈছিল, যাতে তাত বনৰীয়া বন গজিব নোৱাৰে। তাৰ পাছত ফাগুনত কেৰেলা লাগিবলৈ আৰম্ভ কৰিছিল আৰু আমি বহাগ পৰ্যন্ত বজাৰত কেৰেলা বিক্ৰী কৰিছিলোঁ। উল্লেখযোগ্য, আমাৰ ঘৰত কেৰেলাৰ খেতি ককা অকন্তিৰ দিনৰ পৰা চলি আহিছে। আৰু এই খেতিৰ উত্তৰাধিকাৰী কণ আৰু মুনে এতিয়াও কৰি আহিছে। হয়তো ভৱিষ্যতেও আমাৰ পৰিয়ালত কেৰেলাৰ খেতি চলি থাকিব— কোনে জানে?

কেৱল খেতি কৰিলেই নহ'ব, উৎপাদিত সামগ্ৰী বিক্ৰীও কৰিব লাগিব। বিক্ৰী কৰাৰ পাল পৰিছিল মোৰ আৰু ককাইৰ ওপৰত। পাছলৈ আমি ঘৰৰ পৰা আঁতৰি অহাত কণ-মুনে এই দায়িত্ব লৈছিল। বিক্ৰী কৰিবলৈ বজাৰ আছিল মাত্ৰ তিনিখন— দেওবাৰে টঙনাৰ বজাৰ, মঙলবাৰে কৈলাসপুৰ আৰু শনিবাৰে মহাদেৱপুৰত। মঙলবাৰত স্কুল থকাৰ বাবে আমি এই বাৰটোত সাধাৰণতে বজাৰ এৰাই চলিছিলোঁ। দেওবাৰৰ দিনটো আছিল আমাৰ বাবে নিৰ্দিষ্ট দিন, এই দিনটোত আমি কেতিয়াও বজাৰ খতি নকৰিছিলোঁ। বজাৰত শাক-পাচলি বিক্ৰী কৰি পোৱা সামান্য ধনেৰে ঘৰৰ তেল-নিমখ আনিছিলোঁ, কেতিয়াবা খাবলৈ নোজোৰা দিনকেইটাত চাউল-আটাও কিনি আনিব লগা হৈছিল। এই বজাৰবোৰত হোৱা ৰোমাঞ্চকৰ অথবা হতাশাজড়িত অভিজ্ঞতাৰ টুকুৰা কিছুমান তলত দাঙি ধৰিলোঁ—

দৃশ্য একঃ পুৱাই শুই উঠি টঙনাৰ দেওবৰীয়া বজাৰলৈ যাবলৈ ওলালোঁ। শাক-পাচলিবোৰ আগদিনা গধূলিয়েই ছিঙি থৈ দিয়া আছিল। বন্ধা কবি আধা বস্তা, কেৰেলা আধা বস্তা, বেঙেনা কেইকেজিমান...। পুৰণি ৰয়েল চাইকেল এখনত পাচলিবোৰ ভাৰ কৰি চাইকেল ঠেলি টঙনা পালোঁগৈ। লগত চিৰন্তন লগৰীয়া ককাই।

টঙনা বজাৰৰ উত্তৰ-পূব দিশত আমাৰ বেহা মেলাৰ নিৰ্দিষ্ট স্থান। আমি বজাৰৰ একমাত্ৰ বাঁহৰ হোটেলখনৰ সন্মুখতে থৈলা পাৰি বহিলোঁ, পাচলিবোৰ ভাগ ভাগ কৰিলোঁ। বজাৰত পাচলি বিক্ৰী কৰাৰ আৰম্ভ হ'ল।

দ-পথাৰ গাঁৱৰ মানুহবোৰ বজাৰলৈ আহি আমাৰ বাবে বৈ আছিল। দ পথাৰৰ গাঁৱত বাম খেতি নহয়, সেয়ে আমাৰ গাঁৱৰ শাক-পাচলিলৈ তেওঁলোক বৈ থাকে। আমি শাকৰ বজাৰখন মেলাৰ লগে লগে তেওঁলোক উবুৰি খাই পৰিলহি।

—কবিৰ দাম কেনেকুৱা?

—এক টকা কিলো।

—কেৰেলা?

—দুই টকা।

—মূলা?

—আঠ অনা।

....

দ-পথাৰৰ মানুহে পালে নিমিষতে আমাৰ বজাৰ শেষ। অন্যথা, দুপৰীয়ালৈকে বহি থাকিলেও আমাৰ পাচলি বিক্ৰী নাযায়।

পাচলি বিক্ৰী যোৱাৰ দিনা আমি আনন্দ মনেৰে বজাৰ সামৰি বাঁহৰ হোটেলত সোমাওঁ। দুই প্লেট মটৰ ঘুগুনী, অথবা দুখন ৰুটী খাই তৃপ্তিত মন আহ্লাদিত কৰোঁ। তাৰ

পাছত সপ্তাহটোৰ কাৰণে ঘৰুৱা বজাৰ কৰোঁ— ধূপ এক পেকেট, মিঠাতেল এক পোৱা, নিমখ এক পেকেট, খাৰ চাবোন এটা, চাধা পঞ্চাশ গ্ৰাম আৰু কেতিয়াবা মচুৰ দাইল এক পোৱা। তাৰ পাছত কেতিয়াবা আমাৰ স্কুলৰ সামগ্ৰী কাগজ এক দিস্তা, ফাউনটেইন পেন এটা, চিয়াঁহী দোৱাত, কাঠপেঞ্চিল, ৰবৰ...।

বেলি লহিয়াবলৈ হোৱাৰ পৰত আনন্দ অথবা বিষাদ মনেৰে ঘৰলৈ উভতোঁ। এইবাৰ চাইকেল ঠেলি ঠেলি যাব নালাগে— ককায়ে চলায়, মই উঠোঁ।

এই যে দৃশ্যটো বৰ্ণনা কৰিলোঁ— এইটো দৃশ্য চলিছিল মই পঞ্চম শ্ৰেণীত থকাৰ পৰা মেট্ৰিক পাছ কৰালৈকে প্ৰায় ছয় বছৰ। প্ৰত্যেক সপ্তাহতেই।

দৃশ্য দুইঃ এদিন মঙলবৰীয়া বজাৰলৈ মূলা লৈ গ'লোঁ। সেইবছৰ মই অকলে মূলা লগাইছিলোঁ। বজাৰত মূলা ঢেৰ। দাম ৰাখিলোঁ আঠ অনা। তিনি-চাৰি ঘণ্টা বজাৰত বহাৰ পাছতো এটিও মূলা বিক্ৰী নহ'ল। ফলত মূলা যিদৰে বজাৰলৈ নিছিলোঁ, ঠিক সেইদৰেই ওভতাই আনিলোঁ। বাটত হঠাৎ কথা এটালৈ মনত পৰিল— আমাৰ গাঁৱৰ ৰঙাই বুঢ়াই হেনো বজাৰত শাক-পাচলি বিক্ৰী নহ'লে, সেইবোৰ ৰাস্তাত পেলাই মুতি থৈ আহিছিল। মুহূৰ্ততে মই মূলাৰ ভাৰখন পথৰ দাঁতিত পেলাই তাৰ ওপৰত মূত্ৰ বিসৰ্জন কৰিবলৈ ধৰিলোঁ।

দৃশ্য তিনিঃ এবাৰ আবতৰীয়া বতৰত কোমোৰা ৰুইছিলোঁ। ভঁৰালৰ চালত বগাবলৈ দিছিলোঁ। কোমোৰাও লাগিল ঢেৰ। ইয়াৰে কেইটামান এদিন মঙলবৰীয়া বজাৰলৈ লৈ গ'লোঁ। কোমোৰাবোৰ তৎক্ষণাৎ বিক্ৰী হ'ল। আৰ্জিত ধনেৰে মই স্কুলৰ ইউনিফৰ্মৰ হাফ পেণ্ট এটা কিনিলোঁ। মোৰ স্কুল যাবলৈ পেণ্ট নাছিল। ততাতৈয়াকৈ ঘৰলৈ আহি কিনি অনা পেণ্টটো পিন্ধি স্কুললৈ দৌৰিলোঁ। তেতিয়া মই সপ্তম শ্ৰেণীত।

দৃশ্য চাৰিঃ ককাই সপ্তম-অষ্টম শ্ৰেণীত থাকোঁতে এদিন ডাঙৰ কুকুৰা এটা লৈ বৰডুমচা বজাৰলৈ গ'ল। আমাৰ ঘৰৰ পৰা বৰডুমচা বহুদূৰ। চাইকেলেৰে এক-ডেৰঘণ্টাৰ বাট। ককাই গৈছিল চুবুৰিৰ আন প্ৰাপ্তবয়স্ক মানুহৰ লগত। বজাৰত হেনো দুজন মানুহে কুকুৰাটো কিনিম বুলি ককাইক একাষৰীয়াকৈ মাতি নিলে। নিৰ্জন ঠাই পোৱাৰ পাছত তাক মানুহ দুটাই ভাবুকি দিলে— 'তই কুকুৰা এৰি এতিয়াই পলা, নহ'লে তোক ইয়াতে খতম কৰি দিম।' সি পলাল।

সেইদিনা ৰাতি ঘৰত দুৰ্ঘোৰ কাজিয়া। মায়ে দেউতাক গালি দিছিল— 'আপুনি এই পেন্দুকণা ল'ৰাটোক অকলে বজাৰলৈ কিয় পঠাইছিল?' দেউতাই চুবুৰীয়াক গালি দি আছিল— 'ল'ৰাটো বজাৰলৈ নি সিহঁতে তাক অকলে কিয় এৰি দিছিল?'

দৃশ্য পাঁচঃ মই নৱম শ্ৰেণীত থাকোঁতে এদিন কুকুৰা দুজনী লৈ মহাদেৱপুৰ বজাৰলৈ গ'লোঁ। সেই সময়ত কুকুৰাৰ মহামাৰী চলিছিল। মোৰ কুকুৰা দুজনী মৰেই আৰু যেনে তেনে বজাৰ পালেই ৰক্ষা। দুজনী কুকুৰাৰ দাম মই পঁয়সত্তৰ টকা ৰাখিলোঁ। বিহাৰী

সম্প্ৰদায়ৰ হোটেলৰ মালিক এজনে আহি দাম সুধিলে, মই ক'লোঁ। তেওঁ ক'লে যে দামটো অতিৰিক্ত হৈছে। তেৰেঁই পৰামৰ্শ দিলে যে ওজন কৰি দাম নিৰ্ধাৰণ কৰা হওক। মই তৎক্ষণাৎ মান্তি হ'লোঁ। ওজন কৰাত কুকুৰা দুজনীৰ দাম ওলাল এশ বিশ টকা। মানুহজন মান্তি হ'ল। মই টকা লৈ তৎক্ষণাৎ উধাও হ'লোঁ। মোৰ বিশ্বাস যে মই আঁতৰি অহাৰ পিছমুহূৰ্ততে কুকুৰা দুজনী মৰিছিল।

দৃশ্য ছয়ঃ এই দৃশ্যটো মোৰ বাবে অলপ সংবেদনশীল।

শৈশৱত ঘৰুৱা খেতি-পথাৰত শ্ৰমদান কৰিব লগা হ'লেও আনৰ ঘৰত গৈ মজদুৰী কৰিব লগা হোৱা নাছিল।

কিন্তু দুবাৰমান হৈছিল।

এবাৰ আমাৰ গাঁৱৰ ৰাস্তাটো বন্ধাবলৈ পঞ্চায়তৰ ফালৰ পৰা সাহায্য আহিল। লগে লগে ৰাস্তাত গৈ বনুৱাৰ ভিৰ লাগিল। দেউতাৰ সৈতে ময়ো গ'লোঁ কান্ধত কোৰ লৈ। দেউতা আৰু মই দুয়ো সফলভাৱেই মজদুৰীৰ তালিকাত অন্তৰ্ভুক্ত হ'লোঁ। কিন্তু পিছতীয়াকৈ অহাবোৰৰ নাম তালিকাত নোসোমাল। তেওঁলোকে তৎক্ষণাৎ প্ৰতিবাদ কৰিবলৈ ধৰিলে— 'একেঘৰ মানুহৰ দুটাকৈ নাম লিষ্টত আছে, অথচ আমাৰ এটাও নাই। ই কেনেকৈ সম্ভৱ? এয়া অন্যায়।' কথাটোৱে দেউতাৰ গাত বিন্ধিল, দেউতায়ো প্ৰতিবাদ কৰিলে— 'যি আগেয়ে আহে সিয়েই কাম পাব। শুই থকা শিয়ালক এতিয়া হাঁহ খাবলৈ লাগে বুলিলেই হ'ব নেকি?'

সেইদিনা দেউতাই মোৰ নামটো মজদুৰৰ তালিকাখনত ৰাখিবলৈ বহু চেষ্টা কৰিও বিফল হৈছিল। দেউতাৰ সেমেনা-সেমেনি, ব্যৰ্থ চকু দুটা মোৰ স্মৃতিত এতিয়াও জলজল পটপটকৈ জিলিকি উঠে।

(দহ)

যিমানে কৈ যাওঁ, সিমানেই ওলাই আহে অতীতৰ বুকুত পোত খাই থকা কথাবোৰ। শৈশৱৰ আৰু বহুত ঘটনাই মনত জুমুৰি দি থাকিলেও সেইবোৰ ইয়াত যুগুত নহয় যেন পাওঁ। সেয়েহে জীৱনৰ সোঁতত অলপ মোৰ কৈশোৰ, কৈশোৰ উত্তীৰ্ণ কালৰ কথাকেই ক'বলৈ লৈছোঁ।

মই দশম শ্ৰেণী পালোঁগৈ। মেট্ৰিক দিবৰ হ'ল। পৰিয়ালৰ সেই মুহূৰ্তটো আহিল— যি মুহূৰ্তৰ ফলাফল কেৱল ব্যৰ্থতা। প্ৰথম, মাজু পেহীয়ে মেট্ৰিক দিছিল, দ্বিতীয়তে সৰুপেহী, তাৰ পাছত বাইদেউ আৰু মোৰ আগৰ বছৰ ককায়ে। পৰিয়ালত মোৰ আটাইবোৰ অগ্ৰজই ইতিমধ্যেই এই পৰীক্ষাত বিফল হৈছে। মাজু পেহী আৰু সৰু পেহীয়ে কেইবাৰকৈ

এই পৰীক্ষা দিছিল নাজানো, কিন্তু বাইদেৱে একেবাৰে চাৰি বছৰ পৰীক্ষা দিও উত্তীর্ণ হ'ব পৰা নাছিল। সৰুপেহীয়ে এবাৰ পৰীক্ষাত উত্তীর্ণ হোৱা বুলি মিছাকৈয়ে ঘোষণা কৰিছিল। পিছে, মাৰ্কশ্বিট দেখুৱাব নোৱাৰি কেইদিনমানৰ পাছত দেউতাৰ ৰোষত পৰিছিল। দেউতাই তিৰস্কাৰ কৰিছিল— 'তই যদি পৰীক্ষাত পাছ কৰিছিলিয়েই, মাৰ্কশ্বীট দেখুৱা।' দেউতা বৰ নিৰাশ হৈ পৰিছিল, কেতিয়াবা গধূলি দেউতাই ঘৰত কন্দলৰ সৃষ্টি কৰিলে প্ৰায়ে কৈছিল— 'ইমানবোৰ ল'ৰা-ছোৱালীক পঢ়িবলৈ সুবিধা কৰি দিলোঁ, মোক কোনেও মেট্ৰিক পাছৰ চাৰ্টিফিকেট আনি দিব নোৱাৰিলি।' মায়ে কথাত থাপ মাৰি ধৰিছিল—

—সৰুদৌ পঢ়াত ভাল, সি পাৰিব।

—গোবৰুৱাই যিমান চেষ্টা কৰিলেও বেছি ওপৰলৈ উৰিব নোৱাৰে।

ইফালে আমাৰ স্কুলৰ ৰিজাল্টো তৎস্বৰূপ। স্কুলখনৰ পৰা প্ৰত্যেক বছৰেই এক বা দুই ছাত্ৰ-ছাত্ৰীয়েহে মেট্ৰিকত পাছ কৰে। পৰীক্ষা দিয়ে ত্ৰিশ-চল্লিশজনে, উত্তীর্ণ হয় এক বা দুগৰাকী। মই পৰীক্ষা দিয়াৰ আগৰ বছৰ কোনো ছাত্ৰ-ছাত্ৰীয়েই পৰীক্ষাত পাছ কৰা নাছিল। অৰ্থাৎ ফলাফল শূন্য। এনে নিৰাশাজনক ফলাফলে আমাক বেচ শংকিত কৰি তুলিছিল। তদুপৰি স্কুলখনৰ ওঠৰ বছৰীয়া ইতিহাসত (মই পৰীক্ষা দিয়াৰ আগলৈকে) কোনেও প্ৰথম বিভাগত পৰীক্ষা পাছ কৰা নাছিল। দ্বিতীয় বিভাগ পাইছিল দুই-এজনে।

অৰ্থাৎ, আমাৰ ঘৰ আৰু স্কুলৰ বুৰঞ্জী চালে অনুমান কৰিব পাৰি যে মই পৰীক্ষাত ফেইল কৰাৰ অৱকাশ বহুত। কিন্তু স্বস্তিৰ কথা আছিল যে মই আমাৰ শ্ৰেণীত সদায়ে প্ৰথম হৈ উত্তীর্ণ হৈছিলোঁ। তাকো মোৰ আৰু দ্বিতীয় হোৱা ছাত্ৰ-ছাত্ৰীৰ মাজত বিস্তৰ নম্বৰৰ পাৰ্থক্য আছিল। সেই হিচাপে প্ৰত্যেকে ধৰি লৈছিল যে মই পৰীক্ষাত পাছ কৰাটো ধুৰূপ। কোনো কোনোৱে কৈছিল— 'হ'বলে ফাৰ্ষ্ট ডিভিজন পাব।' আনবোৰে হাঁহিছিল (বিদ্ৰূপৰ হাঁহি!), কৈছিল— 'ফাৰ্ষ্ট ডিভিজন? কৈলাসপুৰৰ পৰা ফাৰ্ষ্ট ডিভিজন পোৱাটো অলিম্পিকত ভাৰতে সোণৰ পদক পোৱাৰ দৰে।' কথাটো সঁচা— কৈলাসপুৰেই আছিল আমাৰ দেশ, আমাৰ মাতৃভূমি। আমি বাস কৰিছিলোঁ ঠেক পৰিবৃত্তৰ মাজত। সেই হেতুকে ভাৰতে অলিম্পিকত স্বৰ্ণ পদক পোৱাটো যেনেদৰে কঠিন হিচাপে বিবেচিত হৈছিল, ঠিক তেনেকৈয়ে কৈলাসপুৰৰ পৰা মেট্ৰিকত প্ৰথম বিভাগ পোৱাটো এক আগেয়ে নোহোৱা-নোপজা কথা আছিল। (অৱশ্যে আজিৰ যুগত মেট্ৰিকত প্ৰথম বিভাগ পোৱাটো কেনে এক সাধাৰণ কথা, কিন্তু আমি বাস কৰা প্ৰত্যাহ্বানৰ পৃথিৱীখনত সেয়াই আছিল কৃতকাৰ্যতাৰ শ্ৰেষ্ঠতম কথা।)

মই ভিতৰি ভিতৰি ভয় খালেও, নিজকে প্ৰবোধ দিলোঁ— পৰীক্ষালৈ প্ৰস্তুত হ'ব লাগিব। সেয়েহে, ঘৰুৱা দৈনন্দিন কাম হালবোৱা, খেতি কৰা, বজাৰ কৰা তথা ঘৰ চলোৱাৰ মাজতো অলপ সময় উলিয়াই পঢ়াত মনোনিৱেশ কৰিলোঁ। আমাৰ স্কুলত

বিজ্ঞানৰ শিক্ষক নাছিল। ফলত দশম শ্ৰেণীৰ বছৰটোত আমাৰ শ্ৰেণীত বিজ্ঞানৰ পাঠদান একেবাৰে হোৱা নাছিল। মই বিজ্ঞান ঘৰতেই পঢ়িছিলোঁ। বিশেষ অসুবিধাৰ সন্মুখীন হোৱা নাছিলোঁ, কাৰণ পাঠ্যপুথিত (বিজ্ঞানৰ) পাঠবোৰ বুজি পোৱাকৈয়ে লিখা আছিল। সেই সময়তেই বিজ্ঞানৰ দৰে গভীৰ বিষয় এটা স্ব-পঠনৰ যোগেদি আয়ত্ত কৰাৰ বাবে মোৰ দূৰ-ভৱিষ্যতত বেচ সহায় হৈছিল। কাৰণ মই আমেৰিকাত গৱেষণা কৰিবলৈ অহাৰ পাছত মোৰ আণৱিক জীৱবিজ্ঞানৰ বেছি জ্ঞান নথকাত, ঠিক একেদৰেই, স্ব-পঠনৰ যোগেদিয়েই নজনা কথাবোৰ আয়ত্ত কৰিব লগাত পৰিছিলোঁ। স্ব-পঠনৰ মহিমাক মই এনেদৰে গুৰুত্ব দিওঁ— আনে পঢ়ালে, আনে দেখুওৱা বাটেৰে গ'লে কেৱল আনে দেখা ঠাইহে চাব পাৰি; নতুন ঠাই, নতুন উদ্‌ঘাটন-আৱিষ্কাৰ কৰিব নোৱাৰি। কিন্তু বিজ্ঞানৰ উদ্দেশ্যই হ'ল নতুন আৱিষ্কাৰ, নতুন উদ্‌ঘাটন।

মোৰ পৰীক্ষাৰ বাবে মই অথবা আমাৰ দেউতাহঁত চিন্তিত হোৱাৰ অন্য এটা কাৰণ আছিল আমাৰ জীৱনটো আছিল পথাৰৰ কোনো এডৰা মাটিত ভেটি থোৱা পানীৰ দৰে। আমাৰ জীৱনৰ হা-হুতাশ-ব্যৰ্থতা পথাৰডৰাত বন্দী হৈ থকা পানীখিনিৰ দৰে, ঠেক পৰিসৰৰ। প্ৰখৰ তাপত ভাপ হৈ উৰি যোৱা বা মাটিয়ে শুহি লোৱা বন্দী পানীৰ দৰে। আমাৰ জীৱনৰ মূল, শ্ৰম-যন্ত্ৰণা সকলো প্ৰোথিত হৈ আছিল গাঁৱৰ জীৱনতে। পৰিত্ৰাণৰ পথ নাছিল। পাৰ ভাঙি বন্দী পানীক নদীলৈ বোৱাই দিব পৰাটোৱেই যেন আমাৰ পৰিত্ৰাণৰ একমাত্ৰ পথ।

পৰিত্ৰাণৰ পথ এটা সন্ধান কৰি থকা পৰিয়ালটোৰ বাবে মই মেট্ৰিক পাছ কৰাটো আছিল অতি গুৰুত্বপূৰ্ণ। এইটোৱেই আছিল একমাত্ৰ পথ। পৰিয়ালৰ উৰ্ধত মোৰ ব্যক্তিগত জীৱনৰ বাবেও ই আছিল এক দিশ নিৰ্ণায়ক। পৰীক্ষাত যদি কৃতকাৰ্য নহওঁ তেন্তে ময়ো দেউতাৰ দৰে আজীৱন খেতি কৰি সীমাহীন যন্ত্ৰণাত বন্দী হৈ ওৰে জীৱন কটাব লাগিব। কেইডৰামান মাটিকে বুকুত খামুচি সেই একেই কণ্টকময় বাটত বাট বুলিব লাগিব। ঘৰৰ চাউলেৰে যেতিয়া বছৰটো নুজুৰিব তেতিয়া সেই একেই উদ্বিগ্নতাত ভুগিব লাগিব। জাৰৰ দিনত ঠাণ্ডা গুচাবলৈ ল'ব লাগিব আইতাই ফটাকানিৰে বৈ দিয়া কেঁথা-কাপোৰ। তাতোকৈ ডাঙৰ কথা, দেউতাৰ মাটিখিনি চাৰি ভাগত ভাগ হ'ব চাৰিটা পুত্ৰৰ বাবে। দেউতাই আটাইখিনি মাটিৰেই দৰিদ্ৰতাৰ জীৱন কটায় তাতে যদি এই মাটিখিনিকে চাৰিভাগ কৰা হয় আমি কেনেকৈ জীৱন নিৰ্বাহ কৰিম? পাৰিম জানো ভোক-পিয়াহ দূৰ কৰিব? পাৰিম জানো মানুহৰ ন্যূনতম প্ৰয়োজনখিনি যোগান ধৰিব?

মোৰ সন্মুখত দুখন ছবি ভাহি উঠিছিল। এখনত আছিল জীৰ্ণ উৰুখা চালৰ ঘৰত বাস কৰা শীৰ্ণকায় মোৰ মা-দেউতা, আনখনত নগৰীয়া সভ্যতাৰ ভাস্বৰ প্ৰতিবিম্ব। মই যেন বন্দী হৈ আছিলোঁ প্ৰথমখন পৃথিৱীত। প্ৰথমখনৰ পৰা দ্বিতীয়খনলৈ যেন দূৰত্ব

বহুযোজন। কেৱল মেট্ৰিক পাছৰ যোগেদি মই এই দূৰত্ব অতিক্ৰম কৰিব পাৰিম। মই মোৰ মগজুৰ নিভৃতত এক সপোন দেখিবলৈ লৈছিলোঁ— এখন কষ্টহীন মনোৰম পৃথিৱীৰ।

অশেষ কষ্ট স্বীকাৰ কৰিও মই পৰীক্ষাৰ বাবে প্ৰস্তুত হৈ উঠিলোঁ। ঘৰত থাকিলে পঢ়া নহয় বাবে পৰীক্ষাৰ তিনি মাহৰ আগতেই কাকপথাৰত গৈ বৰ্ডিং ঘৰত থাকিবলৈ ল'লোঁ। পৰীক্ষা আৰম্ভ হ'ল মাৰ্চ মাহত। বহাগ বিহুৰ আগে আগে পৰীক্ষা সামৰি ঘৰলৈ উভতিলোঁ। উদ্বিগ্নতাৰে, ঘৰত সকলোৱে পৰীক্ষাৰ খবৰ ল'লে।

—'পৰীক্ষা পাছ কৰিবিতো?' মায়ে সুধিলে।

—'নাজানো, হিন্দী খুউব বেয়া হৈছে; ইংৰাজীও।' মই ক'লোঁ।

—'তই পৰীক্ষা পাছ নকৰিলে কি যে কৰিম!' মায়ে চাদৰৰ আঁচলেৰে চকু মচিলে।

তাৰ পাছত বহু প্ৰতীক্ষাৰ অন্তত গ্ৰীষ্মকালৰ এদিন সন্ধিয়া ৰেডিঅ'ত ছয় বাজি পঞ্চত্ৰিশ মিনিটৰ আঞ্চলিক বাতৰিত ঘোষণা কৰিলে— কাইলৈ মেট্ৰিক পৰীক্ষাৰ ৰিজাল্ট দিব। জুলাই মাহৰ দহ তাৰিখৰ দিনৰ এঘাৰ বজাত।

সেই দিনটো আহিল। বুকুৰ ধপ্‌ধপনি বাঢ়িল।

সেইদিনা ৰাতিপুৱা মই হাল বাবলৈ নগ'লোঁ। ককাই আৰু দেউতাই হাল লৈ গ'ল। পুৱা ছয়মান বজাত মায়ে পথাৰত হালোৱাৰ জলপান দিবলৈ যাওঁতে মোকো ভাত একাঁহী দি গ'ল। আৰৈ চাউলৰ ভাতৰ লগত কঁঠাল গুটি আৰু ভাতকেৰেলা পিটিকা। খাবৰ পৰত ক'লে— 'তই সোনকালে ওলা, নহ'লে বাছ নাপাবিগৈ।' বাছ ধৰিবলৈ টঙনালৈকে খোজেৰে যাব লাগে। পুৱা ছয় বজাত আৰু এছ, আঠ বজাত অমৰ আৰু ন বজাত মিলন বাছ টঙনাৰ পৰা যায়। আৰু এছত যোৱাৰ কথাই নাহে, ৰিজাল্ট এঘাৰ বজাতহে দিব। কাকপথাৰত ৰিজাল্ট দিওঁতে দুই মান বাজিব, কাৰণ তিনিচুকীয়াৰ সদৰতহে দিনৰ এঘাৰ বজাত ৰিজাল্ট ওলাব। অৰ্থাৎ মই ৰিজাল্ট ল'বলৈ ন বজাৰ মিলন বাছত গ'লেও হ'ব। তথাপি মই ঘৰৰ পৰা সোনকালেই ওলালোঁ। খোজেৰে যাব লাগিব এক ঘণ্টামান টঙনালৈকে। তাতে বাৰিষাৰ ৰাস্তাত ঠায়ে ঠায়ে আঁঠুলৈকে বোকা। বিশেষকৈ টঙনা বাগান পোৱাৰ আগতে পথাৰৰ মাজৰ আলিটোত কেইবাঠাইতো ছিগা আছিল। এই ছিগাবোৰত পানী কঁকালৰ ওপৰলৈকে উঠে। পেণ্ট পিন্ধি পাৰ হ'ব নোৱাৰি; হাতত গামোচা এখন কঢ়িয়াই নিব লাগে, যাতে এই ছিগাবোৰ পাৰ হওঁতে পেণ্ট খুলি কঁকালত গামোচাখন মেৰিয়াই ল'ব পাৰি। ভৰিত চেণ্ডেল পিন্ধাৰ কথাই নাহে।

টঙনা বাগানৰ মাজেৰে খোজ কাঢ়ি গৈ থাকোঁতে মোৰ মনলৈ কিছুমান অদ্ভুত চিন্তা আহিবলৈ ধৰিলে। যদি পৰীক্ষাত ফেইল কৰোঁ, তেন্তে মই কি কৰিম? অহা বছৰকৈ আকৌ দিম? নে উত্তীৰ্ণ হ'ব নোৱৰাৰ ভৰ সহিব নোৱাৰি ক'ৰবালৈ পলাই যাম? পলাই

যদি যাওঁ ক'লৈ যাম? মইতো জীৱনত কেতিয়াও কাকপথাৰৰ বাহিৰ হৈ পোৱা নাই। তিনিচুকীয়ালৈও কেতিয়াও যোৱা নাই। পলাই গ'লোঁৱেই যেনিবা, কি কৰিম? অৱশ্যে ক'ৰবাত গৈ বাছৰ হেণ্ডিমেন হ'ব পৰা যাব। ক্ষণিকৰ বাবে মোৰ মনটো উৎফুল্লিত হৈ উঠিল। বেছ, বাছৰ হেণ্ডিমেন হোৱাটোৱেই বেছ হ'ব। তথাপি পৰীক্ষা ফেইল কৰিলে লাজমনে মই উভতি নাহোঁ। ওহোঁ। লাগিলে ক'ৰবাত গেৰেজত কাম কৰিম, হোটেলত বয় হ'ম, ইটাভাতাত বনুৱা হ'ম...। এইদৰে পৰীক্ষাত ফেইল কৰিলে কি কৰিম তাৰ নানানটা বিকল্প মোৰ মগজুৰে পাৰ হৈ গ'ল।

মই কাকপথাৰ গৈ পাওঁতে বেলি আহি মূৰৰ পোন পালেহি। সেইদিনা প্ৰচণ্ড গৰম পৰিছিল। ঘৰ্মাক্ত শৰীৰেৰে মই যেতিয়া কাকপথাৰ হায়াৰ ছেকেণ্ডাৰী স্কুলৰ সন্মুখ পালোঁ, তেতিয়া পৰীক্ষাৰ ৰিজাল্ট ল'বলৈ অহা ল'ৰা-ছোৱালীয়ে স্কুলৰ সন্মুখত জুম বন্ধা আৰম্ভ কৰিলেই। এই পৰীক্ষা কেন্দ্ৰটোত আমাৰ দৰে বহুতো স্কুলৰ শিক্ষাৰ্থীয়ে পৰীক্ষা দিছিল। জুমটোৰ ফালে আগবাঢ়ি যাওঁতে কোনোবাই চিঞৰিলে— 'ৰিজাল্ট অহা নাই, আহি পাওঁতে হেনো দুই-আঢ়ৈমান বাজিব।' তৎক্ষণাৎ ৰিজাল্ট অহাৰ কোনো সম্ভাৱনা নেদেখি মই ইফালে সিফালে পায়চাৰি কৰিবলৈ ধৰিলোঁ। এপাকত মই ৰুলী বাইদেউৰ ঘৰলৈ গ'লোঁ, য'ত মই মেট্ৰিক দিয়াৰ সময়ত বৰ্ডিং কৰি আছিলোঁ। মোৰ মগজুত স্নায়ৱিক ক্ৰিয়া-কলাপ বাঢ়িবলৈ ধৰিলে। মই অস্থিৰ হৈ পৰিছিলোঁ। কি হ'ব ৰিজাল্ট? মোৰ হিন্দীৰ পৰীক্ষা একেবাৰে বেয়া হৈছিল। মেট্ৰিকৰ আগৰ বাছনি পৰীক্ষাত মই ইতিমধ্যে হিন্দীত ফেইল কৰিছিলোঁ। মই মনে মনে প্ৰাৰ্থনা কৰিলোঁ যাতে হিন্দী আৰু ইংৰাজীত কাণে কাণ মাৰি পাছ কৰিলেও আপত্তি নাই, বাকীবোৰত যে মই ভালকৈয়ে পাছ কৰিম সেয়া নিশ্চিত।

ঠিক দুই বজাৰ লগে লগে স্কুলৰ যি ঠাইত নটিচ ব'ৰ্ডখন আছিল, সেই ঠাইত বিৰাট ভিৰ লাগিবলৈ ধৰিলে। ছাত্ৰ-ছাত্ৰীৰ মাজত ঠেলা-ঠেলি আৰম্ভ হ'ল। আৰু ঠিক আঢ়ৈ বজাত নটিচ ব'ৰ্ডত ৰিজাল্ট আহি লাগিল।

মই উদগ্ৰীৱতাৰে ব'ৰ্ডৰ ফালে দৌৰিলোঁ। কিন্তু ইমান ভিৰত একোকে নেদেখি। যিবোৰে নিজৰ ৰিজাল্ট দেখিলে, সিহঁতে চিঞৰিবলৈ ধৰিলে— 'মই পাছ, মই পাছ।' যিবোৰে ফেইল কৰিলে, সিহঁতে নীৰৱে আঁতৰি গ'ল। কিছুমানে অভিভাৱকৰ সৈতে ৰিজাল্ট চাবলৈ আহিছিল, সিহঁতে স্কুলৰ খেলপথাৰতে হৰ্ষ-উল্লাসেৰে উদ্‌যাপন কৰিবলৈ ধৰিলে। মই ভিৰ ফালি নটিচ ব'ৰ্ডৰ কাষলৈ যাবলৈ বাৰে বাৰে চেষ্টা কৰিও ব্যৰ্থ হৈছিলোঁ। ইমান ঠেলা-হেঁচা। কিন্তু এপাকত মই ব'ৰ্ডখনৰ তেনেই সমীপত অৱস্থান কৰিবলৈ সক্ষম হ'লোঁ। ক্ষুধাতুৰ দুচকুৰে তৎক্ষণাৎ নটিচ ব'ৰ্ডখন পিত্‌পিতাই চাবলৈ ধৰিলোঁ। ক'ত, ক'ত মোৰ নম্বৰ? মই এফালৰ পৰা চাই গৈছোঁ— একৰ পৰা চাৰিশলৈকে— কিন্তু ক'তো মোৰ নম্বৰ নাই দেখোন? এবাৰ, দুবাৰ কেইবাবাৰো মই নটিচ বৰ্ড পিত্‌পিতাই চালোঁ,

ক'তো মোৰ নম্বৰ নেদেখিলোঁ। তাৰ মানে মই ফেইল ?

সেইদিনা হয়তো হৃদ্‌পিণ্ড বন্ধ হৈ মই সেই স্থানতে পৰি গ'লোঁহেঁতেন, যদিহে মোৰ চকু ব'ৰ্ডখনৰ অন্য এটা কোণলৈ নগ'লহেঁতেন। ব'ৰ্ডৰ একেবাৰে ওপৰত, বাঁওকাষে তিনিটা নম্বৰ লিখা আছিল— ফাৰ্ষ্ট ডিভিজন................০৩২০

মোৰ ৰোল নম্বৰ আছিল- ০৩২০।

(এঘাৰ)

আৰ এছ্ গাড়ীখন টঙনা বাগানৰ মাজলৈকে যায়। মই গাড়ীৰ পৰা নামিয়েই পথাৰৰ ৰাস্তাত উঠিলোঁ। পথাৰৰ এইছোৱা বাট অতিপাত বোকা। ইতিমধ্যে বেলিটো গৈ পশ্চিমফালে বাগানৰ ওখ ওখ শিৰীষ গছৰ আঁৰত লুকাব বিচাৰিলে। মই পথাৰৰ মাজৰ পৰাই ৰিণিকি ৰিণিকি আমাৰ গাঁওখন দেখিলোঁ। সেইখন গাঁও য'ত কোনোদিনে গাড়ীৰ চকাৰ চাব পৰা নাই; সেই গাঁও য'ত বিজুলীৰ যোগান কেতিয়াও হোৱা নাই; সেইখন গাঁও য'ত এজনো চৰকাৰী চাকৰিয়াল নাই; সেইখন গাঁও য'ত পকীঘৰ এটাও নাই; সেইখন গাঁও য'ত মানুহে দুবেলা দুমুঠি পেট ভৰাই খাবলৈ নাপায়, সেইখন দৰিদ্ৰ, ভোকাতুৰ, দুৰ্গম গাঁও; সেইখন গাঁও যি বেলিৰ পোহৰত উজলে আৰু ৰাতি হ'লে অন্ধকাৰত ডুব যায়; সেইখন গাঁৱলৈকে মই সগৌৰৱে উভতি আহিছোঁ— মেট্ৰিকত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ।

মই দূৰৈৰ পৰাই দেখিলোঁ গাঁওখনৰ এমূৰত বৈ আছে দুজনী ছোৱালী। ওচৰ চাপিলত গম পালোঁ তাৰে এজনী মোৰ বাইদেউ। তাই হেনো কেতিয়াবাই আহি গাঁৱৰ এমূৰত বৈ আছিলহি। মই মিচিকিয়াই মিচিকিয়াই সিহঁতৰ ওচৰ চাপিছিলোঁ। ৰীমা বাইদেউৱে সুধিছিল— পাছ নে। মই ফাৰ্ষ্ট ডিভিজন, মই কৈছিলোঁ। গাঁৱৰ মাজেৰে ঘৰলৈ বুলি খোজ লওঁতে মানুহবোৰে ঘৰৰ নঙলামুখৰ পৰা মোৰ ৰিজাল্টৰ কথা সুধিছিল, মই আটাইকে সু-সংবাদটো দিছিলোঁ। আমাৰ ঘৰৰ নঙলামুখত দেউতা ওলাই আছিল, পথাৰত ককায়ে গৰু চৰায়ে আছিল— মোক দেখি সকলো চাপি আহিল। শুভ সংবাদ পাই আটাইৰে মন উৎফুল্লিত হৈ উঠিল। আইতাই পাতত দিয়া মাছ আৰু মেটেকাৰ কলি খেৰত পুৰি আছিল। আইতাই কৈছিল— 'আমাৰ গোটেই বংশটোত (নাহৰকটীয়া-যোৰহাট সকলোতে) তয়ে প্ৰথম ফাৰ্ষ্ট ডিভিজন।' আইতাই বাৰু ফাৰ্ষ্ট ডিভিজনৰ মূল্য বুজিছিল নে? আনন্দত মতলীয়া হোৱা দেউতাই পুৰণি ৰেলি চাইকেলখন লৈ গাঁৱৰ ৰাস্তাই ৰাস্তাই মোৰ শুভ সংবাদটো ঘোষণা কৰি গৈছিল।

আন্ধাৰ হ'বৰ হ'লেই। আমাৰ ঘৰৰ চোতাল-পিৰালিত খবৰ ল'বলৈ অহা মানুহেৰে

ভৰি পৰিল। মায়ে সকলোকে শুদা চাহ পানী এটোপাকৈ খাবলৈ দিলে। দেউতা উভতি অহাই নাই। সন্ধিয়াটো আন্ধাৰলৈ ৰূপান্তৰিত হ'ল। মায়ে চাকি জ্বলালে। মানুহবোৰ ঘৰৰ ভিতৰ সোমাল। চাকি এটা নুমাও নুমাও হৈছিল, মায়ে কেৰাচিন তেল অকণ ভৰাই শলিতাডাল উজৰাই দিলে। উজৰাই দিয়া শলিতাডাল দপ্‌দপাই জ্বলিল। টেবুলত চাকিটো থবলৈ যাওঁতে মায়ে ক'লে— 'বোপাই তই কেলেনো ফাৰ্ষ্ট ডিভিজন পালি ঐ, ছেকেণ্ড বা থাৰ্ডেই ভাল আছিল। এতিয়া তোৰ সামৰ্থ্যৰে আমি কেনেকৈ পঢ়ুৱাম?' কওঁতে মাৰ চকুৰে এধাৰি চকুলো বৈ গ'ল। খবৰ ল'বলৈ অহা দুটামানে ক'লে— 'খুৰীদেউ চিন্তা নকৰিব, গাঁওখন আছে নহয়; যেয়ে যেনেকৈ পাৰে সহায় কৰিব।' — 'এহ কৈছহে, চবৰে একেই অৱস্থা, কোনে কাক সহায় কৰিব?' মা পতিয়ন নগ'ল।

ইতিমধ্যে খবৰটো জুইৰ দৰে বিয়পিছিল আমাৰ সমগ্ৰ কৈলাসপুৰ অঞ্চলত। ৰাতিলৈ আমাৰ অঞ্চলৰ ঢেৰ মানুহ আমাৰ ঘৰলৈ আহিল। ঘৰ উলহ-মালহ। মোক ক'ত কেনেকৈ পঢ়ালে ভাল হ'ব সেই বিষয়ে আলোচনা কৰা হ'ল। বিজ্ঞজনৰ মত-অভিমত আদায় কৰিলে দেউতাই। দেউতাই মত দিলে— 'ইয়াক ছায়েঞ্চত পঢ়ালেই ভাল হ'ব কিজানি।'

খেনোৰে আশংকা প্ৰকাশ কৰিলে— 'ইমান পইচা ক'ত পাবি তই তিলেশ্বৰ?' — 'দুই হেজাৰ টকাৰে হ'বগৈ নে?' দেউতাই সুধিলে। জনাবোৰে মুখ টিপি হাঁহিলে। তেনেতে মায়ে অভিমত দিলে— 'মই হ'লে পঢ়িব নেলাগে বুলিছিলোঁ, গাঁৱৰ এল পি স্কুলখনতে সোমাওক, পাৰে যদি।'

এনেতে ভিতৰৰ কোঠা এটাৰ পৰা কান্দোনৰ ৰোল ভাহি আহিল। বাইদেৱে কান্দিছিল। কোনোবাই সুধিছিল— 'তই কিয় কান্দিছ, ভায়েৰে পৰীক্ষা পাছ কৰিছে, আনন্দহে কৰিব লাগে।' আচলতে বাইদেউৱে যে চাৰিবাৰ একেৰাহে পৰীক্ষা দিও পাছ কৰিব পৰা নাছিল, সেই কাৰণে শোকত ভাগি পৰিছিল। ৰাতি বাঢ়ি অহাত, ক্ৰমাৎ মানুহবোৰ ঘৰা-ঘৰি গৈছিলগৈ। এসময়ত আমি শুই পৰিছিলোঁ। ৰাতি শোওঁতে মোৰ চকুৰেও এধাৰি গৰম চকুলো বৈ গৈছিল। মই কিয় কান্দিছিলোঁ, সঠিককৈ মনত নাই, কিন্তু চকুৰ তলৰ সেই আৰ্দ্ৰতা, সেই উমাল সংবেদন মোৰ মনৰ তলিত পাহৰিব নোৱৰাকৈ খোদিত হৈ আছে।

মানুহৰ জীৱনলৈ এনে কিছুমান দিন আহে, যিবোৰ জীৱনত কেতিয়াও পাহৰিব নোৱাৰি। কিন্তু এনে দিন খুব কম আহে যিয়ে জীৱনটোক সলনি কৰি থৈ যায়। মোৰ ভাগ্য, জীৱনৰ দিশ পৰিৱৰ্তন কৰি থৈ গৈছিল এই দিনটোৱে। চিৰদিনৰ বাবে।

জীৱনত এটা নতুন সপোনে পোখা মেলিবলৈ ধৰিলে।

দ্বিতীয় খণ্ড

সংগ্ৰাম

(বাৰ)

দেউতাই মোৰ ৰিজাল্ট দিয়াৰ পিছদিনাই গৈ পাঁচ হাজাৰ টকা আনিছিল দুবিঘা মাটি বন্ধকত থৈ। দুবিঘা মাটি বন্ধকত দিলেও কথা হ'ল যে আমাৰ ঘৰৰ পৰাই মাটিখিনি হাল বাই, ধান দাই দিয়া হ'ব। বিনিময়ত এবিঘা মাটিৰ ধান দিলেই হ'ব। তাৰ পাছত এদিন দেউতাই মোক তিনিচুকীয়ালৈ লৈ গ'ল। মই জীৱনত প্ৰথমবাৰৰ বাবে তিনিচুকীয়া দেখিলোঁ। তিনিচুকীয়াৰ চেনাইৰাম হায়াৰ ছেকেণ্ডাৰীত মোৰ নাম লগোৱাটো স্থিৰ হ'ল। এদিন নাম লগোৱা হ'ল, স্কুল আৰম্ভ হ'বৰ হ'ল; আৰম্ভ হ'ল মোৰ জীৱনৰ এটা নতুন অধ্যায়।

আৰু এদিন মই যি বাটেৰে হৰ্ষ-উল্লাসেৰে মেট্ৰিকৰ ৰিজাল্ট লৈ ঘৰলৈ উভতিছিলোঁ; সেই বাটেৰেই পূৰ্ণোদ্যমেৰে পঢ়িবলৈ ওলাই গ'লোঁ। তেতিয়া আগষ্ট (ভাদ) মাহ। প্ৰথম কেইদিনমান মই ঘৰৰ পৰাই স্কুললৈ অহা-যোৱা কৰিম। পাছত তিনিচুকীয়াত থাকি ল'ম। কিন্তু ঘৰৰ পৰা অহা-যোৱা কৰিবলৈ তিনিচুকীয়া বহু দূৰ। আমাৰ ঘৰৰ পৰা ষাঠি-পঁয়ষষ্ঠি কিল'মিটাৰ। কেইবাখনো বাছ সলাব লাগে। ইফালে, বতৰ খুব বেয়া হোৱাৰ বাবে টঙনালৈকে থকা বাছ সেৱা বন্ধ হৈ পৰিছিল। তাৰমানে মই কাকপথাৰলৈকে খোজেৰে গৈ তাৰ পৰা বাছ ধৰি তিনিচুকীয়ালৈ যাব লাগিব। ঘৰৰ পৰা কাকপথাৰলৈকে খোজেৰে অতিক্ৰম কৰিবলৈ প্ৰায় আঢ়ৈ-তিনি ঘণ্টামান লাগিব। এইদৰে মই এদিনতে মুঠ পাঁচ ঘণ্টা খোজেৰে আৰু দুই-তিনি ঘণ্টা বাছত গৈ স্কুলত ক্লাছ কৰিব লাগিব। এয়া অসম্ভৱ। কিন্তু অসম্ভৱ হ'লেও উপায় নাছিল। মই আৰম্ভণিৰ দিনবোৰত এনেদৰে অহা-যোৱা কৰিছিলোঁ। পুৱাতে ওলাই যাওঁ। ঘৰ পাওঁতে ৰাতি হৈছিল। ভাগ্যে স্কুলত যেনিবা পাঠদান পূৰ্ণোদ্যমেৰে হোৱা নাছিল।

চেনাইৰামত প্ৰত্যেকটো বিষয়ৰে শিক্ষক আছিল। স্কুলত ক্লাছ কেতিয়াও খতি নহৈছিল। শিক্ষকসকলে খুব নিয়মানুৱৰ্তিতাৰে পাঠদান কৰিছিল। ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও

আছিল যথেষ্ট। আমাৰ শ্ৰেণীত প্ৰায় ষাঠিজনমান ছাত্ৰ-ছাত্ৰী আছিল। ইয়াৰে বিশজনমান ছাত্ৰ-ছাত্ৰী মেট্ৰিকত প্ৰথম বিভাগ পাই অহা। গতিকে ছাত্ৰ-ছাত্ৰীৰ মাজত বেছ প্ৰতিযোগিতা হৈছিল। কৈলাসপুৰত মই সদায়ে প্ৰথম হৈছিলোঁ, কিন্তু চেনাইৰামত মোৰ সেই স্থিতি নোহোৱা হ'ল। শ্ৰেণীত মোতকৈও ঢেৰ চোকা চোকা ছাত্ৰ-ছাত্ৰী আছিল। অৱশ্যে ফিজিক্স-কেমিষ্ট্ৰী বিষয়ত মোৰ বেছ দখল আছিল আৰু শ্ৰেণীৰ পৰীক্ষাত এই বিষয়কেইটাত মই সদায়ে সৰ্বোচ্চ নম্বৰ পাইছিলোঁ। কিছুমান ছাত্ৰ-ছাত্ৰীয়ে মোক এই বিষয়ত পণ্ডিত বুলিছিল। পিছে ইংৰাজী বিষয়ত মই অতি দুৰ্বল আছিলোঁ, মেট্ৰিকত মই ইংৰাজী বিষয়ত থাৰ্ড ডিভিজনৰ নম্বৰ পাই পাছ কৰিছিলোঁ। এবাৰ ইংৰাজী টেষ্টত ফেইল কৰাৰ বাবে ফিজিক্সৰ ছাৰে মাতি নি সুধিছিল— 'তুমি ইংৰাজীত ফেইল কৰিছা, কিয়?' মই কৈছিলোঁ যে এই বিষয়টোত মই অতি দুৰ্বল। ছাৰে কৈছিল— 'সেইটো এক্সকিউজ হ'ব নোৱাৰে।' শিক্ষক-শিক্ষয়িত্ৰীসকলে মোক খুউব মৰমো কৰিছিল। তেওঁলোকৰ মৰমত মই অভিভূত হৈ পৰিছিলোঁ।

কিন্তু মই মোৰ সহপাঠীৰ পৰা এক দূৰত্ব বজাই ৰাখিছিলোঁ। কাৰণ মই খুব হীনমন্যতাত ভুগিছিলোঁ। ঘৰৰ পৰা যে মোক খুউব কষ্টৰে পঢ়াইছিল সেই কথা মই কাৰো আগত প্ৰকাশ নকৰিছিলোঁ। আচলতে কোনোবাই সুধিলে এখাপ বঢ়াই কৈছিলোঁ। আমি যে অতি দুখীয়া আছিলোঁ, সেই লাজে মোক খুন্দি মাৰিছিল। আমাৰ শ্ৰেণীৰ সৰহভাগেই আছিল মধ্যবিত্ত ঘৰৰ সন্তান। এদিন মোৰ সহপাঠী এজনে সুধিছিল—

— তোমালোকৰ ঘৰত দেউতাই কি কৰে?

— খেতি কৰে।

— মানে খেতিৰ মাটি নিজৰ নে আনৰ মাটি আধিত লৈ খেতি কৰে?

মই একো মতা নাছিলোঁ।

তেতিয়ালৈকে মই জীৱনত কেতিয়াও টেলিভিছন চাই পোৱা নাছিলোঁ আৰু মোৰ সহপাঠীসকলে টিভিত ক্ৰিকেট খেল দিলে উল্লাসত জঁপিয়াই পৰিছিল। সেই মুহূৰ্তবোৰত মই নীৰৱে সিহঁতৰ সংগ এৰিছিলোঁ। বহু বছৰৰ মূৰত মোৰ এগৰাকী বান্ধৱীয়ে সুধিছিল— 'তুমি যে স্কুলত আমাক নামাতিছিলা, মনত আছে?'

মই কৈছিলোঁ— 'নিশ্চয় আছে। আৰু কিয় জানা?'

— 'কিয়?'

— 'কাৰণ মই হীনমন্যতাত ভুগিছিলোঁ। গাত দৰিদ্ৰতাৰ চাপ থকাৰ বাবে লাজ কৰিছিলোঁ; তোমালোকৰে কথা পাতিবলৈ সাহসেই কৰিব পৰা নাছিলোঁ। আৰু জানা, মোৰ এই স্বভাৱটো কেতিয়াও নুগুচিল।'

আমাৰ শ্ৰেণীৰ প্ৰায় সকলো ছাত্ৰ-ছাত্ৰীয়েই ঘৰুৱা শিক্ষকৰ সহায় লৈছিল, বিশেষকৈ

ফিজিক্স আৰু কেমিষ্ট্ৰী বিষয়ত। প্ৰথম বছৰত মই টিউচন কৰা নাছিলোঁ, সামৰ্থ্যও নাছিল। কিন্তু প্ৰথম বছৰৰ পৰীক্ষা শেষ হোৱাৰ ঠিকপাছতেই (দ্বিতীয় বছৰৰ ক্লাছ আৰম্ভ হোৱাই নাই) আমাৰ শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে ফিজিক্স-কেমিষ্ট্ৰীৰ টিউচন আৰম্ভ কৰি দিলে। কোনোবাই আহি মোক ক'লে— টিউচনত যিখিনি পঢ়াব, সেয়া হেনো ক্লাছত নপঢ়ায়। মই বেছ ভয় খালোঁ। ঘৰত মা-দেউতাৰ সন্মতি লৈ ময়ো ফিজিক্সৰ টিউচন ল'বলৈ সিদ্ধান্ত ল'লোঁ। কেমিষ্ট্ৰী নল'লেও হ'ব— মই নিজেই পঢ়িব পাৰিম।

টিউচন চলি থকাৰ মাজতে এদিন ঘৰৰ পৰা খবৰ আহিল মই সোনকালে ঘৰলৈ যাব লাগে। মই আচৰিত হ'লোঁ— সিদিনা ঘৰৰ পৰা আহিছিলোঁহে আকৌ কিয় যাব লাগে? ঘৰত কিবা অথন্তৰ হোৱা নাইতো? উপায়হীন হৈ মই ঘৰলৈ যাবলৈ ওলালোঁ। তেতিয়া শাওণ মাহ। ঘৰত খেতিৰ ভৰ। তেতিয়ালৈ কণ আৰু মুনো পথাৰলৈ যাব পৰা হ'ল, সেয়েহে মই পথাৰলৈ যোৱাটো অনিবাৰ্য নাছিল। প্ৰথমে ভাবিলোঁ খেতি কৰিবলৈকে মতাই আনিছে নেকি? নে দেউতা, মা বা আইতাৰ অসুখ? ঘৰ আহি পালত দেখিলোঁ কাৰোৰেই দেখোন অসুখ নহয়। তেন্তে?

ৰাতি ভাত খাওঁতে, ভাতৰ পৰা অদ্ভুত পচা পচা গোন্ধ এটা আহিল। বজাৰৰ সস্তীয়া চাউলৰ গোন্ধ এনেকুৱাই হয়। মই মাৰ পিনে চাই সুধিলোঁ— 'ঘৰৰ চাউল শেষ হ'ল নেকি?' — 'কি চাউলৰ ভাত খাইছ, গম পোৱা নাই নেকি?' মায়ে ভেকাহি মাৰি ক'লে। লক্ষ্য কৰিলোঁ দেউতাই তলমূৰ কৰি, মুখখন গোমা কৰি ভাত খাই আছিল।

ভাত খোৱাৰ শেষ হ'লত মায়ে ক'লে— 'ঘৰত ধান শেষ হ'ল। মাত্ৰ বৰাধান এমোনমান আছিল। বাপেৰে মিলত ধান বানি উভতি আহোঁতে সেইখিনিও পানীত পেলালে। বস্তাৰ পৰা চাউল ওলাই দ পানীত পৰিল। এতিয়া আৰু পচা চাউল নাখাই কি খাবি। এইকেইটা যে পাইছ আৰু কেইদিনমানৰ পাছত এয়াও বন্ধ হ'ব।'

মই লাহে লাহে বুজি উঠিলোঁ মোক ঘৰলৈ মতাৰ কাৰণ। দেউতাৰ ওপৰত তীব্ৰ খং উঠিল। ইমান দায়িত্বহীন? পানীত ধান কেনেকৈ পেলালে?

অলপ পাছত বাইদেৱে ক'বলৈ আৰম্ভ কৰিলে — 'তোৰ টিউচনৰ পইচা দিবলৈ বুলি ছাগলী এজনী আছিল, ময়ে পুহিছিলোঁ। তই গম নাপাৰ চাগে— দুই মাহমান আগতে আমাৰ বুঢ়া লেঙেৰা গৰুটোও বেচিলে। বেচিবলৈ আৰু একো নাই, মাত্ৰ ছাগলীজনীহে আছেগৈ। তই যদি টিউচন কৰ, তিনিচুকীয়াত থাক, তেন্তে আমি খাবলৈ নাপাই পেটত গামোচা মাৰিব লাগিব।'

ৰাতি শোওঁতে মোৰ মনলৈ এক উদাস-বিষণ্ণতাৰ ভাব নামি আহিছিল। নিজকে প্ৰবোধ দিলোঁ— 'হ'ব দে, ক্লাছত যদি নপঢ়ায়, মই নিজেই পঢ়িম।'

তেতিয়া ঘৰৰ চালত থকা এটা ফুটাইদি ৰাতিৰ জোনটোৰ পোহৰ আহি কোঠাটোত

পৰিছিলহি।

তাৰ পাছত এমাহমান পাছত স্কুললৈ উভতি যাওঁতে লগৰবোৰে সুধিছিল— 'তুমি টিউচন কিয় এৰি দিলা ?'

মই একো উত্তৰ দিয়া নাছিলোঁ।

(তেৰ)

কণ আৰু মুনে ঘৰৰ দায়িত্ব ল'ব পৰা, বজাৰ-সমাৰ কৰিব পৰা হোৱাত, ককায়ে সিদ্ধান্ত ল'লে যে সি ক'ৰবালৈ কাম বিচাৰি ওলাই যাব। কিন্তু কাম বিচাৰিলেও যে কাম পাবলৈ নাই! তাৰ অৰ্হতাৰে ক'ত কি পাব ? অৰুণাচলত থকা কাঠৰ ফেক্টৰীবোৰ কেতিয়াবাই বন্ধ হ'ল। চাহ বাগানত মহৰীৰ কামত সোমাবলৈও মেট্ৰিক পাছ লাগে। মুঠতে কাম নাই ক'তো!

এদিন ডাঙৰ পেহীৰ ডাঙৰটো ল'ৰাই খবৰ দিলেহি— সি কাম কৰি থকা কোম্পানীটোত ছিকিউৰিটী গাৰ্ডৰ কাম ওলাইছে— আণ্ডাৰ মেট্ৰিক লাগে। মাহিলি বাৰশকৈ দৰমহা দিব। খাওঁতে-বওঁতে মাহেকত চাৰি-পাঁচশ যাব আৰু বাকীখিনি ঘৰলৈ পঠিয়াব পাৰিব। ককাই তৎক্ষণাৎ সিদ্ধান্ত ল'লে— সি ঘৰত বেকাৰ হৈ পৰি থকাতকৈ ছিকিউৰিটী গাৰ্ড হ'বলৈকে যাব।

তাৰ পাছত এদিন দিন-বাৰ চাই সি কামলৈ ওলাল। বাইদেউৰ সৰু ছুটকেছ এটাত কেইপদমান পিন্ধাৰ সামগ্ৰী ভৰাই সি যাবলৈ ওলাল। যাবৰ পৰত আইতাই এচোক কান্দিলে— 'এই ফুটকলীয়া ল'ৰাটোৱে ঘৰ এৰি ক'লৈনো যাবলৈ ওলালি!'

সেয়াই আৰম্ভণি। ককায়ে জীৱনৰ সুদীৰ্ঘ বাৰ বছৰ কাল অতিবাহিত কৰিছিল ছিকিউৰিটী গাৰ্ড হিচাপে। আনকি মই আমেৰিকালৈ প্ৰথম অহাৰ সময়পৰ্যন্ত। মই যাতে সঠিক পথেৰে বাট বুলোঁ, সেয়া নিশ্চিত হোৱা পৰ্যন্ত। ক'ৰবাত চাহ বাগানৰ ফেক্টৰী, ক'ৰবাত অভিজাতৰ হাবেলী, ক'ৰবাত ইটাভাতাৰ ৰখীয়া হওঁতে হওঁতে সি তিনিচুকীয়া-ডিব্ৰুগড় দুয়োখন জিলা পৰিভ্ৰমী ফুৰিছিল। সি কাম কৰা প্ৰায়বোৰ ঠাইলৈকে মই আহিছিলোঁ। কেতিয়াবা পইচা বিচাৰি, কেতিয়াবা তাৰ স্বাস্থ্যৰ খবৰ ল'বলৈ আৰু কেতিয়াবা মোৰ তিনিচুকীয়াত থাকি আমনি লাগিলে; তাৰ লগতে এৰাতিমান কটাবলৈ আহিছিলোঁ। তাৰ জীৱনটো আছিল তেনেই অনাড়ম্বৰ। প্ৰায়বোৰ ঠাইতে সি বাস কৰিছিল চালি দিয়া সামান্য কোঠা এটিত। কোঠাটিত আছিল এখন বিছনা, বিছনাৰ কাষতে সি ঘৰৰ পৰা নিয়া বাইদেউৰ ছুটকেছটো ৰাখিছিল। প্ৰয়োজনীয় দুই-এপদ কাপোৰ আলনা এডালত ওলমাই থৈছিল।

এবাৰ সি বৰডুবিৰ ফালে চাহ বাগান এখনত আছিল। শাওণ মাহত ঘৰত চলিবলৈ

অসুবিধা হ'ওঁতে মায়ে মোক ককাইৰ ওচৰলৈ পঠিয়ালে— 'যাচোন দৌৰ ওচৰলৈকে, টকাকেইটামান বিচাৰি যা।' মই তিনিচুকীয়াৰ পৰা চাইকেলেৰে যাবলৈ ওলালোঁ। গ্ৰীষ্মৰ ভীষণ গৰমত ঘৰ্মাক্ত শৰীৰেৰে মই তাৰ ওচৰত ওলালোঁগৈ। সি দুপৰীয়াৰ সাঁজ খাবলৈ লৈছিলহে। মই গৈ পোৱাত সি মোকো আহাৰ যাচিলে। খোৱা হোৱাৰ পাছত মই ক'লোঁ—

— ককাই, মায়ে যে পইচাকেইটামান বিচাৰি পঠিয়াইছে।

— কিমান?

— চাৰি-পাঁচশ, যিমান পাৰ।

সি তৎক্ষণাৎ একো নক'লে। চকী এখনত অলপপৰ জিৰাই লোৱাৰ পাছত সি ক'লে— মোৰ চুলিবোৰ সৰিছে গম পাৰ?

— নাপাওঁ।

— আৰু কেইদিনমান সৰিলে মই টকলা হ'ম।

অলপ পৰ ৰৈ আকৌ ক'লে,

— মই ডক্টৰৰ ওচৰলৈ গ'লোঁ, চুলি নসৰাৰ দৰব বিচাৰি। বহুখিনি টকা ভাগিল। দৰমহাও হোৱা নাই, বাগানত কিবা গণ্ডগোল হৈ আছে। মোৰ ওচৰত পইচা নাই।

মইনো কি ক'ম!

মই বিফল মনোৰথে আহিবলৈ ল'লোঁ। অহাৰ পৰত সি মোৰ চোলাৰ পকেটত টকা এশ গুঁজি দিলে।

ঘৰলৈ উভতি গৈ মাক কথাটো কওঁতে মায়ে গুজৰি-গুমৰি উঠিল। 'অঁ আজিকালি ল'ৰা-ছোৱালীয়ে মাক-বাপেকৰ দুখ নুবুজে। এনেয়ে তুলি-তালি ডাঙৰ কৰিলোঁ তহঁতক।'

এসপ্তাহমানৰ পাছত ককাইৰ পৰা এখন চিঠি আহিল। চিঠিত সি লিখিছে—'ঘৰলৈ পইচা পঠিয়াব নোৱৰাৰ বাবে মোৰ মনটো বেয়া লাগি আছে। মোৰ স্বাস্থ্যটো ভাল নহয়, গতিকে খং নকৰে যেন।'

সেইবছৰেই আমাৰ আইতা ঢুকাল, খুব অকস্মাৎ।

কেইদিনমানৰ আগতেহে ককাই আৰু মই দুয়োটাই ঘৰৰ পৰা আহিছিলোঁগৈ। আহিবৰ পৰত আইতাই মোক ওচৰলৈ চপাই নি কৈছিল— 'যা সোণটো, তই ভালকৈ পঢ়িবি।' সেই মুহূৰ্তটোৱেই যে আইতাৰ সৈতে মোৰ শেষ মুহূৰ্ত, সেয়া মই কল্পনাই কৰা নাছিলোঁ। আইতাই ককাইৰ সৈতে কি কথা পাতিছিল নাজানো, কিন্তু মৰাৰ আগত হেনো আইতাই ককাইক বিচাৰিছিল। আইতাৰ মৃত্যুৰ পাছত সেই ৰাতিয়েই আহি ককাইক ঘৰলৈ লৈ যোৱা হ'ল। কিন্তু খবৰ নাপালোঁ মইহে। তেতিয়া টেলিফোনৰো কোনো সুবিধা নাছিল মই থকা ভাৰাঘৰত। পিছদিনা মই খবৰ পাওঁমানে আইতাৰ অস্তিত্ব নিঃশেষ হৈ গৈছিল। আইতাৰ তিলনী, দহদিনীয়া দহা আদি কামবোৰ ধাৰে-বান্ধে আয়োজন কৰা হৈছিল।

গাঁৱৰ মানুহে ইটো-সিটো দান-বৰঙণি আগবঢ়াই আমাক সহায় কৰিছিল। মাহেকীয়া শ্ৰাদ্ধ ছয় মাহলৈ পিছুৱাই থোৱা হৈছিল, কাৰণ মাঘ মাহলৈ নতুন ধান দাই ঘৰখনো টনকিয়াল হ'ব আৰু আলি-পদূলিবোৰো শুকাব। তেতিয়া দূৰণিবটীয়া আলহীবোৰ আহিবলৈ সুবিধা হ'ব, বিশেষকৈ নাহৰকটীয়াৰ আইতাৰ ঘৰৰ আলহীবোৰ।

এই সময়ছোৱাত মই ককাইৰ সৈতে লগ হৈ বিভিন্ন অনৈতিক কামতো লিপ্ত হৈছিলোঁ। আইতাৰ শ্ৰাদ্ধৰ আগে আগে সংঘটিত এনে এটি কৰ্ম মোৰ স্মৃতিত আজিও সজীৱ হৈ আছে।

মই তিনিচুকীয়া মহাবিদ্যালয়ৰ স্নাতক প্ৰথম বৰ্ষৰ ছাত্ৰ। ককাই তেতিয়া তিনিচুকীয়াৰ শিৱধামৰ ওচৰৰ পুৰণি পৰিত্যক্ত ফেক্টৰীৰ এটাৰ ৰখীয়া হৈ আছিল। এই ঠাইলৈ মই প্ৰায়ে আহিছিলোঁ। ফেক্টৰী চৌহদৰ ভিতৰত আন কোনো মানুহ নথকাত এই ঠাইত বেছ নিজান নিজান লাগিছিল। ফেক্টৰীৰ সমগ্ৰ এলেকাটো ওখ টিনৰ দেৱালেৰে বেৰা আছিল। ভিতৰত কি আছে বাহিৰৰ পৰা একো দেখা নগৈছিল। এলেকাটোৰ ভিতৰলৈ যাবলৈ এখন বৃহৎ ওখ টিনৰ গেট আছিল। গেটখনত এটা ফুটা আছিল। বাহিৰৰ পৰা কোনোবা মানুহ আহিলে গেটখনত টুকুৰিয়ালেই হ'ল। ভিতৰৰ পিনে বহি থকা ছিকিউৰিটী গাৰ্ড এটাই গেটখন খুলি দিছিল। অৱশ্যে খোলাৰ আগতে গেটত থকা সেই ফুটাটোৰেই চাই ছিকিউৰিটী গাৰ্ডে নিশ্চিত কৰি লৈছিল যে ভিতৰলৈ যাব খোজা মানুহজন তেওঁলোকৰ চিনাকি। এবাৰ ভিতৰলৈ যোৱাৰ পাছত জেলৰ ভিতৰত সোমোৱাৰ দৰে লাগিছিল। মই আহি গেটত নক কৰিলেই ককায়ে মোক গেটখন খুলি দিছিল। তাৰ লগত আৰু দুটামান আছিল। সিহঁতে সাল-সলনিকৈ ডিউটী কৰিছিল। সিহঁতৰ সৈতেও মোৰ ভাল পৰিচয় আছিল। এই পুৰণি পৰিত্যক্ত ফেক্টৰীৰ ভিতৰত থকা বিভিন্ন লাগতিয়াল, ব্যৱহাৰৰ যোগ্য সামগ্ৰী ককায়ে মোৰ হাতেৰে সৰবৰাহ কৰি পঠিয়াইছিল। কিছুমান বস্তু যেনে— টিউবলাইট, মই মোৰ চিনাকি মানুহক বিক্ৰী কৰিছিলোঁগৈ কম দামত। বিক্ৰী কৰি পোৱা পইচাখিনি আমি ভগাই লৈছিলোঁ। কিন্তু এইবোৰ বিক্ৰী কৰি বেছি টকা পোৱা নগৈছিল। সেয়েহে ককাইৰ চকু গৈছিল মেচিনৰ ডাঙৰ ডাঙৰ পাৰ্টছবোৰত।

এদিন সি মোক খবৰ দিলে যে ফেক্টৰীত অজস্ৰ এলুমিনিয়ামৰ পাত আছে। এইবোৰ ভাল দামত বিক্ৰী কৰিব পাৰি। মানুহ এজনো আছে যি এনে স্মাগুলড্ এলুমিনিয়ামৰ পাত ক্ৰয় কৰে। ভাল দাম দিয়ে। বজাৰৰ দাম পঁয়ষষ্ঠি টকা কিলোত, কিন্তু মানুহজনে সাতাইশ টকাকৈ দিব। কিন্তু সমস্যা হ'ল, পুলিচৰ চকুত ধূলি দি পাতবোৰ সেই মানুহজনৰ তালৈ সৰবৰাহ কৰাটো। কেৱল সেয়াই নহয়, মানুহজনেও যাতে গম নাপায় এই পাতবোৰ ক'ৰ পৰা আহিছে।

মই ককাইক ক'লোঁ— তই চিন্তা নকৰিবি, মই কৰি দিম।

— সঁচাই?

— সঁচাই।

কথামতেই কাম হ'ল। ককাই ৰাতি ৰাতি এলুমিনিয়ামৰ পাত কাটি, টুকুৰা টুকুৰ কৰি বস্তাত ভৰালে।

এদিন মই পুৰা চাইকেল লৈ গ'লোঁ। খুব চুপ-চাপকৈ চাইকেলৰ কেৰিয়াৰত পাতবোৰ ভাৰ কৰি ল'লোঁ। ককাই ক'লে যে সি গৈ ঘাই আলিবাটত ৰৈ, ওচৰে-পাঁজৰে পুলিচ-আৰ্মী আছে নেকি চাব। আৰু সব ঠিক ঠাক থাকিলে সি মোক ওলাই যাবলৈ ইংগিত দিব। মই হ'ব বুলি ক'লোঁ। সি এইটোও ক'লে যে ৰাস্তাত যদি হঠাৎ পুলিচে ধৰে তেন্তে গোটেই কাণ্ডটোৰ দায়িত্ব যাতে ময়ে লওঁ। মই যাতে ফেক্টৰীৰ নাম উল্লেখ নকৰোঁ, অন্যথা তাৰ চাকৰি যাব। ঘৰৰ দুটা ল'ৰা জেললৈ যোৱাতকৈ এটা যোৱাটোৱেই ঠিক। মই এইটো কৰিবলৈও মান্তি হ'লোঁ।

এসময়ত ককাইৰ ছিগনেল পোৱাত মই এলুমিনিয়ামৰ পাত লৈ যাবলৈ ওলালোঁ। মোৰ আত্মা কঁপি উঠিল— কামটো যেন নিয়াৰিকৈ হৈ যায় তাৰে প্ৰাৰ্থনা কৰিলোঁ। মই ভাবিলোঁ আজি যদি মোক পুলিচে ধৰে, তেন্তে মই সকলো কথা কৈ দিম, মোক যে ঘৰত মা-দেউতাই পঢ়াবলৈ ইমান কষ্ট পাইছে সেয়া কৈ দিম, আৰু ক'ম যে মই কলেজত পঢ়োঁ, ছায়েন্সত পঢ়োঁ, মোক টিউচন কৰিবলৈ পইচা লাগে, কিতাপ কিনিবলৈ পইচা লাগে, কিন্তু মোক পইচা কোনে দিব? মই এইবোৰ ক'লে মোক নিশ্চয় পুলিচে মাফ কৰিব— মই ধৰি ল'লোঁ। তেতিয়া ককায়ো বাচি যাব, ময়ো বাচি যাম।

ভাবি ভাবি মই মূল ৰাস্তাত উঠিলোঁ; উঠিয়েই মই তীব্ৰ গতিৰে চাইকেল চলাবলৈ ধৰিলোঁ। ক'ৰবাত পুলিচ-মিলিটেৰী থাকিলেও চাবলৈ মোৰ সময় নহ'ল।

কেইমিনিটমানৰ ভিতৰতে মই গন্তব্য স্থান পালোঁগৈ। থাৰ্মেলৰ চাৰিআলিটোৰ ওচৰত মানুহজনৰ দোকানখন। মই গৈ দোকানৰ দুৱাৰত টোকৰ মাৰিলোঁ। মানুহজনে দুৱাৰ খুলি ওলাই আহিল। মই নিজকে চিনাকি দি এলুমিনিয়ামৰ পাত অনা বুলি ক'লোঁ। ইতিমধ্যে ককাই মানুহজনৰ সৈতে কথা পাতি থৈছিল। ক'লা, চুটি চাপৰ, চছমা পিন্ধা আদহীয়া মানুহজনে মোৰ ফালে এক স্থিৰ দৃষ্টিৰে কিছু পলক চালে, তাৰ পাছত কাঢ়া মাতেৰে ক'লে— 'দোকানৰ পিছফালে দি আহ।' মই পিছফালে চাইকেল ৰখালোঁগৈ। মানুহজনৰ সহায়ত মই পাতখিনি নমালোঁ, দোকানৰ ভিতৰলৈ লৈ গ'লোঁ। মানুহজনে মোক বহিবলৈ ক'লে। তাৰ পাছত এলুমিনিয়ামৰ পাতখিনি ওজন কৰিলে। বহী এখন আনি হিচাপ কৰিল— পঁচপন্ন কিলো, সাতাইশ টকাকৈ। হিচাপ কৰি থাকোঁতেই মানুহজনে মোক ধমকি দি ক'লে— 'চাবি, পুলিচে যদি গম পায়, তোক খতম কৰি দিম, বুজিছ?'

মই একো নামাতিলোঁ। তাৰ পাছত মানুহজনে কঠিন মাতেৰেই সুধিলে—

— তই ক'ত থাক?

— মই কলেজত পঢ়োঁ।

— কোন কলেজ?

— 'তিনিচুকীয়া।' মই ক'ব নালাগিছিল, কিন্তু মানুহজনলৈ মোৰ ভয় লাগিল, সেয়ে মোৰ মুখেৰে ওলাই গ'ল।

— কি পঢ়িছ?

— 'ডিগ্ৰী, ছায়েঞ্চত।'

— ছায়েঞ্চত পঢ়িছা? এইবাৰ মানুহজনৰ মাতটো কোমলকৈ ওলাল।

— ওঁ।

— 'মেথ পঢ়িছা?' এইবাৰ মানুহজনৰ সম্বোধন 'তই'ৰ পৰা তুমিলৈ পৰিৱৰ্তন হ'ল।

— ওঁ।

— খুব ভাল কথা।

আহিবৰ সময়ত মানুহজনে হাতত পইচাখিনি গুঁজি দি ক'লে— 'শুনা, এইবোৰ বেয়া কাম নকৰিবা। তুমি ভাল ল'ৰা।'

তেতিয়া মোৰ কান্দি দিবৰ মন গৈছিল। পৃথিৱীত এজন মানুহে অন্ততঃ মোক ভাল ল'ৰা বুলি ভাবিছিল।

(চৈধ্য)

ক'বলৈ পাহৰিছিলোঁৱেই— মোৰ হায়াৰ ছেকেণ্ডেৰীৰ ফাইনেল পৰীক্ষাৰ ৰিজাল্ট মনে বিচৰাৰ ধৰণে ভাল নহ'ল। কেইনম্বৰমানৰ কাৰণে ফাৰ্ষ্ট ডিভিজন নাপালোঁ। বহুতে তিৰস্কাৰ কৰিলে— 'চা চা অমুকাৰ পুতেককো ইমান কষ্ট কৰি পঢ়ালে ঘৰখনে, এতিয়া সি ছেকেণ্ড ডিভিজনহে পালে।' মোৰ ক'বৰ মন গৈছিল— 'মই কিমান কষ্ট কৰিছিলোঁ আপোনালোকে কি জানিব?' কোনো কোনোৱে আহি মা-দেউতাক পৰামৰ্শ দিলেহি— 'ল'ৰাটোক চাকৰিত সোমাবলৈ কওক; পুলিচৰ চাকৰিৰ বাবে ইণ্টাৰভিউ দিয়ক।' সঁচা ক'বলৈ হ'লে— সেই মুহূৰ্তত চাকৰি এটা পাই যোৱা হ'লে মই কিজানি সঁচাকৈয়ে চাকৰিত সোমালোঁহেতেন।

যি কি নহওক, চাকৰি বিচৰা নহ'ল; আহি তিনিচুকীয়া কলেজতে নাম লগালোঁহি ফিজিক্স-কেমিষ্ট্ৰী-মেথচ পঢ়িবলৈ। ডাক্টৰ-ইঞ্জিনিয়াৰ পঢ়িবলৈ ইমান চোকা নাছিলোঁ, পঢ়িবও নোৱাৰোঁ, পঢ়াবও নোৱাৰে। সেইকাৰণে এইবোৰত কদাপি মূৰ খটোৱা নাছিলোঁ। মেথচত অনাৰ্চ লৈ পঢ়িম বুলি ভাবিছিলোঁ, বাছনি পৰীক্ষাত উত্তীৰ্ণ নহ'লোঁ। কেমিষ্ট্ৰীত মোৰ পঢ়া

ভাল আছিল, সেয়েহে কেমিষ্ট্ৰীতে অনাৰ্চ ল'লোঁ। জীৱনৰ লক্ষ্য বুলিবলৈ একো নাই; ডিগ্ৰী পাছ কৰি ক'ৰবাত স্কুল এখনত মাষ্টৰী চাকৰি এটা পালেও হ'ব। মানুহবোৰে কৈছিল— কেমিষ্ট্ৰী পঢ়িলে অইল ইণ্ডিয়া, অ'. এন. জি. চি-ত চাকৰি পায়। সেয়া হ'লেতো ভালেই , মনতে ভাবিছিলোঁ। কলেজৰ প্ৰথম বৰ্ষত পঢ়াৰ প্ৰতি মোৰ বৰ ৰাপ নাছিল। তাতে ককাইৰ সৈতে মাজে মাজে দুই নম্বৰী কামবোৰত হাত দিছিলোঁ। এনেয়েও প্ৰথম বৰ্ষৰ পৰীক্ষাটো কলেজৰ পৰাই পাতিছিল। দ্বিতীয় বৰ্ষতহে বিশ্ববিদ্যালয়ে চূড়ান্ত (দুবছৰৰ একেলগে) পৰীক্ষা পাতিছিল। তৃতীয় বৰ্ষত আকৌ এটা চূড়ান্ত পৰীক্ষা পাতিছিল।

দ্বিতীয় বছৰৰ পৰা মোৰ পঢ়াত ৰাপ বাঢ়িছিল। ভাৰাঘৰত থাকি পঢ়া আৰু কলেজলৈ যোৱাৰ বাদে আন কাম নাছিল। কলেজ থকা সময়খিনিত মোৰ আন এটা অভ্যাস গঢ়ি উঠিছিল— ক্লাছ নহ'লেই লাইব্ৰেৰীত গৈ থকাটো। লাইব্ৰেৰীলৈ যাওঁতে যাওঁতে তাৰ কৰ্মচাৰীৰ সৈতেও এটা ভাল সম্পৰ্ক গঢ়ি উঠিছিল। সাধাৰণতে ছাত্ৰ-ছাত্ৰীক কিতাপ থকাৰ ঠাইলৈ যাবলৈ দিয়া নহৈছিল, কিন্তু কৰ্মচাৰীসকলৰ সৈতে থকা সু-সম্পৰ্কৰ সুযোগত মই লাইব্ৰেৰীৰ ভিতৰলৈকে সোমাই গৈছিলোঁ। মই পোনে পোনে কেমিষ্ট্ৰীৰ কিতাপৰ চেকশ্বন পাইছিলোঁগৈ। আৱিষ্কাৰ কৰিছিলোঁ ধূলিৰ মাজত পোত খাই থকা থাক থাক কিতাপ— কেমিষ্ট্ৰীৰ কিতাপ। কিতাপবোৰ চুই লিৰিকি-বিদাৰি চাইছিলোঁ। এইদৰে ইখন কিতাপ সিখন কিতাপৰ লগত চিনাকি হওঁতে এদিন লাইব্ৰেৰীৰ বন্ধ আন্ধাৰ কোঠাত আৱিষ্কাৰ কৰি পেলাইছিলোঁ কিছুমান মহামূল্যবান কিতাপ, কিতাপবোৰত যেন কাৰোৱেই হাতৰ পৰশো পৰা নাই। এইবোৰৰ ভিতৰত আছিল এফ্ এ কটন আৰু জেফ্ৰি উইলকিন্সনৰ প্ৰিন্সিপ'ল অৱ ইনৰগেনিক কেমিষ্ট্ৰী, আই এল ফিনাৰৰ অৰগেনিক কেমিষ্ট্ৰী, জেৰি মাৰ্চৰ ৰিয়েকচন মেকানিজম ইত্যাদি। এই কিতাপবোৰে হঠাৎ মোক সংগ্ৰামৰ পৃথিৱীৰ পৰা আঁতৰাই অণু-পৰমাণুৰ এখন ৰহস্যময় পৃথিৱীলৈ লৈ গৈছিল। য'ত লিপিবদ্ধ হৈ আছিল মানুহৰ জীৱনৰ কাহিনীৰ দৰে অজস্ৰ অণু-পৰমাণুৰ উত্তেজনাপূৰ্ণ অথচ নিতান্তই সৰল কাহিনী। এই কিতাপকেইখনৰ জ্ঞানকে ভেটি হিচাপে লৈ মই বিজ্ঞানৰ বহল পৃথিৱীত ভৰি দিছিলোঁ আৰু তেতিয়াই এইকেইখন কিতাপ নপঢ়া হ'লে মই আজি ইমান দূৰ কেতিয়াও আহিব নোৱাৰিলোঁহেঁতেন। মানুহৰ জীৱনত বহুতো ঘটনা ভাগ্য আৰু কোনো সময়ত সৃষ্টি হোৱা এক পৰিস্থিতিৰ ফলশ্ৰুতিত ঘটে। এই কিতাপবোৰৰ সংস্পৰ্শলৈ অহাটো আছিল মোৰ বাবে এটা ভাগ্যৰ বলত হোৱা ঘটনা। আৰু মই বিশ্বাস কৰোঁ যে এনে ভাগ্যৰ বলত হোৱা একো একোটা ঘটনাই আমাৰ জীৱনটো চিৰদিনৰ বাবে সলনি কৰি থৈ যায়। মোৰ বিজ্ঞানৰ প্ৰতি থকা ৰাপ এনে এটা ভাগ্যৰ বলত হোৱা ঘটনাই চাগে।

স্ব-পঠনৰ মহিমাৰ বিষয়ে মই আগতেও কৈছিলোঁ। এই কিতাপবোৰ মই নিজে নিজেই পঢ়িবলগীয়া হৈছিল। পঢ়াবলেও কোনো নাছিল। নিজেই পঢ়িলে এটা সুবিধা হয়— বুজি

পাবলৈ বহুবাৰ পঢ়িব লাগে, কিন্তু এবাৰ বুজি পোৱাৰ পাছত সি চিৰদিনৰ বাবে মনত থাকি যায়। বিশেষকৈ তাত্ত্বিক আৰু নতুন ধাৰণাৰ কথাবোৰ। কিন্তু ইমানবোৰ কিতাপ নিজে নিজে পঢ়াৰ সত্ত্বেও অৰগেনিক কেমিষ্ট্ৰীৰ টিউচন ল'ব লগা হৈছিল। কাৰণ লগৰবোৰে লৈছিল, আৰু মই পিছপৰি যাম বুলি সিহঁতৰ লগতে ময়ো টিউচনত ধৰিছিলোঁ।

আকৌ টিউচনত ধৰিছোঁ, পইচা দিম ক'ৰ পৰা ?

এবাৰ এমাহৰ টিউচনৰ পইচা (চাৰিশ টকা) কেনেকৈ যোগাৰ কৰিছিলোঁ, সেই কথা মনত পৰিলে মোৰ আত্মবিশ্বাস, দৃঢ়তা বহুগুণে বাঢ়ি যায়। কেনেকৈ কৰিছিলোঁ শুনক—

মই অষ্টম নে নৱম শ্ৰেণীত থাকোঁতে কাষৰ বৰতাহঁতৰ ঘৰৰ পৰা আনি পাণ আৰু জালুকৰ লতা ৰুই দিলোঁহি। ঘৰৰ বাৰীত তামোল গছৰ গুৰিয়ে গুৰিয়ে লতাবোৰ ৰুইছিলোঁ। আমাৰ ঘৰত পাণ কেতিয়াও নুঠিছিল, হয়তো দেউতাই চেষ্টা কৰা নাছিল, চেষ্টা কৰিলেও ছাগলীয়ে পাণৰ পুলিবোৰ নষ্ট কৰি পেলাইছিল। আমি লগোৱা পাণ-জালুকৰ লতাবোৰ প্ৰথমে বাচিছিল, কিন্তু পাছত সেই একেই দশা, ছাগলীয়ে খাই পেলাইছিল। ফলত যত্ন কৰিবলৈ এৰি দিছিলোঁ। জালুকৰ লতাবোৰ তামোল গছত বগোৱাৰ সলনি মাটিতে বগাবলৈ লৈছিল। আৰু এইদৰে বগাই বগাই বহু দূৰপৰ্যন্ত বাৰীখন ছানি ধৰিছিল। কেইবছৰৰ পাছত লতাবোৰ তামোল গছত উঠিছিল, জালুক লাগিবলৈ আৰম্ভ কৰিছিল।

এবছৰ চাৰিজোপা তামোলত জালুক লাগিল। ঘৰত জালুক ঢেৰ হ'ল। দেউতাই জালুক পাৰি শুকুৱাই থ'লে। ঠিক সেই বছৰেই মই অৰগেনিক কেমিষ্ট্ৰীৰ টিউচন কৰিছিলোঁ। ঘৰত আপত্তি কৰিছিল, মই নামানিলোঁ। টিউচনৰ পইচা যেতিয়া দিবৰ হ'ল তেতিয়া মায়ে মোক ঘৰলৈ মতাই নি ক'লে— 'তোক পইচা ক'ৰ পৰা দিওঁ ? শুকান জালুক এক কিলো আছে লৈ যা। তিনিচুকীয়াত বিক্ৰী কৰিব পাৰিলে টিউচনৰ পইচা দিবি।' মোৰ উপায় নাছিল। জালুকখিনি নি মই থকা ভাৰাঘৰৰ ওচৰৰ বিহাৰী সম্প্ৰদায়ৰ দোকানী এজনক বেচিছিলোঁ। কিমান পইচা পাইছিলোঁ মনত নাই, কিন্তু সেই বছৰ জালুকৰ দাম উঠিছিল। আৰু এনেকৈয়ে, পাঁচ-ছয় বছৰৰ আগতে মই নিজ হাতেৰে ৰোৱা জালুক বেচি টিউচনৰ পইচা দিছিলোঁ।

আন এটা ঘটনা মনত পৰে। যাৰ বাবে মোৰ তেতিয়া বেছ অনুশোচনাও হৈছিল। আমি থকা ভাৰাঘৰৰ এজন আৱাসী প্ৰিয়দাৰ ৰুমৰ ষাঠি ৱাটৰ বাল্‌ব এটা হেৰাল। কোনে নিলে ?

ঘটনাটো ঘটিল এনেকৈ —

এদিন প্ৰিয়দা ক'ৰবালৈ গৈছিল। যাবৰ পৰত প্ৰিয়দাই ৰুমৰ চাবি ভাৰাঘৰৰ আন এজন আৱাসীৰ (মৃদুলদা) হাতত দি থৈ গৈছিল। প্ৰিয়দাৰ ৰুমত ৰন্ধন গেছৰ সুবিধা

আছিল, কিন্তু আমাৰ বাকী আৱাসীবোৰৰ নাছিল। সেইবাবে মৃদুলদাই যাতে প্ৰিয়দাৰ অনুপস্থিতিত তেওঁৰ গেছ ব্যৱহাৰ কৰিব পাৰে, তাৰ বাবেই ৰুমৰ চাবি দি থৈ গৈছিল।

মৃদুলদাৰ সৈতে মোৰ বেছ ভাল। মৃদুলদাই চাবি পায় মানে ময়ো গেছৰ সুবিধা পোৱা।

কিন্তু প্ৰিয়দা ঘৰলৈ যোৱাৰ এদিনৰ পাছতে এটি অঘটন ঘটিল— তেওঁৰ ৰুমৰ বাল্‌বটো হেৰাল।

মই মৃদুলদাক গৈ ধৰিলোঁগৈ— 'বাল্‌বটো হেৰাল বুলিছিল, এইটো দেখোন আছেই, য'ত আছিল ত'তে লাগি আছে, চাওক।'

মৃদুলদাই মোক হাঁহি মাৰি ক'লে— 'এইটো ফিউজ যোৱা বাল্‌ব, কোনোবাই লগাই থৈ গৈছে।'

মই সুধিলোঁ — 'আপুনি কেনেকৈ জানিলে?'

মৃদুলদা— 'হাঃ হাঃ, মই জানো দে।'

মই ক'লোঁ— 'জানো পাই!'

তাৰ পাছত মৃদুলদাই একো নক'লে, ময়ো কথা নবঢ়ালোঁ।

সেইদিনা সন্ধিয়া পৰত মৃদুলদাক ভাৰাঘৰৰ আন কেইজনমান আৱাসীৰ সৈতে কথাত মগ্ন হৈ থকা দেখিলোঁ। মই ভালকৈ কাণ পাতি সিহঁতে কি কথা পাতিছে গম ল'বলৈ ধৰিলোঁ ; সিহঁতে মোক দেখা নাছিল। মৃদুলদাই কৈ থকা শুনিছিলোঁ— 'প্ৰিয়দাৰ ৰুমৰ বাল্‌বটো ৰুবুলেই চুৰ কৰিলে।'

মৃদুলদাৰ কথাখিনি মোৰ কাণ দুখনত থহৰ থহৰকৈ বাজি উঠিল। মৃদুলদাই এইবোৰ কি কৈছে?

মৃদুলদাহঁতৰ কথা শুনি মই ৰ'ব নোৱাৰিলোঁ। মই তেওঁলোকৰ ফালে অগ্ৰসৰ হ'লোঁ। মই ওচৰ পোৱাত সিহঁত তিনিওজনে মোৰ ফালে ৰহস্যজনকভাৱে চাবলৈ ধৰিলে। মোৰ ভীষণ খং উঠি আহিল, খঙৰ কোবত মই তেওঁলোকক কিবা এটা অপমানসূচক মন্তব্য কৰিলোঁ। মই মন্তব্য কৰিয়েই ৰুমলৈ বুলি অগ্ৰসৰ হ'লোঁ।

মোৰ মন্তব্য শুনি তিনিওজন জ্বলি উঠিল। মোৰ ৰুমলৈ বুলি চোঁচা মাৰি গ'ল। মই তৎক্ষণাৎ দুৱাৰখন জপাই দিলোঁ। বাহিৰৰ পৰা এজনে দুৱাৰত গুৰিয়াবলৈ ধৰিলে— 'ওলাই আহ তই, তোক খতম কৰি দিম।' তিনিওজনৰ গৰ্জন শুনি মই ভয়ত পেপুৱা লাগিলোঁ। ভয়তে ফেঁকুৰি ফেঁকুৰি কান্দিবলৈ ধৰিলোঁ। মোৰ কান্দোন শুনি, অলপ পৰৰ পাছত সিহঁত আঁতৰি গ'ল।

সেইদিনা ৰাতিলৈ মই মৃদুলদালৈ বুলি এখন চিঠি লিখিলোঁ। চিঠিখনৰ সাৰমৰ্ম হ'ল যে 'মই প্ৰিয়দাৰ ৰুমৰ বাল্‌বটো চুৰ কৰা নাই। মোক মিছাতে সন্দেহ কৰা হৈছে। প্ৰয়োজন

হ'লে মই এটা নতুন বাল্‌ব কিনি আনি দিম; কিন্তু মিছাতে মোক সন্দেহ কৰি নাথাকিব।' মই জানো যে মৃদুলদা ভাল ল'ৰা। সি মোৰ চিঠিখন পোৱাৰ পাছত মোৰ কথাবোৰ বুজিব। সি মোক বিশ্বাস কৰি ল'ব।

কিন্তু সত্য কথাটো হ'ল যে সেইদিনা মই সঁচাকৈয়ে প্ৰিয়দাৰ ৰুমৰ বাল্‌বটো চুৰ কৰিছিলোঁ। কাৰণ মোৰ ৰুমৰ বাল্‌বটো ফিউজ যোৱাত নতুন এটা বাল্‌ব কিনিবলৈ মোৰ ওচৰত পইচা নাছিল। ৰাতি হ'লে কিতাপ পঢ়িবলৈ নাপাম বুলি ভয়তে মই প্ৰিয়দাৰ ৰুমৰ বাল্‌বটো চুৰ কৰি আনিছিলোঁ।

ছেকেণ্ড ইয়েৰৰ ফাইনেল পৰীক্ষা দি ঘৰলৈ গ'লোঁ। তিনি মাহ কলেজ বন্ধ থাকিব। এই সময়খিনি অপব্যয় নকৰিবলৈ মই দুটা সিদ্ধান্ত ল'লোঁ — প্ৰথম, ঘৰত কিতাপ আনি থাৰ্ড ইয়েৰৰ বাবে পঢ়া-শুনা কৰিম, দ্বিতীয়, মই পঢ়ি যোৱা হাইস্কুলখনত গৈ পাঠদান কৰিম, কাৰণ স্কুলত তেতিয়াও বিজ্ঞানৰ শিক্ষক নাছিল। ঘৰতে কিতাপ আনি পঢ়িম বুলি ক'লত মায়ে ক'লে— 'কিতাপ কিনিবলৈ হ'লে পইচা নাই দেই, ডাঙৰ হ'লি, এতিয়া নিজে নিজে গোটাই ল'বি।'

বিমোৰত পৰিলোঁ, ঘৰতে পঢ়িবলৈ কিতাপ লাগে।

এটা বুদ্ধি খেলালে!

মই আগতে কৈছিলোঁ যে আমাৰ এনাই (মাৰ মাক) সৰু মোমাই আৰু মাহীক লৈ শিৱসাগৰৰ পৰা দ-পথাৰলৈ গুচি আহিছিল। কিন্তু পাছত এনাই দ-পথাৰত তিষ্ঠি থাকিব নোৱাৰি শিৱসাগৰত থাকি অহা ডাঙৰ মোমাইৰ ওচৰলৈ গ'লগৈ। সৰু মাহীক দ-পথাৰত থাকোঁতেই বিয়া দিলে, সৰু মোমায়ো শিৱসাগৰলৈ গ'লগৈ। যোৱাৰ দুবছৰমানৰ পাছতে এনাই ঢুকাল, মামা দুজন বেলেগ হ'ল। নিজৰ নিজৰ ল'ৰা-ছোৱালীৰে পৰিয়াল পাতিলে। মই জীৱনত কেতিয়াও শিৱসাগৰৰ মোমাইৰ ঘৰলৈ গৈ পোৱা নাছিলোঁ। কেৱল মা-দেউতা আৰু ককাই গৈছিল এবাৰ নে দুবাৰ। মোমাইহঁতো আমাৰ ঘৰলৈ অহা মনত নপৰে। দ-পথাৰত থাকোঁতে আহিছিল, কিন্তু শিৱসাগৰলৈ গুচি যোৱাৰ পাছত কেতিয়াও উভতি অহা নাছিল। বিশেষকৈ ডাঙৰ মোমাইক মই জীৱনত কেতিয়াও দেখা মনত নাছিল। শুনিছিলোঁ ডাঙৰ মোমাইৰ হেনো ব্যৱসায়, ঢেৰ টকা-পইচা। মদৰ মহল আছিল, অটো ৰিক্সা আছিল কেইখনমান আৰু এবাৰ গাড়ী এখন কিনিবলৈ লোৱা বুলি শুনিছিলোঁ। দেউতাই ডাঙৰ মোমাইক লৈ বিৰাট গৌৰব কৰিছিল। গাঁৱৰ মানুহৰ আগত কৈছিল— মোৰ খুলশালিটো এনেকুৱাহে তেনেকুৱাহে...।

মোৰ যদি সঠিককৈ মনত আছে তেন্তে দেউতাহঁত শেষবাৰ শিৱসাগৰলৈ গৈছিল মই অষ্টম শ্ৰেণীত থাকোঁতে। ককায়ো গৈছিল। ককাইক জোতা আৰু লংপেণ্ট-ছাৰ্ট কিনি

দিছিল মোমায়ে। সিহঁত ঘূৰি আহিলত ময়ো পিন্ধিছিলোঁ ককাইক দিয়া লংপেণ্ট-চাৰ্ট। মায়ে কথাই কথাই কৈছিল— 'ভালকৈ পঢ়, তোক ডাঙৰ মোমাইৰ ওচৰলৈ পঢ়িবলৈ পঠিয়াম।' তেনে মুহূৰ্তবোৰত মই আনন্দত মতলীয়া হৈ পৰিছিলোঁ। ধৰি লৈছিলোঁ মোমাইৰ ঘৰলৈ গ'লে, টকা-পইচা, কাপোৰ-কানিৰে উভৈনদী হ'ব ; হ'ব এক স্বাচ্ছন্দ্যপূৰ্ণ জীৱন। সুবিধা পালেই মোমাইৰ ঘৰলৈ যাবলৈ প্ৰস্তুত আছিলোঁ।

সুবিধা আহিল (বহু প্ৰতীক্ষাৰ অন্তত) মই ডিগ্ৰীৰ ছেকেণ্ড ইয়েৰৰ পৰীক্ষা দি অহাৰ পাছত। কথাটো ময়ে উলিয়ালোঁ— 'মা, ডাঙৰ মোমাইৰ ঘৰলৈ যাওঁ, কিতাপ দুখনমান কিনিবলৈ পইচা দিয়েই কিজানি।' মায়ে তৎক্ষণাৎ সন্মতি দিলে— 'ভাল কথা এটা ভাবিছ তই, যা।'

ওলালোঁ। মই আগতে শিৱসাগৰলৈ কেতিয়াও যোৱা নাই। শিৱসাগৰ নালাগে ডিব্ৰুগড়খনকেই দেখা নাই। কিন্তু অসুবিধা নাই, মোমাইহঁতৰ ঘৰ টাউনতে। মোমাইৰ ঘৰত গৈ কেনেকৈ ওলাব পাৰি তাৰ মানচিত্ৰ এখনৰ আওভাও অলপ মায়ে মুখেৰেই দি দিলে— এনেকৈ যাবি, চাৰিআলিটো পাৰ হৈ যে বাঁওফালে চিনেমা হল এটা দেখিবি, সন্মুখতে তাৰ দোকান। সি দোকানত নাথাকিলে ৰিক্সা এখন ল'বি, কবি লক্ষ্মীনগৰ...।'

মোমাইৰ ঘৰ পালোঁহি। ডাঙৰ মোমাই-সৰু মোমাই দুয়োজন ওচৰা-উচৰিকৈ থাকে। মই দুই-তিনি দিনমান থাকিলোঁ। মনত আছে এদিন ৰাতি খোৱাৰ পৰত ডাঙৰ মোমায়ে আমাৰ ঘৰত গৰুকেইটা আছে সুধিছিল। মই সঠিককৈ নাজানো বুলি ক'লোঁ। মোমাই নাৰাজ হৈ উঠিল। মোক তিৰস্কাৰ কৰিলে। মামীদেৱে বোলে— 'ইমান সাধাৰণ কথাতে ল'ৰাটোক কিয় খং কৰিছে?' মোমাই— 'কিয় নকৰিম? ই গাঁৱৰ ল'ৰা, গাঁৱৰ মাক-বাপেকে খেতি কৰি পঢ়ুৱাইছে, ই এতিয়া গাঁৱৰ কথা পাহৰি গ'লে হ'ব নেকি?' মামী— 'ক'তনো পাহৰিলে, গৰু কেইটা ঘৰত সেইটোহে ক'ব পৰা নাই।' মোমাই— 'একেই কথা।'

মোমাইহঁতৰ ঘৰত মোক ভালকৈয়ে খুৱালে। কিন্তু সিহঁতৰ ঘৰৰ অৱস্থা দেখি মোৰ হ'লে পইচা খোজাৰ সাহস নহ'ল। সিহঁতৰ ঘৰৰ অৱস্থাৰ বিষয়ে মোৰ মনত যি এটা ধাৰণা লৈ গৈছিলোঁ সেয়া নিমিষতে মাৰ গ'ল। সিহঁতৰ আগৰ অৱস্থা নাই ; মহল বন্ধ হ'ল, অটো বিক্ৰী কৰিলে, ঘৰ পৰিল। ঘৰ চলাৰে অসুবিধা হ'ল। মই কোনসতে পইচা খোজোঁ?

উপায়ন্তৰত ঘৰলৈ উভতিলোঁ। মনত তেনেকৈ দুখ ভাব নাছিল; যি কি নহওক মোমাইৰ ঘৰ দেখিলোঁ জীৱনত প্ৰথমবাৰৰ বাবে।

সেইদিনা ঘৰলৈ উভতি আহোঁতে হাতত ডেৰশ টকা বাচিছিল। তাৰে এশ চল্লিশ টকা দি তিনিচুকীয়াৰ পৰা গুৰদীপ ৰাজৰ ইনৰগেনিক কেমিষ্ট্ৰীৰ কিতাপ এখন কিনি লৈ

আহিলোঁ। ঘৰত উদ্বিগ্নতাৰে বৈ আছিল মা। মাৰ ফালে কিতাপখন আগবঢ়াই ক'লোঁ— 'বচা পইচাকেইটাৰে এইখন আনিলোঁ।' মায়ে আৰু একো নুসুধিলে। পাছত এদিন চুবুৰিৰ বৰমাই সুধিলে— 'মোমায়েৰৰ ঘৰলৈ গৈছিলি, পইচা নাপালি নেকি?' মইনো কেনেকৈ কওঁ মোমাইহঁতৰে অৱস্থা নাই বুলি, দেউতাই যে মানুহৰ আগত জহাই ফুৰে সিহঁত ধনী বুলি!'

মোক কিতাপ লাগেই। নহ'লে গৰম বন্ধৰ তিনি মাহ এনেয়ে যাব। কেৱল খেতি কৰিলেই, পথাৰত গৰুৰ পিছে পিছে ঘূৰি ফুৰিলেই নহয়; কিতাপ পঢ়িবও লাগিব, ডিগ্ৰীৰ তৃতীয় বৰ্ষৰ বাবে নিজকে সম্পূৰ্ণভাৱে প্ৰস্তুত কৰি তুলিব লাগিব।

মায়ে ক'লে— 'মোৰ মূৰটোকে বেচগৈ যা মঙলবৰীয়া বজাৰত।'

মঙলবৰীয়া বজাৰত? দেউতাই পটকৈ এটা সমিধান দিলে। দেউতাই হেনো মোৰ হায়াৰ ছেকেণ্ডাৰীৰ কিতাপখিনি নি কৈলাসপুৰৰ মঙলবৰীয়া বজাৰত বিক্ৰী কৰিবগৈ। দেউতাৰ কথা— 'এইটো অঞ্চলত ছায়েঞ্চৰ কিতাপ আৰু কাৰো ঘৰত নাই, গতিকে বিক্ৰী হ'বই।' দেউতাই ধেমালি কৰা নাছিল, কথা মতেই কাম। এদিন চেকা লগা চুৰীয়া এখন পিন্ধি, মূৰত গামোচা বান্ধি দেউতা সঁচাকৈ ওলাল কিতাপ বিক্ৰী কৰিবলৈ। দেউতাৰ স্পৃহা দেখি মায়ে প্ৰথমতে খেক খেককৈ হাঁহিলে, তাৰ পাছত ডবিয়াই ক'লে— 'গোটেই অঞ্চলটোত ছায়েঞ্চত পঢ়া দ্বিতীয় এটি ল'ৰা নাই, আপুনি বাৰু কাক কিতাপ বেচিবলৈ ওলাইছে?' দেউতাৰ তেতিয়াহে খেয়াল আহিল— হয়তো, কিতাপ কোনে কিনিব? ফলত দেউতাৰ কিতাপ বিক্ৰী কৰাৰ অভীপ্সাৰ পৰ্বটি ইয়াতে শেষ হ'ল।

সেই দিনকেইটাত মই কৈলাসপুৰ হাইস্কুলত পঢ়াই আছিলোঁ যদিও স্কুলৰ পৰা পইচা পোৱাৰ কোনো আশা নাছিল। ভেঞ্চাৰ স্কুলৰ নিয়মীয়া শিক্ষকেই দৰমহা নাপায়, মোক কেনেকৈ টকা দিব? তথাপি তিনি মাহৰ অন্তত মোক স্কুলৰ শিক্ষকসকলে দয়া কৰি আঢ়ৈশ টকা দিছিল।

এদিন স্কুলৰ পৰা আহি, ভাত-পানী খাই, গৰুকেইটা চৰাবলৈ ওলালোঁ। পুৰণি কঠীয়াতলীত ঘাঁহ ওলাইছে, তাতে গৰু চৰাওঁ বুলি মনস্থ কৰিলোঁ। বাঁহনিখনো কাষতে; তাতো গৰু চৰিব পাৰিব। তেনেতে মায়ে আহি ক'লেহি — 'ককায়েৰৰ ওচৰলৈ গৈ চাচোন। পইচাও বিচাৰিবি, বহু দিন খবৰ পোৱা নাই, খবৰো লৈ আহিবি।' মই ক'লোঁ— 'তাৰেই চাগে চলিবলৈ দিগদাৰ, মোকনো ক'ত পইচা দিব পাৰিব?' মা— 'হ'লেও।'

ককাই তেতিয়া তিনিচুকীয়াৰ ভিতৰৰ গাঁও এখনত ইটাভাটা এটাত আছিল। ইটাভাটাটোৰ বৃহৎ এলেকাৰ কাষতে সি থকাৰ ব্যৱস্থা কৰি লৈছিল। চালি ঘৰটিৰ সমান দুটি কোঠা, বাঁহৰ বেৰ, টিনপাতৰ ছাউনীৰ ঘৰ। তাতে ৰান্ধিবও লাগে, শুবও লাগে। শুবলৈ এখন কাঠৰ বিছনা। লগত থকা অন্য এটি ছিকিউৰিটী গাৰ্ডৰ সৈতে পাল পাতি

পাতি শোৱে।

মই গৈ পাই কথাটো উলিয়ালোঁ— 'কিতাপ কিনিব লাগিছিল, ঘৰত ফুটাকড়ি এটাও নাই, জানিছই চাগে।'

ককাই ক'লে— 'মোৰ ওচৰতো নাই, দৰমহা হোৱা নাই, দোকানৰ বাকী খাই আছোঁ। তই আজি থাকি যা, কাইলৈ পুৱাতে ধাণ্ডা এটা আছে, হ'লে তোক পইচাকেইটামান দিব পাৰিম।'

মই তাৰ ধাণ্ডাৰ কথা বুজিলোঁ। আগতেও কেইবাবাৰো তাৰ ধাণ্ডাৰে সি মোক উদ্ধাৰ কৰিছে। মোৰ টিউচনৰ ফীজ দিয়া, কলেজৰ এডমিচনৰ টকা দিয়া আৰু কেতিয়াবা নতুন কাপোৰ, জোতা এযোৰ সি ধাণ্ডাৰ টকাৰেই মোক কিনি দিছে। ময়ো বিনাদ্বিধাই হাত পাতি লৈছোঁ। তাৰ এই অনৈতিক কৰ্মবোৰত ময়ো সহায় কৰি দিছোঁ মাজে-সময়ে। শিৱধামৰ ওচৰত এলুমিনিয়ামৰ পাতখিনি ময়ে বিক্ৰী কৰিবলৈ উলিয়াই নিছিলোঁ আৰু ফেক্টৰীৰ ভিতৰৰ টিউবলাইটবোৰ দেখোন ময়ে তিনিচুকীয়াত বিক্ৰী কৰিছিলোঁগৈ। কিন্তু এইবাৰৰ কাৰবাৰটো অলপ বেলেগ।

পুৱা গাড়ীৰ হৰ্নত চকামককৈ সাৰ পালোঁ। চকুকেইটা মেলি ইফালে-সিফালে চাই দেখিলোঁ— ঘৰটিত কোনো নাই। ৰাতি পুৱাইছে, বেৰৰ জোলোঙাৰে পোহৰ সোমাই আহিছে। মই বাহিৰলৈ বুলি উঠি গ'লোঁ। ওলাই যাওঁতেই ইটাভাতাৰ পৰা ট্ৰাক এখন ওলাই যোৱা দেখিলোঁ। ট্ৰাকখনত চাগৈ ইটা লৈ গৈছে। মই ককাইক বিচাৰিলোঁ। থাক্ থাক্কৈ জাপি থোৱা ইটাবোৰৰ মাজৰ গলিবোৰত বিচাৰি বিচাৰি এসময়ত তাক পালোঁ।

— 'পুৱাই ট্ৰাকত ইটা লৈ গৈছে যে?' মই সুধিলোঁ।

— 'চুপ...।' সি মুখত আঙুলি এটা দি মোক কথা ক'বলৈ মানা কৰিলে, যেন কোনোবাই শুনিব।

দুয়োটাই চুপ চাপ ইটাবোৰৰ মাজৰ পৰা ওলাই আহিলোঁ। আহি তাৰ ঘৰ সোমালোঁহি। তেহে সি মুখ খুলিলে। খুব চেপা মাতেৰে ক'লে—

— 'সেই ট্ৰাকতে আজি ইটা বেচিছোঁ। ফুল এক ট্ৰাক।'

— 'কিমান পালি?' ময়ো সমান চেপা মাতেৰে সুধিলোঁ। সোধোঁতে মোৰ মুখেৰে স্বতঃস্ফূৰ্তভাৱে হাঁহি ওলাই আহিল আনন্দত।

— 'পালোঁ আৰু অলপ; তোৰ কিতাপ কিনিবলৈ হৈ যাব।'

মই হতবাক হ'লোঁ— ইমান পুৱাই যে সি ট্ৰাকখনত ইটা পঠিয়াই দিলে, ট্ৰাকত ইটা কেতিয়া লোড কৰিলে? মই দেখোন ট্ৰাকখন অহাও গম নাপালোঁ। ককায়ে ক'লে— 'তই সেইবোৰত মাথা নামাৰিবি। তোৰ কেমিষ্ট্ৰীৰ কিতাপ কিনি লৈ সেই কিতাপবোৰত মাথা মাৰগৈ।' মই চুপ চাপ থাকিলোঁ। তথাপি মনতে ভাবিলোঁ, এই ঠাইখন বেচ নিজান

হোৱাৰ বাবেই চাগে ৰাতি সি কাৰোবাৰ হতুৱাই ট্ৰাকত ইটা লোড কৰোৱাইছিল। যি কি নহওক, মই পইচা পালোঁ, ডিব্ৰুগড়ৰ পৰা কিতাপ কিনি আনন্দমনেৰে ঘৰলৈ উভতিলোঁ।

সেই বছৰ কৈলাসপুৰ হাইস্কুলত পঢ়াই থাকোঁতে কেইটামান কথা মই নতুনকৈ অনুধাৱন কৰিলোঁ। কৈছিলোঁ যে মই পঢ়া স্কুলত কোনো বিজ্ঞানৰ শিক্ষক নাছিল। অৰ্থাৎ শ শ ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞানৰ ৰহস্যময় আবিষ্কাৰ আৰু উদ্ভাৱনৰ কাহিনীৰ পৰা বঞ্চিত হৈছিল। যি বিজ্ঞানে প্ৰায় দুশ বছৰৰ ভিতৰতে মানৱ সভ্যতাক চিৰদিনৰ বাবে সলনি কৰি থৈ গৈছিল, সেই বিজ্ঞানৰ প্ৰতি ছাত্ৰ-ছাত্ৰীক উদ্বেলিত কৰিব পৰাকৈ ন্যুনতম প্ৰয়োজনীয় এজন শিক্ষকো নাছিল। তাতোকৈ ডাঙৰ কথা শিক্ষকৰ অভাৱৰ বাবে স্কুলখনৰ পৰা বছৰত তিনি বা চাৰিটি ছাত্ৰ-ছাত্ৰীয়ে মেট্ৰিক পাছ কৰিছিল। তাৰ মানে বাকী গৰিষ্ঠসংখ্যক ছাত্ৰ-ছাত্ৰীৰ বাবেই আনুষ্ঠানিক শিক্ষা লাভৰ দুৱাৰখন বন্ধ হৈ গৈছিল চিৰদিনৰ বাবে। ভাৰতৰ নিচিনা এখন বিপুল জনসংখ্যাৰ দৰিদ্ৰ দেশত যি সময়ত প্ৰত্যেকটি মানুহক সম্পদ হিচাপে ব্যৱহাৰ কৰি দেশ উন্নয়নৰ কামত লগাব লাগিছিল, সেই সময়তেই এই মানৱ সম্পদৰ অপচয়হে হৈছিল। ছাত্ৰ-ছাত্ৰীক কলেজ-ইউনিভাৰ্ছিটীলৈ পঢ়িবলৈ যাব দিব লাগিছিল, কিন্তু তাৰ ঠাইত মেট্ৰিকত ফেইল কৰোৱাই দিয়া হৈছিল, সিহঁত কলেজ-ইউনিভাৰ্ছিটীলৈ যাব নোৱৰাকৈ।

গৰমৰ দিনকেইটা শেষ হ'ল। স্কুল এৰি মই পুনৰ কলেজলৈ যাবলৈ ওলালোঁ। তেনেতে পৰীক্ষাৰ ৰিজাল্টো ওলাল। কিন্তু সকলোকে আচৰিত কৰি মোৰ ৰিজাল্ট ফাৰ্ষ্টক্লাছ আহিল। আমাৰ দিনত অনাৰ্চত ফাৰ্ষ্টক্লাছ পোৱাটো বৰ কঠিন আছিল।

আকৌ এক নতুন আৰম্ভণি, নতুন উদ্যম, নতুন সপোন।

(পোন্ধৰ)

ৰিজাল্টৰ আনন্দ-উল্লাস সামৰি নতুন উদ্যমেৰে কলেজ পালোঁগৈ। কলেজত তৃতীয় বছৰটো আৰম্ভ হ'লেই।

জীৱনত প্ৰথমবাৰৰ বাবে এটা ডাঙৰ সপোন দেখিবলৈ ল'লোঁ (আমাৰ পৰিয়ালৰ জোখেৰে)। মই যদি তৃতীয় বৰ্ষটো ভালকৈ পঢ়োঁ, তেন্তে ডিগ্ৰীত ফাৰ্ষ্টক্লাছ অটুট ৰখাটো নিশ্চিত আৰু তেনেহ'লে মই ইউনিভাৰ্ছিটীত পঢ়িব পাৰিম আৰু ভৱিষ্যতে হয়তো ক'ৰবাত কলেজৰ প্ৰফেছৰ হ'ব পাৰিম!

আহ!

তেনেকুৱা হ'লে আমাৰ ঘৰৰ কিমান পৰিৱৰ্তন হ'ব। আমাৰ অঞ্চলটোৰ কাৰণে হ'ব কিমান গৌৰৱৰ কথা! মই আনন্দত উটি ফুৰিলোঁ, এই আনন্দই মোক ভালকৈ, কষ্ট

কৰি পঢ়িবলৈ, উৎসাহিত কৰিলে।

কিন্তু মোৰ সপোন ইমানতে স্থবিৰ হৈ নৰ'ল। সম্ভাৱনাৰ নানান অল্টাৰনেটিভ মোৰ মগজুৰে বৈয়ে থাকিল—

আমাৰ কলেজৰ এজন ছাৰৰ ল'ৰা দুটা সাংঘাতিক চোকা। দুয়োটাই মেট্ৰিকত অসমৰ ভিতৰত প্ৰথম স্থানত উত্তীৰ্ণ হৈছিল। ডাঙৰটোৰ স্থান আছিল প্ৰথম, সৰুটোৰ দ্বিতীয়। সৰুটোৱে হায়াৰ ছেকেণ্ডাৰীতো অসমৰ ভিতৰত প্ৰথম হৈছিল। শুনিছিলোঁ ডাঙৰটোৱে হেনো দিল্লী বিশ্ববিদ্যালয়ৰ পৰা এম এছ্ চি পাছ্ কৰি আমেৰিকাত গৱেষণা কৰিবলৈ গৈছিল। এদিন কলেজ বন্ধত মই ঘৰলৈ যাওঁতে মাক কথাষাৰ কলোঁ। মায়ে ক'লে— 'ভালকৈ পঢ়চোন, তয়ো যাব পাৰিবি।'

—সঁচানে? মোৰ অলপ লাজ লাজ ভাব হ'ল। ইমান ডাঙৰ সপোন এটা কেনেকৈ দেখোঁ? সপোনৰো এটা সীমা থকা উচিত। এবাৰ মই থিয় হৈ থকা পৃথিৱীৰ আধাৰটোতো চোৱা উচিত। যাব পাৰোঁ নোৱাৰোঁ পিছৰ কথা, কিন্তু মগজুত প্ৰথমবাৰৰ বাবে আমেৰিকালৈ যোৱাৰ সপোন এটাই উকমুকাই থাকিবলৈ ধৰিলে।

মই আকৌ কিতাপৰ মাজত বন্দী হ'লোঁ। টিউচন বাদ দিলোঁ, নিজেই পঢ়িম। কলেজতো ক্লাছ্ নহ'ল, আপত্তি নাই নিজেই পঢ়িব পৰা হৈছোঁ। লাইব্ৰেৰীৰ পৰা আৰু নতুন নতুন কিতাপ গোটাই ল'লোঁ। নতুন বিষয় আহিল স্পেক্ট্ৰ'স্কপি। আমোদজনকভাৱে সেই বছৰেই স্পেক্ট্ৰ'স্কপিৰ কাৰণে তিনিজনক ৰসায়নৰ ন'বেল বঁটা দিয়া হ'ল— ফেন, টানাকা আৰু উথৰিখ। মই উঠিপৰি স্পেক্ট্ৰ'স্কপি পঢ়িবলৈ ধৰিলোঁ— বেনৱেল আৰু চান্দৰ কিতাপ। টানাকা এজন ইলেক্ট্ৰিকেল ইঞ্জিনীয়াৰ হোৱাৰ সত্ত্বেও ৰসায়ন-জীৱবিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ পদ্ধতি উদ্ভাৱনৰ বাবে তেওঁক ৰসায়নৰ ন'বেল দিয়া হ'ল। কথাটোৱে মোকো বেচ উৎসাহিত কৰিলে। ফেন আৰু টানাকাই উদ্ভাৱন কৰা মাচ স্পেক্ট্ৰোমেট্ৰি পদ্ধতিৰ সহায়ত জৈৱিক আণৱিক যৌগসমূহ চিনাক্তকৰণত তেনেই সহজ হৈ পৰিল। ফলত আধুনিক চিকিৎসাত এক আমূল পৰিৱৰ্তন আহিল। এই বিষয়টোৰ প্ৰতি মোৰ আসক্তি উপজিছিল আৰু মোৰ জ্ঞানৰ পৰিসৰ বৃদ্ধিৰ বাবে পাৰ্যমানে পঢ়িছিলোঁ। কলেজৰ অন্তিম বৰ্ষত আহৰণ কৰা এই জ্ঞানে মোক পিছৰ জীৱনত বেচ সহায় কৰিছিল। কাৰণ জীৱনত প্ৰথমবাৰ আমেৰিকাত গৱেষণা কৰিবলৈ যাওঁতে মই এই বিষয়টোৰ ওপৰতে গৱেষণা কৰিবলৈ সুযোগ পাইছিলোঁ। সেইবাৰ আমেৰিকাৰ পৰা ভাৰতলৈ আহি মুম্বাইৰ টাটা ইন্সষ্টিটিউট অৱ ফাণ্ডামেণ্টেল ৰিছাৰ্চত মোৰ তত্ত্বাৱধানতে 'মাচ স্পেক্ট্ৰোমেট্ৰি চেণ্টাৰ ফৰ প্ৰটিয়মিক্স' নামৰ নতুন চেণ্টাৰ এটা গঢ়ি উঠিছিল।

একেবোৰ পাঠকে বাৰে বাৰে পঢ়াৰ বাবে কথাবোৰ মনত থাকি গৈছিল। ঘঁহি থাকিলে শিলো ক্ষয় যায় কথাষাৰৰ সাৰমৰ্ম ভালকৈ উপলব্ধি কৰিব পাৰিছিলোঁ। পুনঃ

পুনঃ অনুশীলনৰ ফলত মোৰ আত্মবিশ্বাস বাঢ়িছিল।

এই সময়ছোৱাত মোৰ আৰু এটা অভ্যাস গঢ়ি উঠিছিল— যাৰ মহত্ত্ব হয়তো বহুবছৰৰ পাছতহে ভালকৈ উপলব্ধি কৰিব পাৰিছিলোঁ।

আজৰি পালেই বহী এখন উলিয়াই জৈৱিক ৰসায়নৰ বিভিন্ন বিক্ৰিয়াবোৰ অৰ্থাৎ জৈৱিক যৌগ সংশ্লেষণৰ তৰপবোৰ লিখি অনুশীলন কৰিছিলোঁ। এইদৰে অনুশীলন কৰোঁতে কৰোঁতে জৈৱ যৌগ সংশ্লেষণ কৰাৰ এটা নিচা লাগি গৈছিল। 'A' নামৰ অতি জটিল জৈৱ যৌগটো 'B' নামৰ অতি সাধাৰণ যৌগটোৰ পৰা কেনেকৈ সংশ্লেষণ কৰিব পাৰি? মই মোৰ কাগজত 'B' যৌগটোক সংশ্লেষণৰ বিভিন্ন তৰপৰ মাজে মাজে আগুৱাই নি এসময়ত 'A' যৌগটোলৈ পৰিৱৰ্তন কৰিছিলোঁ। কেতিয়াবা কেতিয়াবা কোনো জটিল যৌগ এইদৰে সংশ্লেষণ কৰোঁতে দহৰ পৰা পোন্ধৰটা পৰ্যন্ত তৰপ (ষ্টেপ) পাৰ হৈ যাব লগা হৈছিল।

এনে অনুশীলনৰ মাজত বন্দী হৈ থাকোঁতে সময়বোৰ কেনেকৈ গৈছিল গমেই নাপাইছিলোঁ। ধীৰে ধীৰে নিচাসক্ত মানুহৰ দৰে হৈ পৰিছিলোঁ। পুৱা-গধূলি এই অনুশীলনবোৰ কৰিবলৈ নাপালে মন বেয়া লাগি থাকিছিল। কোনো চিত্ৰকৰে ছবি এখন আঁকোঁতে যেনেকৈ বিভোৰ হৈ থাকে, ঠিক যেন ময়ো কাগজত এইবোৰ ৰাসায়নিক যৌগ সংশ্লেষণত নিমজ্জিত হৈ পৰিছিলোঁ। মোৰ বাবে যৌগ সংশ্লেষণ কৰাটোও আছিল পেইণ্টিং কৰাৰ দৰে উত্তেজনাপূৰ্ণ। এবাৰ এজন বন্ধুৱে মোৰ বহী এখনত বিভিন্ন ক্ৰিয়া-বিক্ৰিয়াৰ অৰ্থাৎ জৈৱ যৌগ সংশ্লেষণৰ সাংকেতিক চিহ্নবোৰ দেখি কৈ উঠিছিল— 'কি অ', ক'ড লেংগুৱেজত এইবোৰ এই কি লিখিছ? তই টেৰ'ৰিষ্ট নেকি? ক'ৰবাত বোম দিয়াৰ পৰিকল্পনা কৰিছে নেকি?'

মোৰ অৱশ্যে এটা কথা বেয়া লাগিছিল— অন্ধবিশ্বাস আৰু বেজ-বেজালিৰ দৰে কুসংস্কাৰত মগ্ন হৈ থকা আমাৰ সমাজত আণৱিক বিজ্ঞানৰ বৌদ্ধিক চৰ্চাৰ কোনো মূল্য নাই। যেনে— আমাৰ সমাজত এটা নতুন জৈৱিক যৌগ সংশ্লেষণৰ মহত্ত্বৰ কথা যে কোনেও বুজিব নোৱাৰে সেয়া ধ্ৰুৱপ। অথচ সংশ্লেষণৰ এনে পদ্ধতিবোৰৰ যোগেদিয়েই আধুনিক চিকিৎসা বিজ্ঞানত ব্যৱহৃত জটিল ৰোগবোৰৰ ঔষধ নিৰ্মাণ সম্ভৱ হৈছে। মানৱৰ জীৱন যুঁজত মহত্ত্বপূৰ্ণ ভূমিকা পালন কৰা এই ঔষধবোৰ সৃষ্টি যে এই সংশ্লেষণৰ বিভিন্ন পদ্ধতিৰ বাবেই সম্ভৱ হৈছে, সেই কথা সকলোৰে জ্ঞাত নে?

মই মনতে ভাবিবলৈ ধৰিলোঁ— আমাৰ অসম বা ভাৰতত নহ'লে কি হ'ল, যিবোৰ দেশত ৰোগ নিৰ্মূলৰ হাজাৰ-বিজাৰ ঔষধ আৱিষ্কাৰ হৈছে, সেই দেশবোৰত নিশ্চয় মোৰ দৰে জৈৱিক ৰসায়ন ভালপোৱা মানুহৰ প্ৰয়োজন হ'ব। তৎক্ষণাৎ মোৰ মনত এটি সপোনে বাহ ল'লে— যদি প্ৰয়োজন হয় বা সুবিধা পাওঁ, তেন্তে সেইবোৰ দেশলৈকে যাম— মানুহক

মানুহ হিচাপে জীয়াই থাকিবলৈ সুবিধাকণ দিয়া এই ঔষধবোৰ নির্মাণত সহায় কৰিবলৈ!

অবশেষত পৰীক্ষা আহিল, গভীৰ আত্মপ্রত্যয় আৰু দৃঢ়তাৰে পৰীক্ষা দিলোঁ। পৰীক্ষাৰ অন্তত এদিন ডিপাৰ্টমেণ্টৰ ছাৰহঁতক সুধিলোঁ যে পৰীক্ষাত অমুক শতাংশ নম্বৰ পোৱাটো সম্ভৱনে? কাৰণ মই তৃতীয় বৰ্ষৰ পৰীক্ষাত সিমান পাম বুলিয়েই ভাবিছিলোঁ। এজন ছাৰে হাঁহি ক'লে— 'ইমান নম্বৰ পোৱাৰ দৃষ্টান্তই নাই ডিগ্ৰীৰ অনাৰ্চত।' মই থোঁতা-মোজা খালোঁ। মোৰ বাৰু অভাৰ কনফিডেন্স হৈছে নেকি? ছাৰজনে আকৌ ক'লে— 'তেনেকুৱা নম্বৰ দিল্লীৰ ফালৰ ইউনিভাৰ্ছিটীতহে পায়, আমাৰ ইয়াত সম্ভৱতকৈ বেছি নহয়।' অধিক আশা কৰাৰ বাবে নিজকে ধিক্কাৰ দিলোঁ।

কেইমাহমান পাছত ৰিজাল্ট ওলাল। মই যিমান পাম বুলি অনুমান কৰিছিলোঁ একেবাৰে সিমান। তৃতীয় বছৰত মোৰ প্ৰাপ্ত নম্বৰ দেখি মই নিজকেই বিশ্বাস কৰিব পৰা নাছিলোঁ। আনন্দৰ বন্যাই মোৰ মন নধৰা হৈছিল। ইমান আনন্দ কৰাৰ এটা কাৰণ আছিল— আমাৰ দৰে গৰীব নিছলা মানুহৰ বাবে পৰীক্ষাৰ ৰিজাল্টেই আছিল আশা-ভৰসাৰ একমাত্ৰ অৱলম্বন। ৰিজাল্টেই আছিল নতুন প্ৰতিশ্ৰুতি। ৰিজাল্টেই আছিল দৰিদ্ৰতা বিনাশৰ একমাত্ৰ অস্ত্ৰ। ৰিজাল্টেই আছিল সম্ভাৱনাৰ এখন নতুন পৃথিৱীলৈ সংক্ৰমণ হোৱাৰ বাট। ৰিজাল্টেই আছিল জীৱনত উন্নতি কৰাৰ একমাত্ৰ ভৰসা।

স্বাচ্ছন্দ্যপূৰ্ণ জীৱন এটা ধাৰণ কৰিবলৈ হ'লে আমাৰ ৰিজাল্ট ভাল হোৱাৰ বাদে আন কোনো বিকল্প নাছিল।

(যোল্ল)

কিছুমান মানুহে যে কি কথাবোৰ কয়!

মোৰ ৰিজাল্ট দিয়াৰ পাছতে মই মাষ্টাৰ্চ ডিগ্ৰী পঢ়িম বোলা কথাষাৰ ওলোৱাত কিছুমান মানুহে ঘৰতে আহি ক'লেহি— 'পঢ়াৰ মতলব বাদ দে, পুলিচৰ চাকৰি বিচাৰ।' আন কিছুমানে উপদেশ দিলে— 'টকা নিদিলে চাকৰি নাপায়, ৭-৮ লাখ টকা ঘোচ দিবলৈ ক'ত পাবি? পঢ়া-শুনা বাদ দে, গাঁৱতে কিবা এটা কৰ, ইত্যাদি...'

গাঁৱৰ কিছুমান মানুহৰ অহৰহ নিৰুৎসাহজনক উপদেশত মই অতিষ্ঠ হৈ পৰিলোঁ। এইখন পৃথিৱীত যেন নিৰাশাজনক উপদেশ দিয়া মানুহেৰে ভৰি আছে। মই ভালদৰে জানো যে এনে পৰিস্থিতিত নিজৰ আত্মাক নিজে উৎসাহ দি আগবাঢ়ি যাব লাগিব।

মই এইটোও জানো যে মানুহবোৰ মই যাব খোজা পথেৰে কেতিয়াও যোৱা নাই, তেওঁলোকৰ এই পথটোৰ ধাৰণা তেনেই উপৰুৱা। তেওঁলোকে মোৰ সপোনৰ গভীৰতাৰ মূল্য নুবুজে।

মনতে ভাবিলোঁ— মই যদি মানুহবোৰৰ কথা শুনি পঢ়া বাদ দিওঁ, তেন্তে তেওঁলোকে একো নেহেৰুৱায়, হেৰুৱাম মই। আৰু মানুহৰ কথা নুশুনি যদি মই পঢ়িবলৈ যাওঁ, তেন্তে লাভ হ'ব মোৰ, কাৰণ কলেজৰ প্ৰফেছৰ হোৱাৰ সুযোগ পাম। যিহেতু পঢ়িবলৈ গ'লে লাভটো মোৰেই হ'ব, তেন্তে এই লাভ-লোকচানৰ অংকটোৰ সিদ্ধান্ত ময়ে ল'ব লাগিব। মানুহৰ নিৰাশাজনক কথাত গ'লে নহ'ব।

ইয়াৰ পিছৰে পৰা জীৱনত মই মানুহৰ নিৰুৎসাহজনক কথা নুশুনো।

এই যে কিছুমান মানুহৰ নিৰুৎসাহজনক মন্তব্যবোৰ— এইবোৰ মূলতঃ তিনিটা কাৰণত উদয় হ'ব পাৰে বুলি ভাবোঁ। প্ৰথম— তেওঁলোকে আনে যাব বিচৰা সপোনৰ বাটেৰে কেতিয়াও যোৱা নাই। দ্বিতীয়— ঈৰ্ষা। তৃতীয়— তেওঁলোকে হয়তো আনৰ সপোনটোহে শুনে, এই সপোনক ফলৱতী কৰিবলৈ প্ৰয়োজনীয় কৰ্ম সপোন দেখোঁতাজনে কৰিব পাৰিব বুলি পতিয়ন নাযায়।

যা হওক, অতবোৰ নিৰুৎসাহজনক উপদেশৰ মাজতে কেইবাজনেও উৎসাহ দি গ'লহি— 'তই পঢ়িবলৈ যা, যেনেতেনে হ'লেও।'

(সোতৰ)

সন্ধিয়া লাগেই আৰু। গৰমৰ দিন। পথাৰৰ বোকা-পানীৰ চেকা লাগি মামৰ বৰণ লোৱা ধুতী এখন আঁঠুৰ ওপৰলৈকে পিন্ধি, উদং গাৰে দেউতাই চোতালৰ আগেদি গৰু খেদি নিছে— গোহালিত বান্ধিবলৈ। মাই পিৰালিতে বহি গধূলিৰ সাজলৈ বুলি শাক কাটিছে। মই চোতালতে বহি আছিলোঁ, ককায়ে নতুনকৈ আনি দিয়া প্লাষ্টিকৰ চকী এখনত। মাই শাক কাটি থকাৰ পৰাই মোক উদ্দেশ্যি ক'লে—

—মাষ্টাৰ্চ ডিগ্ৰী পঢ়িম বুলি যে উৎপাত লগাই আছ, কাৰ মূৰটো বেচি পঢ়িবি?

—'মোৰ মূৰটোকে বেচিম।' মোৰ মাতটো টানকৈ ওলাল।

—কথা চণ্ডালি ক'বি।

—অঁ, সঁচাকৈই মোৰ মূৰটো বেচিম, মোৰ গাটো, মোৰ তেজসোপা।

মাই মূৰ তুলি মোৰ ফালে টেলেকাকৈ চালে এবাৰ, একো নক'লে। অলপ পাছত মই আকৌ ক'লোঁ—

—কিয়, আমাৰ ককাই-ভাইকেইটাৰ মাজত মাটি ভাগ কৰিলে মোৰ নামত পোৱা মাটিৰ ভাগটো বেচি দিব লাগে বুলি কোৱা নাছিলোঁ মই?

মাই এইবাৰ একো নক'লে। এবাৰ মা উঠি গৈ ভিতৰৰ পৰা খেৰৰ সোপা এটা আনি ঢেঁকীয়া ঠাৰি, কঁঠালগুটিৰ বাকলিবোৰ সাৰি ঠাইডোখৰ চিকুণ কৰিবলৈ ধৰিলে।

এনে কৰোঁতে মুখেৰে বকি থাকিল— 'আজি ৰিজাল্ট দিয়া দুদিন হ'ল, দুদিনৰ পৰাই যাকে লগ পাইছে, তাকে কৈ আছে বোলে সি মাষ্টাৰ্চ ডিগ্ৰী পঢ়িব। কাৰ মূৰটো বেচি পঢ়িব?' তাৰ পিছত আকৌ— 'মাক-বাপেকহালক এবাৰ সুধি চাইছেনে সি? ইমান যদি পঢ়িবৰ মন তেতিয়া হ'লে দে, মাৰ-বাপেৰকে বন্ধকত দি তই পঢ়গৈ। মেট্ৰিক পাছ কৰাৰ পৰা এতিয়ালৈকে তাৰ নামতে পুৰা পাঁচ বিঘা মাটি বন্ধকত গ'ল। তাৰ পাছত আকৌ আইতাকৰ শ্ৰাদ্ধ পাতিবলৈ ডেৰ বিঘা। ঘৰখনত মাটি আছে কেইবিঘা? এনেকৈ থাকিলেচোন দুদিনমানৰ পাছত ঘৰৰ ভেটিটোও বন্ধকত যাব।'

'ওহ। ইফালে আকৌ পঢ়িবলৈ ওলাইছে ক'ত? ডিব্ৰুগড়ত পঢ়িলে নহয়েই।'

মা গুজৰি-গুমৰি ঘৰৰ ভিতৰলৈ যাবলৈ ওলাল। যোৱাৰ সময়ত ভোৰভৰাই কৈ গ'ল— 'যি কৰ কৰ, খালী বাপেৰৰ সম্পত্তি বেচাৰ কথা সপোনতো নাভাবিবি। আৰু মনত ৰাখিবি। ঘৰখনত কেৱল তয়ে মানুহ নহয়, তোৰ বাহিৰেও আৰু ছয়টি জীৱই এইখন ঘৰত বাস কৰে, সিহঁতৰ কথাও এবাৰ ভাবিবি।'

ৰিজাল্ট দিয়াৰ দুদিন পাৰ হৈ গ'ল। মোৰ মাষ্টাৰ্চ ডিগ্ৰী কৰাৰ ইচ্ছাটো ক্ৰমান্বয়ে অনিশ্চয়তাৰ দিশে আগবাঢ়ি গ'ল। দুবছৰকৈ পঢ়িব লাগিব, এক দুই হাজাৰৰ কথা নাই। কিদৰে যোগাৰ কৰিম ইমান টকা? পৰীক্ষাত যদি কোনোমতে পাছ কৰিলোঁহেঁতেন তেন্তে মাষ্টাৰ্চ ডিগ্ৰী কৰাৰ সপোনো নেদেখিলোঁহেঁতেন। ক'ৰবাত চাকৰি এটাকে বিচাৰিলোঁহেঁতেন। কিন্তু ৰিজাল্ট ইমান ভাল হোৱাৰ পাছত মোক সকলোৰেই পঢ়িবলৈ কৈছে। এতিয়া পঢ়োঁ কেনেকৈ? মোৰ এনে লাগিল ডিগ্ৰীৰ ৰিজাল্টে যেন মোৰ জীৱনলৈ বিষময় অশান্তিহে আনি দিলে। মনত আশা-সপোন জাগি উঠিছিল, এতিয়া সেই সপোন ভাগি চূৰমাৰ হোৱাৰ উপক্ৰম হৈছে।

ঘৰত মা-দেউতাক বেজাৰ নিদিয়াকৈ কেনেকৈ নিজৰ ওপৰত নিজে থিয় দি মই পঢ়িব পাৰোঁ, তাৰ বিভিন্ন উপায় বিচাৰি হাবাথুৰি খালোঁ। মোৰ ভাগত পৰিবলগীয়া পৈতৃক মাটিখিনি বিক্ৰী কৰাটো সম্ভৱেই নহয়। নিজে কিবা এটা কৰি পঢ়িবলৈও এইখন অসমত সংস্থাপন ক'ত? শুনিছিলোঁ, বিদেশত হেনো ল'ৰা-ছোৱালীয়ে নিজে কাম কৰি পঢ়ে। কিন্তু আমাৰ অসম মুলুকত কামেইবা কি কৰিম, পঢ়িম কি? গুৱাহাটীৰ ফালে আমাৰ সম্বন্ধৰ কোনোবা নিচাদেউ এজন আছে বুলি শুনিছিলোঁ, তেওঁ ওচৰলৈকে সহায় বিচাৰি যাওঁ নেকি? গ'লে সহায় কৰিব পাৰিবনে? শুনিছিলোঁ, তেওঁ হেনো বৰ ডাঙৰ চাকৰি এটা কৰে। বা ল'ৰা-ছোৱালীক টিউচন কৰাই পঢ়িব পাৰিমনে? টিউচন ক'ত পাম? কিমান পইচা উপাৰ্জন কৰিম, তাৰে দুবছৰ মাষ্টাৰ্চ ডিগ্ৰী কৰিব পাৰিমনে?

যি হয় হ'ব আৰু। ভাগ্যত থাকিলে পঢ়িম, নাথাকিলে নাই। মাহঁতকো দুখ দিব নোৱাৰি। ইমানদিনে যে মোৰ বোজা কঢ়িয়ালে, সেয়াই যথেষ্ট।

পৰিত্ৰাণৰ উপায় ভাবি নাপাই ঘৰত সোমাই থাকোঁতেই এদিন মই পঢ়ি যোৱা (আৰু পাছত কিছুদিনৰ বাবে শিক্ষকতা কৰা) হাইস্কুললৈ নিমন্ত্ৰণ জনালে, সম্বৰ্ধনাৰ বাবে। ইতিমধ্যে মই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰতে ৰসায়ন বিজ্ঞান বিভাগত প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান পোৱা খবৰটো আমাৰ অঞ্চলত বৈ-বৈ গৈছিল। স্কুলৰ ছাত্ৰ একতা সভাই চিঠি এখনৰ যোগেদি নিমন্ত্ৰণ জনাইছিল— 'আপোনাৰ সাফল্যত আমি অতিশয় আনন্দিত। আমাক অকণমান উৎসাহ-উদ্দীপনা দি যাবহি।'

মোৰ জীৱনত সেয়া আছিল দ্বিতীয়টো সম্বৰ্ধনা। ইয়াৰ আগতে মেট্ৰিকৰ ৰিজাল্ট দিয়াৰ পাছত মোক এবাৰ সম্বৰ্ধনা জনোৱা হৈছিল। সম্বৰ্ধনা অনুষ্ঠানত মোক এখন মানপত্ৰ দিয়া হ'ল। তাৰ উপৰি স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ পৰা চান্দা তুলি প্ৰায় এক হাজাৰ মান টকা এনভেলপ এটাৰ ভিতৰত ভৰাই মোৰ হাতত তুলি দিলে, আশিস দিলে— আপুনি আগুৱাই যাওক।

টকা থকা এনভেলপটো আনি ঘৰত মাক দিলোঁহি। মায়ে সুধিলে— 'কি এইটো?'

— পইচা।

— কিমান?

— এক হাজাৰ মান।

— কোনে দিলে?

— স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ পৰা সংগ্ৰহ কৰি দিছে।

— কিয়?

— মোক মাষ্টাৰ্চ ডিগ্ৰী পঢ়িবলৈ।

মায়ে এনভেলপটো হাতত তুলি লৈ ক'লে— 'এক হাজাৰ টকাৰে তই মাষ্টাৰ্চ ডিগ্ৰী পঢ়ি শেষ কৰিব পাৰিবিনে?'

ইয়াৰ দুদিনমানৰ পাছত আকৌ আন এটা সম্বৰ্ধনা অনুষ্ঠানলৈ নিমন্ত্ৰণ আহিল। এইবাৰ খোদ নিজৰ গাঁৱৰ যুৱক সংঘৰ পৰা। অনুৰূপ ধৰণে মানপত্ৰ এখন আৰু এক হাজাৰ মান টকাৰে সম্বৰ্ধনা জনোৱা হ'ল। গাঁৱৰ মানুহে ক'লে— 'দৰকাৰ হ'লে ক'বা, আৰু দুই-এটকা পইচা দি সহায় কৰিব পাৰিম।' একেদৰে টকাৰ এনভেলপটো মাৰ হাতত তুলি দিলোঁহি। মায়ে ক'লে— 'মানুহবোৰে কি বুলি ভাবিছে? দুহেজাৰ টকাৰে ল'ৰাটোক মাষ্টাৰ্চ ডিগ্ৰী পঢ়িবলৈ যাবলৈ উৎসাহ দিছে। সিহঁতে জীৱনত পুতেক-জীয়েকক পঢ়াই পালেহে জানিব ল'ৰা এটাক কলেজ-ইউনিভাৰ্ছিটীত পঢ়িলে কিমান টকা লাগিব।'

মোৰ আশা-আকাংক্ষাৰ সকলো বাট বন্ধ হৈ আহিল। সংকুচিত হৈ আহিল পৰিধি ভঙাৰ সপোনটো। মই ভাবিবলৈ ধৰিলোঁ খেতিৰ দিনকেইটা শেষ হওক, ক'ৰবাত চাকৰি বিচাৰি যাব লাগিব। পঢ়া চাগে আৰু নহয়।

এনেতে এদিন সন্ধিয়া পৰত ঘৰ সোমাওঁতে ঘৰত মাৰ বাহিৰে আন মানুহক নেদেখি সুধিলোঁ— 'মা, মানুহবোৰ ক'লৈ গ'ল?'

— বাপেৰে পইচা বিচাৰি গৈছে।

— পইচা? কাক লাগে পইচা?

মাই পোনপটীয়াকৈ একো উত্তৰ নিদিলে। মাত্ৰ ক'লে—

'তোৰ কাপোৰ-কানি ধুই থৈছোঁ। কাইলৈ দুলীয়াজানৰ পৰা আহিবিগৈ। তাতে গুৱাহাটীত থকা নিচাদেউৰ ফোন নম্বৰ পাবি। ফোন কৰি ক'বি যে তই গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়িব বিচাৰ। ফৰ্ম দিছেনে নাই খবৰ কৰিবি।' তাৰ পাছত অলপ ৰৈ— 'আৰু শুন, পইচাৰ কথা চিন্তা নকৰিবি, বাপেৰে ঘৰৰ আগফালৰ আটাইখিনি মাটি অলপ বেছি দামত বন্ধকত দিয়াৰ কথা পাতিবলৈ গৈছে। থানেশ্বৰ বৰতাইঁতেও যিমান পাৰে সহায় কৰিব বুলি আশ্বাস দি থৈ গৈছে।'

লেৰেলি পৰিবলৈ ধৰা সপোনৰ ফুলপাহ যেন আকৌ জীপাল হৈ ফুলিবলৈ ধৰিলে।

(ওঠৰ)

মোক যদি এতিয়া সোধা যায় যে জীৱনটো নো কেনেকুৱা বস্তু, তেন্তে মই একেষাৰে উত্তৰ দিম যে— জীৱনটো এটা অতি সুন্দৰ বস্তু। জীৱনৰ সুন্দৰতাখিনি মই ভোগ কৰিছোঁ নোপোৱাৰ পাছতো পোৱাৰ আনন্দৰ যোগেদি। জীৱন সম্বন্ধে মোৰ এই উপলব্ধি এতিয়া ওপজা নহয়; সেই তেতিয়াই— কলেজ, ইউনিভাৰ্ছিটীত থকা দিনতে উপজিছিল।

পঢ়াবলৈ সামৰ্থ্য নথকা সত্বেও, ঘৰত যেতিয়াই মোক ইউনিভাৰ্ছিটীত পঢ়াম বুলি সিদ্ধান্ত ল'লে, সেয়া মোৰ বাবে আছিল মা-দেউতাই মোক পৃথিৱীত দ্বিতীয়বাৰ জন্ম দিয়াৰ দৰে। এজন মানুহে যদি একেখন পৃথিৱীতে দুবাৰ জন্ম লাভ কৰে, তেন্তে তেওঁৰ বাবে জীৱনটো কেনেকৈ বিৰাগৰ বস্তু হ'ব পাৰে?

গতিকে মই যেতিয়া গুৱাহাটী বিশ্ববিদ্যালয়লৈ পঢ়িবলৈ আহিছিলোঁ (জীৱনত প্ৰথমবাৰৰ বাবে গুৱাহাটীলৈ আহিছিলোঁ) তেতিয়া মোৰ কোনো কথাত অভিযোগ নাছিল। নাছিল কোনো আবদাৰ। পঢ়াৰ বাদে একো বিচৰাও নাছিলোঁ। পঢ়াৰ বাবে প্ৰয়োজন হৈছিল কেৱল কিতাপ। মই ভাবিছিলোঁ যে ধনী-মধ্যবিত্ত ঘৰৰ ল'ৰাও বিশ্ববিদ্যালয়ত পঢ়িবলৈ আহে আৰু মই দুখীয়া ঘৰৰ হৈয়ো একেখন বিশ্ববিদ্যালয়তে পঢ়িবলৈ আহিছোঁ, গতিকে আমি আটায়ে ভাগ্যবান। সেইসকলৰ কথা ভাবকচোন— যিসকলে নিজৰ অনীহাৰ বাবেই হওক বা ঘৰুৱা অৱস্থাৰ বাবেই হওক প্ৰতিভা বিকাশৰ সুযোগ নাপালে। এই খণ্ডৰ পৃথিৱীত হয়তো তেনেকুৱা লাখ লাখ লোক ওলাব। তেন্তে আমি ভাগ্যৱান নহয় কি?

ইয়াৰ বাবে মই, মা-দেউতাই যি কষ্ট সহিব লগা হ'ল, তাক কৃতজ্ঞতাৰে স্বীকাৰ কৰোঁ। আৰু যিসকলে জীৱনত এনে সুবিধা নাপালে, তেওঁলোকলৈ দুখ প্ৰকাশ কৰোঁ।

মই গুৱাহাটী বিশ্ববিদ্যালয়ত নাম লগোৱাৰ পাছত বিশ্ববিদ্যালয়ৰ দুই নং আৰ চি চি হোষ্টেলত থাকিবলৈ ল'লোঁ। হোষ্টেলত থাকিলে খৰচ কম, মাহে কেৱল মেছৰ নামত দিব লগা খৰচখিনি হ'লেই হ'ল। ঘৰৰ পৰা ন্যূনতম টকা আনি পঢ়িব বিচাৰিলে হোষ্টেলত থকাটোৱেই শ্ৰেয়। ছিমেষ্টাৰৰ এডমিচন ফী, কিতাপ কিনিবলৈ প্ৰয়োজন হোৱা টকা আৰু হোষ্টেলৰ মেছ ডিউচৰ নামত মাহে চাৰি-পাঁচশ (সঠিক পৰিমাণটো পাহৰিলোঁ) টকা হ'লেই হৈ যাব। এই ভাবি হোষ্টেলতে থকাৰ সিদ্ধান্ত ল'লোঁ। দেউতা-মাৰ ওপৰত বোজাটো যিমানে কমাব পাৰিম, সিমানে মনত শান্তি পাম।

হোষ্টেলত সোমোৱাৰ পাছতেই ডিপাৰ্টমেণ্টত ক্লাছ আৰম্ভ হ'ল। আৰু সন্মুখত মাত্ৰ এটা লক্ষ্য— ভালকৈ পঢ়িব লাগে। পঢ়িবই লাগিব— কাৰণ মোৰ ওপৰত বহুত দায়িত্ব আছিল। মা-দেউতাই যিখন ভাৰত মোক কঢ়িয়াই লৈ ফুৰিছে ইমানদিন সেইখন ভাৰতেই মই তেওঁলোকক কঢ়িয়াব লাগিব। তাৰ বাবে পঢ়াৰ বাদে গত্যন্তৰ নাই। এনেও মই পঢ়াৰ ক্ষেত্ৰত বহু সাহসী হৈ আহিছোঁ। বিশেষকৈ কলেজত ৰসায়ন বিজ্ঞানত বিশ্ববিদ্যালয়ৰ ভিতৰতে প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান পোৱাৰে পৰাই মোৰ আত্মবিশ্বাস বহুগুণে বৃদ্ধি পাই আহিছে। মোৰ দৃঢ়তা বাঢ়িছে, নোৱৰা কাম একো নাই ধৰণৰ ভাব এটা মোৰ মনত দকৈ পোখাবলৈ ধৰিছে। শুনিছিলোঁ মাষ্টাৰ্চ ডিগ্ৰীৰ তৃতীয়-চতুৰ্থ ছিমেষ্টাৰত থাকোঁতেই সৰ্বভাৰতীয় ভিত্তিত হোৱা নেট পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰি। নেট পৰীক্ষাত উত্তীৰ্ণ হ'লে কলেজ-ইউনিভাৰ্ছিটীৰ অধ্যাপক পদৰ বাবে প্ৰাৰ্থী এজন উপযুক্ত বুলি বিবেচিত হয়। মই পণ কৰিলোঁ যে তৃতীয়-চতুৰ্থ ছিমেষ্টাৰতে নেট পৰীক্ষা দিম আৰু এই পৰীক্ষাত সফল হ'বই লাগিব। কোনো কাৰণতেই ইয়াক আপোচ কৰা নহ'ব।

এনেবোৰ গুণাগঁথা কৰি থাকোঁতেই হোষ্টেলত এদিনাখন এটা অঘটন ঘটিল।

সন্ধিয়া পৰতে হোষ্টেলৰ আন এটা উইংচত থকা ছিনিয়ৰ এজনে মোক তেওঁৰ ৰুমলৈ মাতি নিলে। বেলেগ একো নাই, সৌজন্যমূলক চা-চিনাকি। চিনাকি হোৱাৰ পাছত দাদাজনে ক'লে যে তেওঁৰ হেনো গাৰ্লফ্ৰেণ্ডজনী উজনিৰ (তেওঁ নামনিৰ)। সেই সূত্ৰে দাদাজনে মোৰ সৈতে আন্তৰিকতাৰে কথা পাতিলে। তেওঁৰ প্ৰেম-পীৰিতিৰ কথাবোৰ কৈ গ'ল। কথা পাতি থাকোঁতে কেনেকৈনো সময়বোৰ গ'ল গমেই নাপালোঁ। দাদাই মোক খুলশালি পাতিলে।

হঠাৎ দুৱাৰত টোকৰ পৰিল।

দাদাজনে গৈ দুৱাৰ খুলি দিলে।

আগন্তুকে সুধিলে— 'ইয়াত ৰুবুল আছে নেকি?'

— 'আছে, কিয়?'

— 'তাক বাহিৰলৈ উলিয়াই আনচোন।'

দাদাজনে মোক বাহিৰলৈ যাবলৈ নিৰ্দেশ দিলে। ৰুমৰ পৰা ওলাই আহোঁতে দেখিলোঁ মোৰ ৰুমমেটজন আৰু দুজন ল'ৰাৰ সৈতে ৰুমৰ বাহিৰত ৰৈ আছে। মোৰ ৰুমমেট মোতকৈ এবছৰৰ ওপৰৰ। ৰুমমেটে মোক নিৰ্দেশ দিলে— 'তুমি ৰুমলৈ যোৱাগৈ আৰু দুৱাৰ মাৰি সোমাই থাকিবাঁ। মই আহিলে মাত দিম, তেতিয়াহে দুৱাৰ খুলিবা, নহ'লে নুখুলিবা।' মই নিৰ্দেশ পালন কৰি তৎক্ষণাৎ ৰুমৰ ফালে ঢাপলি মেলিলোঁ। সেইদিনা মই দাদাজনৰ ৰুম এৰি থৈ নিজৰ ৰুমলৈ অহাৰ পাছত তেওঁলোকৰ মাজত কি হৈছিল নাজানো, কিন্তু পাছদিনা শুনিছিলোঁ যে মোৰ ৰুমমেটহঁতে হেনো ৰেগিং কৰাৰ অপৰাধত দাদাজনৰ লগত বৰকৈ কাজিয়াত লিপ্ত হৈছিল।

হোষ্টেলৰ ভিতৰত যে পঢ়াৰ পৰিৱেশ নাই, সেই কথা লাহে লাহে বুজি উঠিলোঁ। আৱাসীসকলৰ মাজত কাজিয়া-পেচাল সঘনাই হৈ থাকে। গধূলি হ'লেই চিএঞৰ-বাখৰ। ইটো ৰুমৰ আৱাসীয়ে সিটো ৰুমত আড্ডা দিয়াৰ ধৰণ দেখি মই চিন্তিত হৈ উঠিলোঁ। পাৰিম নে ইয়াত পঢ়িব?

—'তুমি ইয়াত পঢ়িব নোৱাৰা।' এদিন আন এজন শুভাকাংক্ষী ছিনিয়ৰে ক'লেহি। তেওঁ কৈ গ'ল— 'তুমি পঢ়িব বিচাৰিছা যদি ইয়াৰ পৰা ওলাই যোৱাঁ। ইউনিভাৰ্ছিটীৰ আশে-পাশে কম দামত ভাৰাঘৰ পাবা, তালৈকে গুচি যোৱাঁ।' আমাৰ ডিপাৰ্টমেণ্টৰে আন এজন ছিনিয়ৰে ক'লেহি— 'যোৱাঁ যদি ক'বা, মই সহায় কৰি দিম।'

মই পঢ়িম বুলি আহিছোঁ, সপোনবোৰ বাস্তৱ কৰিবলৈ আহিছোঁ। যিকোনো প্ৰকাৰে পঢ়াৰ ক্ষতি হোৱাটো নিবিচাৰোঁ। মই যদি হোষ্টেলৰ পৰা ওলাই গৈ বাহিৰত ভাৰাঘৰত থাকোঁগৈ, তেন্তে মাহিলি অতিৰিক্ত পাঁচ-ছয়শমান খৰচ হ'ব চাগে। হ'লেও হওক; মাহঁতক বুজাব লাগিব। হোষ্টেলত থাকিলে কিদৰে মোৰ ভৱিষ্যৎটো নষ্ট হ'ব পাৰে, সেই কথা বুজাব লাগিব। বুজালে কিয় নুবুজিব?

তাৰ পাছত ছিনিয়ৰ শুভাকাংকক্ষী এজনৰ লগত এদিন জালুকবাৰীত ভাৰাঘৰ এটা ঠিক কৰি থৈ আহিলোঁ মনে মনে। হোষ্টেলত গম পালে যাবলৈ নিদিয়ে, গ'লেও হেনো ছিনিয়ৰবিলাকে আকৌ ওভতাই লৈ আনে।

এদিন ৰুমমেট ঘৰলৈ গৈছিল, সেই সুবিধা লৈ গধূলিতে দুৱাৰ মাৰি ৰুমত সোমালোঁ। কাপোৰ-কানি ভালকৈ বেগত ভৰালোঁ। কিতাপবোৰ ভৰাবলৈ ডাঙৰ বেগ নাছিল, সেয়েহে বিছনা চাদৰ এখনেৰে সেইবোৰ মেৰিয়াই বান্ধি ল'লোঁ। তাৰ পাছত চাৰে আঠমান বজাত হোষ্টেলত ভাত খাই ৰুমত শুই থাকিলোঁহি। ঘড়ীত এলাৰ্ম দি থ'লোঁ।

ৰাতি তিনি বজাত সাৰ পালোঁ এলাৰ্ম ঘড়ীৰ মাতত। বিছনাৰ পৰা উঠি খুব সন্তৰ্পণে

দুৱাৰখন খুলি কৰিড'ৰটোত এপাক মাৰিলোঁ। কৰিড'ৰত খোজ কাঢ়োঁতে যাতে শব্দ নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি মই শুদা ভৰিৰেই ওলাই গ'লোঁ। এবাৰ বাথৰুমৰ এলেকাটোৰ পিনেও গ'লোঁ। হোষ্টেলত কোনোবাই উজাগৰে আছে নেকি তাৰ সন্ধেদ ল'লোঁ। নাই, সকলো নিহপালী দি শুই আছে। হোষ্টেলৰ ঘাই দুৱাৰৰ সন্মুখত কুকুৰ দুটামান থাকে, সিহঁতো নাই। ক'ৰবাত চাগে সিহঁতো নিহপালী দি শুই আছেগৈ। তাৰ পাছত সকলো পৰীক্ষা-নিৰীক্ষা কৰি আকৌ ৰুমলৈ ঘূৰি আহিলোঁ।

এখন হাতত কাপোৰৰ বেগটো ল'লোঁ। পিঠিত কিতাপৰ বৃহৎ টোপোলাটো ল'লোঁ (পিঠিত ধানৰ বস্তা নিয়াৰ অভ্যাস আছিল)। দুৱাৰখন খুলি লাহেকৈ, হাতত সাৰে, ভৰিত সাৰে ওলাই গ'লোঁ। দ্বিতীয় মহলাৰ পৰা প্ৰথম মহলালৈ নামি আহোঁতে সাৱধান হ'লোঁ যাতে ছিৰিত বাগৰি নপৰোঁ। হোষ্টেলৰ ঘাই দুৱাৰ পাৰ হৈ যেতিয়া দীঘল পদূলিটোত ভৰি দিলোঁ, তেতিয়া মোৰ গা শিয়ৰি উঠিল। কাৰণ দুটা ষ্ট্ৰীট লাইট তীব্ৰভাৱে জ্বলি আছিল তাত। কোনোবাই যদি খিৰিকীৰে মোক দেখা পায়? মই যিমান পাৰি বেগাই ৰাস্তাৰ ফালে আগবাঢ়ি গ'লোঁ। এসময়ত ৰাস্তাত উঠাৰ পিছত যেতিয়া অন্ধকাৰত ডুব গ'লোঁ তেতিয়াহে মোৰ স্বস্তি আহিল। মই অনুভৱ কৰিলোঁ যে মই কঢ়িয়াই অনা বস্তুবোৰৰ ওজন বহুত। মোৰ পিঠিখন কেৰ্কেৰাই উঠিল। ইমান গধুৰ বস্তুবোৰ বিশ্ববিদ্যালয়ৰ মূল গেটলৈকে কঢ়িওৱাটো সম্ভৱ নহয়। উপায় নাপাই মই কিতাপৰ টোপোলাটো চোঁচৰাই চোঁচৰাই নিবলৈ ধৰিলোঁ। এসময়ত বিশ্ববিদ্যালয়ৰ মূল গেট পালোঁগৈ। মূল গেটৰ সন্মুখত থকা ষ্ট্ৰীট লাইটৰ ভাস্বৰতাত আকৌ জিলিকিলোঁ। মোৰ শৰীৰেৰে বৈ গৈছিল ঘামৰ স্ৰোত। তেতিয়া পুৱা চাৰে তিনিমান বাজিছিল। নৰেশ্বৰ মাহ। কুঁৱলী পৰিছিল। হঠাৎ অটো এখন আহিছিল। মই অটোখন ৰখালোঁ। ড্ৰাইভাৰজনক আকুতি জনালোঁ যাতে মোক জালুকবাৰীৰ দলংখনৰ ওচৰলৈকে লৈ যায়। তেওঁ সন্মত হ'ল। তেওঁ মোক জালুকবাৰীত থকা লজৰ সন্মুখত নমাই থৈ গ'ল। মই কাপোৰৰ বেগটো আৰু কিতাপৰ টোপোলাটো লৈ হানিফ লজ নামৰ প্ৰাইভেট হোষ্টেলৰ ভিতৰলৈ সোমাই গ'লোঁ। হোষ্টেলৰ কৰিড'ৰ তেতিয়াও আন্ধাৰত ডুব গৈ আছিল। তেনেকুৱা ছয়া-ময়া আন্ধাৰৰ মাজতে দেখিলোঁ মানুহ এজন মোৰ ফালে আগবাঢ়ি আহিছে। পিন্ধনত কেৱল টাৱেল এখন, উদং শৰীৰ। ময়ো মানুহজনৰ ফালে আগবাঢ়ি গ'লোঁ।

— মোৰ নাম ৰুবুল মাউত। মই এই হোষ্টেলত থাকিবলৈ আহিছোঁ।

— মোৰ নাম মনোজ গোহাঁই।

— ইয়াৰে আৱাসী?

— হয়।

তাৰপাছত, এই সমস্ত বস্তুবোৰ পিঠিত কঢ়িয়াই নিয়াৰ ফলত সৃষ্টি হোৱা গাৰ বিষত তিনি দিনলৈকে বিছনাৰ পৰা উঠিবই নোৱাৰিলোঁ।

(ঊনৈশ)

মই চৰকাৰী হোষ্টেল এৰি প্ৰাইভেট হোষ্টেললৈ অহাৰ ফলত মাহিলি খৰচ বাঢ়ি গ'ল। ঘৰৰ ভাৰা ছশ আৰু মেছ ডিউচ পাঁচশ। গতিকে প্ৰত্যেক মাহত মোৰ ন্যুনতম খৰচ এঘাৰশ টকা। তাৰ উপৰি কিতাপ কিনাৰ খৰচ। মই কিতাপ কিনাত বহুত গুৰুত্ব দিছিলোঁ, কাৰণ মোৰ বাবে কিতাপেই আছিল একমাত্ৰ সম্পদ, যাৰ যোগেদি জীৱনত উন্নতি কৰাৰ ভৰসা।

দেউতাই আপত্তি কৰিলে — 'মাহে এঘাৰশ টকা? ধেমালি নেকি?'

থানেশ্বৰ বৰতাইঁতে ক'লেহি— 'ধৈৰ্য ধৰচোন। দুবছৰহে, কেনেকৈ যাব গমেই নাপাবি।'

মোৰ অনুমান হয় মই মাষ্টাৰ্চ ডিগ্ৰী পঢ়া দুবছৰত আমাৰ ঘৰৰ আৰ্থিক অৱস্থা ইমান তললৈ নামি গৈছিল যে এনেকুৱা অৱস্থা আগেয়ে কেতিয়াও হোৱা নাছিল।

দেউতাই এটা বুদ্ধি পাঙিছিল। বন্ধকত দিয়া মাটিখিনি প্ৰত্যেক বছৰে উচ্চ হাৰত বেলেগক বন্ধকত দিছিল। মই মেট্ৰিক পাছ কৰাৰ সময়ত এবিঘা মাটিৰ বন্ধকি মূল্য আছিল দুই হাজাৰ টকা। কিন্তু মই মাষ্টাৰ্চ ডিগ্ৰী পঢ়ি শেষ হোৱাৰ সময়ত এই মাটিৰ বন্ধকি মূল্য বিঘাই ছয়-সাত হাজাৰ টকাপৰ্যন্ত হৈছিল। গতিকে দেউতাৰ বুদ্ধিটো আছিল বেছ প্ৰশংসনীয়। এজনৰ পৰা টকা আনি আনজনক দিওঁতে যিখিনি টকা বাচি গৈছিল সেই টকা মোলৈ পঠিয়াইছিল। অৱশ্যে নতুনকৈও দুই-এবিঘা বন্ধকত থ'ব লগা হৈছিল। গোহালিৰ গৰু, পোহনীয়া গাহৰি, বাৰীৰ তামোল-পাণ-আম-কঁঠাল, পথাৰৰ মাছ বেচি যিমান টকা পাইছিল, সকলোখিনি মোলৈকে পঠিয়াইছিল। ইয়াৰ পাছতো পৰিত্ৰাণৰ পথ বিচাৰি দেউতাই সাপ্তাহিক বজাৰত বেহা কৰাৰ মন মেলিছিল। কিন্তু মন মেলিলেনো কি হ'ব? বজাৰ বুলিবলৈ মাত্ৰ দুখন, তাতে আমাৰ অঞ্চলৰ যাতায়াত ব্যৱস্থা ইমান বেয়া, বেহা কৰিব কেনেকৈ? আগতে কৈছিলোঁৱেই যে বাছত উঠি যাবলৈকে এক ঘণ্টামান খোজ কাঢ়িব লাগে। বাৰিষাৰ দিনত পথবোৰ ইমানেই বোকাময় হৈ থাকে, খোজ কাঢ়ি যাবলৈকে দিগদাৰ হয়। গতিকে দেউতাই যি হাঁহ-কুকুৰাৰ বেহা আৰম্ভ কৰাৰ সপোন দেখিছিল, সেয়া সপোন হৈয়ে মাৰ গ'ল।

তাৰ পাছত দেউতাই এনে এটা ব্যৱসায় আৰম্ভ কৰিবলৈ ল'লে, যিয়ে দেউতাৰ শৰীৰক বেছ ক্ষতি কৰিলে আৰু বহু বছৰৰ পাছত দেউতাই এক দুৰাৰোগ্য ব্যাধিক সাবটি

ল'ব লগা হ'ল (ডাক্তৰে সন্দেহ কৰা মতে)।

এবাৰ ঘৰলৈ যাওঁতে মাৰ কোঠাৰ ভিতৰত এটা অদ্ভুত ভেকেটা ভেকেট গোন্ধ পালোঁ। মাক সুধিলোঁ— 'কি গোন্ধাইছে ইমান?' মায়ে কলে— 'গুৰ গেলাই থৈছে।' মই তৎক্ষণাৎ বুজি উঠিলোঁ, কাৰবাৰটো কি। মাক টান মাতৰে ক'লোঁ— 'তহঁতে এইবোৰ কাম কিয় আৰম্ভ কৰিছ?' মায়ে তৎক্ষণাৎ উত্তৰ দিলে— 'তেতিয়া হ'লে তই ঘৰলৈ উভতি আহ, পঢ়িব নালাগে।' মোৰ ভীষণ খং উঠিছিল, কিন্তু মই কি উত্তৰ দিম। ঘৰত চুলাই মদ তৈয়াৰ কৰি বিক্ৰী কৰাৰ কাৰবাৰটোত যে মোৰ আপত্তি থাকিব, সেই কথাটো মাহঁতে নিশ্চয় আগেয়েই উপলব্ধি কৰিছিল, কিন্তু এয়াও হয়তো উপলব্ধি কৰিছিল যে কেৱল চুলাই মদ বিক্ৰী কৰিহে আমাৰ গাঁৱত দুই-এপইচা উপাৰ্জন কৰিব পাৰি। আন যে কোনো পথেই নাই। মোৰ নিজৰ ওপৰত ধিক্কাৰ উপজিল। নীতিগতভাৱে চুলাই-মদ তৈয়াৰ কৰি বিক্ৰী কৰাটো সমৰ্থনো কৰিব নোৱাৰোঁ, অথচ প্ৰতিবাদো কৰিব নোৱাৰোঁ। প্ৰতিবাদ কৰিলেই মাহঁতে ক'ব— 'ঘৰলৈ ঘূৰি আহ।'

সেইবাৰ ঘৰত থাকোঁতে চাৰিওফালৰ পৰা কেৱল চুলাইৰ গোন্ধ ভাহি আহিল। চুলাইৰ ভাটীত বহি মদ খোৱা মানুহেৰে ঘৰ ভৰি থাকিল। দেউতাই আন কাম বাদ দি দিনটো ভাটীতে বহি থকা হ'ল। মদ খাই মাতাল হোৱাৰ পাছত মানুহবোৰে মোৰ সৈতে কথা পাতিবলৈ বিচাৰিলে। মোৰ অসহ্য লাগি আহিল। ঘণ্টা দুঘণ্টাতে এবটলকৈ মদ তৈয়াৰ হৈ উঠিল। পানী মিহলাই দুবটল কৰিলে। এবটলত বিশ টকাকৈ। মায়ে কোৱা মতে ইয়াৰে দহ টকা গুৰ কিনোতেই খৰচ হয়। মায়ে আৰু ক'লে যে দেউতাই দিনটো মদ খাই থাকে। যিমান বেচে, সিমান খায়। গতিকে চুলাইৰ কাৰবাৰটো কৰি বৰ বেছি লাভ হোৱা নাই। তথাপি মোৰ হোষ্টেলৰ ভাৰাটোকে দিবলৈ হৈছে।

এদিন ৰাতি আমি এঘুমটিমান যোৱাৰ পাছত দেউতা আহি ওলালহি ক'ৰবাৰ পৰা। লগত গাঁৱৰে দুৰ্গেশ্বৰ দদাইদেউ। দুৰ্গেশ্বৰ দদাইদেউ অলপ টকা-পইচা থকা মানুহ। খুউব সম্ভৱ সেই সময়ত দেউতাই বন্ধকৰ মাটিখিনি দদাইদেউলৈ হস্তান্তৰ কৰিব খুজিছিল। নিয়ম একেটাই, উচ্চ হাৰত বন্ধকি। দেউতা ইতিমধ্যে মদ খাই মাতাল হৈ আছিল। দদাইদেউক জুহালৰ ঘৰটোলৈ লৈ গৈছিল। দেউতাই চুলাই এবটল বাকি লৈছিল, নিজেও খাইছিল, দদাইদেউকো দিছিল। দেউতাহঁতে ইমান জোৰে জোৰে কথা পাতিছিল যে ঘৰত সকলোৰে সাৰ পাইছিল। দেউতাই কথা কওঁতে জিভা ঘূৰি গৈছিল, কি কৈছে তৰ্কিবই নোৱাৰিছিল। দেউতাহঁতে পতা কথাবোৰৰ অংশবিশেষ এনেধৰণৰ আছিল—

দেউতা — 'জানিছ পিতিকণ (দুৰ্গেশ্বৰ দদাইদেউৰ নাম), মোৰ এটা ল'ৰাই গোটেই ঘৰখনৰ তেজ শুহিলে।'

দদাইদেউ— 'চিন্তা নকৰিব, এদিন ঘূৰাই দিব নহয়।'

দেউতা— 'ক'ত দিব, চৰাই নিজে খাব পৰা হ'লে উৰি গুচি যায়।'

তাৰ পাছত দেউতাই মাৰ নাম ধৰি গালি পাৰিবলৈ ধৰিলে।

দেউতা— 'এই মাকজনী হাৰামি। পুতেকক উঠাই দিছে গুৱাহাটীত পঢ়িবলৈ পঠিয়াইছে। এইখন ঘৰৰ মানুহে জীৱনত গুৱাহাটীলৈ গৈ পাইছেনে নাই? চাল্লা চোঁৰবৰ জাত।'

দদাইদেউ— 'আস্তে।'

দেউতা— 'কি আস্তে! মই কাৰোলৈ ভয় নকৰোঁ। এইখন মোৰ ঘৰ, ইয়াত মোৰ অধিকাৰ আছে। কাৰোবাৰ থাকিবলৈ মন নাই যদি ওলাই যাওক। চাল্লা...।'

এইবাৰ দদাইদেৱে দেউতাক অলপ উচটাই দিলে — 'তই ঠিকেই কৈছ ককাই, মাইকী মানুহে ঘৰ ধ্বংস কৰি দিব পাৰে।'

দেউতা— 'পাৰে নহয়, কৰিছেই আকৌ। মোৰ সোণৰ সংসাৰত বিহ দিছে।'

দেউতাৰ কথাবোৰ সহ্য কৰিব নোৱাৰি মই বিছনাৰ পৰা উঠিবলৈ ল'লোঁ। ইমান অবাইচ মাত কেনেকৈ সহ্য কৰিব পাৰি? কিন্তু মই উঠা গম পাই মায়ে শুই থকাৰ পৰাই মূৰ দাঙি ক'লে— 'তই ক'লৈ যাবলৈ ওলাইছ? তই শুই থকা সৰুদৌ। বকিবলৈ দে বাপেৰক।' তাৰ পাছত অলপ ৰৈ মায়ে আকৌ ক'লে— 'তই দুই-এদিনৰ বাবেহে ঘৰলৈ আহিছ, সহি থাক।'

মাৰ নিৰ্দেশ মানি মই বিছনাতে গুজৰি-গুমৰি পৰি থাকিলোঁ। টোপনি হ'লে নাহিল। এসময়ত দুৰ্গেশ্বৰ দদাইদেউ গ'লগৈ। দেউতাই ওৰেৰাতি বকি থাকিল।

মই মনত বৰ দুখ পালোঁ। দেউতাই এইবোৰ কি কৰিবলৈ লৈছে।

পাছদিনা দুপৰীয়া মই গুৱাহাটীলৈ উভতি আহিবলৈ সিদ্ধান্ত ল'লোঁ। দুই বজাত নামচাইৰ পৰা অহা নেটৱৰ্ক নাইট ছুপাৰত উঠি যামগৈ। আহিবৰ পৰত মায়ে ক'লে— 'তই ঘৰৰ কথা ভাবি মন বেয়া কৰি নাথাকিবি।' তেনেতে ক'ৰ পৰা জানো দেউতা ওলালহি, খুব সংকোচেৰে ক'লেহি— 'তই বোপাই পইচা দুটকামান যোগাৰ কৰি ল'ব পাৰিলি জানো?'

দেউতাৰ চকু দুটা ৰঙা, চলচলীয়া।

(বিশ)

গুৱাহাটীলৈ উভতি আকৌ পঢ়াত মনোনিৱেশ কৰিলোঁ। কোৱাণ্টাম তত্ত্ব আৰু ভৌতিক ৰসায়নৰ পাঠবোৰ বৰ কঠিন যেন অনুভৱ হ'ল। বিশেষকৈ কোৱাণ্টাম তত্ত্বৰ নাতিদীৰ্ঘ সমীকৰণবোৰৰ অন্তৰ্নিহিত অৰ্থ বুজি পোৱাত অসুবিধা হ'ল। সেয়েহে এই পাঠবোৰ টোকা বহীত লিখি বাৰে বাৰে পঢ়িবলৈ ধৰিলোঁ। এটা পাঠ এমাহত অন্ততঃ

এবাৰকৈ পুনৰ অধ্যয়ন কৰিলোঁ, যাতে 'ঘঁহিলে শিলো ক্ষয় যায়' কথাষাৰৰ যোগেদি পাঠবোৰ মনত ৰয়।

মোৰ বিশেষ মনোযোগ বাঢ়িল অজৈৱ ৰসায়ন, আৰু 'চুপ্ৰা মলিক্যুউলাৰ কেমিষ্ট্ৰী' নামেৰে সৃষ্ট হোৱা বিজ্ঞানৰ নতুন এটা বিষয়ৰ ওপৰত। মেৰিলেন বিশ্ববিদ্যালয়ৰ প্ৰফেছৰ জেমচ্ ই হিউহিয়ে লিখা 'ইনৰগেনিক কেমিষ্ট্ৰী ঃ প্ৰিন্সিপ্‌ল অৱ ষ্ট্ৰাকচাৰ এণ্ড ৰিয়েক্টিভিটী' নামৰ কিতাপখন বাৰে বাৰে পঢ়িলোঁ। জন হপকিন্স বিশ্ববিদ্যালয়ৰ প্ৰফেছৰ লেহনিনজাৰে লিখা বায়কেমিষ্ট্ৰীখনো মোৰ প্ৰিয় কিতাপ আছিল। আমাৰ ডিপাৰ্টমেণ্টৰ বিদ্বান বুলি পৰিচিত অখিল কুমাৰ মেধি ছাৰে জিন মেৰী লেহনৰ 'চুপ্ৰামলিকুলাৰ কেমিষ্ট্ৰী' নামৰ কিতাপখনৰ সৈতে পৰিচয় কৰাই দিছিল। ১৯৮৭ চনত ন'বেল বটা পোৱা জিন মেৰী লেহন আছিল 'চুপ্ৰামলিউক্যুলাৰ কেমিষ্ট্ৰী'ৰ জনক। তেখেতেই এই শব্দটো উদ্ভাৱন কৰিছিল।

লেহনৰ বিজ্ঞান চৰ্চাই মোক সাংঘাতিকভাৱে প্ৰভাৱিত কৰিছিল। আমাৰ শৰীৰটো মূলতঃ কোটি কোটি কোষেৰে গঠিত। এই কোষবোৰ আকৌ হাজাৰ হাজাৰ অণু-পৰমাণুৰে গঠিত। প্ৰ'টিন, ডি এন এ ইত্যাদিবোৰ এনে কিছুমান বৃহৎ যৌগ। এই প্ৰ'টিন, ডি এন এবোৰৰ মাজত আকৰ্ষণ-বিকৰ্ষণ, ক্ৰিয়া-কলাপৰ ফলতেই কোষবোৰ জীৱিত হৈ থাকে। কোষবোৰ জীৱিত হৈ থাকিলেহে আমি জীৱিত হৈ থাকোঁ। জীৱিত হৈ থাকিলেই আমাৰ চেতনাই আমাক মানুহ হিচাপে পৰিচয় দিয়ে। কিন্তু প্ৰশ্ন হ'ল, হাজাৰ-বিজাৰ প্ৰ'টিন-ডি এন এবোৰে পৰস্পৰৰ লগত ক্ৰিয়া-বিক্ৰিয়া কৰিব জানে কেনেকৈ? এই প্ৰ'টিন-ডি এন এ যৌগবোৰৰতো চেতনা নাই। ক্ষুদ্ৰাতিক্ষুদ্ৰ কোষ এটাৰ ভিতৰতেই হাজাৰ-বিজাৰ প্ৰ'টিন-ডি এন এ আৰু অন্যান্য অণু-পৰমাণু-যৌগৰ মাজত কেনেকৈ আকৰ্ষণ-বিকৰ্ষণ (কথা-বাৰ্তা) হয়? ৰসায়ন আৰু জীৱবিদ্যাৰ এনে অসংখ্য প্ৰশ্নৰ উত্তৰ জিন মেৰী লেহনে পৰীক্ষাৰ যোগেদি দিছিল। তেৱেঁই এই বিদ্যাক 'চুপ্ৰামলিক্যুলাৰ কেমিষ্ট্ৰী' বুলিছিল। এনে অলেখ জ্ঞানৰ যোগেদি আধুনিক জীৱবিজ্ঞানত নতুন নতুন তথ্য উদ্‌ঘাটন হৈছে। তাতোকৈ ডাঙৰ কথা এই বিষয়টিয়ে আধুনিক চিকিৎসা বিজ্ঞানলৈ বহুত অৱদান আগবঢ়ালে— নতুন দৰৱ আৱিষ্কাৰ হ'ল, বহুতো দুৰাৰোগ্য ৰোগ নিৰ্মূল কৰাত অভূতপূৰ্ব বৰঙণি আগবঢ়ালে।

এই সময়ছোৱাত মই গোপনে গোপনে সপোন দেখিবলৈ ল'লোঁ এদিন পঢ়ি-শুনি ময়ো এনেকুৱা বিজ্ঞান চৰ্চা কৰিব খোজোঁ। নতুন উদ্ভাৱনৰ যোগেদি মানৱ সভ্যতা যে যোৱা দুটা শতকত কেনেকৈ পৰিৱৰ্তন হ'ল, সেয়া পঢ়ি-দেখি উপলব্ধি কৰিব পাৰিছোঁ। এই উদ্ভাৱনৰ প্ৰক্ৰিয়াত ময়ো ভাগ ল'ব খুজিলোঁ। আমেৰিকাত গৈ সভ্যতাৰ দিশ পৰিৱৰ্তন কৰা এই মহান বিজ্ঞানীসকলৰ লগত গৱেষণা কৰাৰ সপোন দেখিলোঁ। এনে 'জীয়া' সপোন দেখি বহু উজাগৰী ৰাতি কটালোঁ। মই জানিছিলোঁ যে এইবোৰ

মাথোন সপোনহে, ইয়াক বাস্তৱলৈ ৰূপান্তৰিত কৰাটো দুঃসাধ্যৰ কথা। আনৰ আগত ক'লে, আনে হাঁহিবহে চাগৈ।

এইবোৰ অৱশ্যে গোপনে গোপনে দেখা ভবা-সপোনহে। কাৰণ এই সপোনবোৰৰ মাজত নিমগ্ন হৈ থাকোঁতেই এদিন মুখৰ পৰা ওলাই গ'ল— এজনৰ আগত কৈ দিলোঁ। মানুহজনে তৎক্ষণাৎ মোক দিঠকলৈ নমাই আনি ক'লে— 'সপোন দেখাটো ভাল কথা। সকলোৱে দেখেই। আজি আমেৰিকা যোৱাৰ সপোন দেখিছা, কাইলৈ চন্দ্ৰলৈ যোৱাৰ সপোন দেখিবা। কিন্তু এটা বয়সলৈকেহে দেখিবা, দেখি লোৱাঁ এতিয়া।' মানুহজনে সঁচা কোৱা যেন অনুমান হ'ল। হ'লেও কাৰ ভাগ্যত কি আছে কোনে জানে। পঢ়ি থাকিলে, কঠোৰ পৰিশ্ৰমত ব্ৰতী থাকিলে, সুযোগৰ দুৱাৰখন খোলা ৰাখিলে জীৱনত নোপোৱাটো পাব পাৰি, অসাধ্যও সাধ্য হয়। সেয়াচোন মই নিজেই অনুধাৱন কৰি আহিছোঁ।

চতুৰ্থ ছিমেষ্টাৰত থাকোঁতে নেট দিবলৈ উঠিপৰি লাগিলোঁ। দুমাহ দিনে-ৰাতিয়ে পঢ়িলোঁ। এটকিনচ্‌ৰ প্ৰকাণ্ড ভলিউমৰ ফিজিকেল কেমিষ্ট্ৰীখন পঢ়ি ইফাল-সিফাল কৰিলোঁ। ইনৰগেনিক কেমিষ্ট্ৰী মোৰ দখলত আছে, গতিকে তাত ভয় নাই। পৰীক্ষাৰ আগে আগে মোৰ মনলৈ কিছুমান ভাব আহিবলৈ ধৰিলে— মই জানো যে বহুতে হয়তো ক'ব পৰীক্ষাত যেনিবা নম্বৰ এখিনি পালাই, কি হ'ব? নেটত যেনিবা পাছ কৰিলাই কি হ'ব? অৰ্থাৎ ক'ব নম্বৰেই সৰ্বোচ্চ নহয়, যিদৰে মানুহে কয়— টকাই সৰ্বোচ্চ নহয়। মই এইবোৰ কথা বুজি পাওঁ। কিন্তু আমাৰ দৰে দুখীয়া-নিছলা মানুহ, যাৰ ঘৰত বিশ টকা এটা আৰ্জিবৰ বাবে চুলাই বিক্ৰী কৰিবলগীয়া হয়, তেওঁলোকৰ বাবে টকাই সৰ্বোচ্চ নহয় জাতীয় কথা প্ৰযোজ্য নহয়। মই যদি নেট পৰীক্ষাত উত্তীৰ্ণ নহওঁ, তেন্তে মোৰ বাবে সুযোগৰ দুৱাৰ বন্ধ হৈ যাব। অৰ্থাৎ মই কলেজৰ লেকচাৰাৰৰ চাকৰিত আবেদন কৰিব নোৱাৰিম। আৰু সেয়ে যদি হয় তেতিয়া হ'লে মই মোৰ দায়িত্বৰ কথা ভবা নাই, মই মা-দেউতাই কৰা কঠোৰ পৰিশ্ৰমৰ কথা মনত পেলোৱা নাই, মই দায়িত্বহীন। এনে এটা প্ৰবল তাগিদা লৈ দুমাহ উৰাই-ঘূৰাই পঢ়ি নেট পৰীক্ষাত বহিলোঁ। খুব দৃঢ়তাৰে।

এদিন নেটৰ ৰিজাল্ট ওলাল, চতুৰ্থ ছিমেষ্টাৰ শেষ হোৱাৰ দুমাহমানৰ আগতেই। মই উত্তীৰ্ণ হ'লোঁ। ৰিজাল্ট বিচৰাতকৈ বহুগুণে ভাল হ'ল— চি এছ আই আৰৰ জুনিয়ৰ ফেল'শ্বিপ পালোঁ। তাতোকৈ ভাল খবৰ হ'ল যে পাছ কৰাসকলৰ ভিতৰত, সৰ্বভাৰতীয় ভিত্তিত মোৰ স্থান প্ৰথম বিশ শতাংশৰ ভিতৰত আছিল। সেই বছৰত সমগ্ৰ ভাৰতৰ বহুহাজাৰ প্ৰাৰ্থী হ'লেও দুশমান প্ৰাৰ্থীহে পৰীক্ষাত উত্তীৰ্ণ হৈছিল।

মোৰ মন আনন্দত নাচি উঠিল। ইউনিভাৰ্ছিটীৰ লাইব্ৰেৰীৰ ইণ্টাৰনেটত ৰিজাল্ট চাই মই ডিপাৰ্টমেণ্টৰ ফালে দৌৰিলোঁ। ছাৰসকলক খবৰটো দিবলৈ। ডিপাৰ্টমেণ্টৰ হেডৰ কক্ষত কেইজনমান ছাৰ বহি আছিল। মই তাতে গৈ ওলালোঁগৈ। ছাৰসকলৰ সন্মুখত থিয়

হৈ মোৰ সৰ্বশৰীৰ থৰথৰকৈ কঁপিবলৈ ধৰিলে। মই যে নেট পৰীক্ষাত 'চি এছ আই আৰ' 'জে আৰ এফ' পাইছোঁ সেই কথাটো ক'বই নোৱাৰিলোঁ, মোৰ কথাবোৰ লাগি ধৰিলে। ছাৰ এজনে পানীৰ বটল এটা আনি দিলে। পানী খাই মোৰ মুখত মাত ওলাল। তেতিয়াহে মই আমাৰ ডিপাৰ্টমেণ্টৰ আৰু দুজনৰ সৈতে নেট পোৱাৰ কথাটো ছাৰসকলক জনালোঁ। ছাৰসকলে অভিনন্দন জনালে।

সেই দিনটোৰ কথা মই কেনেকৈ যে পাহৰিম!

মোৰ পিঠিত কঢ়িয়াই লৈ ফুৰা প্ৰকাণ্ড বোজা এটা যেন আঁতৰি গ'ল। মই অন্ততঃ কলেজ শিক্ষক পদৰ বাবে উপযুক্ত হৈ উঠিলোঁ। এতিয়া মাত্ৰ দুমাহমান বাট চালেই হ'ল এম এছ চিৰ শেষ ৰিজাল্ট আহক, তাৰ পাছত মই চাকৰিৰ বাবে দৰ্খাস্ত কৰিব পাৰিম। তেতিয়া মাহঁতক আৰু দুখ দিব নালাগে। চাকৰি হ'লে মাহঁতৰ দুখ-কষ্টক পূজিম। মই পতিয়ন গ'লোঁ যে চাকৰি হ'বই। কেৱল অপেক্ষা কিছু সময়ৰ।

মই ধৰি ল'লোঁ যে মোৰ জীৱনলৈ এক শান্তিপূৰ্ণ স্থবিৰতাৰ আগমন ঘটিবৰ হৈছে। স্বাচ্ছন্দ্যপূৰ্ণ জীৱন এটাৰ বাবে পঢ়া-শুনাৰ প্ৰতিযোগিতাত আৰু দৌৰি ফুৰিব নালাগে। মোৰ সংগ্ৰামৰ কঠিন সময়খিনি অন্ত পৰিবৰ হ'ল। যদিও কেতিয়াবা কাচিৎ আমেৰিকাৰ দৰে দেশত গৈ গৱেষণা কৰাৰ সপোন দেখিছিলোঁ, সেয়া আছিল খন্তেকীয়া আৰু সেই সপোন অতি আকাংক্ষাপূৰ্ণ।

মই শান্তিময় স্থবিৰতাৰ জীৱন এটাৰ কথা ভাবি থাকোঁতেই হঠাৎ জীৱনে আন এটা সুৰ ল'লে।

অকস্মাৎ।

(একৈশ)

নতুন এটা উপলব্ধি হ'ল— জীৱনটো 'ট্ৰেজাৰ হাণ্ট' নামৰ খেলবিধৰ দৰে। খেলিছেনে ট্ৰেজাৰ হাণ্ট? যদি নাই খেলা তেন্তে কওঁ শুনক—

ধৰক ক'ৰবাত এটা মূল্যৱান সম্পদ লুকুৱাই থোৱা হৈছে। আৰম্ভণিত সেই মূল্যৱান সম্পদটো কি আপুনি নাজানে। আপুনি সেইটো বিচাৰি উলিয়াব লাগে। বিচাৰি উলিয়াব কেনেকৈ? আপোনাক এটা ক্লু অৰ্থাৎ কাগজৰ টুকুৰা এটাত কিছুমান তথ্য দিয়া হৈছে। এই তথ্যৰে আপুনি পৰৱৰ্তী ক্লুটো বিচাৰি উলিয়াব। পৰৱৰ্তী ক্লুৰ পৰা তাৰ পৰৱৰ্তী ক্লু আৰু এইদৰে গৈ গৈ শেষত আপুনি লুকুৱাই থোৱা সম্পদটো বিচাৰি উলিয়াওক।

জীৱনটোৱো ঠিক তেনেকুৱাই। আৰম্ভণিতে এটা লক্ষ্য থাকে। সেই লক্ষ্যত উপনীত হোৱাৰ পাছত নতুন সুযোগ আহে, ফলত নতুন লক্ষ্যত উপনীত হোৱাৰ আকাংক্ষা জন্মে।

এইদৰে লক্ষ্য খেদি খেদি গৈ থাকোঁতে শেষত আপুনিও এটা মহামূল্যবান সম্পদ পাই যাব পাৰে। মনত ৰাখিব, লক্ষ্যৰ পৰা বিচলিত হ'লেই আপুনি সেই মহামূল্যবান সম্পদটি আয়ত্ত কৰাৰ পৰা বঞ্চিত হ'ব পাৰে।

মইতো ধৰিয়ে লৈছিলোঁ যে মাষ্টাৰ্চ ডিগ্ৰীৰ পিছত মোৰ পঢ়া শেষ। মাষ্টাৰ্চ ডিগ্ৰীৰ পাছত কি কৰিব পাৰি সেয়া জনাও নাছিলোঁ ভালকৈ। কিন্তু মাষ্টাৰ্চ ডিগ্ৰী শেষ হওঁতেই মই নতুন ক্লু এটা পাই গ'লোঁ— অন্ততঃ পৰৱৰ্তী লক্ষ্য কি হ'ব গম পাই গ'লোঁ; ঠিক ট্ৰেজাৰ হাণ্ট নামৰ খেলবিধৰ দৰে।

'চি এছ আই আৰ'ৰ 'জে আৰ এফ' পোৱাৰ পাছত নতুন কিছুমান তথ্য পাই গ'লোঁ। এতিয়া মই ভাৰতৰ যিকোনো উচ্চ গৱেষণা প্ৰতিষ্ঠানত গৱেষণা কৰাৰ বাবে উপযুক্ত। এই প্ৰতিষ্ঠানবোৰত গৱেষণা কৰিবলৈ হ'লে ন্যূনতম অৰ্হতা নেট পৰীক্ষাত জে আৰ এফ হিচাপে উত্তীৰ্ণ হোৱাৰ প্ৰয়োজন। মই গম পালোঁ যে আমাৰ যিবোৰ ছিনিয়ৰে এইদৰে নেটত জে আৰ এফ পাইছিল, তেওঁলোকে ইতিমধ্যে দেশৰ বিভিন্ন প্ৰতিষ্ঠানত গৱেষণা কৰি আছে। এইদৰে গৱেষণা কৰি পি এইচ ডি ডিগ্ৰী লাভ কৰিলে জীৱনত আৰু এঢাপ আগবাঢ়ি যাব পাৰি। প্ৰথম কথা— বিজ্ঞানত নতুন আৱিষ্কাৰৰ সুযোগ পোৱা যায়, দ্বিতীয়তে— বিদেশ ভ্ৰমণৰ সুযোগ আছে, আৰু তৃতীয়তে— ইউনিভাৰ্ছিটীৰ প্ৰফেছৰ পদত অথবা দেশৰ বিভিন্ন গৱেষণা প্ৰতিষ্ঠানত বিজ্ঞানী হিচাপে কাম কৰাৰ সুযোগ আহি পৰে। অৰ্থাৎ মই যদি এম এছ চি শেষ কৰি এইদৰে কোনোবা ভাল গৱেষণা প্ৰতিষ্ঠানত পি এইচ ডি কৰোঁ, তেন্তে সম্ভাৱনাৰ পৰিসৰ ব্যাপকভাৱে বৃদ্ধি হ'ব।

ফলত কলেজত শিক্ষকতা কৰাৰ ধাৰণাটো মোৰ মনৰ পৰা মাৰ গ'ল। কলেজত শিক্ষকতা কৰিলে হয়তো মোৰ সম্ভাৱনাৰ বাটটো বন্ধ হৈ যাব— এটা ডেড এণ্ড। মোৰ এনেকুৱাই ধাৰণা হ'ল।

পিছে গৱেষণা কৰিম ক'ত?

সেই সময়ত ভাৰতবৰ্ষৰ শ্ৰেষ্ঠ গৱেষণা প্ৰতিষ্ঠানবোৰৰ ভিতৰত আছিল— বাংগালুৰুৰ ইণ্ডিয়ান ইন্সষ্টিটিউট অৱ ছায়েন্স (চমুকৈ আই আই এছ চি), মুম্বাইৰ টাটা ইন্সষ্টিটিউট অৱ ফাণ্ডামেণ্টেল ৰিছাৰ্চ (চমুকৈ টি আই এফ আৰ) ইত্যাদি। কিন্তু আই আই এছ চি অথবা টি আই এফ আৰৰ বাছনি পৰীক্ষাৰ বাবে প্ৰ-পত্ৰ পূৰণ কৰিব লাগে ছেপ্টেম্বৰ-অক্টোবৰ মাহতেই আৰু মোৰ নেটৰ ৰিজাল্ট দিছিল ডিচেম্বৰ মাহতহে। গতিকে মই এই দুটা প্ৰতিষ্ঠানত এপ্লাই কৰিবলৈ হ'লে প্ৰায় এবছৰ ৰ'ব লাগিব। সেয়া মোৰ বাবে সম্ভৱ নাছিল। ফলত মই আন গৱেষণা প্ৰতিষ্ঠানত পি এইচ ডি কৰিবলৈ খা-খবৰ কৰিলোঁ। শুনিছিলোঁ, পুনেৰ নেচনেল কেমিকেল লেবৰেটৰী নামৰ প্ৰতিষ্ঠানটোও বেয়া নহয়, আমাৰ কেইবাজনো ছিনিয়ৰ তাত আছিল। গতিকে মই এন চি এললৈকে এপ্লাই কৰিলোঁ।

এদিন ইন্টাৰভিউৰ বাবে নিয়ন্ত্ৰণ পালোঁ। জানুৱাৰী মাহৰ ১৭ তাৰিখে। ইন্টাৰভিউলৈ অহা-যোৱাৰ খৰচ তেওঁলোকে বহন কৰিব (ৰে'লৰ দ্বিতীয় শ্ৰেণীত)। কেৱল মই টিকট এটা কৰি গ'লেই হ'ল। সেই সময়তেই হোষ্টেলৰ ভাৰা দিবলৈ ঘৰৰ পৰা টকা আহিছিল তাকে লৈ মই পুনেলৈ গ'লোঁ। যাবৰ পৰত ঘৰলৈ খবৰ এটা পঠিয়ালোঁ— 'ক'লো যে পুনেত চাকৰি এটাৰ ইন্টাৰভিউ দিবলৈ গৈছোঁ। আহি সকলো ক'ম।'

পুনেত ইন্টাৰভিউ হৈ গ'ল। এদিনৰ পাছত ৰিজাল্টো ওলাল। মই নেন টেকনলজীৰ লেবৰেটৰী এটাত পি এইচ ডি কৰিবলৈ সুবিধা পালোঁ। ইচ্ছা কৰিলে তৎক্ষণাৎ জইন কৰিব পাৰোঁ। অলপ পলমকৈ জইন কৰিলেও আপত্তি নাই। তেওঁলোকক জনাই দিলেই হ'ল।

আনন্দ মনেৰে মই পুনেৰ পৰা গুৱাহাটীলৈ উভতিলোঁ, গুৱাহাটীৰ পৰা ঘৰলৈ। মই 'চাকৰি' পোৱা বুলি ঘৰৰ মানুহবোৰ আনন্দত আত্মহাৰা হ'ল। কি এক ঐতিহাসিক মুহূৰ্ত। বংশৰ কেইবাটাও পুৰুষৰ প্ৰথম চাকৰি।

কিন্তু এই আনন্দ বেছি সময় নিটিকিল, কাৰণ মই ক'লোঁ যে এয়া আচলতে চাকৰি নহয়। মই এটা ফেল'শ্বিপ লৈ পঢ়িবলৈহে যাবলৈ ওলাইছোঁ।

সকলোৰে মূৰত চেঁচাপানী পৰিল।

ই কি বিড়ম্বনা!

(বাইশ)

ফেব্ৰুৱাৰী মাহৰ আৰম্ভণিতেই আবতৰীয়া বতাহ-ধুমুহা এজাক আহিল। বতাহে ঘৰৰ মূধচ নিলে। টকৌপাতেৰে ছোৱা ঘৰ, ঘৰটোৰ চালত য'তে-ত'তে ফুটা হ'ল। বৰঘৰ আৰু মানুহ থকা ঘৰৰ সংযোগী চেৰা গছৰ নাওৰাখনো ভাগি পৰিল। ফলত আগৰাতিৰ বৰষুণৰ পানী ঘৰটোৰ চাৰিওফালে বিয়পি পৰিল।

ঠিক বতৰটোৰ দৰেই মাৰ মুখখনো গোমা। চৰিয়া এটা লৈ মাই ঘৰৰ ভিতৰত সোমোৱা পানীবোৰ সিঁচি আছিল। পানী সিঁচি থকাৰ পৰাই মাই মূৰ নদঙাকৈ ক'বলৈ আৰম্ভ কৰিলে— 'আমি হিচাপ কৰিছোঁ, ঘৰটোৰ চালত মুঠ ওঠৰটা ফুটা। মূধচটোৰ কথা বেলেগেই। কোনোবা দিনা থকা ঘৰটোও বতাহে উৰুৱাই লৈ যাব। বাঁহৰ খুঁটাৰ ঘৰ আৰু কিমান দিন যাব।'

মাক মন ভাল লগাবলৈকে মই ক'লোঁ— 'টকৌপাত কাটিবলৈ যাওঁ ৰ'ব। ফুটাবোৰ ছাউনি কৰি মাৰি দিব লাগিব। হাবিত চেৰা গছ এডাল কাটি থোৱা আছে, তাৰে নাওৰা এখনো সাজিব লাগিব।'

মাই তৎক্ষণাৎ একো নক'লে। অলপ পাছত চৰিয়াত জমা হোৱা পানীখিনি বাহিৰত

পেলাই থৈ আহি মাই আকৌ ক'বলৈ ধৰিলে— 'আমি হাত দাঙি দিলোঁ দেই আৰু ফুটাকড়ি এটাও দিব নোৱাৰোঁ। পঢ়িবলৈ যাব যদি যাবি, আমি হকা-বাধা নিদিওঁ, কিন্তু আমাৰ পৰা এক পইচাও নাপাব। নাপাব মানে নায়েই, ক'ৰ পৰা দিম।'

মই গহীন হৈ ক'লোঁ— 'মা, মই ঘৰৰ পৰা পইচা নাই বিচৰা নহয়।'

— নাই বিচৰা যদি পুনেলৈ কিয় যাব পৰা নাই?

সঁচা কথা ক'বলৈ হ'লে মই মাহঁতক পইচাৰ বাবে নাই ধৰা এইবাৰ। মই বুজিছোঁ, তেওঁলোকে আৰু দিব নোৱাৰে। কিন্তু মই নিজেই, অকলে অকলে ইমানবোৰ পইচা কেনেকৈ গোটাম? মোক দৰকাৰ দহ হাজাৰ মান টকা। পুনেত ফেল'শ্বিপ পোৱাৰ আগলৈকে চলিব লাগিব। শুনিছোঁ, চি এছ আই আৰৰ পৰা এই ফেল'শ্বিপ আহিবলৈ অন্ততঃ তিনি-চাৰি মাহ লাগি যাব। তেতিয়ালৈকে মই নিজৰ টকাৰে চলিব লাগিব। ফেল'শ্বিপ মাহে আঠ হাজাৰকৈ দিয়ে। এবাৰ পোৱাৰ পাছত আৰু চিন্তা নাথাকিব।

মই কেনেকৈ গোটাওঁ ইমান পইচা?

মায়ে ক'বলৈ ধৰিলে— 'ইমান দিনে বাপেৰে আনৰ পৰা খুজি-মাগি লাজ-বন কাটি তোলৈ বুলি পইচা আনি দিলে। এতিয়া তই নিজেই আনি ল।'

বুদ্ধি এটা খেলালে— 'হয়তো, মই নিজে খুজি নানো কিয়?' 'নিজে খুজি আনিম' বুলি মনত বুদ্ধি খেলালেও, খুজি আনিবলৈ সাংঘাতিক সংকোচ হ'ল। ক'লৈ যাওঁ, কাক খোজোঁগৈ, ক'ত পইচা বিচাৰি পাম? ক'ৰবাত পাম বুলি গম পালেও মোৰ জানো পইচা খুজি আনিবলৈ সাহস আছে? মোৰ বাৰে বাৰে দেউতালৈ মনত পৰিছিল। দেউতাই বাৰু মানুহৰ ঘৰত কেনেকৈ পইচা বিচাৰি গৈছিল? মানুহবোৰ বিৰক্ত হৈ উঠা নাছিলনে? এইখন দুনিয়াত কোনেনো কষ্ট উপাৰ্জিত ধন আনক দিব বিচাৰিব? মানুহবোৰ সঁচাকৈয়ে বিৰক্ত হৈ উঠিছিল। শুনিছিলোঁ— গাঁৱৰ কোনোবা মানুহে 'গৰু-গাহৰি' বেচিলে টকা-পইচাৰ কথাবোৰ গোপনে ৰাখিছিল, কিজানি আমাৰ দেউতাই গৈ খোজেগৈ!

দেউতাৰ কথা ভাবি ভাবি মই সাহস গোটাইছিলোঁ। কিনো কথা, পইচা থকা চাই কেইজনমানক খুজি চাম। ধাৰলৈহে খুজিম; দিলে দিব, নিদিলে নাই। কোনোবাই যদি সহায় কৰে, তেন্তে মোৰেই কামত আহিব। এই ভাবি কাৰ কাৰ ওচৰত পইচা পোৱা যাব তাৰ এখন তালিকা কৰিলোঁ। মনতে ভাবিলোঁ যে এওঁলোকক যেনেকৈ হ'লেও পতিয়ন নিয়াব লাগিব। ক'ব লাগিব যে মই পি এইচ ডি কৰি গৱেষণা কৰাটো অতি বাঞ্ছনীয় আৰু ইয়াৰ দ্বাৰা কেৱল মোৰেই নহয়, আমাৰ ঘৰখনো, গাঁওখনো উপকৃত হ'ব। এয়াও ক'ব লাগিব যে পুনেৰ এন চি এলৰ দৰে দেশৰ এটা আগশাৰীৰ গৱেষণা প্ৰতিষ্ঠানত পি এইচ ডি কৰিবলৈ পোৱাটো মোৰ বাবে, গাঁওখনৰ বাবে সৌভাগ্যৰ কথা। আৰু ক'ব লাগিব— মই ফেলশ্বিপ পালে পইচা ঘূৰাই দিম।

তাৰ পাছত মই লাজ আৰু দ্বিধা সামৰি কেইজনমানৰ ওচৰত পইচা বিচাৰিলোঁগৈ। দেউতাৰ দৰে মাটি বন্ধকত দিব নোৱাৰোঁ, কিন্তু তেওঁলোকক প্ৰতিশ্ৰুতি দিলোঁ যে টকা ঘূৰাই দিমেই। মোৰ বাবে আনন্দৰ কথা আছিল যে কেইবাজনেও মোক পইচা দিবলৈ মান্তি হৈছিল। এজনে পাঁচ হাজাৰ, এজনে তিনি হাজাৰ আৰু এজনে দুই হাজাৰ দিবলৈ গাত ল'লে। মুঠ দহ হাজাৰ টকাৰে মই আৰামত পুনেলৈ যাব পাৰিম আৰু গৱেষণা আৰম্ভ কৰিব পাৰিম।

কিন্তু এওঁলোকৰ পৰা টকা পোৱাৰ আশ্বাস পোৱাৰ পাছতো ঘৰত মায়ে মোক চাকৰি বিচাৰিবলৈ হেঁচা দিয়েই থাকিল। মায়ে ক'বলৈ ধৰিলে— 'আনৰ পৰা টকা ধাৰ কৰি আনি পি এইচ ডি কৰিবলৈ ওলাইছ। নিজে টকা পালে ঘূৰাই দিম বুলিও কৈছ, ভাল কথা। পি এইচ ডি কৰিবি পাঁচ বছৰ। পিছে আমি যে তোৰ নামত অতবোৰ মাটি বন্ধকত দিলোঁ, সেইবোৰৰ কি হ'ব? বন্ধকত থোৱা মাটিবোৰৰ দায়িত্ব কোনে ল'ব? এবাৰ ভাবিছনে?'

মাৰ কথাত যোগ দি দেউতাই ক'লে— 'বোপাই আমাক একো নালাগে, মাত্ৰ বন্ধকত থকা মাটিখিনি খুলি দিবি।'

এদিন গাঁৱৰ বুঢ়া এজনে আহি ক'লেহি— 'বোপাই বহুত পঢ়িলা বুলি শুনিছোঁ, এতিয়া মা-দেউতাৰাক উদ্ধাৰ কৰাঁ।'

লাহে লাহে মই এক দোমোজাৰ মাজত সোমাই পৰিলোঁ। কি কৰিম— পি এইচ ডি কৰিবলৈ যামনে নে চাকৰি বিচাৰিম?

সেই সময়ত মই নিয়মীয়াকৈ এমপ্লইমেণ্ট নিউজ কাকতখন পঢ়িছিলোঁ। ক'ৰবাত গৱেষণা সম্বন্ধীয় চাকৰি ওলায় নেকি বুলি কাকতখন খুব হেঁপাহেৰে চাইছিলোঁ। ঘৰত থকা সময়খিনিত কাকতখন আনিবলৈ যাব লগা হৈছিল তিনিচুকীয়ালৈ। তিনিচুকীয়ালৈ প্ৰতিসপ্তাহত যাব নোৱৰাৰ বাবে, দুই-তিনি সংখ্যাৰ সাপ্তাহিক কাকতখন একেলগে কিনি আনিছিলোঁ।

এদিন কাকতখনত এটি সৰু বিজ্ঞাপন পাইছিলোঁ। দেশৰ অগ্ৰণী গৱেষণা প্ৰতিষ্ঠান টাটা ইন্‌ষ্টিটিউট অৱ ফাণ্ডামেণ্টেল ৰিছাৰ্চত (টি আই এফ আৰ) ছায়েণ্টিফিক অফিচাৰৰ পদ এটি ওলাইছে। পদটিৰ বাবে আবেদন কৰিবলৈ হ'লে অৰ্হতা ৰসায়ন বা জীৱবিজ্ঞানত স্নাতকোত্তৰ হোৱাৰ প্ৰয়োজন। কাকতখনৰ এচুকত থকা বিজ্ঞাপনটিত উল্লেখ আছিল যে অনলাইনত টি আই এফ আৰ ৱেবছাইটত বিতং তথ্য উপলব্ধ।

মই তৎক্ষণাৎ চাইবাৰ কেফে এটালৈ দৌৰিলোঁ। প্ৰতিষ্ঠানটোৰ ৱেবছাইটৰ পৰা চাকৰিটোৰ যাৱতীয় তথ্যপাতি উলিয়াই ল'লোঁ। কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ চাকৰি। আবেদনৰ বাবে কি কি নথিপত্ৰ লাগিব, তাৰ সবিশেষ জানি ল'লোঁ। আবেদনৰ বাবে প্ৰয়োজনীয় এখন প্ৰ-পত্ৰও ৱেবছাইটটোৰ পৰা ডাউনলোড কৰি প্ৰিণ্ট কৰি ল'লোঁ। মই সিদ্ধান্ত ল'লোঁ যে মই পুনৰ ঘৰলৈ গৈ দৰকাৰী চাৰ্টিফিকেটবোৰ লৈ তিনিচুকীয়াত দুদিনমান

থাকিম। এই পদটোৰ বাবে আবেদন কৰিবই লাগিব। তাৰ পাছত দুদিন সময় লৈ খুব উৎসাহেৰে আবেদন পত্ৰ ভৰ্তি কৰি সঠিক ঠিকনাত পঠিয়াই দিলোঁ।

মই জানো যে এশ কোটি জনসংখ্যাৰ এই দেশখনত মোৰ দৰে আৰু অগণন প্ৰাৰ্থীয়ে হয়তো এই পদটিৰ বাবে আবেদন কৰিব। দেশৰ পুব প্ৰান্তৰ এখন অখ্যাত-দুৰ্গম গাঁৱৰ পৰা যোৱা এই আবেদনখন পাবগৈনে বাৰু পশ্চিম প্ৰান্তৰ মুম্বাই মহানগৰী, খুলি চাবনে মোৰ আবেদনখন? মই জানো যে সম্ভাৱনা খুব কম। তথাপি মই মনতে প্ৰাৰ্থনা কৰিলোঁ— কিবা এটা যাদুৰ বলত তেওঁলোকে মোৰ আবেদনখন চায় যেন, চাকৰি পাওঁ নে নাপাওঁ পাছৰ কথা, অন্ততঃ মোক ইণ্টাৰভিউলৈ মাতে যেন। মই গভীৰ প্ৰত্যাশাৰে বাট চাই ৰ'লোঁ।

ইতিমধ্যে মাৰ্চ মাহ সোমাল। মই পুনেৰ পৰা ইণ্টাৰভিউ দি ঘূৰি অহা প্ৰায় দুমাহ হ'বৰ হ'ল। মাষ্টাৰ ডিগ্ৰী শেষ হোৱাৰো দুমাহেই হ'ল। পুনেলৈ যোৱাটোও নিশ্চিত হোৱা নাই। টি আই এফ আৰত যে চাকৰি পাম তাৰ আশাও কৰিব নোৱাৰোঁ। এনে অৱস্থাত পুনেত পোৱা সুবিধাটো এৰি দিয়াটো যুগুত নহ'ব। কিন্তু কি কৰোঁ? ঘৰত বিচাৰিছে মই চাকৰি এটা কৰি সোনকালে বন্ধকত থকা মাটিখিনি মোকলাই দিওঁ। দেউতাহঁতৰ সংশয়টো মই বুজিছোঁ। ফেল'শ্বিপত পাবলগীয়া টকাৰে ঘৰৰ বন্ধকত থকা মাটিবোৰ মোকলাই দিয়াৰ প্ৰতিশ্ৰুতি দেউতাহঁতক দিছোঁ— কিন্তু তেওঁলোকে যেন মোক বিশ্বাসত ল'ব পৰা নাই। মায়ে কৈছিল— 'সেইকেইটা পইচাৰে পুনেৰ নিচিনা মহানগৰত তোৰ নিজৰে চলিবলৈকে দিগদাৰ হ'ব, আমালৈ কেনেকৈ পঠিয়াবি?'

— নহয় মা, মই বচাম নহয়, এবছৰত নোৱাৰিলেও দুবছৰত খুলি দিম বন্ধকত থকা মাটি।

— যি কৰ কৰ।

— মোকনো ইমান বিশ্বাসত নলৱ নে তহঁতি?

তাৰ পাছত মই এদিন সিদ্ধান্ত ল'লোঁ— এনেকৈ আৰু নহ'ব, মই পুনেলৈ যাবগৈ লাগিব, পাছত কি হয় দেখা যাব। মোক পুনেলৈ যাবলৈ টকা দিম বুলি প্ৰতিশ্ৰুতি দিয়া শুভাকাংক্ষীকেইজনৰ পৰা দহ হাজাৰ টকা গোটাই এদিন পুনেলৈ যাবলৈ ওলালোঁ। যাবৰ পৰত দেউতাক মৰ্মাহত হোৱা যেন দেখা গ'ল। দেউতাই মোক অতি কাতৰেৰে মিনতি কৰিলেহি— 'যাবলৈ ওলালি। মাটিখিনিৰ কথা নাপাহৰিবি।' দেউতাৰ চকু চলচলীয়া। মোৰ ভাব হ'ল যেন দেউতাৰ চকুৰ সেই আৰ্দ্ৰতাত লুকাই আছিল মোৰ প্ৰতি সৃষ্টি হোৱা বিশ্বাসহীনতা।

(তেইশ)

সমাজৰ প্ৰতিজন মানুহৰে একোটা দায়িত্ব থাকে। যেনে—

ৰজাই প্ৰজাক চোৱাৰ দায়িত্ব, ধনীয়ে দুখীয়াক উদ্ধাৰ কৰাৰ দায়িত্ব, জ্ঞানীয়ে অজ্ঞানীক জ্ঞান দিয়াৰ দায়িত্ব। আৰু বহুত। ডাক্তৰে ৰোগীৰ ৰোগ নিৰ্মূল কৰাৰ, প্ৰফেছৰ-শিক্ষকে ছাত্ৰ-ছাত্ৰীক জ্ঞান দিয়াৰ, বিজ্ঞানীয়ে নতুন আৱিষ্কাৰৰ জ্ঞানৰ প্ৰসাৰ তথা সমাজৰ সমস্যা দূৰ কৰাৰ, প্ৰযুক্তিবিদে নতুন উদ্ভাৱনেৰে মানৱ জীৱন সুচল কৰাৰ, সংবাদদাতাই দায়িত্বসহকাৰে সংবাদ পৰিৱেশন কৰাৰ, ডাকোৱালে সঠিক সময়ত চিঠি-পত্ৰ বিতৰণ কৰাৰ, মিলিটেৰীয়ে দেশৰ জনতাক ৰক্ষা কৰাৰ, বনৰক্ষীয়ে বন্যজন্তু-চৰাই-চিৰিকটিক ৰক্ষা কৰাৰ, কৃষকে ফচল উৎপাদনত মনোনিৱেশ কৰাৰ, ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়নৰ যোগেদি জ্ঞানৰ উৎকৰ্ষ সাধন কৰাৰ ইত্যাদি।

মোৰ দৰে দৰিদ্ৰ পৰিয়ালত জন্ম লোৱাসকলৰ প্ৰথম দায়িত্ব হ'ল ঘৰৰ অৱস্থা সুচল কৰা। অৰ্থাৎ প্ৰথমে নিজে পঢ়া-শুনা-জ্ঞান-কৌশল অৰ্জন কৰি ক্ৰমান্বয়ে ঘৰৰ, মাক-দেউতাকৰ, পৰিয়ালৰ উন্নয়নৰ হকে কাম কৰাৰ। পাছত পাৰিলে সমাজৰ, মানুহৰ...। পৰিয়াল উদ্ধাৰ হ'লেই দেশৰো উদ্ধাৰ হয়।

উৰাজাহাজত যদি কেতিয়াবা যাত্ৰা কৰিছে, তেন্তে আপুনি নিশ্চয় জানিব যে জাহাজৰ কৰ্মীয়ে উৰণৰ আগে আগে কয়— 'জাহাজত অক্সিজেন কম হ'লে মূৰৰ ওপৰত থকা মাস্কখন প্ৰথমে নিজেই পিন্ধক, তাৰ পিছত আনে পিন্ধাত সহায় কৰক। মনত পৰেনে?'

পঢ়ি-শুনি অক্সিজেনৰ মাস্কখন মই নিজে পিন্ধিলোঁ। এতিয়া মই মা-দেউতা, ঘৰৰ ভাই-ভনীক মাস্ক নিপিন্ধোৱাকৈ কি আঁতৰি যোৱাটো উচিত?

কথাবোৰে মোৰ মনত বাৰে বাৰে ক্ৰিয়া কৰিবলৈ ধৰিলে।

(চৌবিশ)

পুনেত উপস্থিত হোৱাৰ পাছত ঘটনাক্ৰমে জীৱনৰ ভাগ্যই আন এটা মূৰ ল'লে।

আশা কৰা নাছিলোঁ যদিও এদিন ই-মেইলৰ যোগেদি খবৰ আহিল— 'অভিনন্দন, তোমাক টি আই এফ আৰ-ত ইণ্টাৰভিউৰ বাবে বাছনি কৰা হৈছে। অহা চৌব্বিশ মাৰ্চত মুম্বাইত থকা প্ৰতিষ্ঠানটোৰ চৌহদত ইণ্টাৰভিউ পুৱা চাৰে ন বজাৰ পৰা আৰম্ভ হ'ব।'

মই তৎক্ষণাৎ পি চি অ' এটাৰ ফালে ঢাপলি মেলিলোঁ। ঘৰত খবৰটো দিবই লাগিব। খবৰটো দিলে অন্ততঃ মা-দেউতাৰ কিছুমান চিন্তা আঁতৰিব, মোৰ প্ৰতি উদয় হোৱা বিশ্বাসহীনতা কিছু দূৰ হ'ব। মই চাকৰি পোৱা নাই, ইণ্টাৰভিউলৈ নিমন্ত্ৰণহে পাইছোঁ,

হ'লেও অন্ততঃ চাকৰি পাম বুলি আশা কৰি বহি থাকোঁতে মাহঁতৰ মনত উদয় হোৱা দুশ্চিন্তাবোৰ দূৰ হ'ব।

পিছে পিচিঅ'লৈ ফোন কৰিবলৈ গ'লোঁ যদিও মনত পৰিল— আমাৰ ঘৰত ফোন-ম'বাইল নাই। তেতিয়ালৈকে আমাৰ কৈলাসপুৰ অঞ্চলৰ ৰাইজে বিজুলী, ফোন আদিৰ সুবিধা পোৱা নাছিল। ফলত সেই সময়ছোৱাত জৰুৰী খবৰ থাকিলে অৰুণাচলৰ মহাদেৱপুৰত থকা পিচিঅ' এটালৈ ফোন কৰি জনাই দিছিলোঁ। মহাদেৱপুৰলৈ আমাৰ ফালৰ মানুহ বজাৰ-সমাৰৰ বাবে আহিয়েই থাকে, গতিকে কিবা খবৰ থাকিলে ঘৰ গৈ পাওঁতে বেছি সময় নালাগিছিল। কেতিয়াবা কেতিয়াবা দিনটোৰ ভিতৰতে গৈ খবৰ পাইছিলগৈ।

খবৰটো পাই আমাৰ ঘৰত উখল-মাখল লাগিল। চৌৱিশ তাৰিখৰ আগতেই এদিন মায়ে মহাদেৱপুৰলৈ আহি মোলৈ ফোন কৰিলে (আমাৰ লেবৰেটৰীৰ ফোনলৈ)। মোক ভালকৈ ইণ্টাৰভিউ দিবলৈ ক'লে। মই মাহঁতক চিন্তা কৰি নাথাকিবলৈ ক'লোঁ। ভাগ্যত যি আছে সেয়ে হ'ব।

(পঁচিশ)

চিচাৰ গ্লাছ লগোৱা ঠেক ৱেটিং ৰুমটোত ন-দহজনমান প্ৰাৰ্থী। পৰিপাটী পোছাক পৰিহিত প্ৰাৰ্থীসকলৰ মাজত মৃদু উত্তেজনা। ইজনে সিজনৰ সৈতে কথা-বতৰাৰ আদান-প্ৰদান কৰা পৰিলক্ষিত হোৱা নাই, কাৰণ প্ৰত্যেকেই প্ৰত্যেকৰ প্ৰতিদ্বন্দ্বী। কোন জিকিব এই দৌৰত? কাৰ ভাগ্যত আছে এই পদ? যি পদে হয়তো দিব জীৱনৰ এক স্থায়ী ঠিকনা। কেন্দ্ৰীয় চৰকাৰৰ বিজ্ঞান আৰু গৱেষণাৰ এক গুৰুত্বপূৰ্ণ বিভাগৰ অধীনত থকা এই প্ৰতিষ্ঠানটোত গৱেষণা কৰিবলৈ পোৱাটোৱেই যেন ভাগ্যৰ কথা। এবাৰ এই পদটো দখল কৰিব পাৰিলেই যেন মুকলি হৈ যাব প্ৰতিশ্ৰুতি আৰু সম্ভাৱনাৰ অজস্ৰ বাট!

মাজে মাজে ইজনে সিজনলৈ চাইছে। 'এওঁক দেখিলেচোন প্ৰখৰ বুদ্ধিসম্পন্ন যেন নালাগে।' বা 'এওঁৰ বুদ্ধিদীপ্ত চকুযোৰ, চছমাযোৰৰ সন্মুখত মই তিষ্ঠি থাকিব পাৰিম জানো?' ইজনে সিজনৰ মাজত লুকাই থকা জ্ঞান-গম্ভীৰতাৰ পৰিমাপন কৰিবলৈ চেষ্টা কৰিছে। শৰীৰৰ প্ৰকাশ ভংগীত জুখি চাইছে কোন কিমান গভীৰ। স্বাচ্ছন্দ্যপূৰ্ণ স্থায়ী জীৱন এটা লভিবৰ বাবে দৌৰত নমা এই যুঁজখনত কোনে শেষ হাঁহি মাৰিব, সেয়া সময়েহে ক'ব।

মাজতে প্ৰতিষ্ঠানৰ কোনোবা এজনে আহি প্ৰাৰ্থী এজনক সুধিলেহি— 'তোমাৰ নাম ড°...?'

লগে লগে বাকীকেইজন প্ৰাৰ্থীৰ মাজত হাহাকাৰ লাগিল।

— কি? এওঁৰ ডক্টৰেট ডিগ্ৰী আছে?

— হয় চাগে।

— তেন্তে আমাৰ দশা কি হ'ব আজি?

— যি হয় হ'ব।

এজনে আন এজনক ফুচফুচাই ক'লে— 'বিজ্ঞাপনত দেখোন ডক্টৰেট ডিগ্ৰী লাগে বুলি উল্লেখ নাছিল। মাষ্টাৰ্চ ডিগ্ৰী লাগে বুলিহে কৈছিল।'

ঠিক চাৰে ন বজাৰ পৰা ইণ্টাৰভিউ আৰম্ভ হ'ল। বুকুৰ ধপ্‌ধপনি দুগুণে বাঢ়ি গ'ল। এজন এজনকৈ, প্ৰাৰ্থীসমূহক ওপৰৰ ফ্ল'ৰৰ ইণ্টাৰভিউ কক্ষলৈ মাতি নিয়া হ'ল। এজন প্ৰাৰ্থীয়ে গড় হিচাপত আধা ঘণ্টাকৈ ইণ্টাৰভিউ দিলে।

এসময়ত মোৰ পাল পৰিল।

কোঠাটোত সোমায়েই দেখিলোঁ— মোৰ সন্মুখত চাৰিজন প্ৰফেছৰ বহি আছে, কাষত এখন ব্লেকবৰ্ড। আটায়ে মোক সম্ভাষণ জনালে। মই বিৰাট নাৰ্ভাছ হৈছোঁ, সেয়া তেওঁলোকে দেখিয়ে গম পাইছে চাগৈ। মোক বহিবলৈ কোৱাত তেওঁলোকৰ সন্মুখতে বহিলোঁ। হাতত লৈ যোৱা ফাইলটো সন্মুখৰ টেবুলতে থৈ প্ৰশ্নবাণৰ বাবে সাজু হ'লোঁ।

মাজত বহাজন ড° জাহ্নৱী। বগা, সুঠাম শৰীৰৰ মানুহজনৰ মুখত লাগি আছিল এক গাম্ভীৰ্যপূৰ্ণ হাঁহি। মানুহজনক প্ৰথম দেখিয়েই মোৰ ভাব হ'ল যেন তেওঁৰ ভিতৰত সোমাই আছে জ্ঞানৰ এটি হ্ৰদ। তেওঁৰ বাঁওফালে বহিছে ড° ৰাও আৰু ড° শৰ্মা। সোঁফালে ড° ৰায়। ড° জাহ্নৱীৰ সন্মুখত পৰি আছে এটা ফাইল। তাত আছে মোৰ আবেদন সম্বন্ধীয় তথ্যপাতি। ফাইলটোৰ ভিতৰৰ তথ্যপাতিবোৰ উলিয়াই ড° জাহ্নৱীয়ে সুধিলে—

—তুমি এন চি এলৰ পৰা আহিছা?

— হয়।

— তাত কি কৰিছা?

— পি এইচ ডি।

— কি বিষয়ত ৰিছাৰ্চ কৰিছা?

মই ইংৰাজী ভালকৈ ক'ব নাজানো। ঘেঁহেনাই ঘেঁহেনাই মোৰ প্ৰজেক্টৰ বিষয়ে কৈ থাকোঁতেই ড° শৰ্মাই কৈ উঠিল— 'তুমি পি এইচ ডি এৰি কিয় এই চাকৰিলৈ আহিব বিচাৰিছা'।

ড° শৰ্মাৰ প্ৰশ্নত মই থোঁতা-মোজা খালোঁ। তৎক্ষণাৎ একো উত্তৰ নাপালোঁ। কিন্তু মই উত্তৰটো ভালকৈয়ে জানো— কিয় আহিছোঁ মই চাকৰি বিচাৰি? কিয় লাগে মোক চাকৰি? মোৰ মন গৈছিল মই যেন সকলো কৈ দিম এওঁলোকৰ আগত— মোৰ অতীত, বৰ্তমান। কিন্তু এওঁলোকে জানো শুনিব? মই অলপ ভাবি-চিন্তি ধীৰে-সুস্থিৰে উত্তৰ দিলোঁ—

'মই ঘৰৰ দায়িত্ব ল'ব খোজোঁ।' তেইশ বছৰীয়া যুৱক এজনৰ মুখত 'দায়িত্ব' শব্দটো শুনি তেওঁলোকে কি ভাবিলে নাজানো, কিন্তু মোৰ মন বহুগুণে দৃঢ় হৈ উঠিল— হয়, দায়িত্বৰ বাবেই মই চাকৰি বিচাৰি আহিছোঁ, নহ'লে মই নিচিন্তে পি এইচ ডি কৰি থাকিলোঁহেঁতেন।

ড° জাৰুৱীয়ে ক'লে— 'ভাল কথা, ইয়াত তোমাৰ চাকৰিটোৱেই গৱেষণাৰ লগত জড়িত। অৰ্থাৎ এই চাকৰিটোত তুমি সম্পূৰ্ণ সময় গৱেষণাই কৰিব লাগিব, গতিকে তোমাৰ গৱেষণা কৰাও হ'ব, ঘৰৰ দায়িত্ব লোৱাও হ'ব।' 'সঁচানে?' 'সঁচাই।'— তেনেহ'লে খুউব ভাল হ'ব।

তাৰ পাছত প্ৰফেছৰকেইজনে, এজন এজনকৈ মোৰ জ্ঞানৰ পৰীক্ষা কৰিবলৈ ধৰিলে।

ড° ৰাওৱে সুধিলে— জৈৱ যৌগ মিথাইল ইথাৰ আৰু ইথানলৰ নিউক্লিয়েৰ মেগনেটিক ৰেজনেন্স স্পেক্ট্ৰোস্কপিৰ যোগেদি কেনেকৈ চিনাক্ত কৰিবা?

মোৰ বাবে এই প্ৰশ্নটোৰ উত্তৰ আছিল তেনেই সহজ। স্নাতক চূড়ান্ত বৰ্ষত অধ্যয়ন কৰা স্পেক্ট্ৰোস্কপি বিষয়টোৰ জ্ঞানে মোক পৰৱৰ্তী সময়ত যে উপকৃত কৰিছিল। সেই তেতিয়াই আয়ত্ত কৰা জ্ঞানেৰে এই প্ৰশ্নটোৰ উত্তৰ দিবলৈ সক্ষম হৈছিলোঁ।

ইটোৰ পাছত সিটো প্ৰশ্ন। প্ৰয়োজন হ'লে মই ব'ৰ্ডত আঁকি-মেলি উত্তৰবোৰ দিবলৈ চেষ্টা কৰিছোঁ।

ড° শৰ্মাৰ প্ৰশ্ন— পেপটাইড বণ্ডৰ ৰেজনেন্সৰ বিষয়ে কোৱাঁ।

ড° ৰয়ৰ প্ৰশ্ন— চাইক্লিক ভ'ল্টাম'মেট্ৰিৰ বিষয়ে কোৱাঁ।

শেষত ড° জাৰুৱীয়ে চাকৰিটোত মোৰ কি দায়িত্ব হ'ব, সেয়া সবিশেষ বুজাই দিলে— 'আমি মেলেৰিয়াৰ বীজাণু প্লাচমডিয়ামৰ বিষয়ে গৱেষণা কৰোঁ। প্লাচমডিয়ামৰ বিভিন্ন স্পিচিচবোৰে আমাৰ শৰীৰৰ লোহিতৰক্ত কণিকাৰ কোষবোৰক কেনেকৈ আক্ৰমণ কৰে, এই আক্ৰমণৰ আণৱিক প্ৰক্ৰিয়াটো এতিয়াও ভালকৈ বুজা নাযায়। আমি এই প্ৰক্ৰিয়াবোৰ বুজিবৰ বাবে গৱেষণা কৰি আছোঁ।' তাৰ পাছত আকৌ ক'লে— 'তুমি কেমিষ্ট্ৰী পঢ়িছিলা, কিন্তু আমি বায়'লজীৰ গৱেষণা কৰোঁ। বায়'লজীৰ গৱেষণা কৰিবলৈ তোমাৰ কিবা অসুবিধা আছে নেকি?'

অসুবিধা? মোৰ কি সুবিধা-অসুবিধা আছে? মোকটো মাত্ৰ এটা চাকৰি লাগে। নিজৰ জীৱনটো চলাবলৈ, ঘৰ চলাবলৈ এটা চাকৰি লাগে। যিকোনো উপায়েৰে।

আধা ঘণ্টামানৰ ভিতৰতে ইণ্টাৰভিউ শেষ হ'ল। আহিবৰ সময়ত ড° ৰাও বোলাজনে ক'লে— 'তোমাৰ হাঁহিটো ভাল লাগিল। মনত ৰাখিবা জীৱনত য'লৈকে নোযোৱা, হাঁহিটো লগত ৰাখিবা।'

— ধন্যবাদ।

(ছাব্বিশ)

মুম্বাইত ইণ্টাৰভিউ দি পুনেলৈ উভতি অহা প্ৰায় তিনি সপ্তাহ হ'বৰ হ'ল— ইণ্টাৰভিউৰ ৰিজাল্ট তেতিয়াও অহা নাই। সঁচা ক'বলৈ হ'লে মই তেনেই আশাবাদী নহয়। বিশেষকৈ এগৰাকী প্ৰাৰ্থীৰ পি এইচ ডি ডিগ্ৰী থকাৰ কথাটো জানি আমি বাকীবোৰ নিৰাশ হৈ উঠিছিলোঁ। মই ভালকৈ ইংৰাজীও ক'ব নাজানো, হিন্দীও ক'ব নাজানো, মোক কেনেকৈ চাকৰিত ল'ব। মোৰ পোছাক, শৰীৰৰ চাল-চলন, প্ৰকাশভংগী সকলোতে গ্ৰাম্য জঠৰতাৰ প্ৰকাশ্য চাপ, তাতে আহিছোঁ সুদূৰ উত্তৰ-পূব ভাৰতৰ অসম-অৰুণাচল সীমান্তৰ এখন দুৰ্গম গাঁৱৰ পৰা। বাকী প্ৰাৰ্থীসকল আহিছিল চেন্নাই, হায়দৰাবাদ আদি মহানগৰৰ পৰা। মই জানো যে প্ৰাৰ্থীসকলৰ মাজত কেৱল জ্ঞানৰ পৰীক্ষা কৰিলে হয়তো ময়ো এই প্ৰতিযোগিতাত ফেৰ মাৰিব পাৰিম। কিন্তু ইণ্টাৰভিউ এটাত প্ৰাৰ্থী এজনৰ কেৱল জ্ঞানৰ পৰিসৰেই আচল মাপকাঠী নহয়— প্ৰাৰ্থীজনৰ ব্যৱহাৰ, যোগাযোগৰ কৌশল, তথা আত্মপ্ৰত্যয় এই আটাইবোৰ ইণ্টাৰভিউ এটাত চোৱা যায়। অৱশ্যে প্ৰাৰ্থী এজনৰ যোগ্যতা নিৰ্ণয়কাৰী এনেবোৰ দিশ পৰিস্থিতি-নিৰ্ভৰো। যেনে— প্ৰাৰ্থীজনৰ জ্ঞানৰ পৰিসৰ যদি অতুলনীয়ভাৱে বেছি, তেন্তে হয়তো বাকীবোৰ কাৰক ইমান গুৰুত্বপূৰ্ণ নহয়। কিন্তু মই জানো বহুল জ্ঞানৰ অধিকাৰী? ওঁহো, মই কেতিয়াও বিশ্বাস নকৰোঁ।

গতিকে মই ধাৰণা এটা কৰি ল'লোঁ যে মই এই চাকৰি নাপাওঁ।

কিন্তু মনে যে নামানে?

ইতিমধ্যে পুনেৰ এন চি এলত যোগ দিয়াৰো এমাহ পাৰ হৈ গ'ল। মই এতিয়াও ফেল'শ্বিপ পোৱা নাই। ঘৰৰ পৰা ধাৰলৈ অনা টকাকেইটাৰেই চলি আছোঁ। খবৰ কৰি গম পালোঁ যে পৰৱৰ্তী তিনি-চাৰি মাহমানলৈ ফেল'শ্বিপ পোৱাৰ কোনো সম্ভাৱনা নাই। কথাটো গম পাই মই ভিতৰি ভিতৰি উদ্বিগ্ন হৈ উঠিলোঁ। আৰু এমাহৰ ভিতৰত যদি ফেল'শ্বিপ নাহে, তেন্তে মই কেনেকৈ চলিম, মই কি কৰিম? আকৌ কাৰোবাৰ পৰা টকা ধাৰলৈ বিচাৰিম? কিমান আৰু আনৰ পৰা ধাৰ কৰিম— ঘৰখন ধাৰত আকণ্ঠ ডুবাই থৈ আহিছোঁ, এতিয়া নিজেও ধাৰত ডুবিবলৈ লৈছোঁ।

পুনেত থকা এই সময়খিনিত মই এন চি এলৰ দাঁতিকাষৰীয়া পাচন অঞ্চলৰ মাৰাঠী পৰিয়াল এটাৰ ঘৰত পেয়িং গেষ্ট হিচাপে থাকিবলৈ লৈছিলোঁ। কাৰণ হোষ্টেলত ঠাই পাবলৈ প্ৰায় ছমাহমান লাগিছিল। এই সময়খিনি বাহিৰতে থাকিবলগীয়া হয়। মাৰাঠী পৰিয়ালটোৰ তিনি কোঠলীয়া ঘৰটোত কেৱল ঘৰটোৰ গৃহস্থ-গৃহস্থী থাকিছিল। পুতেক বেলেগ ক'ৰবাত থাকিছিল, কিন্তু সপ্তাহৰ শেষত প্ৰায়ে ঘৰলৈ আহিছিল। ঘৰটোৰ বাহিৰৰ কোঠাত মোক থাকিবলৈ দিয়া হৈছিল, লগত আৰু এজন ৰুমমেট। অকণমানি কোঠাটোত

দুজন মানুহ থাকিবলৈ ঠাইৰ সংকুলন হৈছিল। মোৰ ৰুমমেটজন ফলডিং বিছনা এখনত শুইছিল, মই মজিয়াতে তুলি এখন পাৰি শুইছিলোঁ। খোৱা-বোৱাৰ ব্যৱস্থাও মানুহ ঘৰতে কৰিছিলোঁ— এসাঁজত বিশ টকাকৈ দিব লগা হৈছিল। ঘৰৰ মানুহগৰাকী বৰ দয়ালু মানুহ আছিল; গাঁৱলীয়া মানুহৰ আন্তৰিকতাৰে মোক ৰাখিছিল। বয়সত আমাৰ মাহঁতত‌কৈ ডাঙৰ যেন লাগিছিল। মানুহগৰাকীয়ে ভঙা ভঙা হিন্দীত প্ৰায়ে কৈছিল— 'ঘৰলৈ চিন্তা কৰি নাথাকিবা, আমাকে মা-দেউতা বুলি ধৰি ল'বাঁ।' মানুহগৰাকীয়ে এদিন কৈছিল— 'ঘৰৰ পৰা মাহঁতক ফোন কৰিবলৈ ক'বাঁ, আমি কথা পাতিম।' মই কৈছিলোঁ— 'আণ্টী, আমাৰ ঘৰত ফোন নাই, ফোন কৰিবলৈ হ'লে টাউনলৈ যাব লাগে।' মানুহগৰাকীয়ে কৈছিল— 'টাউনলৈ গৈ এদিন ফোন কৰিবলৈ ক'বাঁ, মই তোমাৰ মাহঁতক তোমাৰ কথা চিন্তা কৰি নাথাকিবলৈ ক'ম।'

মই জীৱনত এটা কথা উপলব্ধি কৰি আহিছোঁ যে কোনো মানুহৰ লগত সু-সম্পৰ্ক গঢ়ি তুলিবলৈ হ'লে, পৰস্পৰৰ কথা গ্ৰহণ কৰাৰ ক্ষমতা থাকিব লাগিব। অৰ্থাৎ মই কথা কৈ থাকোঁতে, কোনো বক্তব্য আগবঢ়াই থাকোঁতে, মোৰ শ্ৰোতাজনে যদি কথাই কথাই বিতৰ্কৰ সূত্ৰপাত কৰে, তেন্তে তেওঁৰ সৈতে সু-সম্পৰ্ক গঢ়ি তোলাটো মোৰ পক্ষে কঠিন হৈ উঠিব। এই কথাটো সকলোৰে ক্ষেত্ৰত প্ৰযোজ্য। আনৰ কথা-যুক্তিক গ্ৰহণ কৰিব পৰা ক্ষমতাৰ ওপৰতেই মানুহৰ সম্পৰ্ক নিৰ্ভৰশীল। সেইবুলি মই অন্যায়ক গ্ৰহণ কৰিবলৈ কোৱা নাই।

'গ্ৰহণ কৰিবৰ ক্ষমতা' অৰ্থাৎ 'ৰিচিপটিভনেছ'ৰ কথা মই এই বাবেই উল্লেখ কৰিছোঁ যে পুনেত থকা সময়খিনিত ঘৰৰ মালিকনীগৰাকীয়ে কোনো কথাতে প্ৰতিবাদ নকৰি সকলো কথা সহজেই গ্ৰহণ কৰি লৈছিল। মানুহগৰাকীৰ মুখমণ্ডলত ভাহি থকা সৰল-নিৰ্দোষিতাৰ ভাব এটাই যিকোনো মানুহকে আপোন কৰি ল'ব পাৰিছিল। আনৰ কথাত অযথা প্ৰতিবাদ নকৰা অভ্যাস এটা মোৰো আছিল, আৰু সেয়েহে চাগে ঘৰৰ গৃহস্থ-গৃহস্থীয়ে মোক আপোন কৰি লৈছিল।

এপ্ৰিল মাহৰ মাজভাগত অৰ্থাৎ অসমত বহাগ বিহু আৰম্ভ হোৱাৰ আগে আগে মোৰ স্বাস্থ্য হঠাৎ বেয়া হৈ পৰিল। হাস্পতাললৈ যোৱাত ধৰা পৰিল যে মই জণ্ডিচ ৰোগত আক্ৰান্ত হৈছোঁ। ডাক্তৰে ক'লে— 'ভয় নকৰিবা, কিন্তু খোৱা-বোৱাত যত্ন ল'ব লাগিব আৰু তোমাক যথেষ্ট আৰামৰ প্ৰয়োজন।' তাৰ মানে মোৰ লেবৰেটৰীলৈ যোৱা বন্ধ এমাহমানৰ বাবে। ঘৰতে থাকি আৰাম কৰাৰ প্ৰয়োজন। ঘৰৰ মালিকনীয়েও ক'লে— 'চিন্তা নকৰিবা, মই তোমাক বয়ল কৰি খাদ্য খুৱাম, তুমি ভাল হৈ উঠিবা।' কিন্তু দিনটো সেই সামান্য কোঠাটোত সোমাই থকাটো প্ৰায় অসহ্যকৰ হৈ উঠিছিল। কোঠাটোত বহি থাকিবলৈ মোৰ হাতত কেৱল তুলিখনৰ বাহিৰে একোৱেই নাছিল। ইফালে গৰম পৰিলেই,

বৰষুণহীন দিনবোৰৰ উষ্ণতা সাংঘাতিকভাৱে বাঢ়িবলৈ ধৰিলে। তথাপি উপায় নাই। পুৱা সোনকালে উঠোঁ, এপাক খোজ কাঢ়িবলৈ ওলাই যাওঁ, দিনটো কোঠাৰ ভিতৰতে সোমাই থাকোঁ, সন্ধিয়া বেলি পৰোঁ পৰোঁ হওঁতে কুঁহিয়াৰৰ ৰস খাবলৈ পাচানলৈ যাওঁ। এইদৰেই মোৰ দিনবোৰ পাৰ হ'বলৈ ধৰিলে।

দিনটো ঘৰত সোমাই থকা সময়খিনিত মোৰ মনৰ মাজেৰে অলেখ চিন্তা পাৰ হৈ যাবলৈ ধৰিলে। খেতিৰ দিন আহিলেই, ঘৰত চাগৈ খেতিলৈ যাবলৈ যোগাৰ কৰিছে। ইতিমধ্যে ঘৰৰ আগফালৰ গোটেইখিনি মাটি বন্ধকত গ'ল। ঘৰৰ পিছফালেনো কিমান মাটি আছে? তাতে সৰহভাগ মাটি খেতিৰ উপযুক্ত নহয়। দ মাটিডোখৰত আৰু সীমাৰ বাম টিঙনাটোত দেখোন ধানেই নহয়। খেতিৰ কথা বাদ দি আন এটা কথায়ো মোক চিন্তিত কৰি তুলিলে। যোৱাবাৰ ধানৰ খেতি একেবাৰে বেয়া হ'ল, আধা মাটি বন্ধকতে থাকিল, গতিকে এই বছৰত শাওণ মাহত ঘৰত ক'ৰ পৰা খোৱাৰ যোগাৰ কৰিব? আনৰ ঘৰত ধান বিচাৰি যাবলৈও দেখোন উপায় নাই, কোনে দিব ধাৰলৈ ধান?...

তাৰ পাছত এদিন ভৰ দুপৰীয়া আমাৰ লেবৰেটৰীৰ ছিনিয়ৰ শশাংক দা উধাতু খাই মোৰ ৰুম পালেহি।

— কি হ'ল শশাংকদা?

— তোমালৈ, মস্ত এনভেলপ এটাত এখন চিঠি আহিছে, লেবৰ এড্ৰেছত।

— ক'ৰ চিঠি, কাৰ চিঠি? মই উৎসুকতাৰে সুধিলোঁ।

শশাংকদাই মোৰ কথা গ্ৰাহ্য নকৰি চিঠিখনৰ এনভেলপটো খুলিবলৈ ধৰিলে। এক উশাহতে চিঠিখন খুলি শশাংকদাই চিএঞৰি উঠিল— 'কংগ্ৰেটছ, তুমি টি আই এফ আৰত চাকৰি পাইছা।'

(সাতাইশ)

মানুহে জীৱনত অৰ্জন কৰা কৃতি, খ্যাতি মাথোঁ জীৱনৰ কেইটিমান বিশেষ মুহূৰ্তৰ সমাহাৰ। এনে কেইটিমান মুহূৰ্তৰ বাবেই চাগে ময়ো আজি এই ঠাইত উপস্থিত হৈছোঁহি। মই উভতি চালে দেখিবলৈ পাওঁ যে টি আই এফ আৰত চাকৰি পোৱাৰ মুহূৰ্তটো আছিল এনে এক বিশেষ মুহূৰ্ত্ত, যিয়ে জীৱনটো সলনি কৰি থৈ গৈছিল। কৃচ্ছ্ৰসাধনা আৰু ভাগ্যই মানুহক বহু ওপৰলৈ উত্তোলিত কৰিব পাৰে। নহ'লে এই নিৰ্মম পৃথিৱীখনত মূল্যবোধৰ জীৱন এটা যাপন কৰিবলৈকে কঠিন হৈ পৰে। কষ্ট আৰু ভাগ্য ঃ কষ্টৰে ভাগ্য নিৰ্মাণ কৰিব পাৰি। মোৰ ভাগ্যৰ লগত সংযুক্ত হৈ আছে এটা পৰিয়ালৰ শ্ৰম।

মই যেতিয়া টি আই এফ আৰত জইন কৰিলোঁ, তেতিয়া মোৰ ভৱিষ্যতৰ ভাগ্যৰ

দুৱাৰখন খোলা ৰাখিবলৈকে মই কষ্ট কৰি যোৱাৰ সংকল্প ল'লোঁ। লগতে মা-দেউতাহঁতে কৰা কঠোৰ পৰিশ্ৰমৰ মূল্য পৰিশোধ কৰিবলৈ সাজু হ'লোঁ।

তাৰমানে মোৰ জীৱনলৈ দুটা নতুন প্ৰত্যাহ্বান নামি আহিল ঃ প্ৰথমে, পানীৰ অভাৱত ছিঁৱালফটা দিয়া মাটিৰ দৰে শুষ্ক হৈ থকা ঘৰখন উদ্ধাৰ কৰা, দ্বিতীয়তে, গৱেষণাৰ যোগেদি যিমান পাৰি জ্ঞান লভি ভৱিষ্যতটো আৰু ওপৰলৈ লৈ যোৱা। এই বিশাল প্ৰত্যাহ্বান অতিক্ৰম কৰিবলৈ কিমান দিন, কিমান মাহ, কিমান বছৰ লাগিব তাৰ একো অনুমান কৰিব নোৱাৰি।

(আঠাইশ)

জুন মাহৰ বাৰ তাৰিখে টি আই এফ আৰত যোগ দিয়াৰ কেইদিনমানৰ পাছতে মই ঘৰলৈ বুলি এখন চিঠি লিখিলোঁ। চাৰি পৃষ্ঠাৰ মোৰ চিঠিখনত সঠিককৈ কি লিখিছিলোঁ মনত নাই (কাৰণ কেইমাহমানৰ পাছত চিঠিখন দেউতাই হেৰুৱাই পেলাইছিল)। অৱশ্যে চিঠিখনত লিখা সাৰমৰ্ম মনত আছে। মই লিখিছিলোঁ যে প্ৰথম প্ৰথম, মোক এটা সুন্দৰ জীৱন গঢ়িবৰ বাবে যিসকলৰ কষ্ট আৰু শ্ৰমে উদগনি দিলে, তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ। তেওঁলোক মানে সকলো— ঘৰৰ মানুহ, যিসকলে বন্ধকী মাটিৰ বিনিময়ত টকা-পইচাৰে সহায় কৰিছিল, আৰু যিসকলে বিনিময়ত একো এটা নোলোৱাকৈয়ে মোক সহায় কৰিছিল। দ্বিতীয়তে, মই মা-দেউতাক আশ্বাস দিলোঁ যে দৰমহা পালেই মই বন্ধকত থকা মাটি খুলিবৰ বাবে টকা পঠিয়াম। এমাহ-দুমাহত কামটো সম্পন্ন নহয়, হয়তো গোটেইখিনি মাটি মোকলাওঁতে ছমাহ এবছৰমান লাগি যাব। মাটিখিনি খুলি শেষ হোৱাৰ পাছত ক্ৰমান্বয়ে মই ঘৰ সজাৰ প্ৰস্তাৱ দিলোঁ। মই জানো যে মায়ে ক'ব ঘৰৰ মূধচটো, বাঁহৰ খুঁটাবোৰ উৱলি গ'ল, সোনকালে ঘৰ এটা সাজিব লাগে। তৃতীয়তে, মই মাহঁতক মোৰ এটি নতুন সপোনৰ কথা ক'লোঁ— 'মা, আমাৰ ইয়াৰ পৰা সকলোৱে আমেৰিকালৈ যায় উচ্চ শিক্ষাৰ বাবে, গৱেষণাৰ বাবে। ময়ো যাবলৈ মন মেলিছোঁ।' মই চিঠিৰ যোগেদি এই কথাখিনি কোৱাৰ কাৰণটো হ'ল— চিঠিত বহু কথা ক'ব পাৰি— আৱেগিক কথাবোৰ, যিবোৰ মুখামুখিকৈ বা টেলিফোনত ক'ব নোৱাৰি।

শুনিছিলোঁ, চিঠিখন পোৱাৰ পাছত হেনো দেউতাই আনন্দতে চিঠিখন চবকে দেখুৱাই ফুৰিছিল— গাঁৱত, কৈলাসপুৰ অঞ্চলত। আৰু শুনিছিলোঁ যে দেউতাই ৰাতি শোওঁতে চিঠিখন শিতানৰ গাৰুৰ তলত থৈ লৈছিল। কিন্তু কালক্ৰমত দুৰ্ভাগ্যবশতঃ দেউতাই চিঠিখন কেনেকৈ হেৰুৱালে তাৰ সন্ধেদ পোৱা নগ'ল।

ইতিমধ্যে ঘৰত বাইদেউৰ বিয়া দিয়াৰ বয়সো হৈছে। ইয়ো মা-দেউতাৰ বাবে এটা

চিন্তাৰ বিষয় হৈ পৰিছে। আচলতে মই মাষ্টাৰ্চ ডিগ্ৰী পঢ়ি থকাৰ সময়তেই বাইদেউৰ বিয়াৰ কথা চৰ্চা হৈছিল। কিন্তু বাইদেৱে দৃঢ়ভাৱে কৈছিল— 'ঘৰত মোক বিয়া দিবলৈ, যৌতুকত দিবলৈ ফুটাকড়ি এটা নাই; সৰুদৌৱে চাকৰিত সোমালেহে মই বিয়া সোমাম।' কিন্তু মই চাকৰি পোৱাৰ পাছতো বাইদেউৰ বাবে উপযুক্ত দৰা এটা বিচাৰি পোৱাটো সহজ নহ'ব। অৱশ্যে মাজে-সময়ে দুই-এটি যুৱকে ছোৱালী বিচাৰি আহে, কিন্তু সিহঁতৰ চৰিত্ৰ ইমানেই চেলেং-পেটেং, গাম্ভীৰ্যহীন যে বাইদেউক তেওঁলোকৰ হাতত গতাই দিয়াটো সম্ভৱেই নহয়। বাইদেউৰ বয়সো হৈ আহিছে; তাই মোতকৈ চাৰি বছৰমান ডাঙৰ। কয় নহয়— 'গাঁৱত ছোৱালী কুৰিতে বুঢ়ী।' মেট্ৰিক ফেইল কৰাৰ পাছৰ পৰা বাইদেউ ঘৰতে আছে— ঘৰৰ কাম-বন কৰি। এনে পৰিপ্ৰেক্ষিতত বাইদেউক বিয়া দিয়াটো মা-দেউতাৰ বাবে এটা প্ৰধান চিন্তাৰ বিষয় হৈ পৰিছে।

আনফালে ককায়ে এতিয়াও ছিকিউৰিটী গাৰ্ড হিচাপে কাম কৰি আছে। সি নিজেই চলিব পৰাকৈও পইচা নাপায়। মই চাকৰি পোৱা দিন ধৰি সি মোক কুটুৰি আছে যে তাক ম'বাইল ফোন এটা কিনি দিব লাগে। কণ আৰু মুনেও পঢ়া সামৰি ঘৰৰ খেতিত লাগিল। সিহঁতৰ দায়িত্বও মোৰ ওপৰত আহি পৰিছে। অন্ততঃ নিজেই থিয় দিব পৰাকৈ সিহঁতক কিবা এটা কৰি দিব পাৰিলেও হ'ব। ভৱিষ্যতে কি কৰিব পাৰোঁ দেখা যাব।

ঠিক তেনেকুৱাতে, ঘৰত মোৰ চিঠিখন পোৱাৰ কেইদিনমানৰ পাছতে, মই জীৱনৰ প্ৰথমটো দৰমহা পালোঁ। আধা মাহৰ দৰমহা (কাৰণ মই মাহটোৰ মাজভাগত জইন কৰিছিলোঁ) হ'লেও মোৰ বাবে যথেষ্ট। প্ৰথম মাহত দৰমহাৰে ম'বাইল এটা কিনি ল'বলৈ সিদ্ধান্ত ল'লোঁ। ম'বাইল এটাৰ খুব প্ৰয়োজন হৈছিল— ঘৰলৈ পোনপটীয়াকৈ যোগাযোগ কৰিব নোৱাৰিলেও, আমাৰ অঞ্চলৰ আন মানুহলৈ ফোন কৰি ঘৰৰ খবৰ ল'ব পাৰি। এদিন ম'বাইল এটা কিনি কৈলাসপুৰ অঞ্চলৰ মানুহ এজনলৈ ফোন কৰি আমাৰ ঘৰত মোৰ নম্বৰটো দি দিবলৈ অনুৰোধ কৰিলোঁ।

দুদিনমান পাছত পুনেত এৰি থৈ অহা বন্ধুবোৰক লগ কৰিবলৈ পুনে-মুম্বাই ডেকন এক্সপ্ৰেছ ট্ৰেইনেৰে গৈ থাকোঁতে বাটত হঠাৎ এটা ফোন আহিল। ফোনকলটো আহিছিল মাৰ পৰা। মায়ে এঘণ্টা খোজ কাঢ়ি মহাদেৱপুৰলৈ আহিছিল, পি চি অ'ৰ পৰা মোলৈ ফোন কৰিবলৈ। মাক মই পুনেলৈ গৈ থকা বুলি ক'লোঁ, পুৰণি বন্ধু কেইজনমানক চাকৰি পোৱাৰ পাৰ্টী দিবলৈ। তাৰ পাছত ইটো-সিটো কথা পতাৰ পাছত মায়ে সুধিলে—

— তোৰ ওচৰত বাৰু পইচা আছে নে নাই?

— আছে, মাহটো চলিবলৈ হ'ব।

— ঘৰলৈ পঠিয়াব নোৱাৰিবি?

— এই মাহত নোৱাৰিম চাগে, মা।

মায়ে অলপ পৰ বৈ ক'লে— 'ঘৰত খাবলৈ নাই।'

মই পুনৰ পৰা পাছদিনা ততাতৈয়াকৈ উভতি আহি, মানি অৰ্ডাৰৰ যোগেদি হাতত থকা দুহেজাৰ টকা ঘৰলৈ পঠিয়াই দিলোঁ। দহ দিনৰ পাছত ঘৰত মই পঠিওৱা পইচা পালে। পইচা পায়েই মায়ে বেলেগৰ ফোনৰ পৰা মোলৈ ফোন কৰিলে।

সেইদিনা ঘৰত, মই পঠিওৱা পইচা পোৱাৰ পাছত কিমান স্ফূৰ্তি পাইছিল নাজানো, কিন্তু মোৰ মনত ইমান আনন্দ লাগিছিল যে দুচকুৰ পৰা হৰহৰকৈ চকুলো বাগৰি আহিছিল।

ইমান দুৰ্লভ সন্তুষ্টি জীৱনত দ্বিতীয়বাৰ আৰু পোৱা নাই।

(ঊনত্ৰিশ)

ইয়াৰ পাছত টি আই এফ আৰত থকা সময়খিনিত প্ৰায় প্ৰত্যেক মাহেই ঘৰলৈ মানি অৰ্ডাৰ কৰি টকা পঠিয়াইছোঁ; প্ৰত্যেকবাৰেই টকা পঠিওৱাৰ পাছত মোৰ মন এক অবুজ আনন্দত আত্মহাৰা হৈ উঠিছে। কেতিয়াবা নিজৰো অনাটন হৈছে, তথাপি যেন ঘৰলৈ টকা পঠিওৱাৰ পাছত পোৱা সন্তুষ্টিৰ মাদকতাই বেলেগ। মোৰ মনলৈ বাৰে বাৰে এটা ভাব আহিছিল, 'আমি আটায়ে লাগি যুঁজিলোঁ, এতিয়া সকলোৰে মিলি ভোগ কৰা উচিত।'

ভোগনো আৰু কি, ঘৰৰ অৱস্থা আগতকৈ সুচল হ'ল। এবছৰমানৰ ভিতৰত বন্ধকী মাটিখিনি মোকলোৱা শেষ হ'ল। দেউতাই স্বস্তিৰ নিশ্বাস এৰিলে। এসময়ততো দেউতাই মোক বিশ্বাস কৰিবলৈকে এৰিছিল— মাটিখিনি মোকলাই নিদিম বুলি। তাতে গাঁৱৰ কোনো কোনো মানুহে যে খুঁচি আছিল— 'তই তিলেশ্বৰ ডুবিলি আৰু তোৰ পুতেৰৰ পাখি গজিল, এতিয়া উৰি যাব' বুলি। দেউতাই হেৰুওৱা বিশ্বাস ঘূৰাই পালে, মানুহক ক'লে— 'সি মাটিখিনি মোকলাই দিলে, এতিয়া আমাক আৰু একো নালাগে, সি ভালে ভালে চলিলেই হ'ল।' ঘৰ সজা হোৱা নাই, সাজিম, বাইদেউক বিয়া দিয়া হোৱা নাই, সেয়াও হ'ব সময়ত।

তৃতীয় খণ্ড

সুযোগ

(ত্ৰিশ)

টাটা ইন্সিষ্টিটিউট অৱ ফাণ্ডামেণ্টেল ৰিছাৰ্চ অৰ্থাৎ টি আই এফ আৰ নামৰ মৌলিক গৱেষণা প্ৰতিষ্ঠানটো মুম্বাইৰ ক'লাবা অঞ্চলৰ হোমি ভাবা ৰোডত আছে। ভাৰত স্বাধীন হোৱাৰ পূৰ্বে স্থাপিত এই প্ৰতিষ্ঠানটো প্ৰতিষ্ঠা কৰিছিল প্ৰখ্যাত পৰমাণু বিজ্ঞানী হোমি জাহাংগীৰ ভাবাই। আৰম্ভণিতে উদ্যোগপতি জে আৰ ডি টাটাৰ আৰ্থিক অনুদানেৰে গঢ়ি উঠা প্ৰতিষ্ঠানটো স্বাধীনোত্তৰ কালত ভাৰত চৰকাৰৰ অধীনলৈ গৈছিল। বৰ্তমান এই প্ৰতিষ্ঠানটো ভাৰত চৰকাৰৰ ডিপাৰ্টমেণ্ট অৱ এটমিক এনাৰ্জী, চমুকৈ ডি এ ই-ৰ অধীনৰ গৱেষণা প্ৰতিষ্ঠান।

আৰৱ সাগৰৰ পাৰত থকা এই প্ৰতিষ্ঠানটো ভাৰতবৰ্ষত বিজ্ঞান চৰ্চাৰ প্ৰাণকেন্দ্ৰ, বিশেষকৈ পদাৰ্থ বিজ্ঞান আৰু মৌলিক গৱেষণাৰ ক্ষেত্ৰত। জ্ঞানৰ উৎকৰ্ষ সাধনৰ লগে লগে প্ৰায়োগিক দিশৰ বহুতো গৱেষণা টি আই এফ আৰ-ত সম্পন্ন হয়।

যিসকল বিজ্ঞানীৰ প্ৰতিভা আৰু বৰঙণিৰ বাবে এই প্ৰতিষ্ঠানটো উজলি উঠিছিল, তেওঁলোকৰ ভিতৰত আছে প্ৰখ্যাত মহাকাশ বিজ্ঞানী য়শ পাল, গোৱিন্দ স্বৰূপ, জয়ন্ত বিষ্ণু নাৰ্লিকৰ, পদাৰ্থ বিজ্ঞানী অশোক সেন, গণিতজ্ঞ হৰিশ চন্দ্ৰ, জৈৱাণুবিজ্ঞানী অবেইড ছিদ্দিকী আদি। তদুপৰি অজস্ৰ বিজ্ঞানীৰ শ্ৰম আৰু সাধনাৰ ফলত এই প্ৰতিষ্ঠানটো দেশৰ ভিতৰতে এটি শ্ৰেষ্ঠ গৱেষণা প্ৰতিষ্ঠান হিচাপে পৰিগণিত হৈছিল। বৰ্তমানৰ সময়তো টি আই এফ আৰৰ বিজ্ঞানীৰ আৱিষ্কাৰে (যেনে ষ্ট্ৰিং থিয়ৰিষ্ট চিৰাজ মিনৱালা, নিউৰ' ছায়েণ্টিষ্ট শোভা তোলে আদি) প্ৰতিষ্ঠানটোক জিলিকাই তুলিছে।

ছায়েণ্টিফিক অফিচাৰ হিচাপে মই যোগ দিয়া বিভাগটো আছিল ডিপাৰ্টমেণ্ট অৱ বায়'লজিকেল ছায়েন্স অৰ্থাৎ ডি বি এছ। এই বিভাগৰ তেৰজন প্ৰফেছৰৰ ভিতৰত ড° গৌতম জাৰুৰী আছিল এজন। মই ড° জাৰুৰীৰ অধীনতে গৱেষণা কৰিবলৈ তেওঁৰ

লেবৰেটৰীত যোগ দিলোঁ। ড° জাৰুৰী এই প্ৰতিষ্ঠানতে পি এইচ ডি কৰি পৰৱৰ্তী সময়ত আমেৰিকাৰ কেলিফৰ্নিয়া ইন্সষ্টিটিউট অৱ টেকনলজীত গৱেষণা কৰি এদিন টি আই এফ আৰত প্ৰফেছৰ হৈছিলহি। ড° জাৰুৰীৰ লেবৰেটৰীৰ গবেষণাৰ বিষয়বস্তু আছিল মেলেৰিয়া বীজাণু প্লাচমডিয়াম পেৰাচাইট। এই পেৰাচাইটবিধৰ ভিতৰত থকা ইন'লেজ নামৰ এনজাইম যৌগবোৰে কেনেকৈনো পেৰাচাইটটিক শক্তিশালী কৰি মানুহৰ তেজৰ লোহিত ৰক্ত কণিকা নামৰ কোষবোৰক আক্ৰমণ কৰিবলৈ উদ্‌গনি দিয়ে, সেই বিষয়েই ড° জাৰুৰীৰ লেবৰেটৰীত গৱেষণা চলিছিল।

(একত্ৰিশ)

সৰু লেবৰেটৰীটোৰ ভিতৰত সোমায়েই দেখিলোঁ, কম্পিউটাৰৰ সন্মুখত এজনী ছোৱালী বহি আছে। মই নিজৰ পৰিচয় দিলোঁগৈ—

— মোৰ নাম ৰুবুল। গৌতম জাৰুৰীৰ লেবত ছায়েণ্টিফিক অফিচাৰ হিচাপে জইন কৰিছোঁ।

— তুমিয়ে তেন্তে নতুন এছ্ অ'?

— হয়। আপুনি?

— মোৰ নাম ঈপ্সিতা পাল, পি এইচ ডিৰ ছাত্ৰী।

ঈপ্সিতাই জনালে যে তাই পঞ্চম বৰ্ষৰ পি এইচ ডি ছাত্ৰী। এই বছৰতে তাইৰ পি এইচ ডি শেষ হ'ব লাগে। ঈপ্সিতাই আৰু জনালে যে তাইৰ ঘৰ কলকাতাত আৰু তাই কাণপুৰ আই আই টিৰ পৰা কেমিষ্ট্ৰীত মাষ্টাৰ্চ ডিগ্ৰী কৰি আহিছে। মই ঈপ্সিতাৰ লগত ইটো-সিটো কথা পাতি থাকোঁতেই অন্য এজন ল'ৰা লেবৰেটৰীলৈ সোমাই আহিল। ঈপ্সিতাই আগন্তুকৰ সৈতে চিনাকি কৰাই দিলে — 'এয়া ৰাজভী, ফাৰুক ৰাজভী। মাষ্টাৰ্চ ডিগ্ৰীৰ ষ্টুডেণ্ট।' মই ৰাজভীৰ লগতো কথা পাতিলোঁ, ৰাজভীয়ে মই লেবলৈ অহাত সন্তোষ প্ৰকাশ কৰিলে, ক'লে— 'তুমি আহিবা বুলি শুনিয়েই আছিলোঁ, ভালেই হ'ল, সঠিক সময়ত আহিলা, মই কেইটামান এক্সপেৰিমেণ্ট আৰম্ভ কৰিব খুজিছিলোঁৱেই।'

লেবৰেটৰীত মই বহাৰ যোগাৰ হ'ল। মাইক্ৰ'স্ক'প এটাৰ কাষতে এটা ডেস্কটপ কম্পিউটাৰ, তাৰ কাষতে মোক বহিবলৈ দিয়া হ'ল। ৰাজভীয়ে ক'লে— 'এই কম্পিউটাৰটো তোমাৰ ব্যৱহাৰৰ বাবে। লেবৰেটৰীত প্ৰত্যেকৰ বাবে একোটাকৈ কম্পিউটাৰ আছে, এইটো তোমাৰ বাবে।' কথাটোত মই আনন্দ পালোঁ, কাৰণ মোৰ নিজা কম্পিউটাৰ নাছিল। গম পালোঁ যে লেবৰেটৰীটোত দুজনেই স্থায়ী সদস্য আছিল— ঈপ্সিতা আৰু ৰাজভী। মই যোগ দিয়াত তিনিজন হ'ল। সাধাৰণতে একোটা লেবৰেটৰীত দহৰ পৰা

বাৰজন সদস্য থাকে। কিন্তু ড° জাহ্নৱীৰ লেবৰেটৰীৰ আকাৰ বাকীবোৰৰ তুলনাত ক্ষুদ্ৰ আছিল। ইতিমধ্যে ৰাজভীয়েও ইয়াত দুবছৰ কটাইছে আৰু এবছৰত তেওঁৰ মাষ্টাৰ্চ ডিগ্ৰী শেষ হ'ব। তাৰ পাছত আৰু নতুন সদস্য আহিব, এনেকৈয়ে লেব চলি থাকিব।

ৰাজভীয়ে মোক লেবৰ ক'ত কি আছে দেখুৱাই গ'ল। এয়া ৱৰ্কিং ডেস্ক, এয়া অণুবীক্ষণ যন্ত্ৰ, এয়া লেব কেমিকেলছ, এয়া জেল ইলেকট্ৰফৰেচিছ, এয়া ফ্লৰিমিটাৰ ইত্যাদি ইত্যাদি। তাৰ পাছত ক'লে— 'মই পাছবেলালৈ এনিমেল হাউছলৈ যাম, য'ত পৰীক্ষাগাৰ সঁচৰ নিগনি আৰু এন্দুৰ আছে। তালৈ গৈ আজি আমি নিগনিৰ দেহত মেলেৰিয়াৰ বীজাণু, প্লাচমডিয়াম, বেজীৰে সুমুৱাই দিম।'

মোৰ মুখখন কোঁচ খাই গ'ল। ছিঃ নিগনিক আকৌ বেজী দিয়েগৈ! মোৰ ক'বৰ মন গৈছিল, কিন্তু নক'লোঁ। কিন্তু ৰাজভীয়ে মোৰ মনৰ কথা বুজিলে, সি ক'লে— 'আগেয়ে নিগনিৰ গাত পৰীক্ষা কৰা নাই নহয়? কোনো কথা নাই, লাহে লাহে অভ্যস্ত হৈ যাবা।' ঈপ্সিতাই বহা ঠাইৰ পৰা মাত লগালে— 'উপায় নাই, প্লাচমডিয়াম অণুজীৱৰ ভিতৰখনত কি ঘটিছে চাবলৈ প্ৰথমে এই অণুজীৱবিধ নিগনিৰ দেহত কৰ্ষণ কৰিব লাগিবই।'

মই প্ৰাৰম্ভিকতে কি কাম কৰিব লাগিব, তাৰ এখন তালিকা প্ৰস্তুত কৰি দিলে ঈপ্সিতাই। তাই ক'লে— 'আৰম্ভণিতে তুমি মলিক্যুলাৰ বায়'লজীৰ বিভিন্ন এক্সপেৰিমেণ্টৰ কৌশলবোৰ শিকিব লাগিব, তাৰ পিছতহে তুমি নিজাববীয়াকৈ গৱেষণা কৰিব পাৰিবা। ৰাজভী বা মই এক্সপেৰিমেণ্ট কেনেকৈ কৰে দেখুৱাই দিম।' ঈপ্সিতাৰ তালিকাখনত থকা বিভিন্ন এক্সপেৰিমেণ্টবোৰৰ ভিতৰত আছিল— প্লাচমডিয়ামৰ কৰ্ষণ (নিগনিৰ দেহত), নিগনিৰ তেজ আনি দৈনিক মাইক্ৰ'স্কপিক পৰীক্ষা, প্লাচমডিয়াম কোষবোৰ ভাঙি তাৰ পৰা প্ৰ'টিন, ডি এন এ, জিন নিষ্কাশন ইত্যাদি ইত্যাদি। মই মনতে ভাবিলোঁ, এই কৌশলবোৰ যিমান পাৰি সোনকালে শিকিব লাগিব, তেতিয়াহে মোৰ গৱেষণা ক্ষিপ্ৰভাৱে আৰম্ভ কৰিব পাৰিম।

মই জইন কৰিবৰ পৰত ড° জাহ্নৱী প্ৰতিষ্ঠানটোত নাছিল। তেওঁ তিনি মাহৰ বাবে আমেৰিকাত আছিলগৈ। আমেৰিকাৰ পৰাই তেওঁ মোলৈ ই-মেইল কৰিলে— 'ৰুবুল, আশা কৰোঁ তুমি লেবত জইন কৰিলা। লেবত ঈপ্সিতা আৰু ৰাজভী আছে, তোমাক সহায় কৰিব।' দুদিনমানৰ পাছত আকৌ ই-মেইল কৰিলে— 'তুমি জইন কৰিলা বুলি শুনি ভাল লাগিল। লেবলৈ স্বাগতম। তুমি ঈপ্সিতাৰ পৰা জেল ইলেক্ট্ৰফৰেচি কৰিবলৈ শিকা। ইটো-সিটো এক্সপেৰিমেণ্ট শিকা মানে মই আহি পামহি। মই আগষ্টত ভাৰতলৈ উভতিম।'

মই মোৰ গৱেষণাৰ প্ৰাৰম্ভিক তথ্যবোৰ আহৰণ কৰি ল'লোঁ। মেলেৰিয়া ৰোগত বিশ্বত বছৰি প্ৰায় বিশ কোটি মানুহ আক্ৰান্ত হয়। ভাৰতত এই ৰোগবিধৰ প্ৰভাৱ বেছি

নহ'লেও আফ্ৰিকাৰ দেশসমূহত এই ৰোগবিধে ভয়াৱহ ৰূপ ধাৰণ কৰে। কিছুমান দেশত তিনিজন মানুহৰ ভিতৰত এজনেই এই ৰোগ ধাৰণ কৰে। এই ৰোগত লক্ষ লক্ষ ৰোগীৰ মৃত্যু হয়। মেলেৰিয়া ৰোগ হয় প্লাচমডিয়াম নামৰ এককোষী অণুজীৱবিধৰ বাবে। এন'ফিলিছ নামৰ মহে বহন কৰা এই অণুজীৱবিধ আমাৰ শৰীৰত প্ৰৱেশ কৰি, শৰীৰৰ তেজত থকা লোহিত ৰক্ত কণিকা নামৰ ৰক্ত কোষবিধক আক্ৰমণ কৰে। আক্ৰমণ কৰি অণুজীৱবিধ এই কোষৰ ভিতৰলৈ সোমাই যায়। তেজৰ কোষৰ ভিতৰত এই অণুজীৱবিধৰ কোষ বিভাজন হৈ বংশ বৃদ্ধি হয়। বহুতো নতুন অণুজীৱৰ সৃষ্টি হয়। ফলত এসময়ত এই বিস্তাৰিত অণুজীৱবোৰ তেজৰ কোষটো ধ্বংস কৰি ওলাই আহে। এইদৰে ৰোগীজনৰ শৰীৰত লোহিত ৰক্ত কণিকাৰ পৰিমাণ কমি গৈ এসময়ত মৃত্যুমুখত পৰে।

মোৰ গৱেষণাৰ বিষয় হ'ব— এই অণুজীৱবিধে কেনেকৈ তেজৰ কোষৰ ভিতৰলৈ প্ৰৱেশ কৰে তাৰ জ্ঞান লাভ কৰা, যাতে ভৱিষ্যতে সেই জ্ঞানেৰে নতুন মেলেৰিয়া প্ৰতিষেধক বা ঔষধ উদ্ভাৱন কৰিব পাৰি।

নতুন উদ্যম আৰু নতুন প্ৰতিশ্ৰুতিৰে মই গৱেষণা আৰম্ভ কৰিবলৈ ল'লোঁ।

সেই দিনবোৰ আছিল মোৰ জীৱনৰ অতিকৈ আনন্দ আৰু সন্তুষ্টিৰে ভৰা দিন। কাৰণ, এফালে চাকৰিৰ দৰমহাৰে ঘৰৰ অভাৱ দূৰ কৰিবলৈ সক্ষম হৈছোঁ, আনফালে বিজ্ঞানৰ এক ৰহস্যময় পৃথিৱীত খোজ দিবলৈ লৈছোঁ।

সম্ভাৱনাৰ অন্য এক পৃথিৱীলৈ ক্ৰমশঃ অগ্ৰসৰ হৈছোঁ...।

(বত্ৰিশ)

মেলেৰিয়া দৰিদ্ৰতাৰ ৰোগ। য'তেই দৰিদ্ৰ লোক থাকে ত'তেই মেলেৰিয়াৰ প্ৰাদুৰ্ভাৱ বেছি। যেনে— আফ্ৰিকাৰ দুখীয়া দেশবোৰ।

মই সৰু হৈ থাকোঁতে, আমাৰ গাঁৱতে কেইবাজনো মেলেৰিয়া ৰোগত আক্ৰান্ত হৈ মৃত্যুমুখত পৰিছিল।

বীৰেশ্বৰ বৰতাহঁতৰ ডাঙৰটো ল'ৰা লহং আমাৰ সম-বয়সৰ আছিল। এদিন লহঙে অৰুণাচললৈ কাম বিচাৰি গৈছিল। অৰুণাচলৰ দুৰ্গম পাহাৰীয়া অঞ্চলত কাম কৰি থাকোঁতে লহং মেলেৰিয়া ৰোগত আক্ৰান্ত হ'ল। লগৰ দুজনমানে আনি ঘৰত থৈ গ'লহি। কিন্তু সি বেছি সময় নাবাচিল, দুদিনৰ পাছত মৰি থাকিল।

আফ্ৰিকাৰ দুখীয়া দেশবোৰত হয়তো এই দৃশ্যটো ঘৰে ঘৰে ঘটে। এফালে এইড্‌ছ, আনফালে মেলেৰিয়া; তাৰ ওপৰত দৰিদ্ৰতা।

মেলেৰিয়া আৰু দৰিদ্ৰতা দুয়োটা ওতপ্ৰোতভাৱে জড়িত। মেলেৰিয়াই দেশক

দৰিদ্ৰ কৰি তোলে, দৰিদ্ৰতাই মেলেৰিয়া মাতি আনে।

মেলেৰিয়া ৰোগৰ বাবে ক্লৰকুইন আৰু আৰটেমিচিন নামৰ দুবিধ বহুলভাবে ব্যৱহৃত ঔষধ আছে (উল্লেখযোগ্য আৰটেমিচিন আৱিষ্কাৰৰ বাবে অতি শেহতীয়াকৈ, ২০১৫ চনত, চীনৰ টু য়ুয়ুক নোবেল বটা দিয়া হৈছিল)। কিন্তু সমস্যা হ'ল— মেলেৰিয়া বীজাণুৱে এই ঔষধবোৰৰ বিৰুদ্ধে প্ৰতিৰোধক গঢ়ি তুলিছে অৰ্থাৎ এই ঔষধবোৰে কাম নকৰা হৈছে।

তেন্তে?

তেন্তে অদূৰ ভৱিষ্যতে মেলেৰিয়াই ভয়াৱহ ৰূপ লৈ মানৱ সভ্যতাক ধ্বংস কৰাৰ আগতেই নতুন ঔষধ আৱিষ্কাৰ কৰিব লাগিব। তাৰ বাবে প্ৰয়োজন হ'ব— এই অণুজীৱটিৰ কোষীয় চৰিত্ৰ আৰু গঠন পুংখানুপুংখকৈ অধ্যয়ন কৰাৰ। কোনে জানে, এদিন যদি মেলেৰিয়াই ভয়াৱহ ৰূপ লৈ আমাৰ গাঁৱতেই প্ৰৱেশ কৰেগৈ?

মানুহৰ জীৱন বচোৱাৰ দায়িত্ব বিজ্ঞানে ল'ব লাগিব। বিজ্ঞানে মানৱ সভ্যতাক পৰাজয়ৰ গৰাহৰ পৰা বহুবাৰ উদ্ধাৰ কৰি আহিছে। ন ন ঔষধ আৱিষ্কাৰেৰে বহুতো কালসংহাৰী, মহামাৰী ৰোগ এই পৃথিৱীৰ পৰা চিৰদিনৰ বাবে নিৰ্মূল কৰিলে আৰু এদিন হয়তো মেলেৰিয়াও নিৰ্মূল হ'ব— তাৰ বাবে প্ৰয়োজন হ'ব বিজ্ঞানীৰ ঐকান্তিক প্ৰচেষ্টা।

(তেত্ৰিশ)

জীৱন অতি ক্ষিপ্ৰতাৰে আগবাঢ়িবলৈ ধৰিলে।

ঠিক আগষ্ট মাহ সোমাবলৈ লওঁতেই আমাৰ লেবৰেটৰীৰ সদস্যৰ সংখ্যা বাঢ়িল। বন্দনা বিনীত নামৰ পাটনাৰ ছোৱালী এজনী মাষ্টাৰ্চ ডিগ্ৰীৰ বাবে আহিল, মাদ্ৰাজৰ ৰাজকুমাৰ ৰামলিংগম নামৰ যুৱক এজন প'ষ্ট ডক্টৰেল গৱেষণাৰ বাবে আহিল। ইতিমধ্যে ড° জাৰুৰীও আমেৰিকাৰ পৰা উভতি অহাত লেবৰেটৰী ভৰি পৰিল।

এদিন ড° জাৰুৰীয়ে মোক তেওঁৰ কক্ষলৈ মাতি নি ক'লে— 'ৰুবুল, গৱেষণাৰ উপৰি তোমাৰ আৰু বহুত দায়িত্ব আছে। তুমি চাকৰিয়াল; ষ্টুডেণ্টৰ দৰে কেৱল গৱেষণা কৰিলে নহ'ব। ডিপাৰ্টমেণ্টৰ অমুক-তমুক সুবিধাবোৰৰ দায়িত্ব তুমি ল'ব লাগিব।' মই— 'নিশ্চয় নিশ্চয়' বুলি ক'লোঁ। মই মনতে ভালেই পালোঁ, যিমানে দায়িত্ব ল'ম সিমানে শিকিম, শিকিলেহে আগুৱাই যাব পাৰিম। সমগ্ৰ ডিপাৰ্টমেণ্টটোত মোৰ সৈতে কেৱল তিনিজন ছায়েণ্টিফিক অফিচাৰ। গতিকে দায়িত্ব ঢেৰ।

ৰাজভীৰ সৈতে মোৰ বন্ধুত্ব ধীৰে ধীৰে বাঢ়িবলৈ ধৰিলে। মই ইংৰাজী ভালকৈ ক'ব নোৱাৰোঁ, সেয়েহে ৰাজভীৰ আগত আক্ষেপেৰে কওঁ— 'মই যে ইংৰাজী ভালকৈ

ক'ব নোৱাৰোঁ, সেয়েহে মানুহৰ আগত বৰ লাজ পাওঁ। মানুহৰ আগত বৰকৈ কথা নকওঁ লাজতে'। ৰাজভীয়ে মোক প্ৰবোধ দিছিল— 'চিন্তা নকৰিবাঁ, লাহে লাহে ক'ব পৰা হ'বাঁ।' তাৰ পাছত সি নিজৰ কথা সুঁৱৰি কৈছিল— 'আৰম্ভণিতে, প্ৰথম মই যেতিয়া ইয়ালৈ আহোঁ, ময়ো ইংৰাজী ক'ব নোৱাৰিছিলোঁ, এতিয়াও ইমান ভালকৈ নোৱাৰোঁ।' ৰাজভীৰ কথা শুনি মোৰ মন ভাল লাগি গৈছিল। ভাবিছিলোঁ, অন্ততঃ মোৰ দৰে এজন আছিল। এইটো কথা সঁচা যে যদিও নিজৰ কামখিনি বৰ উদ্যমেৰে কৰিছিলোঁ, মই ভিতৰি ভিতৰি বিৰাট নিচাত্মিকাবোধত ভুগিছিলোঁ। ইংৰাজী ক'ব নোৱাৰোঁ, তাতে মই হ'লোঁ গাঁৱৰ পৰা ওলাই অহা অভং। নগৰীয়া সভ্যতাৰ লগত খাপ খাবলৈ শিকাই নাই। মই হীনমন্যতাত ভোগা আৰু এটা কাৰণ আছিল— মোৰ জ্ঞান কেমিষ্ট্ৰীতহে আছিল, জীৱবিজ্ঞানৰ কথাবোৰ বৰকৈ নাজানিছিলোঁ। কিন্তু মোৰ চৌপাশৰ মানুহবোৰ আছিল বায়'লজীৰ গৱেষক, গতিকে মই তেওঁলোকৰ কথা-বতৰাত অংশগ্ৰহণ কৰিলেও নিমাতে বহি থাকিবলগীয়া হৈছিল।

মই ঘৰৰ কথা যিমান পাৰি লুকুৱাবলৈ চেষ্টা কৰিছিলোঁ। ঘৰৰ কথা ক'বলৈ লাজ লাগিছিল। মহানগৰীয়া আধুনিক মানুহৰ আগত গাঁৱৰ ভোকাতুৰ মানুহৰ কথানো কিদৰে কওঁ— মোৰ তেনেকুৱাই ভাব হৈছিল। সেয়েহে ঘৰৰ কথা, মা-দেউতাৰ কথাৰ পৰা যিমান পাৰি আঁতৰি থাকিছিলোঁ। কেতিয়াবা কোনোবাই ঘৰৰ কথা সুধিলে বহু কথা মিছাকৈয়ে কৈ দিছিলোঁ। আমাৰ ঘৰ অমুকহে, তমুকহে। কিন্তু ড° জাৰুৰীয়ে তলে তলে সকলো অনুমান কৰি মোৰ ঘৰৰ কথাবোৰ গম পাইছিল যেন লাগিছিল। মই মুখেৰে লুকুৱালে কি হ'ল, মোৰ দেহৰ অংগী-ভংগীয়ে চাগে সকলো কয়। মই জানিছিলোঁ যে দুখীয়াৰ ঘৰত জন্মাটো পাপ নহয়, কিন্তু মানুহে জানো মোৰ সংগ্ৰামৰ কথা শুনি বিৰক্ত নহ'ব?

জীৱনত আমি 'ক'ৰ পৰা আহিছোঁ'তকৈ ডাঙৰ কথা বৰ্তমান আমি 'কি কৰিছোঁ'। উদ্যোগপতি বিল গেটছে ক'বৰ দৰে 'দুখীয়া হৈ জন্ম লোৱাটো আমাৰ দোষ নহয়, কিন্তু দুখীয়া হৈ মৃত্যু হোৱাটো আমাৰ দোষ'।

আমাৰ ডিপাৰ্টমেণ্টৰ সৰহভাগ ল'ৰা-ছোৱালীয়েই আহিছিল দিল্লী-মুম্বাই-কলকাতা আদি মেট্ৰ'পলিটান চহৰৰ পৰা। অধিকাংশই আহিছিল আই আই টি অথবা দিল্লীৰ শ্ৰেষ্ঠ কলেজসমূহৰ পৰা। গোটেই প্ৰতিষ্ঠানটোত অসমীয়া ছাত্ৰ-ছাত্ৰী আছিল কেৱল তিনি-চাৰিজন। আমাৰ ডিপাৰ্টমেণ্টত কোনো অসমীয়া নাছিল। নিজকে প্ৰকাশ কৰি দেখুৱাব নজনা বাবে বাহিৰৰ অতি তীক্ষ্ণ ছাত্ৰ-ছাত্ৰীৰ সন্মুখত নিজকে ভোদা যেন লাগিছিল।

আন এদিন ড° জাৰুৰীয়ে মোক নিজৰ কক্ষলৈ মাতি নি কৈছিল— 'ইংৰাজী শিকা, এনেকৈ নহ'ব। মানুহৰে যোগাযোগ কৰিবলৈ, গৱেষণা-পত্ৰ লিখিবলৈ সকলোতে ইংৰাজীৰ দৰকাৰ।' তাৰ পাছত— 'ক'ৰ পৰা আহিছা পাহৰি যোৱা, ক'ত আছা তাক

ভাবা।' এনে মুহূৰ্তবোৰত কেতিয়াবা বিচলিত হৈ উঠিলে মোৰ দুই এজন বন্ধুৱে যাৰ সৈতে মোৰ কথাবোৰ ভাগ-বাটোৱাৰা কৰিছিলোঁ, প্ৰবোধ দিছিল— 'চিন্তা নকৰিবা বন্ধু, বেলেগে যদি এজাঁপ দি এই প্ৰতিষ্ঠান পাইছেহি, তুমি লংকাৰ পৰা সাগৰখন জঁপিয়াই এই ঠাই পাইছাহি, এতিয়া তুলনা নকৰিবাঁ, সময়ত চব ঠিক হৈ যাব।'

এনেবোৰ প্ৰতিবন্ধকতাৰ সন্মুখীন হোৱাৰ সত্ত্বেও কিন্তু মই গৱেষণাৰ কামত পিছুহুঁহকি নিদিলোঁ। পুৱা চাৰে আঠমান বজাতে লেব আহি পাইছিলোঁহি। প্ৰাতৰাশ কৰি মই সাধাৰণতে এনিমেল হাউছৰ এক্সপেৰিমেণ্টবোৰ প্ৰথমে কৰি লৈছিলোঁ। নিগনিৰ শৰীৰত মেলেৰিয়া বীজাণু কৰ্ষণ কৰা, নিগনিৰ দেহৰ পৰা বিভিন্ন কোষ-কোষিকা সংগ্ৰহ কৰি সেইবোৰৰ ওপৰত পৰীক্ষা-নিৰীক্ষা কৰোঁতেই এবেলা গৈছিল। দুপৰীয়াৰ আহাৰ খাই পুনৰ কামত লাগিছিলোঁ। মই সাধাৰণতে ৰাতি দহমান বজালৈকে এক্সপেৰিমেণ্ট কৰিছিলোঁ। ৰাতি ঘৰলৈ গৈ শোওঁতে শৰীৰ অৱশ হৈ উঠিছিল।

এইদৰে প্ৰায় এক-ডেৰ বছৰমান গ'ল। মোৰ গৱেষণাত কিছুমান নতুন ফল লাভ কৰিলোঁ। ইতিমধ্যে আমেৰিকাৰ পাৰডিউ বিশ্ববিদ্যালয়ত এটি গৱেষক দলৰ সহযোগিতাত আমি গেলডান মাইচিন নামৰ যৌগ এটিৰ মেলেৰিয়া প্ৰতিৰোধ ক্ষমতা উদ্ভাৱন কৰিলোঁ। মেলেৰিয়া সংক্ৰমিত নিগনিৰ দেহত এই যৌগটি প্ৰয়োগ কৰাৰ ফলত ভালেমান নিগনিয়ে ৰোগটিৰ পৰা মুক্তি পালে। আমি লক্ষ্য কৰিলোঁ যে এই যৌগটিয়ে নিগনিৰ দেহত নতুন কিছুমান প্ৰভাৱ পেলাবলৈ ধৰিলে। যেনে— নিগনিৰ তেজৰ কোষ কিছুমানৰ চৰিত্ৰ সলনি হৈ গ'ল। যাৰ ফলত নিগনিবোৰৰ শৰীৰত মেলেৰিয়া প্ৰতিৰোধ ক্ষমতা গঢ়ি উঠিল। নিগনিৰ তেজত লোহিত ৰক্ত কণিকা নামৰ কোষবিধৰ পৰিমাণ কমি গৈ 'ৰেটিকুলচাইট' নামৰ অন্য এবিধ ৰক্ত কণিকাৰ পৰিমাণ বাঢ়ি যাবলৈ ধৰিলে।

কিন্তু প্ৰশ্ন হ'ল— মেলেৰিয়া বীজাণুৱে যেতিয়া এই 'ৰেটিকুলচাইট' নামৰ কোষবিধক আক্ৰমণ কৰে, তেতিয়া নিগনিটোৱে মেলেৰিয়া ৰোগৰ বিৰুদ্ধে কেনেকৈ প্ৰতিৰোধ ক্ষমতা গঢ়ি তোলে?

এই ৰহস্যময় প্ৰশ্নৰ উত্তৰ দিবলৈ আৰম্ভ হ'ল নতুন এলানি পৰীক্ষা।

(চৌত্ৰিশ)

মুম্বাইখন কোলাহলৰ চহৰ।

য'লৈকে যোৱা যায়, তাতেই মানুহৰ সমাগম। চি এছ টি, গেটৱে' অৱ ইণ্ডিয়া, মেৰিন ড্ৰাইভ, কলাবাৰ ক'চৱে, য'লৈকে নাযাওক।

কিন্তু এনে নিৰ্মম কোলাহলৰ মাজতো শান্তিৰ নীৰৱতাই বিৰাজ কৰি থাকে এখন

ঠাইত, সেয়া হ'ল টি আই এফ আৰৰ চৌহদ। মই কেতিয়াবা আন্ধেৰী অথবা নবী মুম্বাই অঞ্চলৰ পৰা লোকেল ট্ৰেইনৰ ঠেলা-হেঁচাত আহি যেতিয়া টি আই এফ আৰৰ চৌহদত ভৰি দিওঁহি, তেতিয়া এটা দীঘল নিশ্বাস এৰিবৰ মন যায়।

টি আই এফ আৰ-ৰ মূল বিল্ডিঙৰ তলৰ মহলাত ৰেষ্ট কেণ্টিনখন। এই কেণ্টিনৰ পৰা পঞ্চাশ ফুটমান (আনুমানিক) দূৰতে আৰৱ সাগৰখন। কেণ্টিনত বহি থাকিলে মন নভৰালৈকে আৰৱ সাগৰৰ নিৰ্মল সৌন্দৰ্য উপভোগ কৰিব পাৰি। বৰ্ষাকালত জিৰ্‌জিৰ্ বৰষুণে যেতিয়া মুম্বাইখন ধুই থাকে, তেতিয়া আমাৰ কেণ্টিনত বহি সাগৰৰ ওপৰত সৃষ্টি হোৱা ধূসৰিত সৌন্দৰ্য উপভোগ কৰিব পাৰি। এই সৌন্দৰ্যই শৰীৰলৈ নমাই আনে এক ৰোমাঞ্চকৰ আবেশ।

ইমানতো যদি প্ৰাণ নভৰে, তেন্তে একেবাৰে সাগৰৰ পাৰতে বহিব পাৰি। বহিবলৈ প্ৰকাণ্ড প্ৰকাণ্ড শিল কিছুমানৰ যোগাৰ কৰি থোৱা আছে। এই শিলবোৰত বহি দূৰৰ, সাগৰৰ এটা পাৰত থকা মালাবৰ হিলছৰ সৌন্দৰ্য উপভোগ কৰিব পাৰি।

নতুবা প্ৰকৃতিৰ ৰূপ উপভোগ কৰাৰ ইচ্ছা নাথাকিলে, চকু-কাণ মুদি সাগৰৰ তৰ্জন-গৰ্জন শুনিব পাৰি। চিন্তাত হেৰাই যাব পাৰি বিজ্ঞানৰ ৰহস্যময় পৃথিৱীত।

আচলতে এইটোৱেই হয়। সাগৰৰ পাৰত যেন চকু-কাণ মুদি তপস্যাত নিমজ্জিত বিজ্ঞানৰ অলেখ ঋষি-মুনি।

টি আই এফ আৰত থকা সময়খিনিত মই এজন অতি তীক্ষ্ণ বুদ্ধিৰ অসমীয়া ছাত্ৰৰ সংস্পৰ্শলৈ আহিছিলোঁ। তেওঁ কোনোবা এখন আই আই টিত পঢ়ি আমাৰ প্ৰতিষ্ঠানত পি এইচ ডি কৰিবলৈ আহিছিল। তেওঁৰ দৰে ইমান মেধাৱী অসমীয়া ছাত্ৰ জীৱনত খুব কমেই লগ পাইছিলোঁ। তেওঁৰ অসমপ্ৰীতি আছিল সাংঘাতিক, সেয়েহে কেতিয়াবা কৈছিল— 'নিউটনে ইংলেণ্ডত যেতিয়া গতিৰ সূত্ৰ, কলন গণিত আৱিষ্কাৰ কৰিছিল, তেতিয়া আমাৰ অসমৰ মানুহে খোল-তাল লৈ গান-বাজনা কৰি আছিল। আধুনিক মানুহে দৈনন্দিন জীৱনত ব্যৱহৃত এপদ সম্পদো যদি আমাৰ অসমীয়াই আৱিষ্কাৰ কৰিলেহেঁতেন, তেন্তে অসমীয়াৰ কৃষ্টি-সংস্কৃতি বহু পৰিমাণে অটুট থাকিলেহেঁতেন।' এই তীক্ষ্ণধী ছাত্ৰজন কালৰ সোঁতত ক'ত হেৰাই গ'ল, তাৰ কোনো শুংসূত্ৰ নাপাওঁ, কিন্তু মোৰ দৃঢ় বিশ্বাস যে তেওঁ য'তেই নাথাকক কিয়, মানৱতাৰ অৰ্থে জ্ঞানৰ অন্বেষণ কৰি যাব।

ফেব্ৰুৱাৰীৰ মাহৰ মাজভাগত এদিন মোৰ এক্সপেৰিমেণ্ট কিছুমান বিফল হোৱাত, বিষণ্ণ মনেৰে সাগৰৰ পাৰত বহিলোঁগৈ। নিগনিৰ তেজৰ 'ৰেটিকুলচাইট'ৰ পৰা মেলেৰিয়াৰ বীজাণু আহৰণ কৰিব খুজিছিলোঁ, কিন্তু নিগনিবোৰ কোনো কাৰণত মৰি থাকিল। তাৰ মানে মোৰ পৰৱৰ্তী এক্সপেৰিমেণ্টৰ বাবে এক সপ্তাহমান ৰ'ব লাগিব। এসময়ত সাগৰৰ পাৰৰ পৰা উঠি কেণ্টিনৰ ফালে গ'লোঁ। ৰেষ্ট কেণ্টিনত দুপৰীয়াৰ আহাৰ পৰিৱেশন

কৰিলেই। খাবলৈ সিমান মন নাছিল যদিও কৰিবলৈ একো নথকাত খোৱাৰ বাবে পতা মানুহৰ শাৰীত থিয় দিলোঁগৈ। তেনেতে ড° জাহ্নৱী আহি মোৰ পিছফালে থিয় হ'লহি। মই সম্ভাষণ জনালোঁ। ড° জাহ্নৱীয়ে ওলোটাই সুধিলে— 'এক্সপেৰিমেণ্ট কেনে চলিছে?' মই ক'লোঁ যে সিমান ঠিক নহয়, কাৰণ মোৰ নিগনিবোৰ মৰি থাকিল। ড° জাহ্নৱীয়ে সুধিলে, 'কি এক্সপেৰিমেণ্ট?' মই ক'লোঁ যে ৰেটিকুলচাইটৰ পৰা মেলেৰিয়েল পেৰাচাইট আহৰণ কৰিব খুজিছিলোঁ, কিন্তু অজ্ঞাত কাৰণত নিগনিবোৰ মৰিল।

আমি নিজৰ নিজৰ প্লেটত খোৱাৰ বস্তু ল'লোঁ। মই ভেজ পোলাও, কণী দুটা আৰু চিকেন কাৰি ল'লোঁ। আমি খোৱাৰ আহাৰ লৈ টেবুল এখনত বহিলোঁগৈ—সাগৰৰ ফালে মুখ কৰি। খোৱা আৰম্ভ কৰাৰ পিছত ড° জাহ্নৱীয়ে পুনৰ আৰম্ভ কৰিলে—

— নৰ্থ-ইষ্টৰ খবৰ কি?

— ভালেই।

— ভায়'লেন্সবোৰ কমিছেনে অলপ?

— আগতকৈ কমিছে, কিন্তু ক'ব নোৱাৰি কোনদিনা হঠাৎ বোমা ব্লাষ্ট হৈ যায়।

— হয় নেকি?

ড° জাহ্নৱীয়ে অলপ ৰৈ আকৌ ক'লে— 'যোৱা ডিচেম্বৰ মাহত মই গুৱাহাটী আই আই টিলৈ গৈছিলোঁ। টি আই এফ আৰৰ বাছনি পৰীক্ষা কনডাক্ট কৰিবলৈ। দেখিলোঁ গুৱাহাটীখন বৰ বেয়াকৈ ধ্বংস হৈছে। গুৱাহাটীৰ জৈৱ-বৈচিত্ৰ্য হেৰাই গৈছে। প্ৰদূষণৰ মাত্ৰা বাঢ়িছে।' মই যোগ দিলোঁ— 'কেৱল গুৱাহাটীতে নহয়, সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে তেনে হৈছে।'

আমি আকৌ খোৱাত মগ্ন হ'লোঁ। দূৰত, সাগৰত এখন জাহাজ ধীৰে ধীৰে অসীমলৈ যাত্ৰা কৰিছে। সাগৰৰ পাৰৰ শিলবোৰত খেনুৱে গৈ বহিছেগৈ।

তাৰ পাছত ড° জাহ্নৱীয়ে পুনৰ ৰিছাৰ্চৰ কথা আৰম্ভ কৰিলে— 'জানা, যিবোৰ অণুজীৱই ৰেটিকুলচাইট কোষবোৰ আক্ৰমণ কৰে, সেই অণুজীৱবোৰৰ কোষৰ আৱৰণত (মেমব্ৰেন) কি প্ৰ'টিন বা এণ্টিজেন আছে, সেয়া পুংখানুপুংখকৈ অধ্যয়ন কৰাটো ভাল হ'ব।' মই ক'লোঁ— 'নিশ্চয়, কিন্তু তাৰ বাবে মাচ স্পেকট্ৰোমেট্ৰিৰ প্ৰয়োজন হ'ব। একা-চেকা মাচ স্পেকট্ৰোমেট্ৰি নহয়, প্ৰ'টিন যৌগ চিনাক্ত কৰিব পৰা মাচ স্পেকট্ৰোমেট্ৰি লাগিব।' ড° জাহ্নৱীয়ে ক'লে— 'অ' নিশ্চয়'। মই ক'লোঁ— 'আমাৰ ইয়াত দেখোন তেনেকুৱা সুবিধা নায়েই।' তেনেকুৱা সুবিধা আমাৰ ইয়াত স্থাপন কৰিবলৈ বহু কোটি টকাৰ প্ৰয়োজন হ'ব। ড° জাহ্নৱীয়ে ক'লে— 'চাওঁচোন।'

আমি খাই-বৈ লেবৰেটৰীলৈ উভতি গ'লোঁ, ড° জাহ্নৱী নিজৰ কক্ষলৈ। কিন্তু অলপ পাছত ড° জাহ্নৱীয়ে আহি ক'লেহি— 'আহাঁচোন মোৰ কক্ষলৈ।' মই তেওঁৰ পিছে পিছে গৈ তেওঁৰ কক্ষত উপস্থিত হ'লোঁগৈ।

ড° জাৰুৰীয়ে ক'লে— 'আমেৰিকালৈ যাবা নেকি?'

মই কথাষাৰ শুনি তেওঁ ধেমালি কৰা বুলি ভাবিছিলোঁ। মই অলপ হাঁহি ক'লোঁ— 'নিশ্চয় যাম। পিছে কি সকামত বা?' ড° জাৰুৰীয়ে এইবাৰ গহীন হৈ ক'লে— 'মই ধেমালি কৰা নাই। পাৰডিউ বিশ্ববিদ্যালয়ত প্ৰটিয়মিক্স আৰু মাচ স্পেকট্ৰোমেট্ৰিৰ ভাল সুবিধা আছে। তাত তুমি ট্ৰেইনিং লৈ আহিলে আমাৰ ইয়াতো তেনে সুবিধা স্থাপন কৰিব পৰিম।' মই ড° জাৰুৰীৰ কথাত দ্বিতীয়বাৰ সন্দেহ প্ৰকাশ নকৰিলোঁ।

আহ। আমেৰিকালৈ যাম।

সেইদিনা মোৰ মনত যে কিমান আনন্দ লাগিছিল!

(পঁয়ত্ৰিশ)

মই আগতে কৈছিলোঁ যে 'কষ্ট আৰু ভাগ্য'ই জীৱনৰ কৃতি-খ্যাতি আনি দিয়ে।

কষ্টঃ কঠোৰ পৰিশ্ৰমেৰে লেবৰেটৰীত পৰীক্ষা কৰি গ'লোঁ মেলেৰিয়া পেৰাচাইটে যেতিয়া তেজৰ ৰেটিকুলচাইট নামৰ কোষবিধক আক্ৰমণ কৰে, তেতিয়া এই সংক্ৰমণ সিমান মাৰাত্মক নহয়।

ভাগ্য ঃ ড° জাৰুৰীয়ে এই সম্পৰ্কীয় অধিক পৰীক্ষাৰ বাবে আমেৰিকালৈ যাবলৈ সুযোগ দিলে।

দ্বিতীয়তে, জীৱনটো যে 'ট্ৰেজাৰ হাণ্ট'ৰ দৰে, সেয়াও কৈছিলোঁ।

চাকৰিৰ পম খেদি বা 'ক্লু' বিচাৰি টি আই এফ আৰ পালোঁহি। ইয়াত আহি গৱেষণাত নতুন 'ক্লু' পালোঁ। সেই 'ক্লু' লৈয়ে আমেৰিকালৈ যাবলৈ সুযোগ পাইছোঁ। তাৰ পাছত আমেৰিকাৰ পৰা নতুন 'ক্লু'লৈ ক'ত, কেতিয়া, কেনেকৈ ওলামগৈ, কোনে জানে?

সেয়াই জীৱন। কেৱল মনত ৰখা উচিত— ট্ৰেজাৰ হাণ্টৰ খেলখনত যাতে হাৰি দিয়া নাযায়।

(ছয়ত্ৰিশ)

জীৱনত য'লৈকে গৈছোঁ, তাতেই নতুন সপোন দেখাৰ সুযোগ পাইছোঁ। আমেৰিকালৈ যাবলৈ লৈছোঁ, গতিকে মোৰ বিশ্বাস হ'বলৈ ধৰিছে যে তালৈ যোৱাৰ পাছত এটা নতুন সপোনৰ উৎস বিচাৰি পাম। মোৰ জীৱনৰ অভিজ্ঞতাই মোক কৈছে যে প্ৰথমে এটা সপোন দেখিম, তাৰ পাছত এই সপোনক বাস্তৱায়িত কৰিবলৈ উঠিপৰি কামত লাগিম। অন্ততঃ কামত যে লাগিব পাৰিম, সেইকণ দৃঢ়তা আছে, ফল কি হয় সময়ত দেখা যাব।

(সাতত্ৰিশ)

মাৰ্চ মাহৰ মাজভাগত ড° জাহ্নৱী আমেৰিকালৈ গ'ল। যোৱাৰ সময়ত কৈ গ'ল— 'মই পাৰডিউ বিশ্ববিদ্যালয়ত তোমালোকৰ বাবে (মোৰ সৈতে লেবৰ আৰু এজন যোৱাৰ সিদ্ধান্ত হ'ল) চামাৰ ইন্টাৰ্নশ্বিপ যোগাৰ কৰাৰ চেষ্টা কৰিম, ফেল'শ্বিপ এটা হ'লে ভাল হ'ব, নহ'লে বহুত খৰচ হ'ব।' যোৱাৰ দুদিনমানৰ পাছতে ড° জাহ্নৱীয়ে ই-মেইল কৰি ক'লে যে তেওঁ ইতিমধ্যে বিশ্ববিদ্যালয়খনৰ ডিস্ক'ভাৰী পাৰ্কত থকা এটা ছামাৰ ইন্টাৰ্নশ্বিপ আমাৰ বাবে যোগাৰ কৰিছে। আমি উৎফুল্লিত হৈ উঠিলোঁ— তাৰ মানে আমি আমেৰিকাৰ পৰা ফেল'শ্বিপ পাম। তাৰ বাবে আমি যাৱতীয় প্ৰ-পত্ৰ ভৰাই পঠিয়ালেই হ'ল।

কিন্তু সমস্যা হ'ল মোৰ পাছপ'ৰ্ট নাই। মই পাছদিনাই ট্ৰেইনেৰে গুৱাহাটীলৈ ৰাওনা হ'লোঁ। গুৱাহাটীৰ পাৰপত্ৰ অফিচত কেইবামাহৰ আগতেই মই পাছপ'ৰ্ট এপ্লাই কৰিছিলোঁ, কিন্তু তেতিয়ালৈকে মোৰ পাছপ'ৰ্ট অহাৰ কোনো সম্ভেদ পোৱা নাছিলোঁ। গুৱাহাটীত 'তৎকাল' সেৱাৰ যোগেদি যেনিবা পাৰপত্ৰ দুদিনতে পালোঁ। মই পুনৰ ট্ৰেইনেৰে মুম্বাই আহি পাওঁতে এপ্ৰিল মাহ সোমাল।

মুম্বাইলৈ আহি গম পালোঁ যে পাৰডিউ বিশ্ববিদ্যালয়ত আমি ভাগ ল'বলগীয়া গ্ৰীষ্মকালৰ প্ৰগ্ৰেমটো মে' মাহৰ মাজভাগতে আৰম্ভ হ'ব। আমি মে'ৰ ঊনৈশ তাৰিখৰ ভিতৰত গৈ পাবগৈ লাগে। মনত খদমদম লাগিল। ইফালে ভিছা এপ্লাই কৰিবৰ বাবে প্ৰয়োজনীয় ডি এছ- ২০১৯ কাগজখন আমেৰিকাৰ পৰা তেতিয়াও আহি পোৱা নাই। অৱশেষত যেনিবা এদিন এই কাগজখনো আহি পালে। তেতিয়ালৈ হাতত সময় এমাহো নাই।

মোৰ আন এটা সমস্যা হ'ল— আমেৰিকালৈ যাবলৈ হাতত ফুটাকড়ি এটাও নাই। কথা হৈছিল যে যিহেতু পাৰডিউ বিশ্ববিদ্যালয়ৰ ফেল'শ্বিপ লৈ যাম, আমাৰ প্ৰতিষ্ঠানে তালৈ যাবৰ বাবে এটকাও নিদিয়ে। প্ৰথমে নিজৰ পইচাৰে আমেৰিকালৈ যাব লাগিব, এবাৰ তাত উপস্থিত হোৱাৰ পাছত যেনিবা ফেল'শ্বিপৰ টকাৰে সকলো চম্ভালিব পৰা যাব।

মই কি কৰোঁ উপায় নাপালোঁ। উপায় নাপাই এদিন ড° জাহ্নৱীলৈ ই-মেইল কৰিলোঁ— 'আপোনাক ক'বলৈ লাজেই লাগিছে, মোৰ ওচৰত এটকা পইচাও নাই। বিশ্বাস কৰক— মই পাছপ'ৰ্টৰ বাবে যোৱা মাহত ঘৰলৈ যাওঁতে আনৰ পৰা তিনি হাজাৰ টকা ধাৰলৈ লৈ গৈছিলোঁ। ঘৰৰ পৰা আহি যেনিবা দৰমহা পালোঁ, কিন্তু দৰমহাৰ টকাৰে ভিছা এপ্লাই কৰা আদি অন্যান্য কামবোৰ কৰিবলৈ হ'বহে। এতিয়া কি কৰোঁ ভাবি পোৱা নাই।'

ড° জাৰুৱীৰ উত্তৰ আহিল— 'চিন্তা নকৰিবা, টি আই এফ আৰৰ একাউণ্টৰ পৰা শীঘ্ৰেই লোন এটা লোৱাঁ, এক লাখ মান টকাৰ, ইয়াৰ পৰা উভতি যোৱাৰ পাছত লোনটো মাৰি দিব পাৰিবা।' ড° জাৰুৱী বৰ দয়ালু মানুহ আছিল। তেওঁ তলে তলে আৰু এটা ব্যৱস্থা কৰিছিল— তেওঁ ডিপাৰ্টমেণ্টক খাতিৰ কৰি মোক ত্ৰিশ হাজাৰ টকা দিবলৈ কৈছিল। তেওঁ হেনো কৈছিল— 'ল'ৰাটো বৰ দুখীয়া ঘৰৰ, তাক কেইহাজাৰ মান টকা দান দিব পাৰিলে তাৰ বৰ উপকাৰত আহিব'। এই কথাটোৱে মোক পাছত কন্দুৱাই তুলিছিল।

হাতত আৰু বিশ দিন। ভিছাৰ দিন আহিল। মনত আকৌ উখল-মাখল লাগিল। ভিছা যদি নাপাওঁ? তেতিয়া জীৱনৰ সকলো ৰং-আনন্দ যেন মষিমূৰ হৈ যাব।

ভিছা ইণ্টাৰভিউৰ দিনা পুৱা আঠ বজাতে গৈ মুম্বাইত থকা আমেৰিকাৰ দুতাৱাসৰ বাহিৰত ইতিমধ্যে লাগি থকা মানুহৰ শাৰীত থিয় হ'লোঁগৈ। এজন এজনকৈ মানুহবোৰক ভিতৰলৈ যাবলৈ দিয়া হ'ল। কঠোৰ নিৰাপত্তাজনিত পৰীক্ষাৰ পাছত নিৰ্দিষ্ট স্থানত উপস্থিত হৈ ইণ্টাৰভিউৰ বাবে অপেক্ষা কৰিলোঁ। আৰু বহু সময়ৰ অপেক্ষাৰ অন্তত ইণ্টাৰভিউৰ বাবে নিমন্ত্ৰণ আহিল। সৰু ইণ্টাৰভিউৰ বুথ এটাত সোমাই ইণ্টাৰভিউ লোৱা অফিচাৰজনৰ মুখামুখি হ'লোঁ। গ্লাছ উইনড'ৰ সিপাৰে বহি থকা অফিচাৰজনৰ সৈতে মাইক্ৰ'ফোনেৰে যোগাযোগ কৰিলোঁ। তেওঁ মোৰ ডি এছ-২০১৯খন বিচাৰিলে। তাৰ পাছত মোৰ গৱেষণা সংক্ৰান্তীয় দুই-এটা প্ৰশ্ন সুধিবলৈ ধৰিলে। ইণ্টাৰভিউৰ শেষত ক'লে— 'অভিনন্দন আপোনাৰ ভিছা এপ্ৰোভ হৈ গৈছে।'

আনন্দমনেৰে সেইদিনা সন্ধিয়াই ভি এফ এছ অফিচৰ পৰা ভিছাসম্বলিত পাছপ'ৰ্ট আনিলোঁগৈ। আমেৰিকালৈ যাবলৈ ইণ্ডিয়ান এয়াৰলাইন্স বিমানত টিকট কৰাও হৈ গ'ল। চৈধ্য মে'ত আৰম্ভ হ'ব যাত্ৰা।

চৈধ্য মে'ৰ পুৱা সাত বজাত আমাৰ ফ্লাইট থকাৰ বাবে আগদিনা ৰাতিয়েই আমি এয়াৰপ'ৰ্টলৈ যাব লগা হৈছিল। ফলত আগদিনা গধূলিয়েই মই ঘৰলৈ ফোন কৰি মাহঁতৰ লগত কথা পাতিব লগা হ'ল। সন্ধিয়া ফোন কৰি গম পালোঁ যে দিনত হেনো আমাৰ ঘৰত কেইজনমান গাঁৱৰ ভকতক মাটি আনি সকাম পাতিছিল— মই আমেৰিকালৈ যোৱাৰ অৰ্থে প্ৰাৰ্থনা এভাগ কৰিবলৈ। কথাটো অৱশ্যে মাহঁতে গোপনে ৰাখিবলৈ বিচাৰিছিল, কাৰণ এইবোৰ কথা গম পালে মই ভাল নাপাম সেইটো ভাবি। পিছে পৰিয়ালৰ অন্য সদস্যই মোক এই খবৰটি বৰ গোপনভাৱে দিলে। মাহঁতৰ মন বেয়া লাগিব বুলি মই ওলোটাই একো নক'লোঁ।

গধূলি মই ঘৰলৈ ফোন কৰোঁতে পৰিয়ালৰ সকলো সদস্য ওচৰ চাপি আহিল। সকলোৱে কথা পাতিব বিচাৰিলে। কিন্তু মায়ে চিঞৰি চিঞৰি ক'লে— 'আজি ফোন

কোনেও নাপাব। মোৰ ল'ৰা আজি আমেৰিকালৈ যাব, তহঁতে তাৰ মূল্য বুজি নাপাব।'

ৰাতি চাৰে তিনি মান বজাতে এয়াৰপ'র্টলৈ গ'লোঁ। ইমাইগ্রেচনৰ সকলো কাম সম্পূর্ণ কৰি এসময়ত পুৰাৰ ফ্লাইটৰ বাবে অপেক্ষা কৰি ৰ'লোঁ।

এয়াৰপ'র্টত বহি থাকোঁতে ঘৰলৈ মনত পৰিল। দূৰত ঘুমটিয়াই থকা গাঁওখনলৈ, ৰাতিৰ আন্ধাৰত নিস্তব্ধে শুই থকা পঁজা ঘৰবোৰলৈ। এবাৰ ভাবিলোঁ ঘৰলৈ ফোন লগাই চাওঁ— কিজানিবা মানুহবোৰ সাৰে আছেই। ফোনটো বাজিল, ৰিং হৈ হৈ কাটি গ'ল। মনতে ভাবিলোঁ সকলো চাগে নিদ্রামগ্ন।

পুৰা ফ্লাইটত বৰ্ডিং কৰাৰ আগতে আকৌ এবাৰ ফোন লগালোঁ। এইবাৰ ফোন ৰিং হোৱা মাত্রকে মায়ে ধৰিলে। মই ক'বলৈ পোৱাৰ আগতেই মায়ে ক'ব ধৰিলে— 'কালি ৰাতি তই ফোন কৰিছিলি, মই নাপালোঁ, বাপেৰে যিহে কাণ্ড কৰিলে।' মই উৎসুকতাৰে সুধিলোঁ— 'কিয়, কি হ'ল?' মায়ে ক'লে— 'তই গধূলি ফোন কৰোঁতে ঘৰত নাছিল নহয় হতশ্ৰীহোৱা বাপেৰে। ৰাতি আহি তোলৈ ফোন কৰিম বুলি কোঁ-কোঁৱাই আছিল। মই ক'লোঁ আজি কোনেও ফোন নাপাব। ৰাতি মই ফোনটো শিতানত লৈ শুই থাকিলোঁ, কেতিয়ানো জহনিত যোৱা বাপেৰে আহি লৈ গ'ল গমেই নাপালোঁ। কথা পাতিম বুলি নিছিলে, পিছে নাক বজাই বজাই শুইহে থাকিলগৈ।' মই মাৰ কথাত আমোদ পাই হাঁহিলো— বেচেৰা দেউতাটো।

পুৰা সাত বজাৰ পাছতে আমাৰ বিমান উৰিবলৈ সাজু হ'ল। পূৱত সূর্যোদয় হৈছে।

তেতিয়া দূৰৈৰ এখন দুৰ্গম গাঁৱত, এটি বাঁহৰ পঁজা ঘৰত উৰিবলৈ লৈছে কিছুমান সপোন!

(আঠত্রিশ)

আকাশমাৰ্গৰ পৰাই চিকাগো চহৰৰ শাৰী শাৰী ঘৰবোৰ দেখিলোঁ। জীৱনত প্ৰথম বিদেশলৈ আহিছোঁ। আনন্দত মন মতলীয়া।

আমাৰ বিমানে পিছবেলা চাৰি বজাতে চিকাগোৰ অ'হাৰে আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত অৱতৰণ কৰিলেও ইমেইগ্ৰেচনৰ কাম শেষ কৰি বিমানবন্দৰৰ বাহিৰ ওলাওঁতে ছয়মান বাজিল। বাহিৰত মোক নিবলৈ ৰৈ আছিল পাৰডিউ বিশ্ববিদ্যালয়ৰে প্ৰফেছৰ ড° পংকজ শৰ্মা। ড° শৰ্মাই মোক নিজৰ গাড়ীলৈ আগুৱাই নিলে। তেওঁৰ সৈতে চিকাগো চহৰৰ মাজে মাজে ৱেষ্ট লাফায়াটে চহৰলৈ অগ্ৰসৰ হওঁতে চহৰৰ শাৰী শাৰী সুৰম্য অট্টালিকাবোৰ দেখি বিস্ময় মানিলোঁ। এসময়ত চহৰ পাৰ হ'লোঁ, হাইৱেৰ কাষে কাষে বিস্তীৰ্ণ গোমধান

খেতিৰ পথাৰ দেখি তবধ মানিলোঁ। এনেদৰে অজানমুলুকত নিজকে সহজ কৰি ল'বলৈ চেষ্টা কৰোঁতেই ড° শৰ্মাই মাত লগালে—

— চ'... তুমি টি আই এফ আৰত কি ছাবজেক্ট পঢ়া?

— মই বায়'লজী।

— সেইটো জানিছোঁ, মানে কি বা ছাবজেক্টৰ ক'ৰ্চ ল'ব লগা হয়নে?

— অঁ, এটা ছাবজেক্টৰ ক'ৰ্চ লৈছিলোঁ। মেথড্‌ছ ইন মলিকুলাৰ বায়'লজী।

— কি ক'লা, মেটেলাৰ্জী?

— নহয় মলিকুল্যাৰ বায়'লজী।

— তুমি বায়'লজীৰ হৈ মেটেলাৰ্জীৰ ছাবজেক্ট কিয় পঢ়িছা?

মই বুজি উঠিলোঁ যে মোৰ পুতৌলগা ইংৰাজী ড° শৰ্মাই বুজি পোৱা নাই। মই তেওঁক এই সাধাৰণ কথাটি বুজাবলৈ আপ্ৰাণ চেষ্টা কৰিলোঁ। শেষত তেওঁ ক'লে— 'অ'কে, হ'ব দিয়া।' মই জানো যে মোৰ অত প্ৰচেষ্টাৰ অন্ততো তেওঁ বুজি নাপালে। আমি হাইৱে'ৰ মাজেদি তীব্ৰ গতিৰে গৈ থাকোঁতে, পশ্চিমত লাহে লাহে বেলিটো ডুবিবলৈ ধৰিলে। ডুবন্ত বেলিৰ ৰঙা পোহৰৰ আঁচোৰ আহি আমাৰ গাড়ীৰ খিৰিকীত পৰিলহি। বেলিটো ডুবা দেখি মোৰ ভাব হ'বলৈ ধৰিলে— এই বেলিটোৱেই অলপ সময়ৰ পাছত গৈ আন্ধাৰত শুই থকা আমাৰ গাঁওখন জগাই দিবগৈ। তেতিয়াই মাহঁতৰ মোলৈ মনত পৰিব। নহয়, আচলতে মই মাহঁতক স্মৰণ কৰি থকা কথাটো বেলিটোৰ পোহৰে বহন কৰি লৈ যাব, আৰু পুৱাই মাহঁতৰ মগজুত সিঁচি দিব, তেতিয়াহে সিহঁতৰ মোলৈ মনত পৰিব।

তন্ময়তাৰে নানান কথা ভাবি ভাবি আহি থাকোঁতেই ৱেষ্ট লাফায়াটে পালোঁহি। পাৰডিউ বিশ্ববিদ্যালয়ৰ চৌহদত তেতিয়া শান্ত-সৌম্য পৰিৱেশ। ইতিমধ্যে চৌপাশ আন্ধাৰে আৱৰি ধৰিলে। ষ্ট্ৰীট লাইটৰ ভাস্বৰতাত বিশ্ববিদ্যালয়ৰ চৌহদটো জিলিকি উঠিল। জিলিকি উঠিল অত্যাধুনিক-পৌৰাণিক গৃহবোৰ। ড° শৰ্মাই মোক পোনে পোনে 'খানা-খাজানা' নামৰ ৰেস্তোৰাঁ এখনলৈ লৈ গ'ল। ক'লে— 'আজি তুমি ইয়াৰ পৰাই কিবা এটা কিনি লৈ যোৱা, ৰাতি খাবাগৈ।' ড° শৰ্মাই মোক খোৱাৰ আহাৰ অলপ কিনি দিলে। তাৰ পাছত তেওঁ মোক মই থাকিবলগীয়া এপাৰ্টমেণ্টটোলৈ লৈ গ'ল। এপাৰ্টমেণ্টত মোৰ হ'বলগীয়া ৰুমমেট বৈ আছিল। ইতিমধ্যে ৰাতি হৈ অহাত, প্ৰচণ্ড ভাগৰে মোৰ শৰীৰ হেঁচা মাৰি ধৰিছিল, মই গৈ বিছনাত পৰিলোঁগৈ।

তেতিয়ালৈ চাগে আমাৰ গাঁৱৰ সকলো মানুহ শোৱাপাটীৰ পৰা উঠিল।

মই পিছদিনা সন্ধিয়াহে ঘৰলৈ ফোন কৰিবলৈ সুবিধা পালোঁ। মোৰ ৰুমমেটৰ ম'বাইলৰ পৰাই ফোন কৰিলোঁ। ঘৰত উদ্বিগ্নতাৰে বৈ আছিল মোৰ খবৰ পাবলৈ। মই

কুশলে আহি পোৱা বুলি খবৰ দিলোঁ। মায়ে খবৰ দিলে— 'আজি ঘৰটোৰ মূধচ ছোৱাবলৈ মানুহ মাতিছোঁ, ঘৰৰ মূধচটো বতাহে নিলে।' মোৰ অলপ হাঁহি উঠিল। 'সেই মূধচডাল আৰু বতাহে কিমান নিনিয়ে'— মই ভাবিলোঁ। কিন্তু দোষটোতো মোৰেই, মই যে ঘৰ এটা সাজি দিব পৰা নাই। মই মনতে সংকল্প ল'লোঁ, এইবাৰ ফেল'শ্বিপত বঢ়া টকাৰে আৰু এই মাহকেইটাত টি আই এফ আৰত জমা হৈ থকা দৰমহাৰ টকাৰে ঘৰ সজাৰ কাম আৰম্ভ কৰিব লাগিব। ইয়াৰ পৰা উভতি গ'লেই আৰম্ভ কৰিব লাগিব।

পৰৱৰ্তী দিনকেইটাত মই পাৰডিউৰ পৰিৱেশ বেচ উপভোগ কৰিলোঁ। মে' মাহৰ পুৱাবোৰ কুঁৱলীৰে সিক্ত হৈ থাকে। মসৃণকৈ কটা ঘাঁহেৰে পৰিপূৰ্ণ য়াৰ্ডবোৰত যেন বাগৰি দিবৰ মন যায়। চৌপাশ উজ্জ্বল, বসন্তৰ কমোষ্ণতাত শৰীৰ শিহৰিত। কি ৰোমাঞ্চকৰ এই অনুভৱ। পুৱা নিয়ৰসিক্ত দূৰৈত দৌৰি থকা শহাবোৰ দেখিলে মৰম কৰিবৰ মন যায়। অন্তৰ গলোৱা এই দৃশ্যবোৰ চাই চাই মই দিন কটাবলৈ ধৰিলোঁ।

ড° জাহ্নৱী তেতিয়াও পাৰডিউ বিশ্ববিদ্যালয়তে আছিল। তেওঁ প্ৰায়েই পাৰডিউ ভ্ৰমণ কৰে, কাৰণ তেওঁৰ পত্নী ইয়াৰে চাকৰিয়াল আৰু জীয়েক দুজনীও পাৰডিউতে পঢ়িছিল। এদিন তেওঁ মোক বিশ্ববিদ্যালয়ৰ ডিস্ক'ভাৰী পাৰ্কত থকা বিণ্ডলি বায়'ছায়েঞ্চ ডিপাৰ্টমেণ্টলৈ লৈ গ'ল। তাতেই মোৰ গৱেষণাৰ কাম হ'ব পৰৱৰ্তী তিনি মাহ। ড° জাহ্নৱীয়ে মোৰ গৱেষণাৰ নতুন গাইডজনক চিনাকি কৰি দিলে। তেওঁৰ নাম ড° ইৰি আডামেক। ছয়ফুটমান ওখ মানুহজন চেক গণৰাজ্যৰ পৰা অহা। অৱশ্যে এতিয়া তেওঁ আমেৰিকাৰে স্থায়ী বাসিন্দা। তজবজীয়া, গোল আৰু ওফন্দা গাল, মসৃণকৈ ফণীয়াই পিছফালে চুলি বন্ধা মানুহজনক হলিউডৰ নায়ক যেন লাগিছিল। তেওঁৰ ইংৰাজীত ইউৰোপীয় ঠাঁচ আছে যদিও বুজি পোৱা যায়। ড° আডামেকে মোক তেওঁৰ অধীনত পি এইচ ডি কৰা পেইজ নামৰ ছাত্ৰী এজনীৰ সৈতে চিনাকি কৰাই দিলে। পেইজেই মোক প্ৰটিয়মিকচ আৰু মাচ স্পেকট্ৰোমেট্ৰি শিকাব।

কেইদিনমানৰ পাছত ড° জাহ্নৱীয়ে ক'লে যে মই মোৰ গৱেষণাৰ এটি 'প্ৰেজেণ্টেশ্যন' দিব লাগে। তেওঁ 'ইণ্ড'-ইউ এছ'ৰ এটি অনুদান আয়োগৰ ওচৰত আমাৰ গৱেষণাৰ বাবে আৰ্থিক অনুদানৰ আবেদন কৰিছে। মই হ'ব বুলি ক'লোঁ। ড° জাহ্নৱীয়ে ক'লে যে মই প্ৰথমতে প্ৰেজেণ্টেশ্যন তেওঁক আৰু ড° আডামেকক এবাৰ দেখুৱাই ল'ব লাগে। মই প্ৰেজেণ্টেশ্যন তৈয়াৰ কৰি এদিন ড° জাহ্নৱী আৰু ড° আডামেকৰ সৈতে বহিলোঁ। মোৰ পুতৌ লগা ইংৰাজীৰ বাবে মই যি ক'ব খুজিছিলোঁ সেয়া ক'ব নোৱাৰিলোঁ। ড° জাহ্নৱী খণ্ডত অগ্নিশৰ্মা হৈ উঠিল, তেওঁ কৰ্কশ মাতেৰে ক'লে— 'ৰুবুল, তুমি ইংৰাজী ক'বলৈ জানিবই লাগিব, ন' এক্সকিউজ।' কওঁতে তেওঁৰ বগা গালখন ৰঙচুৱা হৈ পৰিল। ড° আডামেকে উপায়হীনভাৱে বহি থাকিল। ড° আডামেকৰ সন্মুখত মই বৰ

লাজ পালোঁ। মই বুজিছোঁ যে মোৰ যোগাযোগৰ দীনতাত ড° জাহ্নৱী উদ্বিগ্ন হৈ উঠিছে। তেওঁৰ মোৰ প্ৰতি থকা পুত্ৰস্নেহসম মৰমৰ বাবেই এইদৰে খং কৰিছে।

সেইদিনা এপাৰ্টমেণ্টলৈ উভতি আহি মই হৃদয়ংগম কৰিলোঁ— ড° জাহ্নৱীয়ে ঠিকেই কৈছে— মই ইংৰাজী জানিবই লাগিব, তাৰ কোনো এক্সকিউজ নাই।

(উনচল্লিশ)

'ৱান থিং লীডছ টু আনাডাৰ', এটা ঘটনাই আন এটালৈ লৈ যায়। মই ইংৰাজী শিকিবলৈ গৈ কি পালোঁগৈ শুনক—

ইংৰাজী শিকিবৰ বাবে প্ৰাৰম্ভিকতে মই 'অনলাইন নিউজ আইটেম'বোৰ খুব পঢ়িবলৈ ধৰিলোঁ, পঢ়ি পঢ়ি নজনা শব্দবোৰ আৰু তাৰ অৰ্থবোৰ লিখি গ'লোঁ, সময় পালেই এই শব্দ অৰ্থবোৰ মুখস্থ কৰিলোঁ। কিন্তু এসময়ত এনে কৰি কৰি বিৰক্তি লাগিল— নিউজ আইটেমবোৰত ৰস নোপোৱা হ'লোঁ।

ফলত লাহে লাহে উদ্‌গনিমূলক লেখা বিচাৰিবলৈ ধৰিলোঁ। লেখা বা কিতাপ, যিবোৰত সংগ্ৰামৰ কথা লিখা আছে। দৰিদ্ৰতাৰ কথা লিখা আছে। দৰিদ্ৰতা বিষয়ত বহুতো লেখা-কিতাপ পোৱা গ'ল— কিন্তু সেইবোৰৰ সৰহভাগেই ৰচনাধৰ্মী। তদুপৰি এইবোৰৰ খুব কমেই নিজৰ অভিজ্ঞতাৰে লিখা কিতাপ। মই বিচাৰিছিলোঁ নিজ অভিজ্ঞতাৰে পৰিপুষ্ট কিতাপ য'ত লেখকে কঠোৰ প্ৰত্যাহ্বান নেওচি জীৱনত অৰ্থ আৰোপ কৰিবলৈ শিকিছে। আন কথাত মই উদ্‌গনিমূলক কিতাপ বিচাৰি আছিলোঁ, যাৰ পৰা অনুপ্ৰেৰণা পাব পাৰোঁ আৰু মোৰ জীৱনটো তেওঁলোকৰ সৈতে ৰিজাই চাব পাৰোঁ।

মোৰ মনত থকাৰ ভিতৰত দুখন কিতাপ উল্লেখনীয় আছিল। এখন আছিল মায়া এঞ্জেলোৰ 'আই ন' হোৱাই এ কেজড্ বাৰ্ড ছিংছ'। আনখন কিতাপ আছিল বাৰাক অ'বামাৰ 'ড্ৰীমজ ফ্ৰম মাই ফাডাৰ'। এঞ্জেলোৱে মানৱতাৰ গভীৰ চাপ থকা ভাষাৰে নিজৰ সংগ্ৰামৰ কথা বৰ্ণনা কৰিছিল, ঠিক তেনেকৈয়ে অ'বামায়ো পিতৃৰ পৰা বিতাড়িত জীৱনত সন্মুখীন হোৱা নানান ঘাত-প্ৰতিঘাত বৰ্ণনা কৰিছিল। এই দুয়োখন কিতাপেই মোক বিশেষভাৱে প্ৰভাৱান্বিত কৰিলেও কিতাপ দুখনত দৰিদ্ৰতাৰ বিৰুদ্ধে যুঁজৰ ব্যাখ্যা নাছিল।

দৰিদ্ৰতাৰ বিৰুদ্ধে দিয়া এনে যুঁজৰ কাহিনী পাইছিলোঁ নিকলাচ ক্ৰিষ্টভ নামৰ এজন লেখকৰ প্ৰবন্ধত। তেওঁ আছিল 'দ্য নিউয়ৰ্ক টাইমছ' কাকতখনৰ প্ৰবন্ধকাৰ। ক্ৰিষ্টফে কাকতখনত লিখি গৈছিল দৰিদ্ৰতাৰ মৰ্মস্পৰ্শী কাহিনীবোৰ। তেওঁ দক্ষিণ ছুডান অঞ্চলত কিছুমান হিংসাত্মক ঘটনাৰ ফলত হোৱা মানৱতাৰ অৱনমনৰ কথা লিখিছিল। তেওঁ ছুডানৰ ডাৰফৰ অঞ্চলত অতি দৰিদ্ৰ শিশুবোৰে সন্মুখীন হোৱা নানান প্ৰতিবন্ধকতাৰ বিষয়ে

লিখিছিল। নাঙঠ-পাঙঠ, ক'লা বৰণৰ ভোকাতুৰ শিশুবোৰৰ ভিডিঅ' তৈয়াৰ কৰি তেওঁ নিজৰ ব্লগত প্ৰচাৰ কৰিছিল। এই ভিডিঅ'বোৰ চাই চাই মই ভাবিছিলোঁ, ময়ো দেখোন এদিন এনে নাঙঠ-পিঙঠ জীৱন এটাই কটাই আহিছোঁ।

তাৰ পাছত এদিন ক্ৰিষ্টফে 'দ্য নিউয়ৰ্ক টাইমছ' কাকতখনত 'বিয়েট্ৰিছেছ গ'ট' অৰ্থাৎ 'বিয়েট্ৰিছৰ ছাগলীজনী' বুলি এটি কাহিনী লিখিছিল। এই কাহিনীটোৱে মোক এনেকৈ সঞ্চালিত কৰি তুলিছিল যে মই তৎক্ষণাৎ 'বিয়েট্ৰিছৰ কথাৰে' বুলি প্ৰবন্ধ এটা লিখি পেলাইছিলোঁ। অসমীয়া কাকত এখনত প্ৰকাশিত এই কাহিনীটোৰ অংশবিশেষ আছিল এনেধৰণৰ—

'... বিয়েট্ৰিছ বিৰা। ছোৱালীজনীৰ নাম। আফ্ৰিকাৰ পশ্চিম উগাণ্ডাৰ পাৰ্বত্য অঞ্চলৰ এটি অতি দৰিদ্ৰ পৰিয়ালত জন্ম লোৱা এজনী দুৰ্ভগীয়া ছোৱালী। বিয়েট্ৰিছৰ মাক-দেউতাক ইমানেই দৰিদ্ৰ আছিল যে তেওঁলোকৰ সন্তানক বিদ্যালয়লৈ পঠিওৱা কোনো প্ৰথাই নাছিল। বিয়েট্ৰিছ সৰুৰে পৰাই আছিল ব্যতিক্ৰমী। তাই গোপন সত্তাত স্কুললৈ যোৱাৰ হেঁপাহ এটা পুহি ৰাখিছিল। কিন্তু ৰূঢ় বাস্তৱ আৰু আৰ্থিক দীনতাই বহুতো উগাণ্ডাৰ মহিলাৰ দৰেই তাইৰ সপোনবোৰক জলাঞ্জলি দিবলৈ বাধ্য কৰাইছিল।

ঠিক সেই সময়তেই বহুতো আমেৰিকানৰ মাজত এটা নতুন প্ৰৱণতাই গা কৰি উঠিছিল। অৰ্থনৈতিক অগ্ৰাধিকাৰৰ বাবে তেওঁলোকৰ উপাৰ্জন এছিয়া বা আফ্ৰিকাৰ লোকসকলৰ উপাৰ্জনতকৈ বহুগুণে বেছি। অৰ্থনৈতিক অগ্ৰাধিকাৰৰ বাবেই হওক বা সহানুভূতিশীল প্ৰৱণতাৰ বাবেই হওক, আমেৰিকানসকলৰ মাজত গঢ়ি উঠা সু-প্ৰৱণতাটো হৈছে তেওঁলোকৰ বিশেষ দিনত আফ্ৰিকা বা এছিয়াৰ দৰিদ্ৰ পৰিয়ালবোৰলৈ বিশেষ উপহাৰ পঠিওৱা। দৰিদ্ৰ পৰিয়ালৰ শিশুসকলৰ পঢ়া-শুনাৰ খৰচ বহন কৰা...।

এবাৰ নিয়াস্তিক নামৰ আৰকানচাচৰ জনগোষ্ঠীয় সংস্থা এটাই খ্ৰীষ্টমাছ উপলক্ষে আফ্ৰিকাৰ কিছুমান গাঁৱত এনেধৰণৰ উপহাৰ বিতৰণ কৰিব বিচাৰিলে। হেইফাৰ ইণ্টাৰনেচনেল নামৰ বেচৰকাৰী সংস্থা এটাই এই উপহাৰসমূহ উগাণ্ডাৰ কিছুমান গাঁৱত বিতৰণ কৰিলে। সৌভাগ্যক্ৰমে বিয়েট্ৰিছৰ পৰিয়ালেও উপহাৰৰ নামত এজনী ছাগলী পালে। ছাগলীজনী লালন-পালন কৰিলে। ছাগলীজনীয়ে দিয়া পোৱালি বিক্ৰী কৰি সঞ্চয় হোৱা টকাৰে বিয়েট্ৰিছক পলমকৈ হ'লেও স্কুললৈ পঠিয়ালে। বিয়েট্ৰিছৰ মেধা শক্তিৰে উগাণ্ডাৰ শ্ৰেষ্ঠ বিদ্যালয়খনত পঢ়িবলৈ এটি জলপানি পালে। বিয়েট্ৰিছ ইমানেই তীক্ষ্ণ মেধাৰ ছাত্ৰী আছিল যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাছাছুচেটছত থকা এখন বিদ্যালয়ত পঢ়িবলৈও জলপানি পালে। আৰু এইদৰে জলপানি লৈয়েই আমেৰিকাৰ কানেকটিকাত কলেজৰ পৰা গ্ৰেজুৱেট ডিগ্ৰী লাভ কৰিলে। বিয়েট্ৰিছৰ এই হৃদয়স্পৰ্শী কাহিনীক লৈ আমেৰিকান এজন লেখকে এখন কিতাপ লিখিলে যাৰ নাম 'বিয়েট্ৰিছেছ গ'ট'। আনকি কলম্বিয়া

বিশ্ববিদ্যালয়ৰ বিখ্যাত অৰ্থনীতিবিদ জেফৰি চেকচে বিয়েট্ৰিছৰ কাহিনীটো অৰ্থনীতিত 'বিয়েট্ৰিছৰ তত্ত্ব' বুলি আখ্যা দিলে। এই তত্ত্বৰ অৰ্থ হ'ল কম ব্যয় কৰি অধিক উপাৰ্জন।'

(চল্লিশ)

বিয়েট্ৰিছৰ কথা মই কিয় লিখিছিলোঁ?

আচলতে বিয়েট্ৰিছৰ মাজত মই নিজকে বিচাৰি পাইছিলোঁ। বিয়েট্ৰিছৰ সংগ্ৰাম, তাইৰ মাজত থকা দৃঢ়তাই মোক বাৰুকৈয়ে উদগনি দিছিল। পৰিয়ালত পোহা এজনী ছাগলীৰে যদি তাই জীৱন আৰম্ভ কৰিছিল, ময়ো এদিন বাইদেৱে পোহা ছাগলীৰ ভৰসাতেই টিউচন আৰম্ভ কৰিছিলোঁ। তাইৰ কাহিনী ক'লেই যেন মোৰ কাহিনীও কোৱা হৈ যাব। এক কথাত বিয়েট্ৰিছৰ দৃষ্টান্তই মোৰ ভিতৰখন জোকাৰি পেলাইছিল।

দ্বিতীয়তে, বিয়েট্ৰিছ এক অন্যায়ৰ বলি হৈছিল।

দৰিদ্ৰতাৰ নিৰ্যাতনো এক অন্যায়। বিয়েট্ৰিছ তেনে এগৰাকী নিৰ্যাতিতা। কিন্তু বিয়েট্ৰিছে এই অন্যায় মানি নল'লে। তাই হাতত পোৱা সুযোগেৰে সংগ্ৰাম কৰি এই অন্যায়ৰ মেৰপেঁচৰ পৰা ওলাই আহিল।

এই কাহিনী মানুহৰ আগত ব্যক্ত কৰিবই লাগিব।

দৰিদ্ৰতাৰ বিৰুদ্ধে মাত মাতিবই লাগিব!

(একচল্লিশ)

বিয়েট্ৰিছৰ দৰে কোটি কোটি শিশু এতিয়াও দৰিদ্ৰতাৰ আৰেষ্টনীত বন্দী হৈ আছে। তেন্তে দৰিদ্ৰতা নিৰ্মূলৰ মৌলিক উপায় কি হ'ব পাৰে? কিহে মানুহক সভ্যতাৰ নতুন শিখৰলৈ লৈ যাব পাৰে, য'ত দৰিদ্ৰতাৰ নাম-গোন্ধ নাথাকিব? দৰিদ্ৰতা নামৰ পাষণ্ডটোক বিনাশ কৰাৰ অস্ত্ৰপাত কি?

উদ্ভাৱন : উদ্ভাৱন অৰ্থাৎ ইনভেনচনেই নিৰ্ণয় কৰে কোন ধনী, কোন দুখীয়া। সূত্ৰটো তেনেই সহজ : বস্তু উদ্ভাৱন কৰা আৰু বজাৰত বিক্ৰী কৰি ধনী হোৱা। যি দেশে নতুন বস্তুৰ উদ্ভাৱন কৰি বিশ্বৰ বজাৰত বিক্ৰী কৰিছে, সেইবোৰেই ধনী দেশ। যি দেশে উদ্ভাৱন কৰিব পৰা নাই, কেৱল নতুন সামগ্ৰী ক্ৰয় কৰিছে সেই দেশেই দুখীয়া। উদ্ভাৱন হোৱা সামগ্ৰীবিধে যদি মানুহৰ জীৱন-প্ৰণালীলৈ আমূল পৰিৱৰ্তন আনি দিছে, তেনেহ'লেতো কথাই নাই— এই সামগ্ৰী বিক্ৰী কৰি দেশ নিমিষতেই ধনী হ'ব পাৰে!

যোৱা প্ৰায় এশটা বছৰত আমেৰিকা আৰু ইংলেণ্ডে প্ৰচুৰ পৰিমাণে এনে মানুহৰ নিত্য ব্যৱহাৰ্য সামগ্ৰী উদ্ভাৱন কৰিলে। এই সামগ্ৰীবোৰে মানুহৰ জীৱন চিৰদিনৰ বাবে

সলনি কৰি থৈ গ'ল। যেনে— বিজুলী, লাইটৰ বাল্‌ব, কেমেৰা, ৰেডিঅ', টেলিভিশ্বন, টেলিগ্ৰাফ-টেলিফোন, ৰে'লগাড়ী, উৰাজাহাজ, যান-বাহন, মটৰ গাড়ীৰ বিভিন্ন ইঞ্জিন, কম্পিউটাৰ, ইণ্টাৰনেট, ই-মেইল, আধুনিক চিৎিকসা-দৰব, ঔষধ, ম'বাইল, গুগল্‌, ফে'চবুক, ফেশ্বন সামগ্ৰী...।

কোনো এবিধ সামগ্ৰী উদ্ভাৱন হোৱাৰ বহু বছৰলৈকে উদ্ভাৱন কৰা কৰ্তৃপক্ষই (দেশখনেই) এই সম্পদবিধ আন্তঃৰাষ্ট্ৰীয় বজাৰত বিক্ৰী কৰে ঃ যেন— মাৰ্ক জুকাৰবাৰ্গে এতিয়া ফেঁচবুক আন্তঃৰাষ্ট্ৰীয় বজাৰত বিক্ৰী কৰি আছে। কিন্তু উদ্ভাৱন হোৱা সামগ্ৰীবিধ পুৰণি হৈ যোৱাৰ লগে লগে (অৰ্থাৎ আৰম্ভণিতে ই প্ৰচুৰ অৰ্থ আহৰণ কৰাৰ পাছত) ইয়াক বিশ্বৰ সকলো দেশকে নিৰ্মাণ কৰিবলৈ এৰি দিয়া হয়। যেনে— বিজুলী, ৰেডিঅ', টেলিভিছ্‌ন, জেনেৰিক মেডিচিন...। এইবোৰৰ অবিহনে জীৱনটো এবাৰ ভাবি চাওকচোন। এইবোৰ বিক্ৰী কৰি কৰি আমেৰিকা বহু ধনী হৈ গ'ল। ফলত আমেৰিকাই অলিয়ে-গলিয়ে বিজ্ঞানৰ গৱেষণা প্ৰতিষ্ঠান পাতি দিলে, যাতে সদায় ন ন উদ্ভাৱন হৈ থাকে।

পাৰডিউ বিশ্ববিদ্যালয়ত মই ব্যৱহাৰ কৰি থকা অত্যাধুনিক মাচ স্পেকট্ৰোমেট্ৰি নামৰ যন্ত্ৰটিও এনে এক উদ্ভাৱনৰে নিদৰ্শন। কেইবাবছৰো আগতে মই কলেজৰ চূড়ান্ত বৰ্ষত অধ্যয়ন কৰি থাকোঁতেই, মোৰ মাচ স্পেকট্ৰোমেট্ৰিৰ প্ৰতি ধাউতি বাঢ়িছিল। আচলতে সেই বছৰতে মই এতিয়া ব্যৱহাৰ কৰি থকা পদ্ধতিটোৰ বাবে আমেৰিকাৰ জন বি ফেনক ৰসায়ন বিজ্ঞানৰ ন'বেল বঁটা দিয়া হৈছিল। 'ইলেক্ট্ৰ'স্প্ৰে আয়নাইজেচন' পদ্ধতিৰে কোষৰ ভিতৰত থকা অজস্ৰ প্ৰটিন যৌগ চিনাক্তকৰণ কৰিব পৰা এই নতুন প্ৰযুক্তিটিয়ে জীৱবিজ্ঞানত যুগান্তকাৰী হিচাপে খ্যাতি লভিছিল। ড° জাহ্নবীয়ে এই প্ৰযুক্তিটি টি আই এফ আৰত স্থাপন কৰাৰ পৰিকল্পনা কৰিছিল, সেয়ে তেওঁ মোক কৈছিল— 'ভালকৈ কৌশলবোৰ আয়ত্ত কৰি লোৱাঁ, কাৰণ টি আই এফ আৰত এই যন্ত্ৰটি পৰিচালনা কৰাৰ ব্যক্তি একমাত্ৰ তুমিয়েই হ'বা।' উল্লেখ্য যে এই যন্ত্ৰটিৰ মূল্য কেইবাকোটি হোৱাৰ বাবে আৰু আমাৰ প্ৰতিষ্ঠানত ইয়াক পৰিচালনা কৰিবলৈ কৌশলযুক্ত গৱেষকৰ অভাৱৰ বাবে ইমানদিনে এনে এটি যন্ত্ৰ টি আই এফ আৰত হৈ উঠা নাছিল।

আমেৰিকাই এনে যন্ত্ৰ-পাতি উদ্ভাৱনৰ সমান্তৰালভাৱে খাদ্য-শস্য উদ্ভাৱনৰ যোগেদি বিশ্বৰ অৰ্থনীতিত আমূল পৰিৱৰ্তন আনিছিল। তাতোকৈ ডাঙৰ কথা, ভাৰতৰ দৰে দুখীয়া দেশত দৰিদ্ৰতা নিৰ্মূলত বিশেষ ভূমিকা পালন কৰিছিল এনে উদ্ভাৱনৰ যোগেদি।

খাদ্য শস্যৰ উদ্ভাৱনেৰে দৰিদ্ৰতা নিৰ্মূলন? কেনেকৈ?

(বিয়াল্লিশ)

কোৱা হয় নৰমান বৰলগে এশ কোটিতকৈ অধিক লোকৰ প্ৰাণ বচাইছিল। দ্বিতীয় বিশ্বযুদ্ধৰ আগে-পাছে সমগ্ৰ বিশ্বতে ব্যাপক খাদ্য নাটনিয়ে দেখা দিছিল। ঠিক তেনেকুৱাতে ড° নৰমান বৰলগ নামৰ এজন আমেৰিকান বিজ্ঞানীৰ আবিৰ্ভাৱ হৈছিল।

ড° বৰলগক আমেৰিকাৰ চৰকাৰে চুবুৰীয়া ৰাষ্ট্ৰ মেক্সিকোলৈ পঠিয়ালে। কাৰণ মেক্সিকোত খাদ্য নাটনিয়ে দেখা দিছিল। ড° বৰলগৰ কাম হ'ব মেক্সিকোত স্থাপন কৰা এটি গৱেষণা প্ৰতিষ্ঠানত গৱেষণা কৰি নতুন জাতৰ ঘেঁহু উদ্ভাৱন কৰা। এই নতুন জাতৰ ঘেঁহু হ'ব লাগিব উচ্চ উৎপাদনক্ষম আৰু কীট-পতংগৰ পৰা বাচিবলৈ ঘেঁহুৰ গছবোৰৰ নিজস্ব প্ৰতিৰোধ ক্ষমতা থাকিব লাগিব।

ড° বৰলগ আছিল এজন জেনেটিচিষ্ট। তেওঁ শস্যৰ বীজ সংক্ৰমণ কৰি কেনেকৈ নতুন হাইব্ৰীড ঘেঁহুৰ জাত উদ্ভাৱন কৰিব লাগে, সেয়া জানিছিল। কিন্তু প্ৰত্যাহ্বান আছিল— মনে বিচৰা উচ্চ উৎপাদনক্ষম আৰু কীট-পতংগৰ আক্ৰমণক প্ৰতিৰোধ কৰিব পৰা জাত বিচাৰি উলিওৱাটো।

প্ৰায় দহ বছৰ দিন ড° বৰলগে মেক্সিকোৰ পথাৰত ৰ'দ-বৰষুণ-বতাহ নেওচি খেতি কৰি গ'ল। এই সময়খিনিত তেওঁ প্ৰায় ছয় হাজাৰ মান ঘেঁহুৰ নতুন সঁচ উদ্ভাৱন কৰি উলিয়ালে।

ছয় হাজাৰ নতুন ঘেহুঁৰ সঁচ?

ইয়াৰ ভিতৰত দুই-এবিধ মান সঁচতহে আছিল ড° বৰলগে বিচাৰি থকা গুণবোৰ— উচ্চ উৎপাদনক্ষম, চাপৰ— যাতে খেতি কৰিবলৈ সহজ হয়, আৰু কীট-পতংগৰ আক্ৰমণ প্ৰতিৰোধক্ষম।

ড° বৰলগৰ ঘেঁহুৰ নতুন সঁচবোৰ সমগ্ৰ মেক্সিকোৰ পথাৰে-পাহাৰে-ভৈয়ামে ছটিয়াই দিয়া হ'ল। ফলত দেশখনৰ ঘেঁহু উৎপাদন ছগুণলৈ বৃদ্ধি পালে। লাখ লাখ নিৰন্ন ভোকাতুৰ জনতাৰ মুখলৈ অন্ন আহিল।

আৰু তেতিয়াই ড° বৰলগ ভাৰতত আহি ওলালহি। এম এচ স্বামীনাথনৰ সহযোগত ড° বৰলগে তেওঁৰ উচ্চ উৎপাদনক্ষম ঘেঁহু ভাৰতৰ বিস্তীৰ্ণ পথাৰত ছটিয়াই দিলে। পাঁচ বছৰৰ ভিতৰত ভাৰতত ঘেঁহু উৎপাদন দুগুণলৈ বৃদ্ধি পালে। ভাৰতৰ বাহিৰেও পাকিস্তান, তুৰস্ক আদি দেশতো একে ফলাফল পোৱা গ'ল।

ফলত কোটি কোটি ভোকাতুৰ জনতাৰ মুখলৈ অন্ন আহিল, আসন্ন মৃত্যুৰ পৰা পৰিত্ৰাণ পালে।

হয়, উদ্ভাৱনে দৰিদ্ৰতা নিৰ্মূল কৰাত সহায় কৰে। ড° নৰমান বৰলগ তাৰ জ্বলন্ত উদাহৰণ।

(তিৰাল্লিশ)

উদ্ভাৱনৰ দ্বাৰা দৰিদ্ৰতা নিৰ্মূলৰ কথা ভাবি থাকোঁতেই পাৰডিউ বিশ্ববিদ্যালয়ত প্ৰায় তিনি মাহ কটোৱাৰ পাছতে, মই ভাৰতলৈ উভতি আহিবৰ হ'ল। টি আই এফ আৰলৈ উভতি অহাৰ পাছত মোৰ তাৎক্ষণিক প্ৰধান লক্ষ্য হ'ল দুটা। প্ৰথমটো হ'ল— যোৱা কেইবামাহত ৰাহি হোৱা টকাৰে গাঁৱত ঘৰ সজা। ক্ষুদ্ৰ পৰিসৰত, ই এটা দৰিদ্ৰতা নিৰ্মূলৰে পদক্ষেপ নিশ্চয় (কোনোবাই কৈছিল দেশ এখন উদ্ধাৰ কৰিবলৈ হ'লে প্ৰথমে পৰিয়ালৰ পৰাই আৰম্ভ কৰিব লাগিব। প্ৰত্যেক পৰিয়াল ধনী হ'লেহে দেশ ধনী হ'ব।) ঘৰ সজাৰ কাম যিমান পাৰি সিমান সোনকালে আৰম্ভ কৰিব লাগিব, নহ'লে বতাহে আকৌ মূধচ নিব!

দ্বিতীয়তে, মই যিমান পাৰি সিমান সোনকালে আমেৰিকালৈ আকৌ উভতি যাবলৈ লক্ষ্য স্থিৰ কৰিলোঁ। আধুনিক বিজ্ঞানৰ ন ন জ্ঞান-কৌশল আৰু উদ্ভাৱনৰ বিভিন্ন দিশ শিকিবলৈ হ'লে আমেৰিকালৈ উচ্চ শিক্ষাৰ বাবে যোৱাটো বাঞ্ছনীয় হ'ব। বিশেষকৈ বিজ্ঞানত জ্ঞান আৰু কৌশল আহৰণটো অতি গুৰুত্বপূৰ্ণ কথা (ৰাৱণ বধ কৰিবলৈ যোৱাৰ আগতে ধনুৰ্বিদ্যাত পাকৈত হোৱাৰ দৰে কথা)। মনত স্থিৰ কৰিলোঁ, এইবাৰ আমেৰিকাত পি এইচ ডি কৰিবলৈ যাম, নিজা উদ্যোগত, টি আই এফ আৰৰ পৰা নহয়।

গতিকে লক্ষ্যত উপনীত হ'বলৈ পুনৰ পৰিশ্ৰম কৰিব লাগিব।

(চৌৰাল্লিশ)

আমাৰ পুৰণি ঘৰটো সজা হৈছিল মই চতুৰ্থ শ্ৰেণী মানত থাকোঁতেই। ঘৰ সাজোঁতে সৰহভাগ কাম দেউতাই অকলে কৰিছিল। সেয়েহে ঘৰটো সম্পূৰ্ণ হওঁতে কেইবামাহো লাগিছিল। ককাই আৰু মই পাৰোঁমানে দেউতাক সহায় কৰি দিছিলোঁ। বেৰ সাজিবৰ বাবে বাঁহৰ পাববোৰ ঠাহি দিয়া, চাল সাজিবৰ বাবে বাঁহৰ কামি চাঁচি দিয়া আদি কামবোৰত আমি দেউতাক সহায় কৰি দিছিলোঁ। ঘৰটো সাজি থাকোঁতেই বাইদেউৰ শান্তি বিয়া হৈছিল। ফলত ঘৰ সজাৰ কাম কিছুদিনৰ বাবে বন্ধ হৈছিল।

জাতি বাঁহৰ খুঁটা, হাবি বাঁহৰ বেৰ আৰু টকৌপাতেৰে ছোৱা ঘৰটো আছিল তিনি কোঠলীয়া। ঘৰৰ আগফালে দীঘল পিৰালি-বাৰাণ্ডা আছিল। মাজৰ কোঠাতে আছিল ঘৰলৈ সোমোৱা এখন কাঠৰ দুৱাৰ। ঠিক তেনেকৈ ঘৰৰ পিছফালে ওলোৱা-সোমোৱা কৰিবলৈ অন্য এখন কাঠৰ দুৱাৰ আছিল। ঘৰটোৰ আগফালে পিৰালিৰ কাষে কাষে বাইদেৱে কোনো কোনো ছিজনত ফুল ৰুইছিল। ঘৰটো দেখাত শুৱনি হ'বলৈ ককায়ে বেৰত চূণ দিছিল। এই ঘৰটোৰ পিৰালিতে বহি আমি ল'ৰালি কালত কিতাপ পঢ়িছিলোঁ।

আইতা জীয়াই থাকোঁতে দিনটোৰ সৰহভাগ সময় পিৰালিতে বহি কটাইছিল। এই মূল ঘৰটোৰ সোঁকাষে, লম্বভাৱে আছিল বৰঘৰটো। ইয়াতে আছিল জুহালৰ ঘৰ আৰু মায়ে ৰন্ধা-বঢ়া কৰা ৰান্ধনী ঘৰ। আইতাৰ মৃত্যুৰ পাছত দেউতাই বৰঘৰত থাকিবলৈ লৈছিল। মাজৰ ৰান্ধনী কোঠাৰ সমীপতে পুৰণি কাঠৰ বিছনা এখন তৰি দেউতা শুইছিল।

এই ঘৰটোতে আমাৰ পৰিয়ালে প্ৰায় পোন্ধৰ বছৰ কটাইছিল। ক্ৰমশঃ পুৰণি হৈ অহা ঘৰটো চাৰিওফালে উৰলি গৈছিল। টকৌপাতৰ চালবোৰ বাৰে বাৰে বতাহে নিছিল। মা উদ্বিগ্ন হৈ উঠিছিল, বাৰে বাৰে সতৰ্ক কৰি দিছিল— 'চাই থাকচোন, কোনোবা দিনা বতাহে ঘৰটোও উৰুৱাব, মানুহো উৰুৱাব।' আমাৰ ঘৰৰ সন্মুখত থকা মুকলি বিস্তীৰ্ণ পথাৰখনৰ বাবেই বতাহ আহিলে পোনপটীয়াকৈ ঘৰটোত লাগিছিল।

মই আমেৰিকাৰ পৰা উভতি আহি যেতিয়া মাহঁতক ক'লোঁ যে এই সাতামপুৰুষীয়া উৰলি যোৱা ঘৰটোৰ ঠাইত এটি নতুন পকীঘৰ সাজিম, তেতিয়া মাহঁতৰ মন আনন্দত নাচি উঠিছিল। কেৱল মাহঁতৰেই নে? মোৰো মন যে কেনেকৈ উৎফুল্লিত হৈ উঠিছিল! দায়িত্ব আৰু প্ৰতিদানৰ এই বিৰল সুযোগ মানুহৰ জীৱনলৈ বাৰে বাৰে নাহে হয়তো।

মই যদিও আগষ্ট মাহতেই আমেৰিকাৰ পৰা উভতি আহিলোঁ, ঘৰলৈ শিল-বালি অনাৰ কাম আৰম্ভ হ'ল অক্টোবৰ মাহতহে। আগষ্টত আমাৰ গাঁৱৰ ৰাস্তাটো বোকাৰে পৰিপূৰ্ণ হৈ থকাৰ বাবে এই ৰাস্তাইদি গাড়ীৰে শিল-বালি-ইটা অনাটো সম্ভৱ নহয়।

মোৰ মনত আছে, প্ৰথম দিনাই আমাৰ ঘৰলৈ শিল-বালি অনা গাড়ীখন পথাৰৰ ৰাস্তাতে ফচিল। ফলত শিল-বালিবোৰ তাতেই পেলাবলগীয়া হ'ল। কিন্তু পথাৰৰ মাজত এনেকৈ শিল-বালি পৰি থকাটো সুৰক্ষিত নহয়। গাঁৱৰ আন মানুহে চুৰ কৰি নিব পাৰে। তেতিয়া দেউতাই হেনো ক'লে— 'মই ৰাতিটো পথাৰতে থাকিম, শিল-বালিৰ ৰখীয়া হ'ম।' ক'লে যেনেকৈ, কৰিলেও তেনেকৈ। সন্ধিয়া ভাত-পানী খাই টকৌ কাঠীৰ চাৰি দুখন আৰু আঁঠুৱা এটা লৈ পথাৰৰ মাজলৈ গৈ, গোটেই ৰাতি বালি ৰখীয়া হ'ল।

দেউতাহঁতৰ উদ্যম দেখি মই তবধ মানিছিলোঁ।

নতুন ঘৰ এটা সাজিবলৈ দেউতাহঁত তেন্তে ইমান উদ্‌গ্ৰীৱতাৰে বৈ আছিল?

নতুন ঘৰ সজাৰ কাম আৰম্ভ হ'ল। ফলত পুৰণি ঘৰটো ভাঙি পেলোৱা হ'ল। পুৰণি ঘৰটোৰ কাষতে অস্থায়ীভাৱে সৰু তিনি কোঠলীয়া বাঁহৰ ঘৰ এটা সাজি লোৱা হ'ল। পকীঘৰৰ কাম শেষ নোহোৱালৈকে এই অস্থায়ী ঘৰতে গোটেই পৰিয়ালটো থাকিব লাগিব। পৰিয়ালৰ মানুহবোৰ ঘৰ সজাৰ কামত এনেদৰে উবুৰি খাই পৰিল যেন ৰাতিটোৰ ভিতৰতে নতুন ঘৰ সাজি উলিয়াব (মোমাই কটা গড়ৰ দৰে)। পিছে মোৰ সীমিত দৰমহাৰে ঘৰ সজাৰ বস্তুবোৰ যোগান ধৰোঁতে ধৰোঁতে দুই-তিনি বছৰ লাগিল। এইদৰে সাতটি কোঠাৰ (প্ৰকাণ্ড) ঘৰটো সম্পূৰ্ণ হওঁতে প্ৰায় তিনি বছৰ লাগিল (তেতিয়ালৈ মই আকৌ

আমেৰিকালৈ প্ৰত্যাৱৰ্তন কৰিলোঁ)।

গ্ৰাম্য জীৱনত পৰিয়াল এটাৰ অৱস্থা কেতিয়া সচ্ছল বুলি কোৱা হয়? মোৰ বোধেৰে যেতিয়া পৰিয়ালটো বাস কৰিবলৈ এটা ভাল ঘৰ আৰু আৰ্থিক সংকট নোহোৱাকৈ যেতিয়া পৰিয়ালটো চলি থাকিব পাৰে, আৰু সুস্বাস্থ্যৰে জীৱন নিৰ্বাহ কৰে ; তেতিয়াই পৰিয়াল এটাৰ অৱস্থা সচ্ছল বুলি কোৱা হয়।

এনে এক গ্ৰাম্য সচ্ছলতাৰ দিশে আমাৰ পৰিয়ালটো আগুৱাই যোৱা দেখি মোৰ মন বেচ আনন্দিত হৈ উঠিছিল।

আমাৰ ঘৰটোৰ নিৰ্মাণ কাৰ্য চলি থকাৰ সময়তে আমাৰ অঞ্চলত চৰকাৰে বিজুলী যোগান দিব বুলি গাঁৱৰ মানুহৰ মাজত চৰ্চা আৰম্ভ হ'ল। ইতিমধ্যে সোণজান-কৈলাসপুৰৰ পৰা আমাৰ গাঁৱৰ সমীপেৰে পাৰ হৈ যোৱা পথটোৰ পকীকৰণৰ কামো আৰম্ভ হ'ল। ক্ৰমান্বয়ে দেখা গ'ল, পথৰ কাষে কাষে বিজুলী যোগানৰ বাবে কংক্ৰিটৰ খুঁটা পৰিলহি। তাৰ মানে বিজুলী যোগান হ'বলগীয়া কথাটো সঁচা? চৰকাৰে হেনো দেশৰ গাঁৱে-ভূঞে সকলো ঠাইতে বিজুলী যোগান ধৰিব বুলি প্ৰতিশ্ৰুতি দিছে।

গাঁৱৰ মানুহবোৰৰ মাজত উৎসাহ দেখা গ'ল। চৰকাৰে প্ৰথমে আলি দিলে, তাৰ পাছত বিজুলী। যুগ যুগ বঞ্চিত হৈ থকা এই গ্ৰামাঞ্চললৈ হঠাৎ পৰিৱৰ্তন আহিল।

খুউব অকস্মাৎ।

মোৰ কৈশোৰ কালত, আনকি মই মুম্বাইলৈ অহাৰ পাছতো, মই প্ৰায়ে এটা সপোন দেখিছিলোঁ— আমাৰ গাঁৱত, আমাৰ ঘৰত হেনো বিজুলী যোগান হৈছে, টেলিফোন হৈছে, টিভি হৈছে, কেব্‌ল সংযোগৰ ব্যৱস্থা হৈছে। কিন্তু সাৰ পাই উঠি সদায়েই বিমৰ্ষিত হৈছিলোঁ, কাৰণ এয়া আছিল সপোন মাত্ৰ, দিঠকত যে আমাৰ গাঁৱত কোনোবাদিন বিজুলী হ'ব কেতিয়াও ভবা নাছিলোঁ। গ্ৰাহকৰ ঘৰে ঘৰে প্ৰথম ইলেকট্ৰিচিটী বিতৰণ হৈছিল প্ৰায় ১৮৮০ চনৰ ওচৰে-পাঁজৰে নিউয়ৰ্ক চহৰত। আমাৰ ভাৰততো প্ৰায় ১৯০৫ চনতেই বাংগালুৰু চহৰত প্ৰথম বিজুলী বিতৰণৰ কাম আৰম্ভ হৈছিল। চাওকচোন, বিশ্বত প্ৰথম বিজুলী বিতৰণৰ প্ৰায় এশ ত্ৰিশ বছৰৰ পাছতো আমাৰ গাঁৱে বিজুলীৰ পোহৰৰ মুখ নেদেখিলে। টেলিফোনৰ কথাতো নকওঁৱেই। ম'বাইল উদ্ভাৱনৰ পাছৰে পৰা গ্ৰাহাম বেলে অতি কষ্ট কৰি প্ৰায় এশ ত্ৰিশ বছৰৰ আগতে উদ্ভাৱন কৰা টেলিফোনটি লোপ পালে। এক কথাত ক'বলৈ গ'লে আমাৰ গাঁৱত উপলব্ধ একমাত্ৰ যন্ত্ৰবিধ আছিল ৰেডিঅ'। সৌভাগ্যবশতঃ যেনিবা ৰেডিঅ' বজাবলৈ হ'লে বিজুলী যোগানৰ প্ৰয়োজন নহয়।

আৰু এতিয়া হঠাৎ মই প্ৰায়ে দেখি থকা সপোনটি সত্য প্ৰতিপন্ন কৰি আমাৰ গাঁৱলৈ হেনো বিজুলী আহিব।

কিন্তু তেনেকুৱাতে আকৌ এটা বাতৰি আহিল— মূল পথৰ পৰা ভিতৰলৈ যোৱা

গাঁওবোৰত কেৱল প্ৰথম এক কিলোমিটাৰহে বিজুলী যোগান ধৰা হ'ব।

মা জাঙুৰ খাই উঠিল— 'কি তাৰ মানে আমি বিজুলী নাপাওঁ?' কাৰণ আমাৰ ঘৰটো আছিল আমাৰ গাঁওখনৰ মাজত, মূল পথৰ পৰা প্ৰায় ডেৰ কিলোমিটাৰমান ভিতৰত। মই মাক ফোনতে ক'লোঁ— কিবা এটা বিকল্প উলিয়াব লাগিব।

মায়ে সুধিলে— 'কি বিকল্প উলিয়াবি?' মা মোৰ কথাত পতিয়ন নগ'ল।

— চাওঁচোন ৰ'ব। এক কিলোমিটাৰ দেখোন আহিবই, বাকী পাঁচশ মিটাৰহে আনিব লাগে।

অলপ ভাবি-চিন্তি, ঘৰলৈ আকৌ ফোন কৰি ক'লোঁ— বিজুলীৰ সুবিধা নোপোৱা মানুহৰ ঘৰৰ সংখ্যা (আমাৰ ঘৰলৈকে) প্ৰায় আঠ-ন ঘৰমান। গতিকে আটায়ে মিলি যদি কংক্ৰিটৰ খুঁটা আৰু বিদ্যুৎ পৰিবাহী তাঁৰ কিনি অনা হয়, তেন্তে বিজুলী যোগান নিশ্চয় ঘৰলৈকে আহিব। মোৰ কথাত আটায়ে উছাহ পালে। চুবুৰিৰ মানুহৰ সৈতে কথা পাতি শীঘ্ৰে ইলেকট্ৰিক প'ষ্ট আৰু তাঁৰ কিনাৰ ব্যৱস্থা কৰিলে। অৱশ্যে এই কামটো হৈ উঠোঁতে সময় লাগিল, বিজুলী বিতৰণৰ কাম ঠিকা লোৱা মহৰীৰ ঘৰলৈ তাঁতবাতি কাঢ়িবলগীয়া হ'ল, হ'লেও প্ৰায় ছমাহৰ পাছত ঘৰলৈ বিজুলী আহিল।

প্ৰায় এশ ত্ৰিশ বছৰৰ আগতে বিশ্বত আৰম্ভ হোৱা বিজুলী বিতৰণ প্ৰক্ৰিয়াৰ শেষত আহি আমাৰ গাঁও, আমাৰ ঘৰ পালেহি।

বিজুলী অহাৰ কেইদিনমানৰ পাছতে আমাৰ ঘৰলৈ এটা ৰঙীন টিভি আহিল। লাহে লাহে ইটো-সিটো সামগ্ৰীয়ে ঘৰ ভৰিলহি।

(পঞ্চত্ৰিশ)

টি আই এফ আৰত ইতিমধ্যে মই দুই বছৰতকৈ অধিক কাল অতিবাহিত কৰিলোঁ। এদিন ড° জাৰুৱীয়ে আহি ক'লেহি যে আমি উদ্ভাৱন কৰা যৌগ গেলডান'মাইচিনৰ মেলেৰিয়া প্ৰতিৰোধ ক্ষমতাৰ বিষয়ত এখন গৱেষণা-পত্ৰ লিখিব লাগে। ইয়াৰ সমান্তৰালভাৱে নতুনকৈ স্থাপন কৰিবলগীয়া মাচ স্পেকট্ৰোমেট্ৰিৰ কেন্দ্ৰটোৰ বিষয়ে পৰিকল্পনা কৰিব লাগে।

গতিকে যিটো সময়ত আমাৰ ঘৰত সকলোৱে ধুমধামেৰে ঘৰ সজাৰ কামত ব্যস্ত হৈ আছিল, সেই একে সময়তে মই টি আই এফ আৰত নতুন মাচ স্পেকট্ৰোমেট্ৰিৰ কেন্দ্ৰটো স্থাপনত ব্যস্ত হৈ পৰিলোঁ। মনতে ভাবিলোঁ, যিমান পাৰি সোনকালে মোক কৰিবলৈ দিয়া কামখিনি শেষ কৰি আমেৰিকালৈ উচ্চ শিক্ষাৰ বাবে যোৱাৰ প্ৰস্তুতি চলাব লাগিব। উচ্চ শিক্ষাৰ বাবে আমেৰিকালৈ যাম বুলি ভবাৰ কাৰণ দুটা ঃ প্ৰথমে,

টি আই এফ আৰৰ পৰা আঁতৰি নগ'লে মই ওৰেটো জীৱন এনেকৈয়ে আনৰ তলতীয়া হৈ গৱেষণা কৰি থাকিব লাগিব। আনকি পি এইচ ডি ডিগ্ৰীও নাপাম। দ্বিতীয়তে, মোৰ শেহতীয়া আমেৰিকা ভ্ৰমণে উন্নতমানৰ গৱেষণা আৰু উদ্ভাৱন প্ৰক্ৰিয়াবোৰৰ প্ৰতি মোক বেচ আকৰ্ষিত কৰি তুলিলে। নতুন নতুন আৱিষ্কাৰেৰে আধুনিক জীৱবিজ্ঞানৰ গৱেষণা ইতিমধ্যে প্ৰচণ্ড গতিৰে আগবাঢ়িবলৈ ধৰিলে। অতি শেহতীয়াকৈ সমাপ্ত হোৱা হিউমেন জিনম প্ৰজেক্টৰ দ্বাৰা মানুহৰ দেহৰ কোষৰ ভিতৰত থকা আটাইবোৰ জিনৰ বিষয়ে জানিব পৰা হ'ল (প্ৰায় এৰৈকশ হাজাৰ ভাল জিন আৰু মুঠ তিনিশ কোটি আখৰৰ দৈৰ্ঘ্যৰ জিন)। তদুপৰি অতি সম্প্ৰতি আৱিষ্কৃত ইণ্ডিউচড্ প্লুৰিপটেণ্ট ষ্টেম চেল (আই পি এছ চি) এ (ছালৰ পৰা এটা কোষ আহৰণ কৰি পৰীক্ষাগাৰত এই কোষটো কৰ্ষণ কৰি শৰীৰৰ যিকোনো অংগ-প্ৰত্যংগ গঢ়ি তুলিব পৰা পদ্ধতি) জীৱবিজ্ঞানত যুগান্তকাৰী পৰিৱৰ্তন আনিলে। মানুহৰ মগজুত থকা কোটি কোটি স্নায়ুকোষে কেনেকৈ মানুহৰ চেতনা নিয়ন্ত্ৰণ কৰে, সেই বিষয়ে অতি তীব্ৰ গতিৰে গৱেষণা হ'বলৈ ধৰিলে। এনেধৰণৰ অতি উচ্চমানৰ জৈৱাণুবিজ্ঞানৰ জ্ঞান আৰু কৌশল শিকিবলৈ হ'লে আমেৰিকালৈ যোৱাটো অতি বাঞ্ছনীয়।

কিন্তু মোৰ বাবে আমেৰিকালৈ পি এইচ ডিৰ বাবে যোৱাৰ প্ৰধান প্ৰতিবন্ধকতা হ'ল মোৰ দুৰ্বল ইংৰাজী ভাষাৰ জ্ঞান। কাৰণ পি এইচ ডিৰ বাবে আমেৰিকালৈ যাবলৈ হ'লে প্ৰথমে জি আৰ ই নামৰ পৰীক্ষা এটাত অৱতীৰ্ণ হৈ সফল হ'বই লাগিব। জি আৰ ই পৰীক্ষাৰ এটা প্ৰধান বিষয় হ'ল ইংৰাজী। এই পৰীক্ষাৰ বাবে ইংৰাজীৰ খুব গভীৰ ভাষা-জ্ঞানৰ প্ৰয়োজন।

মই পাৰডিউ বিশ্ববিদ্যালয়ৰ পৰা উভতি অহাৰ পাছৰে পৰা দৈনিক ইংৰাজী পঢ়িবলৈ লৈছিলোঁ। সৰুতে সাহিত্যৰ প্ৰতি ৰাপ থকাৰ বাবে মই পঢ়িবলৈ লোৱা ইংৰাজী কিতাপবোৰৰ ভিতৰৰ সৰহভাগেই আছিল ছিৰিয়াছ সাহিত্যৰ কিতাপ (হ'চে চাৰামাগো, জে এম কোটজি, মিলান কুন্দেৰা, উইলিয়াম ফকনাৰ আদিৰ কিতাপ)। (সেই সময়ত মই অৱশ্যে দুই এটি কবিতা-গল্পও লিখিছিলোঁ, গতিকে এই কিতাপবোৰ পঢ়াটো প্ৰায়োজনীয় বুলিয়েই ধৰি লৈছিলোঁ। কেইবাবছৰৰ পাছত, আমেৰিকালৈ উভতি অহাৰ পাছতো বিজ্ঞান-চৰ্চাৰ উপৰি সময় পালেই সাহিত্য-চৰ্চা কৰাৰ অভ্যাসটো বজাই ৰাখিছিলোঁ, যাৰ ফলও অলপতে 'ধূসৰতাত সংহত শ্ৰৱণ' নামৰ মোৰ গল্প পুথি এখন প্ৰকাশ পাইছিল। মোৰ সাহিত্য-চৰ্চাৰ অধ্যায়টো অৰ্থাৎ মোৰ জীৱন মুদ্ৰাৰ আনটো পিঠিৰ কথা আৰু অৱতাৰণা নকৰি ইয়াতে সামৰণি মাৰিলোঁ।)

মোৰ ব্যক্তিত্বৰ অন্য এটি দুৰ্বলতা আছিল মই সমাজত কথা ক'ব নোৱাৰিছিলোঁ। সমাজত থিয় হৈ কথা ক'লেই মোৰ সমগ্ৰ শৰীৰ কঁপিছিল, কেতিয়াবা অত্যধিক নাৰ্ভাছ হোৱাৰ বাবে মুখৰ পৰা কথাই নোলাইছিল। টি আই এফ আৰত এবাৰ এটি প্ৰেজেণ্টেচন

দি থাকোঁতে দৰ্শকৰ শাৰীত থকা ড° জাহ্নৱীয়ে মোক ডবিয়াই কৈছিল— 'ৰুবুল, তুমি ইমপ্ৰোভ কৰিবই লাগিব, য়ু মাষ্ট ইমপ্ৰোভ।'

মোৰ শ্ৰেষ্ঠতাখিনি উজাৰি দিছিলোঁ, তথাপি নোৱাৰিছিলোঁ, কি কৰিম? বছৰেকত দুই-তিনিবাৰ ডিপাৰ্টমেণ্টৰ সমূহ গৱেষকৰ সন্মুখত এনেকুৱা প্ৰেজেণ্টেচন দিব লাগিছিল। এই দিনটোৰ কথা মনত পৰিলেই মোৰ গা শিয়ৰি উঠিছিল।

এবাৰ এনেকুৱা এটা প্ৰেজেণ্টেচন দিব লাগিব বুলি গম পায়েই মোৰ সম্বিৎ হেৰাল। মই বেচ হতাশ হৈ পৰিলোঁ। কেইবাদিনৰ আগৰেই পৰা প্ৰেজেণ্টেচনটো তৈয়াৰ কৰাৰ কামত লাগি গ'লোঁ। প্ৰেজেণ্টেচনৰ আগদিনা লেবৰেটৰীৰ পৰা সোনকালেই ৰুমলৈ গ'লোঁগে। যাওঁতে মোৰ দুৰ্যোগৰ কথা লগৰ বন্ধু এজনক ক'লোঁ। বন্ধুজনে মোক প্ৰবোধ দিলে— 'চিন্তা নকৰিবাঁ দোষ্ট, এদিন সকলো ঠিক হৈ যাব, কেৱল চেষ্টা কৰি যোৱা।'

ৰাতি ৰুমত অত্যধিক হতাশাত ভোগাৰ দৰে অনুভৱ হ'ল। এনে মুহূৰ্তত অতিকৈ আপোনজনৰ সৈতে কথা পাতিবলৈ মন যায়, যাতে মোৰ দুখখিনি ভগাই ল'ব পাৰোঁ। ৰাতি দেৰিকৈ ঘৰলৈ ফোন কৰিলোঁ। বহুপৰ ৰিং হোৱাৰ পিছত বাইদেৱে ফোন ৰিচিভ কৰিলে, ক'লে— 'ইমান ৰাতি ফোন কৰিছ যে, আমি শুলোঁ, ঘৰত মা নাই, মাহীৰ ঘৰলৈ গ'ল।' টোপনিৰ উখা-মুখাতে বাইদেউৱে কথাখিনি ক'লে। হাতৰ ঘড়ীটো চালোঁ, ৰাতি বাৰটা বাজিবৰ হ'ল।

তাৰ পাছত অলপ সময় মজিয়াতে বহি দুয়োখন হাতেৰে মূৰটো ধৰি, আছাৰি দি চিঞৰি উঠিলোঁ— 'মোৰ কিয় এনেকুৱা হয়?'

(ছয়চল্লিশ)

মোৰ বিৰাট অভিমান হ'বলৈ ধৰিলে।

ধনী ঘৰৰ ল'ৰা-ছোৱালীবোৰে (মোৰ মানত যি ল'ৰা-ছোৱালীৰ মাক-দেউতাকে চাকৰি কৰে, অথবা ঘৰৰ অৱস্থা সচ্ছল সিহঁতেই ধনী) জীৱনত সংগ্ৰাম নকৰাকৈয়ে ভাল ভাল স্কুলত পঢ়ি এতিয়া পি এইচ ডি কৰিবলৈ আহিছে। অথচ মই ইমান আগ্ৰহেৰে পি এইচ ডি কৰোঁ বুলিলেও তৎক্ষণাৎ কৰিব নোৱাৰোঁ। মই ঘৰ উদ্ধাৰৰ দায়িত্বত এতিয়াও ব্যস্ত, অথচ মোৰ সমবয়সৰ ল'ৰা-ছোৱালীবোৰে দুই-এবছৰতে পি এইচ ডি শেষ কৰিব। মই বেচ নিৰাশ হৈ উঠিলোঁ।

মই ভাবিবলৈ ধৰিলোঁ— মই দুখীয়াৰ ঘৰত জন্ম লোৱাৰ বাবে নামী-দামী স্কুলত পঢ়িব নোৱাৰিলোঁ, যাৰ ফলত মই এতিয়া ইংৰাজী ক'বও নোৱাৰোঁ। অথচ সিহঁতে ধনীৰ ঘৰত জন্ম লোৱাৰ বাবেই সংগ্ৰামহীনভাৱেই জীৱনত আগুৱাই গৈছে। মোৰ দৰে সিহঁতে

ঘৰৰ দায়িত্বও ল'ব নালাগে। মই সংগ্ৰামৰ নামত বহুমূলীয়া সময় নষ্ট কৰিবলগীয়া হোৱাত জীৱন যুঁজৰ প্ৰতিযোগিতাত চাগে সিহঁতেই আগবাঢ়ি যাব, মই পিছপৰি যাম।

মোৰ বিৰাট ক্ষোভ হ'বলৈ ধৰিলে। দৰিদ্ৰতাৰ বিৰুদ্ধে ক্ষোভ।

(সাতচল্লিশ)

জি আৰ ই পৰীক্ষাৰ বাবে ইংৰাজী শব্দ অৰ্থ মুখস্থ কৰি কৰি মোৰ মগজুটো এটা 'মেমৰি মেচিন'লৈ ৰূপান্তৰিত হ'ল। বেৰণৰ গাইড বুকখনত থকা 'ছয় হাজাৰ' নতুন জটিল শব্দ-অৰ্থ প্ৰায় চাৰি-পাঁচ মাহৰ ভিতৰত মুখস্থ কৰি অতাঁলো। ছয় হাজাৰ নতুন শব্দ আৰু তাৰ অৰ্থ। সেই সময়খিনিত মোৰ মগজুত আন কিবা সোমাইছিল নে নাই নাজানো। যিসকলে এই পৰীক্ষাটিত অৱতীৰ্ণ হৈছিল, তেওঁলোকে জানে যে এনেকৈ শব্দ মুখস্থ কৰাটো কি এটা বিৰক্তিকৰ কাৰবাৰ। মোৰ কেইবাজনো বন্ধুৱেও এই পৰীক্ষাত অৱতীৰ্ণ হৈছিল। কিন্তু তেওঁলোকে মোৰ দৰে ইমান দীঘলীয়াকৈ প্ৰস্তুতি চলাবলগীয়া হোৱা নাছিল। অৱশ্যে তেওঁলোকৰ শৈক্ষিক আধাৰ মোৰ দৰে নাছিল, তেওঁলোক আহিছিল ভাৰতবৰ্ষৰ নামী-দামী কলেজত শিক্ষা গ্ৰহণ কৰি।

এনেকৈ পৰীক্ষাৰ প্ৰস্তুতি চলাই থাকোঁতে মই বাৰে বাৰে ভাবিছিলোঁ— এৰি দিওঁ নেকি? বাদ দিওঁ নেকি বিদেশলৈ যোৱাৰ আশা? মোৰ দেখোন এটা চৰকাৰী চাকৰি আছেই? কি দৰকাৰ ইমান হাড়ভগা পৰিশ্ৰম কৰাৰ?

মই নিশ্চিত যে যি সকলে এই পৰীক্ষাটিৰ প্ৰস্তুতি চলায়, তেওঁলোকৰো আধাতে এনে ভাব হয়— বাদ দিওঁ নেকি?

কিন্তু মোৰ মনে আঁকোৰগোঁজকৈ লাগিল— নহয় আমেৰিকালৈ উচ্চ শিক্ষাৰ বাবে যাবই লাগিব। আৰু এয়ানো কি কষ্ট? মই যে সৰুতে আমাৰ দ মাটিত হাল বাওঁতে নাঙলত দল ঘাঁহ লাগি ধৰিছিল, সেই ঘাঁহবোৰ নাঙলৰ পৰা আঁতৰোৱাটো বেছি কষ্টকৰ আছিল— মোৰ ভাব হ'ল। মই সংকল্প ল'লোঁ— যিমান পাৰি সিমান চেষ্টা কৰিম, মগজুৰ সকলো উজাৰি দিম।

অৱশেষত এদিন পৰীক্ষা আহিল। অতি উখল-মাখলেৰে পৰীক্ষা দিলোঁ। পৰীক্ষাৰ অন্তত ৰিজাল্টো আহিল। ফলাফল অতি সন্তোষজনক হোৱাত স্বস্তিৰ নিশ্বাস এৰিলোঁ।

জি আৰ ই আৰু ট'ফেল পৰীক্ষাৰ ফলাফল ভাল হোৱাৰ পাছতো আৰু কেইটামান আনুষ্ঠানিকতা সম্পন্ন কৰিলেহে মই আমেৰিকালৈ যোৱাটো সম্ভৱপৰ হৈ উঠিব। প্ৰথমতে বাছি বাছি কেইখনমান বিশ্ববিদ্যালয়ৰ পি এইচ ডি প্ৰগ্ৰেমৰ বাবে আবেদন কৰিব লাগিব। এই আবেদন প্ৰক্ৰিয়া অতি খৰচী, কিন্তু তাৰ বাবে মই চিন্তা কৰাৰ প্ৰয়োজন নাই, কাৰণ মই ইতিমধ্যে চৰকাৰী

চাকৰিয়াল আৰু মই আবেদনৰ নামত হ'বলগীয়া খৰচ কৰিবলৈ ৰাজি আছোঁ।

দ্বিতীয়তে, মই আমেৰিকালৈ যাবলৈ চলাই থকা গোপন প্ৰস্তুতিৰ বিষয়ে ড° জাৰুৱীক জনাব লাগিব। ড° জাৰুৱীৰ পৰা এখন পত্ৰও (ৰেকমেণ্ডেশ্যন লেটাৰ) লাগিব যিখন মোৰ আবেদনৰ সৈতে গাঁঠি দিয়াটো জৰুৰী। এনেকুৱা আৰু দুখন পত্ৰৰ প্ৰয়োজন হ'ব, কিন্তু এই দুখন অৰ-ত'ৰ পৰা যোগাৰ কৰিম, সেইবুলি টি আই এফ আৰৰ পৰা নিবিচাৰোঁ, কাৰণ মোৰ গোপন প্ৰস্তুতিৰ বিষয়ে জনাব নোৱাৰি। জনালে, মোক চাকৰিৰ পৰা যদি অব্যাহতি নিদিয়ে?

খুউব সাৱধানেৰে কামবোৰ আৰম্ভ কৰিলোঁ। এদিন ড° জাৰুৱীক মোৰ প্ৰস্তুতিৰ বিষয়ে ক'লোঁ, তেখেতে ৰেকমেণ্ডেশ্যন লেটাৰ এখন দিব পাৰিব নেকি বুলি সুধিলোঁ। মই গোপনে গোপনে এই কামবোৰ কৰি থকা বুলি গম পাই ড° জাৰুৱীৰ খং উঠিল। তেওঁৰ ৰঙচুৱা হ'বলৈ ধৰা মুখমণ্ডলেৰে মূৰ জোকাৰিলে— 'না, তুমি যাব নোৱাৰা।' মোৰ সপোনত যেন চেঁচা পানী পৰিল। কিন্তু এক ঘণ্টামানৰ পাছত আহি ড° জাৰুৱীয়ে খুউব গম্ভীৰ মাতেৰে ক'লে— 'জানা ৰুবুল, তুমি যদি মোৰ নিজৰ ল'ৰা হ'লাহেঁতেন, তেন্তে মই চাগে তোমক যাবলৈ কেতিয়াও মানা নকৰিলোঁহেতেন। গতিকে তোমাক মানা কৰাৰ কোনো কাৰণেই থাকিব নোৱাৰে। তুমি যাব পাৰাঁ।'

মই বিভিন্ন বিশ্ববিদ্যালয়লৈ আবেদন-পত্ৰ পঠিওৱাৰ কাম আৰম্ভ কৰি দিলোঁ। এইবাৰ সম্পূৰ্ণ নিজৰ কষ্টৰে, এইবাৰ মোৰ লগত আনে সহায় কৰি দিয়া 'ভাগ্য' নাই। মই নিজৰ কষ্টৰে ভাগ্য নিৰ্মাণ কৰিব লাগিব। টি আই এফ আৰত কাৰোৰেই সহায় বিচাৰিব নোৱাৰোঁ, কাৰণ মই টি. আই. এফ আৰ এৰি যাবলৈ ওলাইছোঁ।

তাৰ পিছত বহুপ্ৰতীক্ষাৰ অন্তত, মাৰ্চ মাহৰ শেষৰফালে এদিন খবৰ আহিল যে আমেৰিকাৰ মাচাছুছেটচ বিশ্ববিদ্যালয়ৰ পি এইচ ডি প্ৰগ্ৰামৰ বাবে মোক বাছনি কৰা হৈছে।

(আঠচল্লিশ)

সৰু কক্ষটো ড° কোলথোৰৰ অফিচ। তেওঁ প্ৰতিষ্ঠানটোত যোগ দিয়া বেছি দিন হোৱা নাই।

মই কোঠাটোলৈ সোমাই গ'লোঁ। ড° কোলথোৰে ক'লে— দুৱাৰখন বন্ধ কৰি দিয়াঁ। মোৰ সন্মুখত ড° কোলথোৰ আৰু ড° ৰাও। ড° ৰাও ডিপাৰ্টমেণ্টৰ চেয়াৰ পাৰছন। ড° কোলথোৰে নিৰ্দেশ দিলে, 'বহা'। মই সন্মুখৰ চকীখনতে বহিলোঁ। ড° ৰাওৱে অকণো পলম নকৰি সুধিলে—

— তুমি টি আই এফ আৰ এৰি যাবলৈ ওলাইছা বুলি শুনিছোঁ?

— হয়।

— ক'লৈ যাবা?

— মাচাছুছেটচ্ বিশ্ববিদ্যালয়ত পি এইচ ডি কৰিবলৈ।

— কেতিয়া যাবা?

— এমাহ মানৰ ভিতৰতে।

— 'তুমি আমাক কোৱা নাছিলা কিয়?' ড° ৰাৱে গৰ্জন মাৰি সুধিলে।

— 'মই ভিচা পোৱা নাছিলোঁ।' মই অজুহাত দিলোঁ।

— তুমি ভিচা পোৱা-নোপোৱাৰ লগত আমাৰ সম্পৰ্ক নাই। তুমি যাব নোৱাৰাঁ।

— কিন্তু ছাৰ, মোৰ ভিচা হৈ গৈছে, মই যাবলৈ প্ৰস্তুত।

— 'উই ডন্ট কেয়াৰ।' ড° ৰাওৰ অচল কণ্ঠ।

— 'ইটচ টু লেইট ছাৰ। মই প্ৰতিবাদ কৰিবলৈ চেষ্টা কৰিলোঁ।

ইমান পৰে ড° কোলথোৰ মনে মনে বহি আছিল। তেওঁ ড° ৰাওৰ সৈতে যোগ দিলে—

— তুমি আগতেই ক'ব লাগিছিল।

— হয় ক'ব লাগিছিল, মোৰ ভুল হৈ গ'ল।

— তাৰ অৰ্থ কি? তুমি জানানে, নতুনকৈ স্থাপন কৰা মাচ স্পেক্ট্ৰোমেট্ৰিৰ চেণ্টাৰটো তোমাৰ অবিহনে অচল হৈ যাব?

— সেইটো মিছা কথা, মই মানি নলওঁ, কাৰণ মই প্ৰসাদ নামৰ অন্য এজনক ইতিমধ্যেই শিকাইছোঁ।

— হ'লেও চেণ্টাৰটো তোমাৰ তত্ত্বাৱধানতে আছে।

মই কোনো উত্তৰ নিদিলোঁ, উত্তৰ দি দি যেন মই ভাগৰি গৈছোঁ। এইবাৰ ড° ৰাৱে আৰম্ভ কৰিলে, যি মোৰ মনক বৰ দুখ দিলে।

— আমাক মেনপাৱাৰ লাগে, তোমাৰ দৰে মেনপাৱাৰ, আমাৰ ইয়াত কাম কৰিবলৈ।

'মেন পাৱাৰ'! শব্দটোৱে তৎক্ষণাত মোৰ মগজুত এক অদ্ভুত ক্ৰিয়া কৰিলে। মই যেন ড° ৰাওক ক'ব খুজিলোঁ— 'তোমালোকে আমাক মেন-পাৱাৰ হিচাপে গণ্য কৰা। আমাৰ দৰে দূৰ-দূৰণিৰ কোনোবা অখ্যাত গাঁৱৰ পৰা অহা দৰিদ্ৰ সাধাৰণ নাগৰিকক তোমালোকে 'মেনপাৱাৰ' হিচাপে গণ্য কৰা। তোমালোকৰ নিজৰ সন্তানক দেশৰ বাহিৰলৈ উচ্চ শিক্ষাৰ বাবে পঠাই 'ইণ্টেলিজেণ্ট' আৰু 'স্মাৰ্ট' কৰিব খোজা। তোমালোকে ভাবা আমিবোৰ 'ইণ্টেলিজেণ্ট' নহ'লেও চলি যায়।...' কিন্তু নক'লোঁ।

তাৰ পিছত খুউব শান্ত মাতেৰে মই ক'লোঁ— 'ইটছ টু লেইট, ছাৰ।' মই চকীৰ পৰা উঠিবলৈ ল'লোঁ। মোক আচৰিত কৰি ড° ৰাৱেও ক'লে— 'বেষ্ট অৱ লাক'।

দৰ্জা খুলি মই বাহিৰলৈ ওলাই আহিলোঁ।

তাৰ এমাহৰ পাছত মই টি আই এফ আৰ এৰি আমেৰিকালৈ উৰা মাৰিলোঁ।

দেউতাৰ অসুখ

(ঊনপঞ্চাশ)

মুম্বাই এৰি থৈ যাবলৈ পাই নিশ্চয় মোৰ বেয়া লাগিছিল। এনিমেল হাউছৰ নিগনি নিগনি গোন্ধ, লেবৰেটৰিত অহর্নিশে বাজি থকা জেল-ৰকাৰৰ কৰকৰ শব্দ, নতুনকৈ স্থাপন কৰি লোৱা মাচ স্পেকট্ৰোমেট্ৰিৰ কেন্দ্ৰটো, এই আটাইবোৰলৈ মোৰ মনত পৰি থাকিব। উচ্ছ্‌ল সাগৰৰ নিমখ নিমখ ভাব, কেন্টিনৰ সুস্বাদু খাদ্য, ডি বি এছৰ দীঘল কৰিড'ৰটো, ডিপাৰ্টমেণ্টৰ মানুহবোৰ আৰু বিশেষকৈ মোৰ পিতৃতুল্য ড° জাহ্নবীৰ উদ্‌গনি-অনুপ্ৰেৰণা মই সদায় মনত পেলাম।

কিন্তু এৰি থৈ যোৱা স্মৃতিৰ বিষণ্ণতাতকৈ অনাগত দিনত আহিবলগীয়া উৎসাহ-উদ্দীপনা, আনন্দৰ কথাবোৰ ভাবিলে মনটো আশাবাদী হৈ উঠে।

মই আমেৰিকালৈ যাবলৈ ডেল্টা এয়াৰ লায়েন্সৰ ফ্লাইটত উঠাৰ পাছত এনেকুৱা কিছুমান মিশ্ৰিত অনুভূতিয়ে মনত ক্ৰিয়া কৰি গ'ল।

জীৱনত 'ট্ৰেজাৰ হাণ্ট'ৰ খেলখন যেন আকৌ খেলিবলৈ লৈছোঁ। এইবাৰ মই মুক্তমনে, নতুন আশা নতুন প্ৰতিশ্ৰুতিৰে আৰম্ভ কৰিব খুজিছোঁ। শূন্যতাৰ পৰা আকৌ জীৱন আৰম্ভ, মাত্ৰ এইবাৰ যেন পিঠিত বোজাটো কম।

এনেকৈ আৰু কিমান দূৰলৈ গৈ থাকিম, গৈ গৈ ক'ত ওলামগৈ, মই নাজানো।

(পঞ্চাশ)

ফ্লাইটত গৈ থাকোঁতে মানুহ এজনৰ কাহিনী এটা মনলৈ আহিল। তেওঁৰ নাম আছিল নিক'লা টেচ্‌লা।

বহুবছৰৰ আগতে, ১৮৮৪ চনত, ছাৰ্বিয়াৰ পৰা টেচলা জাহাজেৰে আমেৰিকালৈ

যাবলৈ ওলাইছিল। তেওঁৰ গন্তব্যস্থান আছিল নিউয়ৰ্ক চহৰ। নিউয়ৰ্ক চহৰত থকা ৱিখ্যাত উদ্ভাৱক থমাচ আলভা এডিচনক লগ কৰি এডিচনৰ তত্ত্বাৱধানতে টেচলাই কাম কৰিব বিচাৰিছিল।

ইতিমধ্যে মাত্ৰ দুবছৰমানৰ আগতে থমাচ আলভা এডিচনে লাইটৰ বাল্ব উদ্ভাৱন কৰি নিউয়ৰ্ক চহৰত মানুহৰ ঘৰে ঘৰে বিজুলী যোগান ধৰিছিল। অৱশ্যে বিজুলী যোগান ধৰোঁতে এডিচন এক আসোঁৱাহৰ সন্মুখীন হৈছিল। তেওঁ প্ৰত্যেক এক মাইলৰ দূৰে দূৰে বিদ্যুৎ উৎপাদনৰ কেন্দ্ৰ অৰ্থাৎ পাৱাৰ প্লেণ্ট স্থাপন কৰিব লগা হৈছিল। কাৰণ এডিচনে ব্যৱহাৰ কৰা ডাইৰেক্ট কাৰেণ্ট (বা ডি চি) প্ৰথাৰে বেছি দূৰলৈ বিদ্যুৎ সৰবৰাহ কৰিব নোৱাৰি। (ভাবকচোন, প্ৰত্যেক এক মাইলৰ দূৰে দূৰে বিদ্যুৎ উৎপাদন কেন্দ্ৰ স্থাপন কৰিব লগা হোৱাহেঁতেন, আজিৰ দিনত চহৰে-নগৰে, গাঁৱে-ভূঞে বিদ্যুৎ যোগান ধৰাটো সম্ভৱ হ'লহেঁতেননে?)

টেচলাৰ হাতত এই সমস্যাৰ সমাধানৰ সূত্ৰ আছিল। তেওঁ বিদ্যুৎ সৰবৰাহৰ বাবে অল্টাৰনেটিং কাৰেণ্ট (বা এ চি) নামৰ প্ৰথা অৱলম্বন কৰিব খুজিছিল। এ. চি ৰ যোগেদি বিদ্যুতৰ বিভৱ (ভল্টেজ) উঠা-নমা কৰিব পাৰি (যেনে হাই ভ'ল্টেজৰ কাৰেণ্ট (৩০০ ভ'ল্টৰ) ল' ভ'ল্টেজলৈ (১০০ ভল্ট) ৰূপান্তৰিত কৰিব পাৰি। কিন্তু ডি চি প্ৰথাৰে এনে বিভৱৰ উঠা-নমা কৰিব নোৱাৰি।) তাৰমানে বিদুৎ উৎপাদন কেন্দ্ৰৰ পৰা শ শ মাইল দূৰলৈ হাই ভ'ল্টেজ সম্পন্ন বিদুৎ সৰবৰাহ কৰি, বিতৰণ কৰিবলগীয়া ঠাইত এ চি প্ৰথাৰ যোগেদি (ট্ৰেন্সফৰ্মাৰৰ যোগেদি) গ্ৰাহকৰ ঘৰে ঘৰে ল' ভ'ল্টেজ বিদ্যুৎ যোগান ধৰিব পৰা যাব।

ইউৰেকা!

কিন্তু আশ্চৰ্যকৰ। এডিচনে টেচলাৰৰ এই উদ্ভাৱনক স্বীকৃতি নিদিলে। ফলত টেচলাই এডিচনৰ সৈতে এবছৰ কাম কৰি সেই কোম্পানী ত্যাগ কৰিলে।

নিউয়ৰ্ক চহৰত টেচলাই, বিভিন্ন পুঁজিপতিৰ অনুদান সাহায্যৰে, নিজাববীয়াকৈ কাম কৰিবলৈ ধৰিলে। আৰু এদিন ৱেষ্টিংহাউছ নামৰ বিখ্যাত পুঁজিপতিয়ে টেচলাৰ উদ্ভাৱনক বাণিজ্যিকীকৰণৰ সুবিধা দিলে।

ফলত, ১৮৯৩ চনত আমেৰিকাৰ চিকাগো চহৰত 'কলম্বিয়া এক্সপজিচন' নামৰ প্ৰদৰ্শনী অনুষ্ঠানত ৰাতিৰ আন্ধাৰতে অবিশ্বাস্যভাৱে, পোহৰৰ প্ৰদৰ্শন কৰা হ'ল।

সেয়া আছিল লক্ষ লক্ষ বছৰ পুৰণি মানৱ সভ্যতাত এক নতুন সূৰ্যোদয়। বেলিৰ পোহৰৰ অবিহনেও ৰাতিৰ পৃথিৱীখনক উজ্জ্বল কৰি ৰখাটো সঁচা অৰ্থতে এক নতুন সূৰ্যোদয় আছিল।

(একাৱন)

বষ্টনৰ ল'গান আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত মোৰ হ'বলগীয়া ৰুমমেটৰ বাবে অপেক্ষা কৰি ৰ'লোঁ। তেওঁ মোক বষ্টনৰ পৰা গাড়ীৰে নিবলৈ অহাৰ কথা। বিমান বন্দৰৰ আগমনি কক্ষত বৰ বেছি মানুহ নাই। দুপৰীয়াৰ সময়। দুই এজন ভাৰতীয় যুৱক-যুৱতীক দেখিছোঁ। সিহঁতো মোৰ দৰেই শিক্ষাৰ্থী-গৱেষক চাগৈ। এইখন দেশলৈ বছৰি হাজাৰ-বিজাৰ ছাত্ৰ-ছাত্ৰী-গৱেষকৰ আগমন ঘটে। প্ৰত্যেকেই একোটা সপোন লৈ আহে, আহে সুযোগৰ সন্ধানত। ঠিক এদিন যিদৰে আহিছিল নিকলা টেচলা। টেচলা আমেৰিকালৈ অহাটো এটা বুৰঞ্জীপ্ৰসিদ্ধ ঘটনা আছিল। টেচলা আমেৰিকালৈ নহাহেঁতেন এ চি মটৰৰ আৱিষ্কাৰ হ'লহেঁতেননে? বিশ্বৰ কোটি কোটি চহৰে-নগৰে-গাঁৱে-ভূঞে বিদ্যুতৰ যোগান ধৰাটো সম্ভৱ নহ'লেহেঁতেন।

এনেতে মোৰ হ'বলগীয়া ৰুমমেট, অৰ্থাৎ ৰেয়মণ্ড ডেভন আহি ওলালহি।

— ৰুবুলনে?

— হয়।

— মই ৰেয়।

— নাইচ টু মিট য়ু।

ৰেয়মণ্ডে মোক বষ্টন চহৰৰ মাজেৰে, এমহাৰ্ষ্ট নগৰীলৈ বুলি লৈ গ'ল। তেতিয়া অপৰাহ্নৰ বেলি পশ্চিমলৈ আগুৱাই গৈছিল। হাইৱে' নাইনটিৰে আমিও পশ্চিমলৈ অগ্ৰসৰ। আগষ্ট মাহৰ প্ৰখৰ বেলিৰ কিৰণে আমাক বাট ভেটি ধৰিছিল। ৰেয়মণ্ডৰ কাষৰে পেছেঞ্জাৰ ছীটত মই বহি গৈছিলোঁ। ৰেয়মণ্ডে ইটো সিটো কথা সুধিলে—

— চ', কেনেকুৱা লাগিছে আমেৰিকা?

— ভালেই, কিন্তু আগতে আহিছোঁ।

— অ' বঢ়িয়া।

তাৰ পাছত গৱেষণাৰ কথা, ভাৰতৰ কথা, মুম্বাই চহৰৰ কথা। এপাকত সি সুধিলে— 'ঘৰত মা-দেউতা আছে?'

— আছে।

— কি কৰে, সুধিব পাৰোঁনে?

— নিশ্চয়। ফাৰ্ম আছে।

আচলতে খেতি কৰে, আমাৰ ঘৰ দুখীয়া বুলি ক'বলৈ মোৰ লাজ লাগিল ; তেহে 'ফাৰ্ম' আছে বুলি ক'লোঁ। আজিকালি এইটোৱেই মোৰ ষ্টেণ্ডাৰ্ড উত্তৰ!

ৰেয়মণ্ডে তাৰ ঘৰৰ কথা ক'লে। তাৰ ঘৰ ফ্ল'ৰিডাৰ ফালে, মাক-বাপেকৰ

কেতিয়াবাই ডিভ'ৰ্চ হৈছে। ওঠৰ বছৰ বয়সৰ পৰা সি নিজে উপাৰ্জন কৰি অকলে অকলেই জীৱন কটাইছে। — 'কিমান বয়স হৈছে তোমাৰ?' মই ৰেয়মণ্ডক সুধিলোঁ। — 'চৌত্ৰিশ বছৰ।' ৰেয়মণ্ডে চৌত্ৰিশ বছৰ বয়সত পি এইচ ডি আৰম্ভ কৰিছে, শুনি আচৰিত হ'লোঁ। আমাৰ ভাৰতত চৌত্ৰিশ বছৰ বয়সত ঘৰবাৰী পাতি মানুহ বুঢ়াই হয়, মই ভাবিলোঁ! ৰেয়মণ্ড কৃষ্ণাংগ বেছ শকত-আৱত মানুহ। জীৱনত বহুত সংগ্ৰাম কৰি পি এইচ ডি কৰিবলৈ আহিছে। এইদৰে বহু দেৰি কথা পতাৰ পাছত মই ৰেয়মণ্ডক ক'লোঁ যে মোৰ ভাগৰ লাগিছে, মই অলপ গাড়ীতে জিৰাওঁ, যদিহে সি বেয়া নাপায়। — 'নিশ্চয় নিশ্চয়', সি ক'লে। মই ক'লোঁ— 'আমি দেখোন ৰুমমেট হৈয়ে কটাম, পাছে পৰেও কথা পাতিম।'

(বাৰ)

এমহাৰ্ষ্টৰ পৰিৱেশে মোৰ মন ৰোমাঞ্চিত কৰি তুলিলে। কি সুন্দৰ ঠাই! শান্ত-সৌম্য, পৰিচ্ছন্নতাৰে ৰখা চহৰখনৰ সৌন্দৰ্যই মোৰ মন মুহি পেলালে। আগষ্ট মাহৰ ডাঠ সেউজীয়া গছৰ পাত, মাচাচুছেটচ বিশ্ববিদ্যালয়ৰ কাষত থকা মাউণ্ট চুগাৰলোফ, বিশ্ববিদ্যালয়ৰ দৃষ্টি-নন্দন বিল্ডিংবোৰ। যেন প্ৰকৃতিৰ বাংময়তাত আচ্ছন্ন চৌদিশ।

এমহাৰ্ষ্ট চহৰখন তেনেই সৰু। এই চহৰখনক 'ফাইভ কলেজ চিটী' বুলি কোৱা হয়। কাৰণ ইয়াত পাঁচখন বিখ্যাত কলেজ আৰু বিশ্ববিদ্যালয় আছে। এমহাৰ্ষ্ট কলেজখন দেশৰ ভিতৰতে এখন শ্ৰেষ্ঠ কলেজ। এই কলেজত পঢ়ি যোৱা ছাত্ৰ-ছাত্ৰীৰ কীৰ্তি-যশস্যাৰ যেন অন্ত নাই (যেনে 'ডা ভিঞ্চি কড'ৰ লেখক ডেন ব্ৰাউন, আমেৰিকাৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি কোলিজ)। স্মিথ আৰু হলিউক কলেজো অতি বুৰঞ্জীপ্ৰসিদ্ধ।

এমহাৰ্ষ্ট চহৰৰ সৈতে এগৰাকী বিশ্ববিখ্যাত কবিৰ নাম জড়িত হৈ আছে— তেখেত হ'ল অতি সংবেদনশীল কবি এমিলি ডিকিনচন। ডিকিনচনে এই এমহাৰ্ষ্ট চহৰৰ প্ৰাণ কেন্দ্ৰৰ এটি ঘৰতে কোনেও নজনাকৈ হাজাৰ বিজাৰ কবিতা লিখি থৈ গৈছিল। ডিকিনচনৰ মৃত্যুৰ পাছতহে উদ্ধাৰ হৈছিল এই কবিতাবোৰ। ডিকিনচনে বাস কৰা সেই ঘৰটো এতিয়া এমিলি ডিকিনচন মিউজিয়ামলৈ ৰূপান্তৰিত কৰা হ'ল। শুনা মতে ডিকিনচন হেনো ইমানেই নিৰ্জু আৰু সংবেদনশীল আছিল যে তেওঁ নিজৰ কোঠালিৰ পৰাও ওলাই নাহিছিল। দিনে-ৰাতিয়ে নিজৰ কোঠাতে আবদ্ধ হৈ কবিতা লিখাত মগ্ন হৈ থাকিছিল।

এমহাৰ্ষ্ট চহৰখন দেশী-বিদেশী ৰেস্তোৰাঁৰে ভৰি আছিল। এণ্টনিঅ'জৰ পিজ্জা, এমহাৰ্ষ্ট চাইনিজ, মধ্য প্ৰাচ্যৰ মোটি...। গধূলি হ'লেই সুসজ্জিত চহৰখন কৃত্ৰিম আলোকৰ ভাস্বৰতাত জলমলাই উঠে। পথত কলেজীয়া ছাত্ৰ-ছাত্ৰী। পথৰ কাষে কাষে থকা, বেঞ্চবোৰত বহি কোনো কোনোৱে পৰিচ্ছন্ন বতাহৰ সোৱাদ লৈছে। ক্ৰমান্বয়ে ৰাতি

হোৱাৰ লগে লগেই এই কোলাহলহীন চহৰখন শান্তিত শুই পৰে।

মাচাচুছেটচ বিশ্ববিদ্যালয় এমহাৰ্ষ্ট চহৰৰ প্ৰাণকেন্দ্ৰ। এই বিশ্ববিদ্যালয়খনক চুটিকৈ ইউমাচ বোলা হয় (ইউনিভাৰ্ছিটি অৱ মাচাচুচেটচ)। ইউমাচৰ অবিহনে যেন এমহাৰ্ষ্ট চহৰখনৰ ক্ৰিয়া-কলাপেই বন্ধ হৈ যাব। ইউমাচত প্ৰায় ছাব্বিশ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে পঢ়ে। এইসকলৰ সৰহভাগেই আণ্ডাৰ গ্ৰেজুৱেট। গ্ৰেজুৱেট অৰ্থাৎ পি এইচ ডি প্ৰগ্ৰামতো কেইবা হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰে।

ইউমাচত মোৰ ডিপাৰ্টমেণ্টটো আছিল ডিপাৰ্টমেণ্ট অৱ কেমিষ্ট্ৰি। ৰসায়ন বিজ্ঞানৰ বিভাগ হ'লেও ইয়াৰ সৰহভাগ প্ৰফেছৰ জীৱবিজ্ঞানৰহে গৱেষক। আজিকালি ৰসায়ন আৰু জীৱবিজ্ঞানৰ মাজত তেনেকুৱা প্ৰভেদ নাইকিয়া হৈ আহিছে। এক অৰ্থত জীৱবিজ্ঞানো জটিল যৌগৰ ৰসায়ন বিজ্ঞান। আজিকালি দেখা দিয়া অন্য এটা প্ৰৱণতা হৈছে যে পদাৰ্থ বিজ্ঞান বা ৰসায়ন বিজ্ঞানৰ ছাত্ৰই (আনকি অংক আৰু ইঞ্জিনীয়াৰিঙৰ ছাত্ৰ-ছাত্ৰীয়েও) শেষত গৈ জীৱবিজ্ঞানৰে গৱেষণা কৰে। ইয়াৰ এটা কাৰণ হ'ল যে কোষৰ ভিতৰৰ পৃথিৱীখন ইমানেই ৰোমাঞ্চকৰ, যিকোনো গৱেষককে এই পৃথিৱীখনে আকৰ্ষণ কৰে। তদুপৰি, জীৱবিজ্ঞানৰ গৱেষণা মানুহৰ স্বাস্থ্য আৰু মানৱ কল্যাণৰ লগত জড়িত হৈ আছে।

মোৰ এপাৰ্টমেণ্টটো আছিল বিশ্ববিদ্যালয়ৰ পৰা প্ৰায় দহ মিনিট দূৰত্বত (বাছেৰে)। এপাৰ্টমেণ্টৰ কাষেৰেই কানেকটিকাট নৈখন বৈ গৈছিল। কানেকটিকাট নৈৰ সিটো পাৰে মাউণ্ট ছুগাৰলোফ; প্ৰকৃতিক সৌন্দৰ্যৰে ভৰপূৰ এই ঠাইখিনি বৰ নিৰ্জন। ৰাতি হ'লেই যেন কেৱল নীৰৱতাৰ শব্দ। দুটা বেডৰুমৰ এপাৰ্টমেণ্টত মোৰ ৰুমমেট আছিল কেৱল ৰেয়মণ্ড। দিনত বিশ্ববিদ্যালয়ত কটাবলগীয়া হোৱাত আমি ৰাতি হ'লেহে লগ লাগিছিলোঁ। কিটচেন একেটা হ'লেও আমি বেলেগে খাইছিলোঁ। মোৰ দৈনিক ভাত খোৱাৰ ধৰণটো দেখি এদিন ৰেয়মণ্ডে কৈছিল— 'তুমি এক সপ্তাহত যিমান ভাত খোৱা, মই গোটেই জীৱনতে সিমান ভাত খোৱা নাই।' মই হাঁহিছিলোঁ।

এনেকৈয়ে আৰম্ভ হৈছিল ইউমাচৰ দিনবোৰ।

(তেৰ)

'মেমৰী মেচিন'।

আমাৰ মগজুৰ হিপ'কেম্পাচ নামৰ এটি অংগই স্মৃতিৰ ভঁৰাল হিচাপে কাম কৰে। আমি শিকা কথাবোৰ এই ভঁৰালত স্মৃতি হিচাপে সঞ্চিত হৈ থাকে। কিছুমান অলপ দিনলৈ; কিছুমান বহুদিনলৈ; যাক কোৱা হয় চৰ্ট টাৰ্ম মেমৰী বনাম লং টাৰ্ম মেমৰী।

প্ৰশ্ন হয়— আমাৰ মগজুৰ হিপ'কেম্পাচৰ এই স্মৃতি সংৰক্ষণ ক্ষমতা কৃত্ৰিমভাৱে বঢ়াব পাৰি নে? (যেনেকৈ কম্পিউটাৰৰ মেমৰী আৰু হাৰ্ড ড্ৰাইভৰ পৰিমাণ বঢ়াব পাৰি)।

জি আৰ ই পৰীক্ষাৰ বাবে মই কেনেকৈ ছয় হাজাৰ নতুন ইংৰাজীৰ শব্দৰ অৰ্থ চাৰি-পাঁচ মাহৰ ভিতৰতে মুখস্থ কৰি পেলাইছিলোঁ? মোৰ হিপ'কেম্পাচত ইমান খালী ঠাই আছিলনে? (নে মোৰ মগজুটো একেবাৰে খালীয়েই আছিল?)

ইতিমধ্যে, ন'বেল বঁটা বিজয়ী বিজ্ঞানী ড° এৰিক কেণ্ডেলৰ গৱেষণাই (আৰু তেওঁৰ কিতাপ 'ইন চাৰ্চ্চ অৱ মেমৰ') চৰ্ট টাৰ্ম মেমৰী আৰু লং টাৰ্ম মেমৰীৰ বিষয়ে বহুতো গুৰুত্বপূৰ্ণ তথ্য উদ্‌ঘাটন কৰিলে। স্মৃতিনো কি? স্মৃতি হৈছে আমাৰ ঘৰত ওলমি থকা ইলেক্ট্ৰিচিটীৰ তাঁৰত বৈ যোৱা বিদুৎ প্ৰৱাহৰ দৰে; মগজুৰ স্নায়ু কোষবোৰৰ মাজেৰে বৈ যোৱা বিদুৎ প্ৰৱাহ। এনে কোটি কোটি স্নায়ুকোষৰ মাজেৰে বৈ থকা বিদ্যুতেই স্মৃতি। বিশেষ বিশেষ ৰাসায়নিক যৌগই এই প্ৰবাহ অৰ্থাৎ স্মৃতি নিয়ন্ত্ৰণ কৰে। এই যৌগবোৰক নিউৰ'ট্ৰেন্সমিটাৰ বোলে।

ইউমাচত যোগ দিয়াৰ পাছত মই গম পালোঁ যে আমাৰ ডিপাৰ্টমেণ্টৰ প্ৰফেছৰ ড° জেইমচ চেম্বাৰ্চে কৃত্ৰিম নিউৰ'ট্ৰেন্সমিটাৰ সংশ্লেষণৰ গৱেষণা কৰে। কথাটো শুনি মই ৰোমাঞ্চিত হৈ উঠিলোঁ। তাৰ মানে কৃত্ৰিম নিউৰ' ট্ৰেন্সমিটাৰ অণুৰ যোগেদি অদূৰ ভৱিষ্যতে মানুহৰ স্মৃতি বঢ়াব পৰা যাব?

মানুহৰ মগজুটো 'মেমৰী মেচিনলৈ' ৰূপান্তৰ কৰিব পৰা যাব? এই সন্দৰ্ভত মই ড° চেম্বাৰ্চৰ লগত যোগাযোগ কৰি মই তেওঁৰ অধীনত গৱেষণা কৰাৰ অৰ্থাৎ পি এইচ ডি কৰাৰ ইচ্ছা প্ৰকাশ কৰিলোঁ। আমাৰ পি এইচ ডি প্ৰগ্ৰেমৰ নিয়মমতে প্ৰথম ছয়মাহৰ ভিতৰত এটা নিৰ্দিষ্ট লেবৰেটৰী বিচাৰি উলিয়াব লাগে। ড° চেম্বাৰ্চে তৎক্ষণাৎ উত্তৰ দিলে— 'নিশ্চয়'।

ফলত মই ড° চেম্বাৰ্চৰ লেবৰেটৰীত এমাহৰ বাবে যোগ দিলোঁ। ড° চেম্বাৰ্চৰ লেবত মোৰ দৈনিক কাম হৈছিল স্নায়ুকোষ কৰ্ষণ কৰি এই কৃত্ৰিম নিউৰ'ট্ৰেন্সমিটাৰৰ যোগেদি স্নায়ুকোষৰ ভিতৰত বিদ্যুৎ পৰিবহণ কৰা। কিন্তু সমস্যা হৈছিল এই কৃত্ৰিম অণুবোৰে স্নায়ুকোষ ভালকৈ আকৰ্ষণ নকৰিছিল। ফলত স্নায়ুকোষৰ মাজেৰে ভালকৈ বিদুৎপ্ৰবাহ নহৈছিল। মোৰ অনুমান হ'ল এই অণুবোৰ সংশ্লেষণত ত্ৰুটি আছিল আৰু এইবোৰৰ দ্বাৰা আমি বিচৰা ফলাফল পোৱা নাযাব। (মোৰ অনুমান সত্য আছিল, কাৰণ ড° চেম্বাৰ্চৰ লেবৰেটৰীয়ে প্ৰায় পাঁচবছৰমান এই প্ৰকল্পটি কৰি এসময়ত এই গৱেষণা বাদ দিছিল।)

ফলত অতি আগ্ৰহেৰে ড° চেম্বাৰ্চৰ লেবৰেটৰীত যোগ দিবলৈ আহিছিলোঁ যদিও

বিফল হৈ, তেওঁৰ লেবত যোগ নিদিয়াৰ সিদ্ধান্ত ল'লোঁ।

ড° চেম্বাৰ্চৰ লেবত এটা প্ৰযুক্তিগত সমস্যাৰ সন্মুখীন হৈছিলোঁ— সেইটো হৈছে কোষৰ আৱৰণ ভেদ কৰি সৰু-বৰ অণু কেনেকৈ কোষৰ ভিতৰলৈ নিব প'ৰি? (কোষ এটাৰ এখন আৱৰণ থাকে, এই আৱৰণখনে বাহিৰৰ পৰা অহা সৰহভাগ অণু কোষৰ ভিতৰলৈ সোমাবলৈ নিদিয়ে।)

কিন্তু এটা পদ্ধতি যদি উদ্ভাৱন কৰা হয় যাৰ যোগেদি কোষৰ বাহিৰৰ পৰা ভিতৰলৈ মুক্তভাৱে অণু নিব পৰা যায়, তেন্তে কোষৰ ভিতৰখনত হোৱা বিভিন্ন কাণ্ড-কাৰখানা নিয়ন্ত্ৰণ কৰিব পৰা যাব। যেনে— বিভিন্ন বেমাৰ ভাল কৰিব পৰা যাব বা কোষৰ চৰিত্ৰ সলনি কৰিব পৰা যাব।

গতিকে মই আমাৰ ডিপাৰ্টমেণ্টত থকা প্ৰফেছৰ ড° ভিনচেণ্ট ৰ'টেল'ৰ সৈতে যোগাযোগ কৰাৰ সিদ্ধান্ত ল'লোঁ।

অৱশেষত ইউমাচত যোগ দিয়াৰ প্ৰায় ছয়মাহৰ পাছত মই ড° ৰ'টেল'ৰ লেবত মোৰ পি এইচ ডি গৱেষণাৰ বাবে স্থায়ীভাৱে যোগ দিলোঁ।

(চৌৱন)

ড° ৰ'টেল'ৰ লেবৰেটৰীত মোৰ গৱেষণা তীব্ৰ গতিৰে আগবাঢ়িবলৈ ধৰিলে, যদিও প্ৰাৰম্ভিক অৱস্থাত সৰহভাগ এক্সপেৰিমেণ্টেই কাম নকৰিলে। পুৱা আঠ-ন বজাত লেবৰটৰীলৈ আহি ৰাতি ন-দহ-এঘাৰ বজালৈকে গৱেষণাত মগ্ন হ'লোঁ। ইয়াৰ মাজতে, প্ৰথম বছৰত আণ্ডাৰ গ্ৰেজুৱেট ছাত্ৰ-ছাত্ৰীক পঢ়াবলগীয়া হ'ল, কাৰণ মোৰ ফেল'শ্বিপটো এইদৰে ছাত্ৰ-ছাত্ৰীক পঢ়োৱাৰ যোগেদিহে পাইছিলোঁ। অৱশ্যে এবছৰহে পঢ়ুৱাবলগীয়া হৈছিল, কাৰণ পাছৰ বছৰৰ পৰা মই ৰিছাৰ্চ এচিচটেনশ্বিপৰ যোগেদি ফেল'শ্বিপ পাইছিলোঁ।

আনক পঢ়োৱা, নিজে পঢ়া আৰু গৱেষণা কৰা— এই তিনিটা মোৰ দৈনিক কাম।

মোৰ গৱেষণাৰ মূল কাম হ'ল প্ৰ'টিন অণু ইঞ্জিনীয়াৰ কৰি, খুব সূক্ষ্ম সূক্ষ্ম নেন' প্ৰযুক্তিৰ যোগেদি (নেন' টেকনলজি) এই অণুবোৰক কোষৰ ভিতৰলৈ প্ৰেৰণ কৰা। (আগতে কৈছিলোঁ যে প্ৰ'টিন অণুৰ আকাৰ বৃহৎ হোৱাৰ বাবে ই নিজে নিজে কোষৰ আৱৰণ ভেদ কৰি ভিতৰলৈ যাব নোৱাৰে।)

উল্লেখনীয়, মানৱ কোষৰ ভিতৰত থকা প্ৰায় বিশ হাজাৰমান জিনে প্ৰায় একে সংখ্যক প্ৰ'টিন সৃষ্টি কৰিব পাৰে। এই প্ৰ'টিন অণুবোৰে একোটা ক্ষুদ্ৰ ক্ষুদ্ৰ 'মেচিন'ৰ দৰে নিজ নিজ কাৰ্য সম্পাদন কৰি থাকে। কিন্তু কেতিয়াবা বিশেষ কাৰণত এনে প্ৰ'টিন যন্ত্ৰবোৰ

বিকল হৈ পৰে। যাৰ ফলত বিভিন্ন ৰোগে দেখা দিয়ে। এই ৰোগসমূহ নিৰ্মূল কৰাৰ এটা উপায় হ'ব পাৰে কোষৰ বাহিৰৰ পৰা প্ৰ'টিন অণু ভিতৰলৈ প্ৰেৰণ কৰা। প্ৰ'টিন অণু কোষৰ ভিতৰলৈ প্ৰেৰণ কৰি জীৱবিজ্ঞানৰ আৰু অনেক কাৰ্য সম্পাদন কৰিব পাৰি। যেনে— কোষৰ চৰিত্ৰ-গঠন-কাৰ্য অধ্যয়ন কৰিব পাৰি। নতুন চৰিত্ৰৰ কোষ অভিযন্ত্ৰন কৰিব পাৰি। কোষৰ ভিতৰত থকা ডি এন এ বা আৰ এন এ আদি যৌগবোৰৰ গতিপথ, কাৰ্য আদি অধ্যয়ন কৰিব পাৰি। ইত্যাদি ইত্যাদি...।

পিছে প্ৰ'টিন অণুবোৰ ইঞ্জিনীয়াৰ কৰোঁতেই বহু সময় লাগিল। সৰহভাগ সময়তে মোৰ পৰীক্ষাবোৰত বিফল হ'লোঁ। হলেও ধৈৰ্য এৰা নাই, সন্মুখত পাঁচটা বছৰ আছেই!

(পঁচপন্ন)

আমেৰিকালৈ অহাৰ ডেৰ বছৰৰ পাছত প্ৰথম ঘৰলৈ গ'লোঁ। ঘৰত বাইদেউৰ বিয়া।

মাধৱপুৰৰ পৰা কৈলাসপুৰ হৈ বৰডুমচালৈ যোৱা ৰাস্তাটো পকী কৰা হ'ল। ফলত মই বাছৰ পৰা নামি এক ডেৰ ঘণ্টা খোজ কাঢ়ি ঘৰলৈ যাব লগা নহ'ল। তাৰ পৰিৱৰ্তে ঘৰৰ পৰা এমাইল দূৰলৈকে গাড়ী আহিল। গাঁৱৰ মাজে মাজে দহ-পোন্ধৰ মিনিট খোজ কাঢ়িলেই ঘৰ পায়। ৰাস্তাৰ কাষে কাষে ইলেক্ট্ৰিচিটীৰ প'ষ্টবোৰ দেখিলোঁ; বিদুৎ পৰিবাহী তাঁৰে মকৰা জালৰ দৰে গাঁওখন ছানি ধৰিলে। দেখি খুব আনন্দ পালোঁ। তদুপৰি মাধৱপুৰত ঢেৰ অট'ৰিক্সা পায়। ফলত অট' ভাৰা কৰি ঘৰলৈকে যাব পাৰি।

মাধৱপুৰ তিনিআলি, কৈলাসপুৰ তিনিআলি আদি ঠাইত অলেখ দোকান-পোহাৰ হ'ল। মাছ-মাংস, শাক-পাচলিৰ পৰা আৰম্ভ কৰি প্ৰায়বোৰ খুচুৰা সামগ্ৰীয়েই পায়। মোৰ ভাব হ'ল— আমি সৰু হৈ থকা দিনৰ সাপ্তাহিক বজাৰকেইখনৰ চাগে অৱস্থা নাই এতিয়া।

আমাৰ গাঁৱৰ বা অঞ্চলটোৰ মানুহে অৰুণাচলৰ মহাদেৱপুৰলৈ চাইকেল বা খোজেৰে বজাৰ কৰিবলৈ যাব লগা হয়নে আজিকালি? নহয় চাগে!

মই পঢ়ি যোৱা হাইস্কুলখনো, এটা যুগৰ অন্তত, প্ৰাদেশিকীকৰণ কৰা হ'ল! আমাক পঢ়ুওৱা ছাৰ-বাইদেউহঁতে অন্ততঃ বুঢ়া কালত চৰকাৰী দৰমহাৰ মুখ দেখিব!

কিন্তু সৰ্বত্ৰ ইমান পৰিৱৰ্তনৰ পাছতো আমাৰ গাঁওখন একেই থাকিল। গাঁৱৰ মানুহবোৰৰ আৰ্থিক-অৱস্থা দিনক দিনে বেয়াৰ ফালেহে যাবলৈ ধৰিলে। ল'ৰা-ছোৱালীবোৰ ডাঙৰ হৈ এঘৰ মানুহ ভাগ হৈ কেইবাঘৰো হ'ল, অথচ আৰ্থিক-অৱস্থাৰ কোনো উন্নতি হোৱা নাই।

খুব সম্ভৱ, আমাৰ গাঁৱৰ পৰিৱৰ্তনৰ মুখ দেখা ঘৰ কেৱল আমাৰ ঘৰখন। জীৱনত প্ৰথমবাৰৰ বাবে নিজৰ ঘৰখনেই বেচ অপৰিচিত যেন লাগিল। ইতিমধ্যে আমাৰ নতুন ঘৰ লোৱা হ'ল। নতুন ঘৰত মোৰ এয়াই প্ৰথম প্ৰৱেশ। প্ৰকাণ্ড ঘৰটোৰ

ক'ত কি আছে একো উৰাদিহ নাপালোঁ। বাইদেউ যোৱাৰ পাছত মায়ে যে কেনেকৈ চম্ভালিব ইমানটো ঘৰ। মায়ে মোক ঘৰটোৰ সন্মুখৰ ফালৰ এটা কোঠালৈ লৈ গৈ ক'লে— 'এইটো তোৰ কোঠা।' মই বোলোঁ — 'মোক কিয় লাগিছে কোঠা এটা? দুদিনৰ কাৰণে আহিছোঁ, আকৌ যামগৈ, মোক নিজাকৈ কোঠা এটা নালাগে।' মায়ে ক'লে— 'তইহে ঘৰ সাজি দিছ, তাৰ নিমিত্তে আমি তোক যদি কোঠা এটা দিব নোৱাৰোঁ, তই জানো মনত শান্তি পাবি?' মই ক'লোঁ যে তেনেকুৱা একো কথা নাই। মায়ে ক'লে— 'এহ হ'ব দে, তোৰ বোৱাৰী আহিলে এইটো কোঠা ব্যৱহাৰ কৰিবি।' বচ তেনেকৈয়ে ঘৰখনত মোৰ এটা কোঠা হৈ গ'ল— দূৰ গ্ৰহৰ মানুহ গৈ নিজৰ নিজৰ দেশৰ পতাকা গুঁজি থৈ অহাৰ দৰে।

সঁচা ক'বলৈ হ'লে নতুন ঘৰটোত মই আৰামেৰে থাকিব নোৱাৰিলোঁ। পুৰণা ঘৰটোলৈ মনত পৰিল বাৰে বাৰে। 'ফুটা মুধচ' হ'লেও সেইটো ঘৰত থকাৰ আৰামেই বেলেগ আছিল। ৰাতিবোৰ আছিল ভয়হীন আৰু উমাল। চালৰ ফুটাৰে আকাশ দেখি, হ'লেও আকাশৰ তৰা চায়েই দেখোন সপোন দেখিব পাৰি। তদুপৰি বাঁহৰ টেবুলত কিতাপ পঢ়াৰ মাদকতা আৰু এইখন পৃথিৱীত ক'ত পোৱা যাব? (বাঁহৰ টেবুলৰ ধাৰণাটো আপুনি ল'ব পাৰিছেনে নাই নাজানো, পৰা হ'লে ফটো এখন তুলি দেখুৱালোঁহেতেন) খিৰিকীত বাঁহৰ ধৰা ওলোমোৱা ঘৰ আৰু ক'ত আছে? (খিৰিকী মানে মাটিৰে লিপা বেৰত কাটি লোৱা এটা ডাঙৰ ফুটা!) পুৰণি ঘৰটোৰ ইমানবোৰ কলা-কাৰুকাৰ্যৰ কথা বাদ দিও ঘৰটোৰ সৈতে এক আত্মিক সম্বন্ধ আছিল। ঘৰৰ বুঢ়া বা বুঢ়ী মানুহজনী দেখাত লেতেৰা-পেতেৰা হ'ল বুলিয়ে জানো দলিয়াই পেলাই দিব পাৰি? আমাৰ পুৰণি ঘৰটো দেখাত লেতেৰা-পেতেৰা হ'লেও এই ঘৰটোতে পাৰ হৈছিল উমাল-ৰসাল দিনবোৰ। এক কথাত মোক 'মানুহ' হিচাপে এই ঘৰটোতে 'কৰ্ষণ' কৰা হৈছিল।

হ'লেও পুৰণি ঘৰ, ভাঙিবই লাগিব, নহ'লে যে বতাহে উৰুৱাই লৈ যাব!

নতুন ঘৰটোত মুঠ সাতটা কোঠা। প্ৰথম দুদিনমান কোঠাবোৰ চিনিয়েই নাপাইছিলোঁ। কাৰোবাৰ কোঠাত সোমাইছোঁ বুলি কাৰোবাৰ কোঠাত ওলাওঁগৈ। মায়ে কৈছিল— 'পাছত চাৰিজনী বোৱাৰী এখন ঘৰত থাকিলেও মোৰ চিন্তা নাই। চাৰিটা পৰিয়ালৰ চাৰিটা কোঠা, ড্ৰয়িং ৰুম; সকাম-নিকাম আৰু টি ভি আদিৰ বাবে মাজৰ কোঠাটো, তাৰ পাছতো মোলৈ এটা কোঠা থাকি যাব।'

দেউতা হেনো নতুন ঘৰলৈ নাহে। সেয়েহে পিছফালে, বাঁহেৰে দুকোঠাৰ এটি ঘৰ সজা হ'ল। এটাত দেউতা থাকে, আনটো পাকঘৰ।

গতিকে সৰ্বমুঠ ন-টা কোঠাৰ ঘৰ, ভঁৰাল, গোহালি আৰু কুকুৰাৰ গঁৰাল, মায়ে

অকলে চণ্ডালি লোৱা দেখি মই তবধ মানিলোঁ।

মই ঘৰলৈ যোৱাৰ কেইদিনমানৰ পাছতে বাইদেউৰ বিয়া। দৰা ডিব্ৰুগড় জিলাৰ মৰাণৰ।

বিয়াত মানুহ ঢেৰ। গাঁৱৰ প্ৰায়বোৰ মানুহ, অঞ্চলটোৰ মানুহ, মিটিৰ-কুটুম্বৰ মানুহেৰে ঘৰ নধৰা। আচলতে আমাৰ গাঁওবোৰত মানুহৰ আৰ্থিক দীনতাৰ বাবে ধুমধামেৰে কোনো বিয়া পাতিব নোৱাৰে। সেয়ে আমাৰ ঘৰৰ বিয়া খাম বুলি বহু মানুহে আগ্ৰহেৰে বৈ আছিল। মানুহৰ ভিৰত মোৰ থৰকাছুটি হেৰাল। তাতে মানুহবোৰৰ সকলোৰে চকু মোৰ ওপৰত। গাঁৱৰ অঞ্চলৰ বহুতো মানুহে মোক বহু বছৰ ধৰি দেখা নাই। তদুপৰি আমেৰিকালৈ যোৱাৰ পাছত এইবাৰেই প্ৰথম দেখিছে। গাঁৱৰ নতুন বোৱাৰীবোৰেতো মোক কেতিয়াও দেখা নাই। সেয়েহে আটাইৰে দৃষ্টি মোৰ ওপৰত। আগ্ৰহেৰে, উৎসুকতাৰে মোলৈ চাইছে। মই য'লৈকে যাওঁ মোৰ পিছে পিছে মানুহৰ চকু। দুই একে আহি মাতিছেহি, কিন্তু সৰহভাগেই মাতিবলৈ সংকোচ কৰি আলেঙে আলেঙে চাই আছে। সৰু সৰু ল'ৰা-ছোৱালীবোৰে অবাক হৈ ৰ'লাগি লাগি চালে। মোৰ এনে লাগিল যেন ঘৰত বাইদেউৰ বিয়া নহয়, মইহে যেন ন-কইনা হৈ ঘৰলৈ আহিছোঁ।

সন্মুখত পোৱা দুই-এক, যাক যেনেকৈ পালোঁ মাতিলোঁ। ইমান মানুহ, সকলোকে কেনেকৈ মাতোঁ?

মই মানুহ এগৰাকীক চিনি পাই মাত দিবলৈ গ'লোঁ— 'খুৰীদেউ ভালনে ঘৰত?' মানুহগৰাকীয়ে মোৰ ফালে অবাক হৈ চালে, মানুহগৰাকীয়ে হয়তো বিশ্বাস কৰিব পৰা নাই, মই মতা বুলি। তাৰ পাছত যেন জীৱনৰ আটাইতকৈ আনন্দময় মুহূৰ্তৰ হাঁহিৰে মানুহগৰাকীয়ে ক'লে— 'উৱা... মোক চিনি পাইছা, ৰুবুল?' — 'নিশ্চয় আপুনি পাছে দাইদেউৰ খুৰী নহয় জানো?' — 'হয় আকৌ। উৱা...।' খুৰীদেউৰ যেন তেতিয়াও বিশ্বাস হোৱা নাই।

মোৰো ভাল নালাগিল। মানুহৰ মনোযোগৰ কাৰণ হ'বলৈ পাই মোৰ মুঠেই ভাল নালাগিল। ঘৰলৈ আহিছোঁ, গাঁৱলৈ আহিছোঁ অলপ মুক্তভাৱে থাকিবলৈ পাব লাগে। জীৱনত আগতে এনেকুৱা পৰিস্থিতিৰ সন্মুখীন হোৱা নাই। মানুহবোৰে বাৰু মোক কিয় ইমান গুৰুত্ব দিব লাগে? আমেৰিকাত থাকিলে কি হ'ল, মই দেখোন গাঁৱৰে ল'ৰা। উপায়ন্তৰত মই আঁতৰি আঁতৰি থাকিবলৈ ধৰিলোঁ। কিন্তু এনেকৈ থাকোঁতেও মানুহৰ চকু গ'ল। মই অকলে বহি থকা দেখি এগৰাকীয়ে আন এগৰাকীক কোৱা শুনিলোঁ— 'বায়েকক উলিয়াই দিবলৈ পাই তাৰ বৰ দুখ লাগিছে হ'ব পাই চাছোন, কেনেকৈ মন মাৰি অকলে অকলে বহি আছে।'

ৰাতি দৰা আহিবৰ হ'ল। শুনিলোঁ, দৰাক নঙলা মুখৰ পৰা আদৰিবলৈ যাওঁতে

মায়ে জোঁৱায়েকক চুমা খাব লাগিব। নিয়ম। আমি কথাটোত বেচ স্ফুৰ্তি পালোঁ। দৃশ্যটো প্ৰত্যক্ষ কৰিবলৈ (পাৰিলে কেমেৰাত বন্দী কৰি থ'বলৈ) আমি বৰ উৎসুকতাৰে ৰ'লোঁ। এসময়ত দৰা আহিল। দৰাক আদৰাৰ পৰ্ব চলি থাকোঁতেই মায়ে কোনোবা এটা মুহূৰ্তত, দৰাৰ চুলিকোছাত ধৰি, টানি আনি, গালত চুমা খাই দিলে। ঘটনাটো ছেকেণ্ডৰ ভিতৰতে ঘটি গ'ল। আমি তলকিবই নোৱাৰিলোঁ। যিবোৰে দেখিলে সিহঁতে গিৰ্জনী পাৰি হাঁহিলে। (ভাগ্যৰ বলত যেনিবা মই দৃশ্যটো দেখিলোঁ। দৃশ্যটো দেখি মই স্ফুৰ্তিত থাকিলে কি হ'ল, দুবছৰৰ পাছত মোৰ বিয়া হওঁতে মোৰ শাহুৱে যেতিয়া মোক টানি নি গালত চুমা খাইছিল, তেতিয়া মোৰ যে কি অৱস্থা!)

বাইদেউৰ বিয়া হৈ গ'ল। পাছদিনা বাহি-বিয়াৰ ঘৰত নিতাল-নিমাত। মায়ে আঁৰ হৈ হৈ কান্দিলে (মায়ে কান্দিলেও লুকুৱাব জানে)। দেউতাই হেনো 'মোৰ হাত এখন ছিগি থাকিলে ঐ' বুলি ৰাউচি জুৰি আছিল (ডাঙৰ পেহীদেৱে কৈছিল— 'দেউতাৰে অলপ পানী ধৰি আছিল চাগে।')

বাইদেউৰ বিয়াৰ পাছত বেছিদিন মই ঘৰত থাকিবলৈ নাপালোঁ। আমেৰিকালৈ উভতিবলৈ হ'লৈই আৰু। কিন্তু ঘৰত থকা কেইদিনো মই এক অসুবিধাৰ সন্মুখীন হ'লোঁ। সেয়া হ'ল— গাঁৱত, অঞ্চলত, মানুহবোৰৰ চকুবোৰে এতিয়াও মোৰ পিছ এৰা নাই। য'লৈকে যাওঁ, বাটত কিছুমান মানুহক জুম বান্ধি মোৰ ফালে চাই থকা দেখোঁ। এনে দৃশ্য দেখিলে মই বৰ বিপাঙত পৰোঁ। অ-সহজ অনুভৱ কৰোঁ। মই জানো যে গাঁওখনত জনসংখ্যা বাঢ়িছে, নতুন ল'ৰা-বোৱাৰীয়ে ঘৰ ভৰিছে, সিহঁতে মোক কেতিয়াও দেখা নাই। হ'লেও। গাঁওখনত মোক নিজকে আলহী আলহী লাগিল। অথচ এইখন গাঁৱৰ বাটে-পথেই এদিন ল'ৰালিত নাঙঠ হৈ দৌৰি ফুৰিছিলোঁ। মূৰত জাপি এটা লৈ শাওণমহীয়া পথাৰত গৰু চৰাবলৈ গৈছিলোঁ। বহাগত মানুহৰ ঘৰে ঘৰে ঢোল বজাই বিহু গাই ফুৰিছিলোঁ। তেতিয়াছোন মোক কোনেও নাচাইছিল। মনত আছে— এবাৰ আঘোণমহীয়া পথাৰত ধান দোৱাৰ দিনত, প্ৰায় এসপ্তাহমান নেৰানেপেৰাকৈ গান গাই আছিলোঁ। (মোৰ মগজুত বিজুতি ঘটাৰ বাবে, নে কোনোবা ধুনীয়া ছোৱালী দেখিছিলোঁ? উত্তৰ দ্বিতীয়টো হ'লেও, প্ৰথমটোৰো অৰিহণা আছিল যেন পাওঁ।) কিন্তু এতিয়া যেন হামি এটাও মাৰিব নোৱৰা হ'লোঁ; কোনোবাই শুনিব।

মোৰ ভাব হ'ল, মোক যেন গাঁওখনে বৰ্জন কৰিছে। মই এই গাঁৱৰ নহয়। মই বাহিৰৰ।

মোৰ দুৰ্গতিৰ বিষয়ে এদিন মাক ক'লোঁ। মায়ে ক'লে— 'এহ্ তই গাঁওখনৰ বাবে ধ্ৰুৱতৰা, তোক নাচাই কাক চাব?' মায়ে আৰু এটা কথা ক'লে— 'গাঁৱৰ মানুহে ল'ৰা-ছোৱালীক নিচুকাবলৈ হ'লে কয় চা চা আকাশেদি যোৱা প্লেনত কোন গৈছে জান?

তহঁতৰ দদায়েৰ গৈছে। দদাই আহি আমাৰ পুনাকণকো লৈ যাব দেই।'

(ছাপন)

প্ৰথম দৃষ্টিতে কাৰোবাৰ প্ৰেমত পৰিব পাৰি, কিন্তু প্ৰথম দৃষ্টিতে বিজ্ঞানৰ প্ৰেমত পৰা ধাৰণাটো তেনেই উপৰুৱা ধৰণৰ।

বিজ্ঞানৰ প্ৰতি উদয় হোৱা মোৰ যি দুৰ্বাৰ ভালপোৱা, সেয়া বছৰ বছৰ ধৰি লেবৰেটৰীত কটোৱাৰ পিছত সৃষ্টি হোৱা ভালপোৱা। সেয়েহে আজিকালি বিজ্ঞানৰ কথা ক'বলৈ পালে যেন মোৰ মুখ বন্ধই নহয়।

বিজ্ঞানৰ কথা কৈ কৈ আপোনাক আমনি দিছোঁ নেকি বাৰু?

কিন্তু কিছুমান কথা নক'লৈই নহয়। যেনে— পাছৰ ঘটনাবোৰ অৰ্থাৎ দেউতাৰ কথা ক'বলৈ হ'লে মোৰ পি এইচ ডি গৱেষণাৰ কিছু কথা সংক্ষেপে হ'লেও অৱতাৰণা কৰিবই লাগিব।

মোৰ গৱেষণাত, প্ৰায় তিনিবছৰৰ বিফলতাৰ অন্তত, হঠাৎ কি হ'ল শুনকচোন—

মই কৈছিলোঁ যে মোৰ গৱেষণাত, মই প্ৰ'টিন অণু ইঞ্জিনীয়াৰ কৰি, সূক্ষ্ম সূক্ষ্ম নেন' প্ৰযুক্তিৰ সহায়ত এই অণুবোৰ কোষৰ ভিতৰলৈ প্ৰেৰণৰ ব্যৱস্থা কৰিছিলোঁ। কিন্তু বাৰম্বাৰ বিফলতা!

এদিন ডিচেম্বৰ মাহৰ দুপৰীয়া (মোৰ ডায়েৰীৰ মতে দহ ডিচেম্বৰ) নতুনকৈ ইঞ্জিনীয়াৰ কৰা ৰঙীন প্ৰ'টিন অণু এবিধ তেনেই সূক্ষ্ম নেন'কণা এবিধৰ সৈতে সংমিশ্ৰণ কৰি দিলোঁ। তাৰ পাছত এই মিশ্ৰণটো ইতিমধ্যে কৰ্ষণ কৰি থোৱা মানৱ কোষৰ সৈতে মিহলাই দিলোঁ। এইদৰে মিহলোৱাৰ পাছত কোষবোৰ পুনৰ কৰ্ষণ কক্ষত থৈ দিলোঁ।

তিনিঘণ্টাৰ পাছত আহি, মাইক্ৰ'স্কপৰ যোগেদি কোষবোৰ পৰীক্ষা কৰিলোঁ। আৰু কি আচৰিত! সেউজীয়া ৰঙৰ প্ৰ'টিনবোৰ কোষৰ বাহিৰত নাই। আটাইবোৰ প্ৰ'টিন গৈ কোষৰ ভিতৰ পালেগৈ। প্ৰ'টিনবোৰ কোষৰ ভিতৰলৈ যোৱাৰ বাবে কোষবোৰ ট টকৈ জিলিকি আছে।

ইউৰেকা!

সেইদিনা, আন্ধাৰ কোঠাত, মাইক্ৰ'স্কপৰ লেন্সেৰে হাজাৰ বিজাৰ কোষ চাই থাকোঁতে এনে লাগিছিল যেন কৰ্ষণ ডিস্কত উজলি থকা কোষবোৰ আন্ধাৰ আকাশত তিৰ্‌বিৰাই থকা অজস্ৰ তৰা।

শীঘ্ৰেই আকৌ মোৰ গৱেষণাৰ কোৱাল সোঁত ব'বলৈ ধৰিলে। মোৰ মনত আছে সেই মাহকেইটাত মই ইমানেই উন্মাদ হৈ উঠিছিলোঁ যে দৈনিক পোন্ধৰ ঘণ্টালৈকে লেবৰেটৰীত গৱেষণা কৰিবলৈ ধৰিলোঁ।

এমাহৰ ভিতৰতে, অতি উচ্চ প্ৰযুক্তিৰ মাইক্ৰ'স্কপ ব্যৱহাৰ কৰি, প্ৰ'টিন অণুবোৰ কোষৰ ভিতৰলৈ সোমাই যোৱা দৃশ্যৰ প্ৰতিটো মুহূৰ্তৰ এটি ভিডিঅ' তৈয়াৰ কৰিলোঁ। এই ভিডিঅ'ৰ সহায়ত বহুতো নতুন তথ্য উদ্‌ঘাটন হ'ল— যেনে প্ৰ'টিনে কোষৰ ভিতৰৰ বিভিন্ন কম্পাৰ্টমেণ্টলৈ কেনেকৈ যায়, ইত্যাদি ইত্যাদি।

(সাতাৱন)

ঠিক সেই সময়তে এটা নতুন আৱিষ্কাৰে জীৱ বিজ্ঞানত খলকনিৰ সৃষ্টি কৰিলে। কোষৰ ভিতৰত থকা জিনসমূহ এডিট (সম্পাদনাঃ জিনৰ অদল-বদল, সাল-সলনি বা সংশোধন) কৰিব পৰা এটা নতুন পদ্ধতিৰ আৱিষ্কাৰে জীৱবিজ্ঞানীৰ মাজত হুৱাদুৱা লগালে। গোটেই বিশ্বতে বিজ্ঞানীৰ মাজত এই অভিনৱ পদ্ধতিটোৰ বিষয়ে চৰ্চা আৰম্ভ হ'ল।

কিনো এই পদ্ধতি?

আমি যেতিয়া কিবা এটা লিখোঁ, তেতিয়া প্ৰায়ে আমাৰ ভুল থাকি যায়। বানান ভুল হয়, আখৰ থাকি যায়...। কিন্তু আমাৰ এই ভুলবোৰ আমি সম্পাদনা কৰি সংশোধন কৰিব পাৰোঁ।

ঠিক তেনেকৈ কোষ এটা বিভক্ত হৈ এটাৰ পৰা দুটা হওঁতে কোষৰ ভিতৰত জিনবোৰো 'কপি' হয়। (এই জিনবোৰ 'নিউক্লিয়টাইড' নামৰ বৰ্ণৰে সূচোৱা হয়। এটা কোষত প্ৰায় তিনিশ কোটি এনে বৰ্ণ থাকে। তেন্তে অনুমান কৰকচোন এটা কোষ বিভক্ত হৈ দুটা হওঁতে কিমানবোৰ আখৰ (জিন) কপি কৰিব লাগিব? কেইবাখনো কিতাপৰ সমান?)

সি যি কি নহওক, এইদৰে জিন 'কপি' কৰোঁতে বহুত ভুল থাকি যায়। আৰু কোষত হোৱা এই ভুলৰ কাৰণেই মানুহৰ জেনেটিক ৰোগ যেনে — কেন্সাৰ, পাৰকিনচন, এলঝাইমাৰ আদি ৰোগবোৰ হয় (মানুহৰ প্ৰায় সাত হাজাৰ জেনেটিক ৰোগ আছে)।

কিন্তু কোনো এক পদ্ধতিৰ যোগেদি যদি কোষৰ ভিতৰত হোৱা ভুলবোৰ শুদ্ধ কৰিব পৰা যায়, তেন্তে এই ৰোগবোৰ জানো নিৰ্মূল কৰিব পৰা নাযাব?

মই ক'বলৈ বিচৰা নতুন পদ্ধতিটোৱে এই কামটোকে কৰিব পাৰে— অৰ্থাৎ কোষৰ ভিতৰত হোৱা জিনৰ বিসংগতিক সম্পাদনা বা এডিট কৰি ঠিক কৰি দিব পাৰে। তাকে কোৱা হ'ল 'জিন এডিটিং' প্ৰযুক্তি।

গতিকে জিন এডিটিঙৰ বাবে দুবিধ 'আণৱিক' আহিলাৰ প্ৰয়োজন হ'ব। এবিধে ভুলটো ক'ত আছে বিচাৰি উলিয়াব লাগিব; আৰু আনবিধে জিনৰ ভুলটো কাটি সংশোধন কৰিব লাগিব। এনে এক পদ্ধতি প্ৰথম উদ্ভাৱন কৰা হৈছিল ২০১২-১৩ চনত। এই পদ্ধতিৰ নাম আছিল CRISPR/CAS9। এই প্ৰযুক্তিৰ দুবিধ অণু জড়িত হৈ আছিল। প্ৰথমবিধ— অৰ্থাৎ গাইড আৰ এন এ নামৰ অণুৱে জিনত থকা ভুলটো বিচাৰি উলিয়াব পাৰিছিল, আৰু দ্বিতীয়বিধ— অৰ্থাৎ কেচ-নাইন নামৰ কেচীখনৰ দৰে প্ৰ'টিন অণুৱে ভুলটো কাটি সংশোধন কৰিব পাৰিছিল। এই দুবিধ অণু বেক্টেৰিয়াৰ কোষত পোৱা গৈছিল; মানুহৰ কোষত নাছিল।

এই চমৎকাৰ পদ্ধতিৰ সম্ভাৱনা কিমান শুনক—

আমাৰ জীৱনটো এটা কোষৰ পৰাই আৰম্ভ হয় মাতৃগৰ্ভত। মাতৃগৰ্ভৰ পৰা এই কোষটো উলিয়াই আনি, ইয়াত থকা জিনসমূহৰ সকলো বিসংগতি (ভুল-ভ্ৰান্তি) 'জিন এডিটিং' পদ্ধতিৰ সহায়ত নিৰ্মূল কৰি, কোষটো যদি আকৌ মাতৃ গৰ্ভত সংৰোপণ কৰি দিয়া হয়, তেন্তে জন্ম হ'ব লগা শিশুটি ৰোগমুক্ত নহ'ব নে? ঠিক তেনেকৈ দেহত থকা বিসংগতিপূৰ্ণ কোষবোৰ সংশোধন কৰি বিভিন্ন জেনেটিক ৰোগ নিৰ্মূল কৰিব পৰা যাব।

আহ! এখন ৰোগমুক্ত পৃথিৱী! কেতিয়া সম্ভৱ হ'ব?

এই 'জিন এডিটিং' পদ্ধতিটোৱে সমগ্ৰ বিশ্বতে বিজ্ঞানীৰ মাজত আলোড়ন সৃষ্টি কৰি থকাৰ সময়তে, পদ্ধতিটো প্ৰয়োগৰ ক্ষেত্ৰত এটা সমস্যাই দেখা দিলে।

প্ৰশ্ন হ'ল— বেক্টেৰিয়াৰ কোষৰ ভিতৰত থকা জিন এডিটিং সম্বলিত CRISPR/CAS9 অৰ্থাৎ কেচ নাইন নামৰ প্ৰ'টিনটি কেনেকৈ মানৱ কোষৰ ভিতৰলৈ প্ৰেৰণ কৰি ব পৰা যাব?

ঠিক তেনেকুৱাতে, অৰ্থাৎ প্ৰযুক্তিটিৰ উদ্ভাৱনৰ এবছৰ নৌহওঁতেই মোৰ গৱেষণাত বাধাহীনভাৱে কোষৰ ভিতৰলৈ প্ৰ'টিন যৌগ প্ৰেৰণ কৰিব পাৰিছিলোঁ।

তাৰমানে, আমি উদ্ভাৱন কৰা পদ্ধতিৰ সহায়ত 'জিন এডিটিং'ৰ প্ৰয়োজন বিশেষ প্ৰ'টিনটি ('কেচ ৯' নামৰ প্ৰ'টিন) ও কোষৰ ভিতৰলৈ পঠিয়াব পৰা যাব?

(আঠাৱন)

উদ্ভাৱনৰ এই ৰোমাঞ্চকৰ পৃথিৱীখনত মচগুল হৈ থাকোঁতেই এদিন মায়ে ফোন কৰোঁতে ক'লে যে দেউতাৰ হাত দুখন বৰকৈ কঁপিছে।

দেউতাৰ হাত কঁপাটো পুৰণি বেমাৰ। কেতিয়া আৰম্ভ হৈছিল সঠিককৈ মনত নাই কিন্তু খুব সম্ভৱ মই কলেজত পঢ়া দিনৰে পৰাই দেউতাৰ এই বিকাৰটো দেখি আহিছোঁ।

তেতিয়া দেউতাৰ বিশেষ কোনো সমস্যা নাছিল, মাত্ৰ কেতিয়াবা হাত দুখন থৰথৰকৈ কঁপি উঠাৰ বাবে তামোল-চালি কাটিবলৈ দিগদাৰ হৈছিল। দেউতাই বাঁহ-বেতৰ কাঠী-কামিৰ কামো কৰিছিল যদিও এইদৰে হঠাৎ হাত কঁপি উঠাৰ বাবে কামবোৰত মাজে-মধ্যে বিঘিনি ঘটিছিল।

মই গুৱাহাটীত পঢ়ি থাকোঁতে এবাৰ দেউতাই গাঁৱলীয়া দৰৱ খাবলৈ ফিল'বাৰীৰ ফালে গৈছিল। ঘৰৰ মানুহে কোৱা মতে দেউতাৰ হেনো যথেষ্ট আৰাম হৈছিল। কিন্তু পাছত আকৌ উকাল। দেউতাৰ হাত কঁপাটো আৰু বন্ধ নহ'ল।

মায়ে মোক যেতিয়া দেউতাৰ হাত দুখন বৰকৈ কঁপিছে বুলি ক'লে তেতিয়া মই ধেমালি কৰিবলৈ গ'লোঁ— 'কিয়, খোৱা-বোৱা একেবাৰে বন্ধ নেকি?'

মায়ে ক'লে— 'ধেমালি নকৰিবি, দেখিলেহে গম পাবি।'

তাৰ পাছত মই দেউতাৰ লগত কথা পাতিলোঁ, দেউতাক হাস্পতাল যাবলৈ ক'লোঁ। দেউতাই ক'লে যে হাস্পতাললৈ হেনো গৈছিল, ডাক্তৰে দুই-এবিধ ঔষধ দিছে খাবলৈ। মই ক'লোঁ— 'ভাল পাব দিয়ক, দৰৱ খাই থাকিব।' দেউতাই বাধ্য ছাত্ৰৰ দৰে 'অঁ' বুলি ক'লে।

মই কথাটো আকৌ পাহৰি যাবলৈ ধৰিলোঁ।

কেইবামাহৰ পাছত আকৌ শুনিবলৈ পালোঁ— দেউতাই চাইকেল চলাব নোৱৰা হ'ল। খোজেৰে বেছি দূৰলৈ যাবও নোৱাৰে।

মই আচৰিত হ'লোঁ— আজি কেইমাহমানৰ আগলৈকে দেউতাই খেতি-পথাৰত হাল বাই ঘূৰি ফুৰিছিল। পথাৰলৈ নাযাবলৈ ক'লেও নুশুনিছিল। ৰাতিপুৱা সোনকালে শুই উঠি হালখন দেউতাইহে লৈ গৈছিল। মই বহুদিনৰ পৰা দেউতাক পথাৰলৈ যাবলৈ মানা কৰি আছিলোঁ। ক'লেও নুশুনে; ক'ব— 'ঘৰত ডেকাবোৰে বেলি ওলাই এপৰ হোৱালৈকে শুয়েই থাকে, মই হাল নিনিলে কোনে নিব?'

উপায় নাই। খেতি মাটিবোৰ আনক আধিলৈ দিবলৈ ক'লেও নুশুনে।

দেউতাৰ অৱশ্যে বয়সো বেছি নহয়। পঞ্চাশৰ উৰ্দ্ধৰ মানুহজনক দেখিলেহে বয়সতকৈ বুঢ়া যেন লাগে। সৰুৰে পৰাই খুব কষ্ট কৰাৰ কাৰণে ন-দহ বছৰৰ পৰাই একেৰাহে প্ৰত্যেক বছৰে, খেতিত হাড় ভগা পৰিশ্ৰম কৰিব লগা হোৱাৰ বাবে শৰীৰৰ এনে অৱনতি ঘটিছিল।

খেতিৰ দিন আহিলেই। মই মাক ক'লোঁ, এইবাৰ যাতে দেউতাক পথাৰলৈ যাবলৈ দিয়া নহয়। যিকোনো প্ৰকাৰে হ'লেও বাধা দিবলৈ ক'লোঁ। কেৱল হাল বোৱাই নহয়, গৰু চৰোৱা, বাম খেতি কৰা আদি কোনো কামতে যাতে দেউতাই হাত নিদিয়ে তাৰ বিশেষ ধ্যান ৰাখিবলৈ ক'লোঁ।

ঠিক তেনেকুৱাতে আকৌ এদিন খবৰ পালোঁ— দেউতাৰ কঁকাল পৰিল। হাস্পতাললৈ নিয়াত ডাক্তৰে ক'লে— কঁকাল পৰাটো ভাল কৰিব নোৱাৰে, কিন্তু হাত

কঁপাটো বন্ধ হ'বৰ বাবে দৰৱ দিব পাৰিব।

এদিন ককায়ে মোলৈ এটা ভিডিঅ' পঠালে। ভিডিঅ'টোত দেউতাক খোজ কাঢ়ি থকা দেখিলোঁ।

কি অবিশ্বাস্য!

দেউতাই হাতত এডাল লাখুটি লৈ খোজ কাঢ়ি গৈছে। দেউতাৰ আগফালটো হাউলি গৈ যেন মাটি চুব। ৰ'দৰ তাপত দগ্ধ হোৱাৰ দৰে কিট্‌কিট্‌কৈ ক'লা শৰীৰ, কঁকালত পুৰণি মামৰ বৰণৰ চেকা লগা চুৰীয়া এখন। ডিঙিত মেৰিয়াই থোৱা আছে উৰলি যোৱা গামোচা এখন। মুখখন শুকাই গৈছে। মুখত ভোবোৰা হৈ থকা দাড়িবোৰ পকিছে। দেউতাই খৰ খোজেৰে গৈ চোতালত পাৰি থোৱা পীৰা এখনত বহিবলৈ চেষ্টা চলাইছে।

অবিশ্বাস্য!

যদি এই ভিডিঅ'টো আন ক'ৰবাত দেখিলোঁহেঁতেন, তেন্তে মই দেউতাক চিনিকে নাপালোঁহেঁতেন।

মই এবছৰৰ আগতেহে ঘৰলৈ গৈ আহিছিলোঁ। এবছৰতে দেউতাৰ এই অৱস্থা কেনেকৈ হ'ল?

(ঊনষাঠি)

মোৰ 'জিন এডিটিং'ৰ গৱেষণা ভৰপক উঠি থকাৰ সময়তে মই ঘৰলৈ যোৱাৰ সিদ্ধান্ত ল'লোঁ। ইতিমধ্যে ইউমাচত মোৰ চাৰি বছৰ পাৰ হৈ গ'ল। আৰু এবছৰত মোৰ পি এইচ ডি শেষ হোৱাৰ সম্ভাৱনা আছে। কিন্তু দেউতাৰ স্বাস্থ্য দিনক দিনে বেয়াৰ ফালে যোৱাৰ বাবে মই বিয়া পতাৰো সিদ্ধান্ত ল'লোঁ।

যোৱা চাৰি বছৰত, এইবাৰক লৈ মুঠ তিনিবাৰ ঘৰলৈ আহিছোঁ। প্ৰত্যেকবাৰেই তিনি সপ্তাহৰ বাবে। ইয়াৰ এসপ্তাহ অহা-যোৱাৰ নামতে যায়গৈ। অৰ্থাৎ যোৱা দহ বছৰত সৰ্বমুঠ এশ-ডেৰশতকৈ বেছি দিন ঘৰত থাকিবলৈ পোৱা নাই। যিসকলে দেশ-বিদেশৰ বিভিন্ন ঠাইত থাকে, তেওঁলোকে জানে যে ইমান কম সময় পৰিয়ালৰ সৈতে থাকিবলৈ পোৱাটো কিমান বেদনাদায়ক। অথচ আমাৰ হাতত কোনো বিকল্প নাথাকে।

ঘৰ গৈ পোৱাত মোৰ মনত মিশ্ৰিত অনুভূতিয়ে ক্ৰিয়া কৰিলে। এফালে নতুন সংসাৰ কৰাৰ আনন্দ, আনফালে অবিশ্বাস্যভাৱে দেউতাৰ স্বাস্থ্যৰ অৱনমনে আনি দিয়া বিষণ্ণতা। দেউতাক দেখি যেন মোৰ বিশ্বাসেই নহ'ল— ইমান সোনকালে মানুহৰ শৰীৰ কেনেকৈ ভাগি যাব পাৰে? দেউতাক দেখিলে আশীৰ ঊৰ্ধৰ বুঢ়া মানুহ বুলি ক'ব, অথচ

দেউতাৰ দেখোন ষাঠি বছৰেই হোৱা নাই। যোৱা বছৰলৈকে খেতি কৰি ঘূৰি ফুৰা দেউতাই এতিয়া দিনৰ সৰহভাগ সময় চকী এখনতে বহি কটায়। গধুলি পৰত হাতত লাখুঁটিডাল লৈ গোহালিত গৰু বান্ধিবলৈ যায়। গোহালিৰ গোবৰ পেলাবলৈও চেষ্টা কৰে, কিন্তু নোৱাৰে। মায়ে গালি দিয়ে— 'আপুনি নোৱাৰে বুলি জানেই, কিয় গোবৰত ধৰিছেগৈ।' বাৰীত জেওৰা ভাঙি গৰু সোমালেও দেউতাই খেদিবলৈ যায়। দেউতাই খীণ মাতেৰে ঘোৰ ঘোৰকৈ চিঞৰে, কিন্তু আজিকালি গৰুৱেও যেন দেউতাক গুৰুত্ব নিদিয়ে। ভাত খাওঁতে দেউতা পীৰা এখনত বহে; ষ্টীলৰ গামলা এটাত ভাত-চবজী একেলগে লৈ খায়। কাঁহীত খাব নোৱাৰে, কাৰণ ভাত-শাক ছিটিকি দূৰত পৰে গৈ। কঁপি থকা হাতেৰে গামলাৰ পৰা ভাত মুখলৈ নিওঁতে কেতিয়াবা মুখত নোসোমায়। চাহ খাওঁতে চাহ পানী আনে খুৱাই দিব লাগে। তথাপি কিন্তু দস্তুৰমত খায়, শোৱে আৰু খোজ কাঢ়ে। হাউলি পৰা কঁকাল হ'লেও খোজ কাঢ়োঁতে বেচ বেগাই যাব পাৰে।

এদিন দেউতাক পুৱা চাহ খাবলৈ দিওঁতে ময়ো গৈ দেউতাৰ কাষতে বহিলোঁ। দেউতাই মজিয়াতে পীৰা এখন পাৰি বহিছিল, কাপ এটাত চাহ খাবলৈ দিয়া হৈছিল, প্লেট এখনত বুন্দিয়া-ভুজিয়া। মই দেউতাক ক'লোঁ— 'চাওঁ দেউতা মই চাহ খুৱাই দিওঁ।' কাপটো মোৰ হাতত লৈ দেউতাৰ ওঁঠত হেলনীয়াকৈ লগাই দিলোঁ, দেউতাক ক'লোঁ— 'আপুনি শোহা মাৰক।' দেউতাই শোহা মাৰিবলৈ চেষ্টা কৰোঁতেই কাপৰ পৰা চাহ বাগৰি আহি মোৰ হাতত পৰিল। দেউতাই ক'লে— 'তই কাপটো ধৰি থাক মাত্ৰ, মই নিজে নিজে খাম।' তাৰ পাছত দেউতাই বহু কষ্ট কৰি চাহ খালে। বুন্দিয়াবোৰ মই দেউতাৰ মুখত এটা দুটাকৈ ভৰাই দিলোঁ। এইদৰে চাহ খাই উঠোঁতে বহু পৰ লাগিল। চাহ খাই হোৱাত দেউতাই মোৰ চকুলৈ চালে, দেউতাৰ চকুকেইটা জলজলীয়া। কৰুণ আকুতিৰে ক'লে— 'বোপাই, মোৰ হাত দুখন ভাল কৰি দেনা, কঁকালটো বাৰু পাৰিছোঁ, এই হাত দুখন ভাল কৰি দে।' মই দেউতাক সান্ত্বনা দিয়াৰ সুৰত ক'লোঁ— 'আপুনি চিন্তা কৰি নাথাকিবচোন, সকলো ঠিক হৈ যাব।' দেউতা মোৰ কথাত পতিয়ন গ'ল কি নগ'ল, আগফালৰ বিস্তীৰ্ণ পথাৰখনৰ ফালে চাই ক'লে— 'এই হাতকেইখন কঁপি থকাৰ পৰা কোৰ মাৰিব নোৱৰা হ'লোঁ। এতিয়া ঘৰত পিঁয়াজ-নহৰুৰ খেতি কৰা মানুহ নাইকিয়া হ'ল। হাত দুখন ভাল হ'লে মই নিচিন্তে পিঁয়াজ-নহৰুৰ খেতি কৰি দিম।'

ঠিক জড়তাৰ সূত্ৰৰ দৰে, গোটেই জীৱন খেতি কৰি থকা দেউতাই এতিয়া ঘৰত বহি কটাবলৈ বৰ দুখ পাইছে।

আমি সৰু হৈ থাকোঁতে দেউতাই আমাক সদায়েই উপদেশ দিছিল— 'ভাত খাওঁতে মন দি খাবি, আৰু আৰ-তাৰ কাঁহীলৈ নাচাবি।' আমি খোৱা কাঁহীৰ আশে-পাশে ঢেৰ ভাত সিঁচৰতি কৰি পেলাইছিলোঁ। দেউতাই কৈছিল— 'সেই ভাতবোৰৰ কিমান মূল্য জান?'

তাৰ পাছত দেউতাই এটা কাহিনী কৈছিল 'আমাৰ গাঁৱত হেনো অমুক নামৰ বুঢ়ী এজনী আছিল। বুঢ়ীৰ এগাল ল'ৰা-ছোৱালী আছিল। ঘৰত খাবলৈ নুজুৰিছিল। ল'ৰা-ছোৱালীক ভাত খাবলৈ দিয়াৰ পাছত বুঢ়ীলৈ ভাত নাথাকিছিল গৈ। ফলত ল'ৰা-ছোৱালীয়ে কাঁহীৰ কাষত আথানি কৰি চুৰা ভাতবোৰকে ধুই বুঢ়ীয়ে খাইছিল। এতিয়া সেই বুঢ়ীৰ ল'ৰা-ছোৱালী, পো-নাতি নগৰে-চহৰে থাকে।'

আমি আমাৰ ভুলৰ বাবে অনুতপ্ত হৈছিলোঁ। আমি দুখ মনেৰে মায়ে ভাত খোৱালৈ ৰৈ আছিলোঁ। কেনেবাকৈ আমাৰ মায়েও বাৰু চুৰা ভাত বুটলি ধুই খাব লাগে নেকি?

এইবোৰ সৰু কালৰ কথা। তেতিয়াৰ আমাৰ অৰ্থনৈতিক অৱস্থাৰ বিষয়ে কৈছোঁৱেই। তেনে পৰিস্থিতিত পৰি যে আমাৰ মায়ে নহ'লেও মাৰ দৰে আন এজনী মাকে চুৰাভাত নাখাইছিল তাৰ মানে নাই। (এই দৃশ্যটো বহুবছৰৰ পাছত মুম্বাইত দেখিছিলোঁ। আনে পেলাই দিয়া আধাখোৱা খাদ্য, চুৰাপাতনিৰ পৰা বুটলি আনি মাক-পুতেকে ভগাই খোৱা দেখিছিলোঁ।)

যাহওক, কঠোৰ নিয়মানুৱৰ্ত্তিতা মানি অহা দেউতাই কি এতিয়া হাতৰ পৰা ভাত সৰি পৰাৰ বাবে মনত কষ্ট পোৱা নাই?

পাইছে। নহ'লেনো মোক ইমান কৰুণ আকৃতিৰে হাত দুখন ভাল কৰি দিবলৈ অনুৰোধ কৰে নে?

দেউতাক ক'লোঁ— 'এইবাৰ ডিব্ৰুগড়ৰ আন ডাক্তৰৰ ওচৰত দেখুৱাই চাম।'

মোৰ বিয়া হৈ যোৱাৰ পাছত দেউতাক এদিন ফুৰাবলৈ লৈ গ'লোঁ। নৱজ্যোতি গাঁৱত থকা ডাঙৰ পেহীৰ ঘৰলৈ যাবলৈ ওলালোঁ। লগত ন-বোৱাৰী। পেহী ঘৰত অকলে আছিল। আমি গৈ পোৱাত পেহীয়ে ক'লে— 'মইনো অকলে তহঁতক কি ৰান্ধি খুৱাম, ব'ল জোনহঁতৰ ঘৰলৈকে যাওঁ।' জোন পেহীৰ ডাঙৰ ছোৱালী, ওচৰলৈকে বিয়া দিছে। পেহীয়ে মতা হাঁহ এটা ধৰি ল'লে, ক'লে— 'এই হাঁহটোকে তহঁতক খুৱাম।'

আমি জোনহঁতৰ ঘৰ পালোঁগৈ।

জোনহঁতৰ ঘৰত ঢেৰ আলহী। দেউতাই আলহীৰ লগত বহিবলৈ টান পালে। বাহিৰত অকলে অকলে বহি থকা দেউতাক দেখি মই ক'লোঁ— 'দেউতা আপুনি এনেকৈ আছুতীয়াকৈনো কিয় বহি থাকিব লাগে? ভিতৰত মানুহ আছে, মানুহৰ লগত কথা পাতি থাককগৈচোন।' দেউতাই ক'লে— 'নেলাগে, মই এনেকৈয়ে ভাল পাইছোঁ।'

মই অলপ আচৰিত হ'লোঁ, দেউতাৰনো আকৌ কি হ'ল, আছুতীয়াকৈ বহি থাকিবলৈ? সকলো দেখোন ঘৰৰে মানুহ।

পাছত ভাত খাবৰ পৰত দেউতাই ক'লে— 'মই ভাত নেখাওঁ নেকি?'

পেহীয়েকে মুখ পাতি ধৰিলে— 'কিয় নাখাবি আকৌ? মই এনেয়ে হাঁহ আনিছোঁ নেকি?'

দেউতা— 'নহয় মানে মানুহৰ আগত মই খাবলৈ লাজ পাইছোঁ।'

পেহী — 'ইচ্ হ'ব, বেলেগে খাবি যেনিবা।'

দেউতাই বেলেগ এটা কোঠাত ভাত খাবলৈ ল'লে। গামলা এটাতে ভাত-চব্জী, হাঁহৰ মাংস, সকলো দিয়া হ'ল। ময়ো দেউতাৰ ওচৰত বহিলোঁগৈ। দেউতাই ক'লে— 'যা, তই বাকীবোৰ মানুহৰ লগত খাগৈ। মই অকলে পাৰিম।'

ভাত খাই উঠি আমি আটায়ে কথাৰ মহলাত ধৰিলোঁ। নতুন বোৱাৰীয়েকক প' সকলোৱে ৰং-ৰহইচ কৰিছে। মই আলেঙে আলেঙে দেউতাক চাই থাকিলোঁ। কিন্তু পাছৎ আকৌ মই কথাত ব্যস্ত হৈ পৰিলোঁ। এপাকত হঠাৎ দেখিলোঁ, দেউতা নাই। দেউতা ব'ং থকা ঠাইখন খালী। কোনোবাই ক'লে, বাহিৰলৈ উঠি গৈছে। কিন্তু বহু পৰলৈকে দেউতা ভিতৰলৈ নহাত মোৰ মনত অলপ আশংকাই দেখা দিলে। দেউতা ক'লৈ গ'ল?

বাহিৰলৈ গৈ ইফালে-সিফালে চালোঁ। ঘৰৰ পিছফালৰ দমকলৰ ফালে, বাৰীৰ চাহ বাগানৰ ফালে, আগফালৰ চোতালৰ ফালে— কিন্তু দেউতা ক'তোৱেই নাই।

দেউতা গাড়ীৰ ভিতৰত সোমাই আছিল। ড্ৰাইভাৰৰ কাষৰ পেছেঞ্জাৰ ছীটটোত খুউব চুপ-চাপেৰে বহি আছিল। মোৰ খং উঠি আহিল। দেউতাই বাৰু ইমান চুপ-চাপকৈ আহি গাড়ীত কিয় বহি থাকিব লাগে? ঘৰৰ ভিতৰত বহিবলৈ ঠাই নাই নেকি?

দেউতাই ক'লে— 'ঘৰলৈ যাবৰ হৈছেনে, ব'ল যাওঁ।'

বাটত দেউতাই মোৰ ফালে চাই বিনম্ৰ আকুতি কৰিলে— 'মই সমাজত বৰ লাজ পাইছোঁ। মোৰ হাত দুখন ভাল কৰি দে বোপাই।'

(ষাঠি)

কেইবামহলাৰ নাৰ্ছিংহোমখনৰ তলৰ ফ্লৰত থকা ৰিচিপচনিষ্টক সুধিলোঁ— 'নিউৰলজিষ্ট ডা° গোস্বামী আছে নে?' পৰিপাটীকৈ পোছাক পিন্ধা ৰিচিপচনিষ্টজনে ক'লে— 'তেখেত নাই, বাহিৰৰ ৰাজ্যলৈ গৈছে।' মই হতাশ হৈ সুধিলোঁ— 'উৰা আমি তিনিঘণ্টা গাড়ী চলাই তিনিচুকীয়া জিলাৰ অসম-অৰুণাচল সীমান্তৰ পৰা আহিছোঁ। কিবা এটা ব্যৱস্থা কৰিব পৰা নাযাব নে?' ৰিচিপচনিষ্টজনে ক'লে— 'আপোনালোকে নিউৰ'লজী ডিপাৰ্টমেণ্টত সোধকগৈচোন; এই কৰিড'ৰৰ শেষত আছে ডিপাৰ্টমেণ্টটো।'

শুভ্ৰ পোছাক পিন্ধা নাৰ্ছ এজনী নিউৰ'লজী বিভাগৰ সন্মুখতে বহি আছিল। আমি আমাৰ পৰিচয় দিয়াত নাৰ্ছজনীয়ে ক'লে— 'ডাঃ ক্ৰিষ্টফাৰ বুলি এজন আছে, তেখেত ডেকা, বাহিৰৰ পৰা অহা।' মই ক'লোঁ — 'হ'ব, সোনকালে এপইণ্টমেণ্ট এটা ঠিক কৰি দিয়ক।' নাৰ্ছজনীয়ে ক'লে— 'ডাঃ ক্ৰিষ্টফাৰ চেম্বাৰতে বহি আছে। কিন্তু তেওঁ অসমীয়া ক'ব নেজানে। সেয়েহে অসমীয়ালৈ ভাঙনি কৰিবলৈ অন্য এজন ডাক্তৰলৈ অপেক্ষা কৰি

আছোঁ।' মই ক'লোঁ যে মই ইংৰাজীত কথা পাতিব পাৰিম, কোনো সমস্যা নাই। নাৰ্চজনীয়ে মোক বিশ্বাসত নল'লে, ক'লে যে ডাক্তৰী ভাষা ভাঙনি কৰিবলৈ অন্য এজন দোভাষী অসমীয়া ডাক্তৰৰ প্ৰয়োজন। মই জোৰ নকৰিলোঁ, হ'ব বুলি ক'লোঁ।

ডেৰঘণ্টামান অপেক্ষা কৰাৰ অন্তত ডেকা ডাক্তৰজন আহিল। আমি চেম্বাৰলৈ সোমাই গ'লোঁ।

দেউতাই ডাক্তৰৰ সন্মুখৰ আসনখনত বহিল। বাঁওকাষে মই, সোঁকাষে ককাই। দোভাষী ডাক্তৰজন ককাইৰ কাষতে বহিল। ডাঃ ক্ৰিষ্টফাৰে দেউতাৰ হাত দুখন মেলি পোনাই থ'বলৈ ক'লে, টেনিছ বল এটা দিলে— সেইটো জোৰেৰে ধৰিবলৈ ক'লে; হাতৰ, আঁঠুৰ গাঁঠিবোৰৰ ৰিফ্লেক্স চালে। এইবোৰ কৰিবলৈ কওঁতে দোভাষী ডাক্তৰজনে ভঙাই দিলে। দোভাষীজনৰ ঘেঁহাই-ঘেঁহাই ইংৰাজী কোৱা ঠাঁচ দেখি মই ডাঃ ক্ৰিষ্টফাৰক ক'লোঁ— 'দেউতাৰ হৈ মই কথা পাতিব পাৰোঁ।' ডাঃ ক্ৰিষ্টফাৰে ভালেই পালে— 'নিশ্চয়।' এইবাৰ ডাঃ ক্ৰিষ্টফাৰ আৰু মই পোনপটীয়াকৈ কথা পাতিলোঁ।

ডাঃ ক্ৰিষ্টফাৰ— 'কিমান দিন হ'ল তোমাৰ দেউতাৰাৰ এনে হোৱা?'

— দেউতাৰ হাত দুখন বহু বছৰৰ পৰাই কঁপি থাকে, কিন্তু ইমান ছিৰিয়াছ নহয়। এবছৰমানৰ পৰাহে এনে ছিৰিয়াছ হৈছে।

— অন্য ডাক্তৰক দেখুৱাইছিলা?

— অ', বহু ঠাইত, বহু মেডিচিনো খালে।

— তোমাৰ দেউতাই মদ খাইছিল নেকি?

— 'আঁ খাইছিল। কিন্তু সেইটো কাৰণ হ'ব পাৰে জানো?' মই সন্দেহ প্ৰকাশ কৰিলোঁ।

— হ'বও পাৰে, নহ'বও পাৰে।

তাৰ পাছত ডাঃ ক্ৰিষ্টফাৰে দেউতাৰ মগজুৰ, তেজৰ, কেইবাটাও পৰীক্ষা কৰিবলৈ দিলে। এম আৰ আই, বিভিন্ন ধৰণৰ ব্লাড টেষ্ট। তাৰ পাছত তেওঁ প্ৰেছক্ৰিপচনখনত লিখিলে— 'পাৰকিনচনচ লাইক চিম্পটমচ', অৰ্থাৎ 'পাৰকিনচনৰ ৰোগ'ৰ দৰে লক্ষণ।'

দেউতাৰ কি বেমাৰ হৈছে, মই ভালকৈ জানো। কিন্তু মই বিচাৰিছিলোঁ ডাক্তৰে দেউতাৰ মনোবল বৃদ্ধিৰ বাবে ঔষধ দিয়ক; দেউতাৰ আয়ুস-কাল বৃদ্ধিৰ বাবে দৰৱ দিয়ক। সেয়েহে দেউতা চেম্বাৰৰ পৰা বাহিৰলৈ ওলাই যোৱাৰ পাছত মই অসমীয়া ডাক্তৰজনক ক'লোঁ— 'দেউতাৰ হাত দুখন অকণমান ভাল হ'ব পৰাকৈ কিবা এটা দি দিয়াঁনা প্লিজ। দেউতাই বৰ কষ্ট পাইছে।' ডাক্তৰজনে ক'লে— 'দৰৱ দি হাত দুখনৰ কঁপনিটো অলপ কমাব পাৰিম, আয়ুস কাল অলপ বৃদ্ধি কৰিব পৰা যাব। তাতকৈ বেছি কৰিব নোৱাৰি।'

কিন্তু ডাঃ ক্ৰিষ্টফাৰে ক'লে যে এম আৰ আইৰ পৰীক্ষা কৰি আনি দিলেহে তেওঁ

দৰৱ দিব পাৰিব। তদুপৰি আজি এম আৰ আই কৰিব পৰা নাযাব। ফলত আজি দৰব দিব পৰা নাযাব। ডাঃ ক্ৰিষ্টফাৰে অন্য এদিন আহিবলৈ ক'লে।

বাহিৰত মই ককাইক ক'লোঁ— 'ব'ল ব'ল ঘৰলৈ ব'ল। আনে যি দৰৱ দিছে, ইহঁতেও একেই দৰৱ দিব। দেউতাৰ মগজুত কি হৈ আছে সেয়া মই খালী চকুৰেই দেখি আছোঁ।'

অঁ, দেউতাৰ মগজুত কি হৈছে মই খালী চকুৰেই দেখিছোঁ। দেউতাৰ আয়ুস কাল কিমান তাকো মই জানো। কেৱল আনৰ আগত ক'বহে নোৱাৰোঁ!

(একষষ্ঠি)

দেউতাৰ মগজুৰ গভীৰত, কোটি কোটি স্নায়ুকোষৰ মাজৰ এটা স্নায়ুকোষত ৰোগবিধ আৰম্ভ হ'ল। পাৰকিনচনৰ ৰোগবিধ। বহুবছৰৰ আগতে, দেউতাৰ মগজুৰ বিকাশৰ সময়ত, এই স্নায়ুকোষটিত চাগে 'কপি' হোৱা জিনত ভুল থাকি গ'ল। এই জিনটিৰ নাম আলফা-চিনিউক্লিন। অৰ্থাৎ কোষ বিভাজনৰ সময়ত, আলফা-চিনিউক্লিন নামৰ জিনটিত হোৱা ভুলৰ বাবেই, বহু বছৰৰ পাছত দেউতাৰ শৰীৰত এই ৰোগে বিস্তাৰ লাভ কৰিলে। (অৱশ্যে, আলফা-চিনিউক্লিনৰ জিনত থকা ভুলৰ বাদেও অন্য কাৰণো থাকিব পাৰে পাৰকিনচনৰ ৰোগ বিস্তাৰত।)

চিনিউক্লিন জিনত থকা ভুলৰ বাবে এদিন এই জিনটিয়ে সৃষ্টি কৰা প্ৰ'টিনটি কোষৰ ভিতৰত মখা বান্ধিবলৈ ল'লে। এনেদৰে প্ৰ'টিনটি মখা বন্ধাৰ বাবে এদিন স্নায়ুকোষটি মৰি থাকিল। বচ তাতেই আৰম্ভণি দেউতাৰ ৰোগটো।

মৃত স্নায়ুকোষটি গেলি গৈ সংক্ৰামক ৰূপ ল'লে। ফলত কাষত থকা কোষতো ৰোগবিধ বিয়পি পৰিল। খুব ধীৰে ধীৰে মগজুৰ দূৰ-দূৰণিলৈকে ৰোগৰ বিস্তাৰ হ'ল, বিস্তৰ স্নায়ুকোষৰ মৃত্যু হ'ল।

এদিন শৰীৰৰ দূৰ-দূৰণিত থকা পেশীবোৰৰ সৈতে থকা স্নায়ুকোষৰ সমন্বয়ত ব্যাঘাত জন্মিল। পেশীবোৰক নিয়ন্ত্ৰণ কৰি থকা স্নায়ুকোষবোৰ মৰি থকাৰ বাবে পেশীবোৰে ভাৰসাম্য হেৰুৱাই পেলালে। ফলত দেউতাৰ হাত দুখন কঁপিবলৈ ধৰিল। এনেকৈ, যিদিনাই, দেউতাৰ হৃদপিণ্ডত থকা পেশীবোৰে মগজুৰ স্নায়ুকোষৰ সৈতে সংযোগ হেৰুৱাব, সেইদিনাই দেউতাৰ হৃদপিণ্ড বন্ধ হৈ থাকিব।

(বাষষ্ঠি)

সৌভাগ্যবশতঃ মোৰ আৰু পত্নী অলিৰ ভিছাৰ কামবোৰ পলম হ'ল। ফলত ঘৰত বেছিদিন থাকিবলৈ পালোঁ। আচলতে ইণ্টাৰভিউৰ পাছতো মোৰ ভিছা প্ৰায় দুমাহমানলৈ

অহা নাছিল। যাৰবাবে ঘৰলৈ এঁকৈশ দিনৰ বাবে গৈ প্ৰায় আঢ়ৈ মাহ কটালোঁ। সুখ-দুখৰ সমাহাৰেৰে এই সময়খিনি পাৰ হ'ল। সুখঃ বৈবাহিক জীৱনৰ স্মৰণীয় মুহূৰ্তবোৰ। দুখঃ দেউতাৰ স্বাস্থ্যক লৈ উদ্বিগ্নতা।

ইয়াৰ মাজত দুবাৰ কলিকতালৈ যাব লগা হ'ল— ভিছা ইণ্টাৰভিউৰ বাবে। ইমাইগ্ৰেচনৰ কিছুমান কামৰ বাবে মোৰ ইউনিভাৰ্ছিটীৰ লগত যোগাযোগ কৰিবৰ বাবে গুৱাহাটীত কেইবাদিনো বাহৰ পাতি থাকিবলগীয়া হ'ল। দূৰৈত থকা আত্মীয়ৰ দুই-এঘৰলৈও ফুৰিবলৈ যাবলগীয়া হ'ল। ঘৰত থকা সময়খিনিত যিমান পাৰোঁ দেউতাৰ শুশ্ৰূষাত মগ্ন হ'লোঁ। আকৌ জানো ঘূৰাই পাম এই মুহূৰ্তবোৰ?

এদিন দুপৰীয়া দেউতাই চোতালতে পীৰা এখনত বহি গভীৰ মনোযোগেৰে সন্মুখৰ সীমাহীন পথাৰখনৰ ফালে চাই আছিল। এইখন পথাৰতেই ধূলি-বালি-বোকা লৈ ডাঙৰ-দীঘল হ'ল, এইখন পথাৰতেই যৌৱনত মাটি চহাই, খেতি কৰিলে, ইমানবোৰ ল'ৰা-ছোৱালী তুলিলে; এইখন পথাৰকেই চাই চাই বুঢ়া হ'ল (যদিও হেঁপাহ যেন এতিয়াও শেষ হোৱা নাই)। আৰু কিমান দিন চাবলৈ পাব এই পথাৰখন?

মই দেউতাৰ কাষত থিয় দিলোঁগৈ। নিঃশব্দে থিয় হৈ থকা দেখি দেউতাই খুব ক্ষীণ মাতেৰে সুধিলে—

— তই কেতিয়াকে যাবিগৈ?

— ভিছা হ'লেই দুই এদিনতে যাম।

— বিহুটো খাই যা। ঘৰলৈ নতুন বোৱাৰী আহিছে, বিহু নোখোৱাকৈ যাব নাপায়।

— হ'ব বাৰু!

তাৰ পাছত কিছুপৰলৈ আকৌ নিমাত। ফাগুন-চ'তৰ বতাহে আমাক কোবাইছিল। দেউতাই এবাৰ মোৰফালে মূৰ তুলি চালে। চকুকেইটা বেচ চলচলীয়া, খুউব ক্ষীণ মাতেৰে সুধিলে— 'তই আকৌ কেতিয়া আহিব পাৰিবি?' হঠাৎ শোকে মোক খুন্দা মাৰি ধৰিলে; চকুৰে পানী বৈ আহিল, মুখেৰে একো মাতিব নোৱাৰিলোঁ। মনৰ ভিতৰতে ক'লোঁ— 'মই যেতিয়া আহিম, তেতিয়ালৈ আপুনি জীয়াই নাথাকে দেউতা। এয়ে আমাৰ শেষ দেখা।' দেউতাই মোৰ চকুপানী দেখি আকৌ দূৰৰ পথাৰলৈ চকু দিলে।

সেইদিনা মই দেউতাক বহু কথা ক'ব খুজিছিলোঁ; কিন্তু একোকে ক'ব নোৱাৰিলোঁ। হয়তো দেউতায়ো ক'ব খুজিছিল।

বিহুৰ দিনাই অলি আৰু মই কলিকতাৰ পৰা পালোঁহি, আমি ভিছা পালোঁ। গতিকে দুই-এদিনতে আমি আমেৰিকালৈ যামগৈ।

আমি আমেৰিকালৈ উভতি অহা দিনটো মোৰ মানসপটত সদায়ে থাকি যাব। ৰাতিপুৱাতে মায়ে হাঁহ মাৰি নিজেই ৰান্ধিলে। আনকালে মোৰ ডাঙৰ ভাইটি কণৰ

বোৱাৰীয়ে ভাত ৰান্ধে। কিন্তু সেইদিনা মায়ে বৰঘৰত কাকো সোমাবলৈ নিদিলে। ভাত ৰান্ধি নিজহাতেৰে আমাক ভাত বাঢ়ি খুৱালে। এই গোটেই সময়খিনি মাক বেচ বেজাৰ কৰি থকাৰ দৰে দেখা গ'ল। নাখাওঁ বুলি কোৱা সত্বেও, বলেৰে হাঁহৰ মাংস বাছি বাছি খোৱা কাঁহীত দিলেহি। মই দেউতাৰ কাষতে খালোঁ। বাছি-বাছি হাড় নথকা মাংস দেউতাক খুৱাই দিলোঁ।

অলি আগতীয়াকৈ যাবলৈ ওলাল। তাই গৈ মাকৰ ঘৰত সোমাবগৈ, ঘৰ কৈলাসপুৰতে। তাইক গাড়ীৰে থ'বলৈ বুলি ককাই গ'ল। লগত মোৰ ভতিজা (কণৰ ল'ৰা) দুবছৰীয়া মইনা। যোৱাৰ পৰত ঘৰত থকা আটাইৰে মুখমণ্ডলত বিষণ্ণতাৰ চাপ। মায়ে 'তই ভালে ভালে যাবি তেন্তে' বুলি কৈ নিজৰ কোঠাত সোমাই থাকিলগৈ।

সেইদিনা খুব বৰষুণ দিছিল। ককায়ে আহি ক'লেহি— 'সেইজনীয়ে পিছৰ ছীটত বহি যেনেকৈ বাটে বাটে ফেঁকুৰি ফেঁকুৰি কান্দি গৈছিলে, মোৰ গাড়ী চলাবলৈকে অসুবিধা হৈছিল।' মায়ে কথাটো শুনিলে, মইনাক এদাঁতিত নি সুধিলেগৈ— 'মইনা, বৰমাই ৰাস্তাত কান্দি গৈছিলে নে?' মইনাই ওঁ বুলি ক'লে। মায়ে আকৌ সুধিলে— 'কিমান কান্দিলে?' মইনাই উত্তৰ দিলে— 'ধেই!'

মই দেখিলোঁ মায়ে এইবাৰ কান্দিছে। মোক দেখি মোৰফালে পিঠিটো কৰি দিছে।

আচলতে মায়ে মইনাক 'বৰমাই কান্ধিছিলে নেকি' বুলি সুধি জুখি চাব খুজিছিল নেকি বোৱাৰীয়েকৰনো ঘৰখনলৈ কিমান মৰম আছে? আৰু মইনাই যেতিয়া ক'লে যে বৰমাই ঢেৰ কান্দিছিল বুলি, তেতিয়া মাৰ অন্তৰখনত শোকে খুন্দা মাৰি ধৰিছিল। বোৱাৰীয়েকৰ ঘৰখনলৈ মৰম আছে বুলি জানি আনন্দতে (নে বিতাড়নৰ যাতনাত?) মায়ে কান্দিছিল। কিন্তু পিছ মুহূৰ্ততে মোক দেখা পাই লুকুৱাবলে চেষ্টা কৰিছিল।

মই সৰু হৈ থাকোঁতে, অনাতাঁৰ কেন্দ্ৰৰ যোগেদি প্ৰচাৰিত বহুতো নাটকত শুনিছিলোঁ শাহু-বোৱাৰীৰ দুৰ্বাদল কাজিয়া। কথিত আছে — শাহুৱেকে বোৱাৰীয়েকক দেখিব নোৱাৰে। কিন্তু অলি গুচি যোৱাৰ পাছত যে মায়ে কান্দি উঠিছিল, সেয়া কি? বোৱাৰীয়েকৰ প্ৰতি কিমান মৰম থাকিলে বোৱাৰীয়েক গুচি যোৱাৰ পাছত শাহুৱেকে লুকুৱাই লুকুৱাই কান্দিব পাৰে?

সেইদিনা, মাধৱপুৰত, গুৱাহাটী অভিমুখী নৈশ বাছত উঠাবলৈ আহোঁতে কণক ক'লোঁ— 'দেউতাক চাবি। সকলো দায়িত্ব তহঁতৰ ওপৰত এৰিলোঁ।'

(তেষষ্ঠি)

সমস্যাটো হ'ল— মৰিবলৈ ধৰা স্নায়ুকোষবোৰক কেনেকৈ বচোৱা যায়? বা মৰা কোষবোৰৰ সংক্ৰামক ক্ষমতা কেনেকৈ বন্ধ কৰি দিব পৰা যাব? (মৰিবলৈ ধৰা কোষবোৰ

যদি সঁচাকৈয়ে সংক্ৰামক।)

পাৰকিনচনৰ ৰোগৰ বাবে এতিয়ালৈকে যিবোৰ ঔষধ উদ্ভাৱন কৰা হৈছে, সেইবোৰে ৰোগীৰ আয়ুসকাল কিছু বঢ়াব পাৰে সঁচা, কিন্তু এতিয়ালৈকে এনে ঔষধ উদ্ভাৱন হোৱা নাই যিয়ে মৰিবলৈ ধৰা স্নায়ুকোষবোৰক বচাব পাৰে। ফলত পাৰকিনচনৰ ৰোগ দুৰাৰোগ্য।

ঘৰৰ পৰা উভতি অহাৰ পাছত মৰিবলৈ ধৰা স্নায়ুকোষবোৰ কেনেকৈ বচাব পাৰি তাৰ বিভিন্ন বিকল্প— সম্ভাৱনা মনৰ মাজেৰে খেলাই গ'ল।

চিনিউক্লিন জিনত থকা ভুল সংশোধনৰ বাবে যদি 'জিন এডিটিং'ৰ যৌগবোৰ স্নায়ুকোষৰ ভিতৰলৈ পঠিয়াই দিয়া হয় তেন্তে মৰিবলৈ ধৰা কোষবোৰ বচাব পৰা যাব? কিন্তু সমস্যা হ'ল— স্নায়ুকোষবোৰ থাকে মগজুৰ গহ্বৰত। বৃহৎ বৃহৎ আকাৰৰ 'জিন এডিটিং' যৌগবোৰ মগজুৰ ভিতৰলৈ পঠিয়াব পৰাটো প্ৰায় অসম্ভৱ।

অন্য এটা উপায় হ'ব পাৰে— ৰোগটি যদি বংশগত হয় (অৰ্থাৎ চিনিউক্লিন জিনত থকা ভুল যদি মাক-দেউতাকৰ শৰীৰৰ জনন কোষতো থাকে), তেন্তে শিশু এটি জন্ম হোৱাৰ আগতেই ভ্ৰূণৰ আদি অৱস্থাত থাকোঁতেই, মাতৃ গৰ্ভৰ পৰা উলিয়াই আনি 'জিন এডিটিঙ'ৰ সহায়ত ভুল চিনিউক্লিন জিনটি সংশোধন কৰি, পুনৰ মাতৃগৰ্ভত স্থাপন কৰিলে হয়তো জন্ম হ'ব লগা শিশুটি ৰোগমুক্ত হ'ব।

কিন্তু জিন এডিটিং পদ্ধতিৰ বিকাশ এতিয়াও তেনেই প্ৰৰম্ভিক অৱস্থাত আছে, গতিকে পাৰকিনচনৰ ৰোগৰ নিৰ্মূলত এই পদ্ধতি ব্যৱহাৰ কৰিবলৈ হয়তো আৰু বহু বছৰ লাগিব (আমাৰ জীৱনকালত এয়া সম্ভৱ হ'ব নে?)

জিন এডিটিঙৰ উপৰি পাৰকিনচনৰ ৰোগ নিৰ্মূলৰ আন আন উপায়ৰ কথা ভাবিব পাৰি। যেনে, কোনো উপায়েৰে যদি ৰোগীৰ স্নায়ুকোষৰ ভিতৰত গোটমৰা চিনিউক্লিন প্ৰ'টিনবোৰ গলাব পাৰি, তেন্তে হয়তো মৰিবলৈ ধৰা স্নায়ুকোষটো বচাব পৰা যাব। প্ৰশ্ন হ'ল— কেনেকৈ? মখাবন্ধা প্ৰ'টিনক গলাব পৰা নতুন যৌগ আৱিষ্কাৰেৰে?

এনে যৌগ আৱিষ্কাৰৰ আগতে অৱশ্যে চিনিউক্লিন প্ৰ'টিনটি নো স্নায়ুকোষৰ ভিতৰত কিয় আৰু কেনেকৈ মখা বান্ধে তাৰ সবিশেষ জ্ঞান অৰ্জন কৰি ল'ব লাগিব। দুৰ্ভাগ্যবশতঃ এই বিষয়ত খুব কম জ্ঞান উপলব্ধ। এই কথাটো ভাবি বৰ আচৰিত হওঁ যে — মানৱ বিৱৰ্তনৰ আৰম্ভণিৰে পৰা হয়তো এই ৰোগটি মানুহে বহন কৰি আহিছে, অথচ আজি প্ৰায় বিশ বছৰৰ আগেয়েহে চিনিউক্লিন জিনত থকা ভুলৰ বাবেই যে এই ৰোগটি হয়, সেই কথা ধৰা পৰিছিল। জ্ঞানৰ উৎকৰ্ষৰ ক্ষেত্ৰত মানুহ ইমান পিছ পৰি আছে?

মানুহৰ এনে জ্ঞানহীনতাৰ (উদ্ভাৱনহীনতা) বাবেই চিকিৎসাশাস্ত্ৰত পাৰকিনচনৰ ৰোগ নিৰ্মূল কৰাৰ কোনো চিকিৎসা এতিয়ালৈকে উদ্ভাৱন হোৱা নাই।

(চৌষষ্ঠি)

কেইবছৰৰ আগতে, মই মাষ্টাৰ্চ ডিগ্ৰী পঢ়ি থকাৰ সময়ত এবাৰ ঘৰলৈ যাওঁতে মায়ে এক আচহুৱা আচৰণ কৰিছিল। ঘৰত মই পঢ়ি থাকিলে মায়ে মোক আলেঙে আলেঙে চাই আছিল। মই মাৰ আচৰণ দেখি আচৰিত হ'লোঁ— 'কথাটো কি?' অৱশ্যে মই মাক সোধাৰ আগতেই মায়ে আহি ক'লেহি— 'তোক পঢ়া চাই আছোঁ; মাষ্টাৰ্চ ডিগ্ৰী পঢ়া ল'ৰাইনো কেনেকৈ পঢ়ে চাইছোঁ।' মই বোলে— 'মাষ্টাৰ্চ ডিগ্ৰী বুলিবলৈ কি আছে, যাৰ যেনেকৈ ইচ্ছা তেনেকৈয়ে পঢ়ে।' তাৰ পাছত মায়ে ক'লে— 'নহয়, আচলতে তোক পঢ়া দেখি মোৰো পঢ়িব মন গৈছে। পিছে এতিয়া বুঢ়ী হ'লোঁ, নহ'ব আৰু। জীয়ৰী কালতে যদি তোৰ দৰে পঢ়িলোঁহেঁতেন, তেন্তে ময়ো চাগে কলেজৰ 'প্ৰফেচৰনী' হ'লোঁহেঁতেন।' মই ক'লোঁ— 'অ কথাটি সেইটি। কিয় বৃদ্ধ-স্কুললৈ যাওক, এতিয়াও হ'ব নহয়?' মা— 'নাই নহ'ব।'

মাৰ কথাটো সঁচা।

শচীন তেণ্ডুলকাৰে ক্ৰিকেটৰ পৰা সন্ন্যাস লোৱাৰ পাছত বিজ্ঞানী হোৱাৰ স্বপ্ন দেখিব নোৱাৰে।

ঠিক তেনেকৈ মই এই বয়সত তেণ্ডুলকাৰৰ দৰে এজন নিপুণ ক্ৰিকেটাৰ হোৱাৰ অৱকাশ আৰু নাই।

মূল কথাটো হ'ল— মানুহ এজন খেলুৱৈ বা বিজ্ঞানী বা চিকিৎসক হ'বলৈ হ'লে শৈশৱতেই তেওঁ তেওঁৰ পেছাটি অনুশীলন কৰিব লাগিব। (অৱশ্যে এই কথাটি মানুহৰ সকলো পেছাৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় (যেনে- ৰাজনীতি।)

শৈশৱেই নিৰ্ণয় কৰে ভৱিষ্যতে কোন কি হ'ব। ল'ৰালিতে পোৱা পৰিৱেশ পৰিস্থিতি, প্ৰেৰণা-অনুপ্ৰেৰণা, সুযোগ-সুবিধা, নিজৰ ইচ্ছা আদি বিভিন্ন কাৰকে নিৰ্ণয় কৰে শিশু এটিৰ ভৱিষ্যৎ।

তেণ্ডুলকাৰে যদি শৈশৱতেই সঠিক প্ৰশিক্ষণ (আৰু ককায়েকৰ অনুপ্ৰেৰণা) নাপালেহেঁতেন তেন্তে ভৱিষ্যতে বিশ্বৰ সৰ্বশ্ৰেষ্ঠ ক্ৰিকেটাৰৰ এজন হ'ব পাৰিলেহেঁতেননে?

কিন্তু এই যে খেলুৱৈ তেণ্ডুলকাৰে জীৱনত উভতি গৈ পুনৰ এজন বিজ্ঞানী হোৱাৰ সম্ভাৱনা প্ৰায় শূন্য— এই কথাটো মই উল্লেখ কৰাৰ এটি কাৰণ আছে।

কাৰণটো হ'ল— মানুহৰ জীৱনটো এটা কোষৰ পৰা আৰম্ভ হয়। শুক্ৰ কোষ আৰু ডিম্বকোষৰ (স্পাৰ্ম এণ্ড এগ) মিলনৰ ফলত যিটি কোষ সৃষ্টি হয়— সেই কোষেই আমাৰ জীৱনৰ আৰম্ভণি। কোষটি সেই বিভাজন হৈ হৈ এদিন কোটি কোটি কোষৰ মানৱ শৰীৰ গঠন হয়।

এনেদৰে কোষ বিভাজিত হৈ থাকোঁতে থাকোঁতে কোষসমূহ বিভিন্ন অংগ-প্ৰত্যংগলৈ ৰূপান্তৰিত হয়। যেনে হৃদ্‌পিণ্ডৰ কোষে সম্প্ৰসাৰণ-সংকোচন কৰিব পাৰে, মগজুৰ স্নায়ু কোষে বিদ্যুতৰ প্ৰবাহৰ যোগেদি আমাৰ 'চেতনা'ৰ বিভিন্ন কাম কৰি যায়। অৰ্থাৎ হৃদ্‌পিণ্ডৰ কোষ এটিৰ চৰিত্ৰ-গঠন-কৰ্ম স্নায়ুকোষৰ পৰা সম্পূৰ্ণ বেলেগ।

অথচ মানৱ শৰীৰৰ আটাইবোৰ কোষ এদিন এটি কোষৰ পৰাই আৰম্ভ হৈছিল।

প্ৰশ্ন হ'ল— প্ৰাপ্তবয়স্ক কোষ এটিয়ে নিজৰ চৰিত্ৰ আহৰণ কৰাৰ পাছত এই কোষটিক পুনৰ জীৱনৰ আদি কোষলৈ লৈ যাব পাৰি নে নোৱাৰি? (অৰ্থাৎ শুক্ৰ আৰু ডিম্ব কোষৰ মিলনৰ পাছতে যিটি কোষৰ পৰা জীৱন আৰম্ভ হৈছিল)

কলিজাৰ কোষ এটিক জীৱনৰ আদি কোষলৈ ৰূপান্তৰ কৰিব পাৰিনে? গাৰ ছালৰ কোষ এটিক জীৱনৰ আদি কোষলৈ ৰূপান্তৰ কৰিব পাৰিনে? মগজুৰ স্নায়ুকোষ এটিক জীৱনৰ আদি কোষলৈ ৰূপান্তৰ কৰিব পাৰিনে?

—খুউব সম্ভৱ নোৱাৰি!

যিদৰে খেলুৱৈ শচীন তেণ্ডুলকাৰক শৈশৱলৈ ওভতাই নি পুনৰ এজন বিজ্ঞানী কৰি তুলিব নোৱাৰি!

কিন্তু অবিশ্বাস্যভাৱে এতিয়াৰ পৰা প্ৰায় দহ বছৰৰ আগতে, জাপানী বিজ্ঞানী শিনয়া য়ামানাকাৰ এক যুগান্তকাৰী উদ্ভাৱনে উপৰিউক্ত প্ৰশ্নটিৰ উত্তৰটি 'পাৰি' লৈ ৰূপান্তৰ কৰি থৈ গ'ল।

জীৱনৰ বহুযোজন বাট অতিক্ৰম কৰি আহি এদিন পৈণত 'ছাল'ৰ কোষ হিচাপে প্ৰতিষ্ঠা লাভ কৰা কোষটি, পুনৰ, অতীতলৈ ঘূৰাই নি জীৱনৰ আদিকোষলৈ ৰূপান্তৰ কৰিব পৰাটো আছিল আধুনিক জীৱবিজ্ঞানৰ এক শ্ৰেষ্ঠতম আৱিষ্কাৰ।

এনেকৈ, পৈণত কোষক ৰূপান্তৰ কৰি সৃষ্টি কৰা আদিকোষটোক কোৱা হ'ল — IPSC (অৰ্থাৎ — Induced Pluripotent Stem Cell)।

(পঁয়ষষ্ঠি)

আধুনিক জীৱবিজ্ঞানৰ দুটা শ্ৰেষ্ঠ উদ্ভাৱন — 'IPSC' আৰু 'জিন এডিটিং' প্ৰযুক্তিৰ আলমত মই দেউতাৰ ৰোগটো কেনেকৈ অধ্যয়ন কৰিব পাৰি তাৰ বিষয়ে ভাবিবলৈ ল'লোঁ।

ইতিমধ্যে মাচাছুচেটছ ইন্সটিটিউট অৱ টেকনলজী (চমুকৈ এম আই টি)ৰ বিজ্ঞানী ড° ৰুদলফ্ য়েনিস্ক আৰু তেওঁৰ সহযোগীসকলে পৰীক্ষা কৰি দেখুৱালে যে পাৰকিন্সনৰ ৰোগীৰ ছালৰ পৰা কোষ আনি লৈ লেবৰেটৰীত সেই কোষ প্ৰথমে কাণ্ডকোষলৈ (আদি কোষ) ৰূপান্তৰ কৰিব পাৰি (IPSC প্ৰযুক্তিৰ সহায়ত), তাৰ পাছত এই কাণ্ড কোষটি মগজুৰ

স্নায়ুকোষলৈ ৰূপান্তৰ কৰিব পাৰি। অৰ্থাৎ ৰোগীৰ ছালৰ পৰা কোষ আনি সেই কোষটিক মগজুৰ স্নায়ুকোষলৈ ৰূপান্তৰ কৰি পৰীক্ষাগাৰত পাৰকিনচনৰ ৰোগৰ অধ্যয়ন কৰিব পাৰি।

তাৰ কেইবছৰমানৰ পাছতেই অষ্ট্ৰিয়াৰ এটি বিজ্ঞানীৰ দল আৰু এখাপ আগুৱাই গ'ল— তেওঁলোকে উদ্ভাৱন কৰিলে যে ৰোগীৰ ছালৰ কোষ আনি (ছাল নালাগে, চুলি এডাল হ'লেও হ'ল) কেৱল মগজুৰ স্নায়ুকোষেই যে সৃষ্টি কৰিব পাৰি তেনে নহয়, আচলতে পৰীক্ষাগাৰত ৰোগীৰ গোটেই মগজুটোক সৃষ্টি কৰিব পাৰি।

হয় আপুনি ঠিকেই শুনিছে।

আপোনাৰ মূৰৰ চুলি এডাল আনি, পৰীক্ষাগাৰত, আপোনাৰ গোটেই মূৰটো তৈয়াৰ কৰিব পাৰি।

এই উদ্ভাৱন সম্পৰ্কীয় গৱেষণা-পত্ৰখন 'নেচাৰ' নামৰ জাৰ্নেলত মই প্ৰথম যেতিয়া পঢ়িছিলোঁ তেতিয়া ৰোমাঞ্চিত হৈ উঠিছিলোঁ।

ইয়াৰ অৰ্থ হ'ল যে— এদিন হয়তো ময়ো দেউতাৰ গাৰ ছালৰ পৰা নতুবা চুলিৰ কোষ আনি পৰীক্ষাগাৰত দেউতাৰ গোটেই মূৰটো কৃত্ৰিমভাৱে তৈয়াৰ কৰি ল'ব পাৰিম। তাৰ পাছত পাৰকিনচনৰ ৰোগৰ বিভিন্ন কাৰকবোৰ, যেনে— চিনিউক্লিন প্ৰ'টিনটি কিয় ৰোগীৰ স্নায়ুকোষত গোট মাৰে, আদি অধ্যয়ন কৰিব পাৰিম। তদুপৰি এনে 'কৃত্ৰিম' মগজু সৃষ্টি কৰি নতুন নতুন ঔষধৰ গুণাগুণ পৰীক্ষা কৰিব পৰা যাব।

মই বহুদিন, বহুবাৰ ভাবিলোঁ— দেউতাৰ দেহৰ পৰা কোষ এটি কেনেকৈ আনিব পৰা যায়? যেনে তেনে কোষ এটি জীৱিত অৱস্থাত সংৰক্ষণ কৰি থ'ব পাৰিলে ভৱিষ্যতে মই ৰোগটিৰ বিষয়ে পুংখানপুংখভাৱে অধ্যয়ন কৰিব পাৰিম। কিন্তু কোষ এটি জীৱিত অৱস্থাত সৰবৰাহ কৰিবলৈ প্ৰয়োজন হোৱা সামগ্ৰীৰ আৰু সুবিধাৰ অভাৱত মোৰ স্বপ্ন স্বপ্ন হৈয়ে ৰ'ল, দেউতাৰ দেহৰ পৰা কোষ অনা নহ'ল।

অৱশ্যে ইয়াৰ এটা বিকল্প হ'ব পাৰে— মোৰ নিজৰ দেহৰ কোষ এটিকে আহৰণ কৰি, ভৱিষ্যতে, জিন এডিটিং আৰু IPSC প্ৰযুক্তিৰ সহায়ত কোষটি পাৰকিনচনৰ ৰোগ বিশিষ্ট স্নায়ুকোষলৈ ৰূপান্তৰ কৰিব পৰা যাব। আৰু সম্ভৱ হ'লে পাৰকিনচনৰ ৰোগ বহন কৰা মগজুলৈও।

(ছয়ষষ্ঠি)

ইউমাচত মোৰ গৱেষণা প্ৰায় সমাপ্তিৰ দিশে আগবাঢ়িল। আৰু কেইমাহমানতে মোৰ পি এইচ ডি শেষ হোৱাৰ সম্ভাৱনা।

ইতিমধ্যে মোৰ গৱেষণাত জিন এডিটিঙৰ বাবে প্ৰয়োজনীয় প্ৰ'টিন 'কেচ-নাইন' ইঞ্জিনীয়াৰ কৰি, নেন'প্ৰযুক্তিৰ সহায়ত কোষৰ ভিতৰলৈ পঠিওৱাৰ ব্যৱস্থা কৰা হ'ল।

এনেদৰে ইঞ্জিনীয়াৰ কৰা কেচ-নাইন প্ৰ'টিন কোষৰ বাহিৰৰ পৰা ভিতৰলৈ পঠিয়াই কোষৰ ভিতৰৰ বিশেষ কিছুমান জিন সম্পাদনা কৰিবলৈ সক্ষম হ'লোঁ। আমাৰ উদ্ভাৱনটিৰ এক পেটেণ্ট ফাইল কৰা হ'ল— কোনোবা কোম্পানীয়ে আমাৰ উদ্ভাৱনটি ব্যৱসায়িকভাৱে ব্যৱহাৰ কৰিব পৰাকৈ।

মই আগতে উল্লেখ কৰিছিলোঁ— জিন এডিটিং প্ৰযুক্তিৰ উদ্ভাৱনে জীৱবিজ্ঞানৰ ক্ষেত্ৰখন কেনেকৈ তোলপাৰ লগাই থৈ গৈছিল। এই প্ৰযুক্তিটিৰ আৱিষ্কাৰকসকলে কিছুমান ব্যৱসায়িক প্ৰতিষ্ঠান খুলি বিশ্বৰ পৰা জেনেটিক ৰোগ নিৰ্মূলৰ সংকল্প ল'লে। এম আই টি-ৰ ড° ফাং জাং আৰু হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ ড° জৰ্জ চাৰ্চ আৰু তেওঁলোকৰ সহযোগী সকলে বষ্টন চহৰত 'এডিটাচ মেডিচিন' নামৰ এটি কোম্পানী খুলিলে। আনহাতে, অন্য এগৰাকী উদ্ভাৱক কেলিফৰ্নিয়া (বাৰ্কলে) বিশ্ববিদ্যালয়ৰ ড° জেনিফাৰ ডাউদনাই 'ইণ্টেলিয়া' নামৰ এটি কোম্পানী খুলিলে।

মই মনতে প্ৰাৰ্থনা কৰিলোঁ— এই বিজ্ঞানীকেইজনৰ উদ্যমতে যেন পৃথিৱীৰ পৰা ৰোগ নিৰ্মূল হওক। মানুহৰ প্ৰধান শত্ৰু 'ৰোগবোৰ' যাতে পৃথিৱীৰ পৰা বিনাশ হওক। মানুহৰ বাবে ৰোগতকৈ আৰু ডাঙৰ শত্ৰু কোন হ'ব পাৰে?

অবিশ্বাস্য হ'লেও এইটো সঁচা যে কেঞ্চাৰ ৰোগতে বছৰি বিশ্বৰ প্ৰায় ৮০ লাখ মানুহৰ মৃত্যু হয় (২০১২ চনৰ তথ্য মতে)। (দ্বিতীয় বিশ্ব যুদ্ধত গড় হিচাপে বছৰি প্ৰায় ১০০ লাখ মানুহৰ মৃত্যু হৈছিল। কিন্তু এই যুদ্ধ কেৱল ছয় বছৰ মানহে টিকিছিল, 'তাৰ বিপৰীতে কেঞ্চাৰ ৰোগে মানুহক বিৱৰ্তনৰ আদিৰে পৰা বিঘিনি ঘটাই আহিছে।) ঠিক তেনেকৈ এই বিশ্বত বৰ্তমান প্ৰায় এক কোটি পাৰকিনচনৰ ৰোগী আছে। এলঝাইমাৰ, ডায়েবেটিচ আদি অজস্ৰ জেনেটিক ৰোগৰ কথা যেনিবা নক'লোঁৱেই।

বিজ্ঞানৰ নতুন নতুন আৱিষ্কাৰ উদ্ভাৱনৰ যোগেদি অদূৰ ভৱিষ্যতে, মানৱে এখন ৰোগহীন পৃথিৱীত বাস কৰিবলৈ সুবিধা পাবনে?

(সাতষষ্ঠি)

যিটো সময়ত বিজ্ঞানৰ জগতত মই নিজকে প্ৰতিষ্ঠা কৰিবলৈ অহৰহ যুঁজ দি আছিলোঁ, সেইটো সময়তে দেউতাই দুৰাৰোগ্য পাৰকিন্সনৰ বিৰুদ্ধে যুঁজ দি আছিল। জীৱন-মৰণৰ যুঁজ। জীয়াই থকাৰ অদম্য স্পৃহাই দেউতাক যুঁজিবলৈ বল দিছে। যুঁজত জয়ী হ'বনে দেউতা?

কেইবছৰমানৰ আগতে বন্ধু এজনৰ আগত এদিন মই এনেকৈ কৈছিলোঁ— 'এই জীৱনটো মই এবাৰ নহয় হাজাৰবাৰ জীবলৈ বিচাৰিম, প্ৰত্যাহ্বানৰ জীৱনটো।' মই এইদৰে কোৱাৰ অৰ্থ আছিল প্ৰত্যাহ্বানৰ জীৱন এটা যুঁজ দিয়াৰ এটা স্বকীয় মাদকতা আছে। মই

ক'ব বিচৰা নাই যে জীৱনত মই বহুত পাইছোঁ, কিন্তু যিখিনি পাইছোঁ সেয়া যুঁজ দি পাইছো। যুঁজ দি পাইছোঁ বাবেই পোৱাখিনিৰ সোৱাদ আছে।

জীৱনৰ এই যুঁজখন বহু যুগৰে পৰাই চলি আহিছিল।

ককা অকন্তিয়ে কেৱল নিজৰ শৰীৰটোক সম্পদ হিচাপে লৈ অঘৰী মানুহৰ দৰে, এখন দুৰ্গম হাবিৰ মাজত মাটি ভাঙিবলৈ গৈছিল তেতিয়াই জীৱনৰ এই যুঁজ আৰম্ভ হৈছিল। হয়তো তাৰো আগৰে পৰা— যি যুঁজৰ কাহিনীৰ বিষয়ে মই জ্ঞাত নহওঁ। ককা অকন্তিৰ অকাল মৃত্যুৰ পাছত আইতাই সীমাহীন শ্ৰম-ত্যাগ, আৰু ধৈৰ্যৰে চাৰিটি ল'ৰা-ছোৱালীক তুলি-তালি ডাঙৰ-দীঘল কৰিছিল। জীৱন-যাত্ৰাৰ এই সংগ্ৰামত যোগ দিলেহি দেউতাই। তাৰ পাছত আমিবোৰ জন্ম হোৱাৰ পাছত আমাৰ মংগল আৰু ভৱিষ্যতৰ বাবে দেউতায়ো ওৰেটো জীৱন কৰি গ'ল কেৱল শ্ৰম আৰু সাধনা। জীৱনৰ ইমানটো দীঘল বাট যুঁজ দিয়াৰ পাছত কি দেউতাই এতিয়া হাৰি দিব?

(আঠষষ্ঠি)

অলিক লৈ মই আমেৰিকালৈ উভতি অহাৰ পাছত দেউতাই হেনো ককাইক আকৌ কুটুৰিবলৈ ধৰিলে— ডিব্ৰুগড়ৰ কোনোবা বেলেগ হাস্পতাললৈ লৈ যাব লাগে। ক'ৰবাত কিজানি আছে এনে এজন ডাক্তৰ যি দেউতাৰ ৰোগটো ভাল কৰিব পাৰে। ফোনত কথা পাতোঁতে দেউতাই ক'লে— 'তই মোলৈ টকা কেইহাজাৰমান পঠাবি। মই ডিব্ৰুগড়লৈ আকৌ যাম, দৌৰে লৈ যাব। এইবাৰ ভাল হৈ আহিম চাবি।' মই ক'লোঁ— 'পঠাম, মই ককাইৰ লগতো কথা পাতিম, আপুনি চিন্তা কৰি নাথাকিব।'

দেউতাৰ মনটো ভাল লাগক বুলি দেউতাই যি বিচাৰে আমি তাকেই কৰোঁ।

এনে পৰিস্থিতিত মই কেতিয়াবা নিজকে দেউতাৰ স্থানত কল্পনা কৰোঁ। মই কি কৰিলোঁহেঁতেন যদিহে জানিলোঁহেঁতেন যে মই আৰু বেছি দিন জীয়াই নাথাকিম? শেষ মুহূৰ্তলৈকে কেৱল জীয়াই থকাৰ সপোনকে দেখিলোঁহেঁতেননে?

এদিন ককাইক ফোন কৰি ক'লোঁ— 'ডিব্ৰুগড়ত আৰু কোন কোন নিউৰ'লজিষ্ট আছে খবৰ কৰিবিচোন।'

সি ক'লে— 'ডাঃ গোস্বামীৰ ওচৰলৈকে লৈ যাওঁ নেকি?'

মই ক'লোঁ— 'লৈ যা, যিমান পাৰি সোনকালে।'

ককায়ে দেউতাক ডিব্ৰুগড়লৈ লৈ গ'ল। ডাঃ গোস্বামীয়ে দেউতাক অভয় দিলে— 'চিন্তা নকৰিব, মই টেবলেট দিম, খালে আপোনাৰ অসুখ ঠিক হৈ যাব।'

দেউতাৰ মনোবল বাঢ়িল। ঘৰত সকলোৰে মনোবল বাঢ়িল। ডাক্তৰে কৈছে যেতিয়া

ভাল হ'ব। এই আশাব্যঞ্জক বাণীত মোৰো মন ফৰকাল হৈ উঠিল। হয়তো ক'ৰবাত আছে পাৰকিনচনক বশ কৰিব পৰা ঔষধ, যাৰ বিষয়ে মই জ্ঞাত নহয়।

ডাক্টৰে দিয়া হাই পাৱাৰৰ লেভ'ডপা পিলবোৰ দেউতাই সেৱন কৰি গ'ল গভীৰ প্ৰত্যাশাৰে। জীয়াই থকাৰ শেষ আলম হিচাপে।

দেউতাই হেনো পুৱা শুই উঠিয়েই টেবলেট খাব বিচাৰে। মায়ে কয়— 'ৰ'বচোন, ডাক্টৰে ভাত খোৱাৰ এঘণ্টাৰ আগত বা পাছত খাবলৈ কৈছে।' দেউতা অধৈৰ্য হৈ উঠে। দেউতাই বিচাৰে, যিমান পাৰি সোনকালে এই ব্যাধিটো শৰীৰৰ পৰা খেদি পঠাব লাগে।

সময় হ'লে দেউতাক টেবলেট খাবলৈ গৰম পানী অকণমান যোগাৰ কৰি দিয়ে মায়ে। মায়ে টেবলেটো খুৱাই দিয়ে দেউতাক।

টেবলেট খোৱাৰ দিনৰে পৰা ঘৰৰ সকলোৱে ব্যগ্ৰতাৰে ৰৈ থাকে— দেউতাৰ হাতৰ কঁপনিটো কমিছে নেকি চাবলৈ। ময়ো দৈনিক ফোন কৰিবলৈ ধৰিলোঁ, মাক সোধোঁ— 'কঁপনিটো কমিছে নে?' দেউতাক সোধোঁ— 'ভাল পাইছেনে অলপ?'

টেবলেট খাবলৈ লোৱা কেইদিনমানৰ পাছতে শুনিলোঁ— হয়, দেউতাৰ হাতৰ কঁপনিটো কমিছে। 'সচাঁকৈ কমিছেনে?' মায়ে কয়— 'ৰাতিপুৱা চাহ পানীৰ বাতিটো নিজে দাঙিব পৰা হৈছে। চকীত বহি থাকিলে ভৰি স্থিৰ হৈ থকা হৈছে।'

'তাৰমানে দেউতা সঁচাই ভাল হৈ উঠিছে?'

সঁচাই!

আনে ক'ব নালাগে, দেউতাই নিজেই কয়— 'কঁপনিটো কমিছে যেন লাগিছে, ভাত বেছিকৈ খাব পৰা হৈছোঁ, গাত বলো বাঢ়িছে।' ডাক্টৰে সময়মতে টেবলেট খাবলৈ কৈছে, দেউতাই খাবলৈ নেপাহৰে যেন। মই সতৰ্ক কৰি দিওঁ।

লাহে লাহে আমাৰ ঘৰৰ ওপৰৰ মেঘাচ্ছন্ন আকাশখন যেন মুকলি হ'বলৈ ধৰিলে। সকলোৰে মন প্ৰফুল্লিত হৈ উঠিল।

মৃত্যুৰ গৰাহৰ তেনেই কাষ চাপিও জীৱন পথলৈ উভতি আহিব খোজা দেউতাই কি ভাবিছিল নাজানো। কিন্তু মোৰ মনত ভাব হ'বলৈ ধৰিলে যেন দেউতাই ভাবিছিল— গাঁৱৰ সন্মুখৰ বিস্তীৰ্ণ পথাৰখন আকৌ চকু ভৰাই চাবলৈ পাম, তাত খেতি কৰিবলৈ পাম, ল'ৰা-ছোৱালীবোৰ বিয়া-বাৰু হ'লে নাতি-নাতিনী দেখিবলৈ পাম, গাঁৱৰ বুঢ়া-মেথাৰ সৈতে একেলগে বহি সবাহ খাবলৈ পাম...

জীৱনত যে কিমান হেঁপাহ।

কোনে জানে, হয়তো সেই সময়ত দেউতাৰ বেলেগ সপোন নায়ে, আছিল কেৱল জীয়াই থকাৰ সেই দুৰ্বাৰ সপোনটো।

(উনসত্তৰ)

অথচ টেবলেট খাবলৈ আৰম্ভ কৰাৰ বিশ দিনমানৰ পাছৰ পৰা দেউতাই অভিযোগ কৰিবলৈ ধৰিলে— ‘পিলবোৰ ইমান কাঢ়া, মোৰ পেটৰ গণ্ডগোল হৈছে।’ কোনো কথা নাই পেটৰ গণ্ডগোল ঠিক হৈ যাব, কিন্তু সময়মতে টেবলেটবোৰ খাই থাকে যেন।

কেইদিনমানৰ পাছত দেউতাই আকৌ ক’লে— ‘কেৱল পেটৰ গণ্ডগোলেই নহয়, মোৰ কলিজাটো ধপ-ধপ কৰি থাকে।’

দেউতাক কোৱা হ’ল যে দৰৰবোৰৰ পাৰ্শ্বক্ৰিয়াৰ বাবে এনে হ’ব পাৰে।

কিন্তু শৰীৰে জানো আমাৰ বুজনি মানিব?

দুদিনমানৰ পাছত আকৌ দেউতা— ‘মই ভালকৈ ৰাতি শুবও পৰা নাই। বুকু ধপ ধপাই থাকে। ইফালে কেতিয়াবা ভাত খাই থাকোঁতেই টোপনি যাওঁগৈ।’

— পিলবোৰ নাখালে যে আকৌ বেমাৰটো বাঢ়ি যাব?

— জানো, পিলবোৰে বেমাৰ কমাইছে বুলি মনে ধৰা নাই; বঢ়াইছেহে যেন পাওঁ।

দেউতাই কি কয়?

দেউতাৰ কথা সঁচা। বেমাৰ ভাল পোৱাটো দূৰৰ কথা দিনক দিনে নানানটা বেমাৰে আগুৰিহে ধৰিছে।

কিন্তু এবাৰ যদি দৰৰ খোৱা বাদ দিয়ে, তেন্তে দেউতাই আৰু মৃত্যুৰ দুৱাৰডলিৰ পৰা উভতি আহিব নোৱাৰে সি নিশ্চিত।

তাৰ পাছত এদিন দেউতাই সিদ্ধান্ত ল’লে— ‘দৰৰ খাই নানানটা বেমাৰ বঢ়াই লোৱাতকৈ, হাত কঁপি কঁপিয়ে মৰিম; দৰৰ আৰু নেখাওঁ।’

দেউতাৰ কথাই শেষ কথা।

দেউতাৰ জীয়াই থকাৰ স্পৃহা আছিল, কিন্তু কথা হ’ল— জীয়াই থকাৰ এই বাসনাত শৰীৰে কষ্ট পাব নালাগে। দেউতাই ‘দৰৰ নাখাওঁ’ আৰু বুলি লোৱা সিদ্ধান্তটো নিশ্চয় যন্ত্ৰণাকাতৰ আছিল, কিন্তু কি কৰিব জীৱনক কেতিয়াবা ভাগ্যই বেয়াকৈ হৰুৱাই থৈ যায়।

মানুহৰ সপোন ভাগ্যই নিৰূপণ কৰে। ভাগ্যই দেউতাৰ জীয়াই থকাৰ সপোনটো কাঢ়ি লৈ গ’ল। এতিয়া আৰু কি কৰিব— কেৱল মৃত্যুলৈ বাট চাই থাকিব।

সপোন শেষ।

ইয়াৰ পাছত দেউতাৰ শৰীৰে কেনেকুৱা কষ্ট ভোগ কৰিলে সেয়া আৰু ক’বলৈ নাযাওঁ। কিন্তু এটা দৃশ্যই মোৰ মনত প্ৰায়ে ভুমুকি মাৰেহি, সেই দৃশ্যটোকে কওঁ—

বহুদিনৰ পাছত মায়ে মোক বৰ্ণনা কৰা অনুসৰি (মই শুনা নাছিলোঁ, মায়ে কোৱা মতেহে) দেউতা আৰু মা ঘৰৰ আগফালৰ বাৰাণ্ডাত বহি আছিল। সন্মুখত বিস্তীৰ্ণ পথাৰখন।

মা— 'মই অহাৰ পৰাই দেখি আহিছোঁ, বুঢ়াটোৱে এই পথাৰখনতে গোটেই জীৱনটো খেতি কৰিলে। পথাৰখন অকণো পৰিৱৰ্তন নহ'ল; মানুহটোহে বুঢ়া হৈ মৰিবৰ হ'ল।'

দেউতা— 'মৰিবৰ হোৱা নাছিল, ভাগ্যই মাৰি নিবলৈ ওলাইছে।'

মা— 'চকুৰ পচাৰতে জীৱনটো গ'ল।'

দেউতাই কোনো উত্তৰ নিদিলে।

অলপ পিছত দেউতাই ক'লে— 'মোক দোষ-দায় নধৰিবি। গাভৰু কালত তোক বহুত শাস্তি দিলোঁ। কোনোবাজন নজনা ভগৱন্তই কৰোৱাইছিল, নিজে জানি শুনি কৰা নাছিলোঁ।'

মায়ে কি উত্তৰ দিছিল নাজানো— হয়তো দেউতাই নেদেখাকৈ নীৰৱে চাদৰৰ আঁচলেৰে চকু মচিছিল, হয়তো মনতে প্ৰাৰ্থনা কৰিছিল — হে ঈশ্বৰ এওঁক অকণো কষ্ট নিদিয়াকৈ মাৰি নিয়া।

দেউতাৰ এই কথাষাৰে মোৰ মনত দ-কৈ সাঁচ বহুৱাই থৈ গ'ল। হয়তো, মোৰ মনত থকাৰ ভিতৰত এইষাৰেই দেউতাৰ অন্তিম কথা।

(সত্তৰ)

সেই বছৰ আমাৰ অঞ্চলটোত (আমেৰিকাৰ উত্তৰ-পুবত) খুব কমকৈ বৰফ পৰিছিল। আন বছৰত মাৰ্চ-এপ্ৰিল মাহলৈকে বৰফ পৰে। কিন্তু সেই বছৰ ব্যতিক্ৰম।

তেতিয়া মাৰ্চ মাহ সোমালেই। বৰফৰ চিন চাব নাই।

আমাৰ এপাৰ্টমেণ্টৰ কাষতে থকা এহাল বন্ধুৱে আহি এদিন ক'লেহি— 'মাৰ্চৰ তৃতীয় সপ্তাহত ৱাশ্বিংটন ডিচিলৈ যাওঁ ব'লা। চেৰী ব্লোমিং ফেষ্টিভেল চাবলৈ।' মাৰ্চৰ শেষৰফালে ৱাশ্বিংটনত চেৰী গছবোৰ ফুলিবলৈ ধৰে। ফলত চহৰখন দেখিবলৈ সুশোভন কাননৰ দৰে হৈ উঠে। মই আগতে চেৰী ব্লোমিং ফেষ্টিভেল চাবলৈ কেতিয়াও যোৱা নাই, শুনিছোঁহে। গতিকে মই বন্ধুক ক'লোঁ— 'নিশ্চয়। ইট উইল বি এক্সাইটিং।'

এদিন ৰাতি ৱাশ্বিংটনলৈ বুলি যাবলৈ, তাত থাকিবলৈ, ইন্টাৰনেটত হোটেল বিচাৰিবলৈ ধৰিলোঁ। চেৰী ব্লোমিং ফেষ্টিভেল হ'বলগীয়া ঠাইৰ ওচৰে-পাঁজৰে হোটেল পাবলৈ নাই, ইতিমধ্যে প্ৰায়বোৰ ৰিজাৰ্ভ হৈ গৈছে। যিবোৰত খালী আছে সেইবোৰৰ অতিপাত দাম।

ৰাতি বহু দেৰিলৈকে কম্পিউটাৰত হোটেল বিচাৰি থাকোঁতেই হঠাৎ ঘৰৰ পৰা ফোন আহিল। মায়ে ফোন কৰিছিল। খবৰ দিলে যে দেউতাৰ অৱস্থা বেয়া হৈ আহিছে— বিছনাৰ পৰা উঠিব নোৱাৰে ; খালেও ভালকৈ গিলিব নোৱাৰে; উশাহ-নিশাহতো কষ্ট পাইছে। 'খবৰটো দিলোঁ, সজাগ হৈ থাকিবি'— মায়ে ক'লে।

তৎক্ষণাৎ মই কি কৰিম একো ভাবি নাপালোঁ। লেপটপটো বিছনাতে থৈ কাষত

ওপৰলৈ মুখ কৰি শুই থাকিলোঁ। টোপনি অহা নাই। মনৰ মাজেদি নানানটি চিন্তা পাৰ হৈ গৈছে। বিষাদৰ নে? নাজানো। দেউতাৰ মৃত্যু যে আসন্ন সেয়া ইতিমধ্যেই গ্ৰহণ কৰি লৈছোঁ। কোনো যাদু, কোনো চমৎকাৰেও সেই আসন্ন মৃত্যুক প্ৰতিহত কৰিব নোৱাৰে। পৰকিনচনৰ ৰোগ নামৰ দুৰাৰোগ্য যমদূতটোৱে কেতিয়াবাই এই কথা ঘোষণা কৰি থৈ গৈছে। এতিয়া মাত্ৰ সময়ৰ অপেক্ষা। মৃত্যু তেনেই ওচৰত।

ৰাতি কেতিয়া টোপনি গ'লোঁ নাজানো।

সেইদিনা টোপনিত এটা সপোন দেখিলোঁ।

মই হেনো ডাক্তৰৰ চেম্বাৰলৈ সোমাই গৈছোঁ। বগা এপ্ৰন পিন্ধি ডাক্তৰজন মোৰ বাবেই অপেক্ষা কৰি আছিল। তেওঁ নিজৰ চকীত বহি কম্পিউটাৰত কিবা চাই আছিল। মই সোমাই যোৱা দেখি তেওঁ সম্ভাষণ জনাই ক'লে— 'আহাঁ আহাঁ, তোমাৰ বাবেই অপেক্ষা কৰি আছোঁ অতপৰে।' মই ডাক্তৰৰ সন্মুখৰ ছীটটোত বহিলোঁ। ডাক্তৰজনে সুধিলে— 'কওকচোন সমস্যাটো কি?' মই ক'লোঁ— 'মোৰ হাত দুখন কঁপি থাকে, কি বেমাৰ হৈছে চাই দিয়কচোন।' ডাক্তৰে পৰীক্ষা-নিৰীক্ষা কৰি ক'লে— 'আপুনি এটা ভয়াৱহ বেমাৰৰ কবলত পৰিছে। পাৰকিনচনৰ ৰোগ বুলি কয়। সোনকালে ট্ৰিটমেণ্ট কৰিলে বহুদিন জীয়াই থাকিব পাৰিব, কিন্তু ৰোগটো আপোনাৰ দেহৰ পৰা নিৰ্মূল কৰিব পৰা নাযাব।'

ভয়ত মোৰ অৰ্ধশৰীৰ কঁপি উঠিল। মই ডাক্তৰৰ চকুলৈ অসহায়ভাৱে, একেথৰে, বহু সময়ত চালোঁ। তাৰ পাছত হঠাৎ লক্ষ্য কৰিলোঁ যে এই ডাক্তৰজন দেখোন স্বয়ং মোৰ দেউতা।

তেনেতে আমাৰ কোঠাটিলৈ দুজন মানুহ সোমাই আহিছে। এজন এম আই টিৰ বিখ্যাত বিজ্ঞানী তথা পাৰকিনচনৰ ৰোগৰ বিশেষজ্ঞ ড° ৰদ্‌লফ য়েনিস্ক। আনজন ডাঃ ক্ৰিষ্টফাৰ যোচেফ। ড° য়েনিস্কে ঘোষণা কৰিলে— 'এই ডাক্তৰজন অৰ্থাৎ তোমাৰ দেউতা পাৰকিনচনৰ ৰোগী। তেওঁৰ মৃত্যুলৈ আৰু বেছিদিন নাই। বচাব বিচাৰা যদি এতিয়াই তেওঁক ছাৰ্জাৰী কৰিব লাগিব।' মই অবাক হ'লোঁ— যিজন ডাক্তৰে অৰ্থাৎ মোৰ দেউতাই মোৰ পাৰকিনচনৰ চিকিৎসা কৰিবলৈ ওলাইছিল তেওঁ এই ৰোগটি বহন কৰি আছে।

ড° য়েনিস্কে মোক আদেশ দিলে— 'সাজু হোৱা, তুমিয়ে ছাৰ্জাৰী কৰিব লাগিব।'

— মই?

— অ' তুমি।

তাৰ পাছত মই সাজু হোৱা সময়খিনিত ড° য়েনিস্কে মুখেৰে ভোৰভোৰাই থাকিল— 'তোমালোকে দেউতাক সোনকালে ট্ৰিটমেণ্ট কৰিব লাগিছিল, তেতিয়া বহুদিন জীয়াই থাকিলেহেঁতেন। ডীপ ব্ৰেইন ষ্টিমুলেশ্যন ছাৰ্জাৰী কৰাহেঁতেন তোমাৰ দেউতা বহুদিন

জীয়াই থাকিলহেঁতেন।' মোৰ ক'বৰ মন গৈছিল— 'আমি দুখীয়া দেশৰ দুখীয়া মানুহ, আমাৰ সেইবোৰ সুবিধাও নাই, টকা-পইচাও নাই।'

আমাৰ কোঠাটোলৈ অন্য দুজন আগন্তুক সোমাই আহিল। এজন ককাই, পিন্ধনত ডাক্তৰৰ এপ্ৰন আৰু ডিঙিত ষ্টেটিস্কপ, অৰ্থাৎ তেওঁ এজন ডাক্তৰ। আনগৰাকী মোৰ মা— পাৰকিনচনৰ ৰোগৰ বিশেষজ্ঞ বিজ্ঞানী।

মই প্ৰস্তুত হৈ আছিলোঁ। ডঃ য়েনিস্কে ক'লে— 'তুমি দেউতাৰ মগজুৰ ভিতৰলৈ সোমাই যোৱা। মগজুৰ ভিতৰৰ যিবোৰ স্নায়ুকোষত চিনিউক্লিন প্ৰ'টিন গোট মাৰিছে, সেইবোৰ কাটি উলিয়াই আনিবা।' মই তৎক্ষণাৎ দেউতাৰ মগজুৰ ভিতৰলৈ সোমাই গ'লোঁ। মগজুৰ ভিতৰত থকা স্নায়ুকোষৰ ভিতৰলৈ সোমাই গ'লোঁ। স্নায়ুকোষৰ ভিতৰত থকা হাজাৰ-বিজাৰ প্ৰ'টিনৰ মাজৰ পৰা বাছি বাছি গোট মাৰিবলৈ ধৰা চিনিউক্লিন প্ৰ'টিনটি কাটি উলিয়াই আনিবলৈ ধৰিলোঁ। এইদৰে হাজাৰ বিজাৰ কোষে কোষে চিনিউক্লিন প্ৰ'টিন বিচাৰি ঘূৰি ফুৰোঁতেই টঁ টঁ কৈ আৱাজ হ'ল। ডঃ য়েনিস্কে চিঞৰিলে— 'ঘূৰি আহাঁ, সময় হ'ল।'

হঠাৎ সাৰ পালোঁ। লেপটপৰ বেটাৰীৰ চাৰ্জ শেষ হ'ল— টঁ টঁ কৈ আৱাজ দি আছিল।

সাৰ পাই উঠি বিছনাতে বহিলোঁ। মনটো বিষাদে আগুৰি ধৰিল। মই জীৱনত দেউতা-মাক বা ককাইক ডাক্তৰ বা বিজ্ঞানী হিচাপে কেতিয়াও কল্পনা কৰি চোৱা নাছিলোঁ। হয়তো এই কল্পনা তেওঁলোকেও কৰা নাছিল কেতিয়াও। কেতিয়াও সপোন দেখা নাছিল ইমান ডাঙৰ মানুহৰ হোৱাৰ।

ভাব হ'ল— জীৱন এবাৰেই আহে। জীৱনত যি সপোন দেখিবলৈ নিশিকে, তেওঁলোকে সপোনহীনভাৱেই এদিন এই জীৱন ত্যাগ কৰিবলৈ বাধ্য।

তেতিয়া ৰাতি কিমান হৈছিল নাজানো।

ৰাতিপুৱা সাৰ পাওঁতে যথেষ্ট দেৰি হ'ল। আঠমান বাজিলেই। আচলতে পুৱা পাঁচমান বজাতহে টোপনি আহিল, তাৰ আগৰডোখৰ সাৰেই আছিলোঁ।

সাৰ পাই চকুদুটা মেলি পত্নী অলিৰ ফালে চালোঁ। তাই হয়তো তেতিয়াও দুৰ্ঘোৰ টোপনিত। হাতেৰে খেপিয়াই মোবাইলটো বিচাৰিলোঁ। মোবাইলটো পিটিকি স্ক্ৰীনখন চাওঁতেই মোৰ চকু থৰ হৈ গ'ল। বুকুখন ধপ কৰি উঠিল। ঊনৈশটা মিছকল।

'ঊনৈশটা মিছকল'— মোৰ মুখেৰে সশব্দে ওলাই আহিল। মোৰ মাত শুনি অলি ঘপকৈ উঠি বহিল। 'ঘৰলৈ ফোন লগাওকচোন,'— তাই ক'লে।

মই তৎক্ষণাৎ ঘৰলৈ বুলি ফোন কৰিলোঁ। মাৰ মোবাইলত ফোন কৰিছিলোঁ যদিও ফোনটো সৰু ভাইটি মুনে ৰিচিভ কৰিলে। মই কিবা এটা সোধাৰ আগতে মুনে খুউব শেঁতা মাতেৰে ক'লে— 'দেউতা নাই।'

দেউতা আৰু নাই।

এখন অখ্যাত গাঁৱত এটি কিশোৰে উৰিবলৈ বিচাৰিছিল। অক্ষম দেউতাকে নানা সংঘাতৰ মাজেদি কিশোৰটিক দুহাতেৰে ধৰি যেন ওপৰলৈ তুলি দিছিল, যাতে সি উৰিব পাৰে। কিশোৰটি উৰি গ'ল আৰু দেউতাকজনে আকাশত তাৰ উৰণ চাই চাই তাতেই ৰৈ গ'ল। আৰু এইমাত্ৰ সন্তানৰ উৰণ চাই গৌৰৱান্বিত হোৱা সেই দেউতাকজন এই পৃথিৱীৰ পৰা আঁতৰি গ'ল...

মই কিছুপৰলৈ বিছনাতে বহি ৰ'লোঁ। অলিয়ে মোৰ পিঠিত আলফুলে হাত ফুৰাই দিলে সমবেদনাত। মই ক'লোঁ— 'ইটচ অ' কে, আই এম ফাইন।'

সেই মুহূৰ্তত মোৰ হিতাহিত প্ৰতিক্ৰিয়া, আৱেগ কেনেধৰণৰ হোৱা উচিত একো ধৰিব নোৱাৰিলোঁ। এই দিনটো আহিবই বুলি (অতি সোনকালে) যিহেতু প্ৰস্তুত হৈ আছিলোঁ, সেয়ে সংবাদটোৱে মোৰ মনত অতি উগ্ৰ প্ৰতিক্ৰিয়া সৃষ্টি নকৰিলে। তথাপি, মোৰ ভিতৰখন যেন তেনেই শূন্য হৈ পৰিল। অলিয়ে, অবোধ শিশুৰ দৰে (এনে পৰিস্থিতি কি কৰিব লাগে একো আঁত নাপাই) মোক আহি সুধিলেহি— 'কি কৰিব এতিয়া?' মই ক'লোঁ— 'ঘৰলৈ যাব লাগিব দুই এদিনতে।' 'দুই এদিনত?' 'অঁ, প্ৰথমে গাইডৰ পৰা পাৰমিচন ল'ব লাগিব, তাৰ পাছত আই টুৰেণ্টীত চাইন কৰি ল'ব লাগিব, আজি তাৰেই কামখিনি কৰি লওঁ ৰ'বা।'

দুদিনৰ পাছত মই ঘৰলৈ বুলি ৰাওনা হ'লোঁ।

(একসত্তৰ)

আমাৰ ঘৰৰ সন্মুখত থকা বিশাল পথাৰখন একেই আছে। পথাৰৰ নৰাবোৰ পচি গৈছে; মাৰ্চ মাহৰ বৰষুণজাকত বসন্তৰ আগমন পাই পথাৰত বিভিন্ন বন গজিছে। চৰণীয়া গৰুবোৰৰ বাবেও ভাল হৈছে— নতুনকৈ গজা বনবোৰৰ কুঁহি খাই সিহঁতৰো চাগে প্ৰাণ ভৰি গৈছে। যুগ যুগৰ পৰাই এইখন পথাৰত চৰণীয়া গৰুৰে ভৰি থাকে। পুহ-মাঘ মাহত নৰাবোৰ ওখ হৈ থকাৰ বাবে গৰুৰ জাকবোৰ দেখা পাবলৈ টান, কিন্তু ফাগুন-চ'তত নৰাবোৰ পচি যায়, ফলত গৰুৰ জাকবোৰ দূৰৰ পৰাই দেখি।

গাঁৱৰ আকাৰ অৱয়ব অকণো পৰিৱৰ্তন হোৱা নাই। অৱশ্যে হাবি-জংঘলবোৰ কমিল। আমি সৰু হৈ থাকোঁতে গাঁৱৰ পথেৰে ৰাতি-বিয়লি মানুহ যাবলৈ ভয় কৰিছিল। ডাঠ হাবি থকাৰ বাবে ঠাইবোৰ বেচ জয়াল আছিল। বনৰীয়া-জীৱ জন্তুও ওলাইছিল। অৱশ্যে পুহ-মাঘ মাহত এতিয়া বনৰীয়া হাতী; বনৰীয়া ম'হ ওলায় কেতিয়াবা কেতিয়াবা।

গাঁৱৰ পথবোৰৰ অলপ পৰিৱৰ্তন হ'ল যোৱা কেইবছৰমানত। গাঁৱৰ কিছু অংশলৈ ইলেক্ট্ৰিচিটী আহিল। মানুহবোৰ বিশেষ পৰিৱৰ্তন হৈছে বুলি ক'ব নোৱাৰি। প্ৰজন্মৰ পিছত প্ৰজন্মই ইয়াত খেতি কৰিছে, অভাৱ অনাটনেৰে জীৱন নিয়াইছে, এদিন মৰি ইয়াৰ মাটিৰ লগত মিলি গৈছে। খুব কাচিৎ ক'ৰবাত এশজনৰ এজনে ব্যৱসায়-চাকৰিৰ বাবে নগৰলৈ ওলাই গৈছে। মোৰ কেতিয়াবা ভাব হয় এই ঠাইবোৰ, ইয়াৰ মানুহবোৰ চাগে একে আছিল, একে আছে আৰু একেই থাকিব। দুই এজনে (মোৰ দৰে) জীৱিকাৰ তাড়নাত নগৰ-চহৰলৈ ওলাই যাব।

ঘৰত উপস্থিত হোৱাৰ পাছতেই ঘৰৰ আটায়ে মোক বেৰি ধৰিছিল। মই বেছিপৰ কথা নাপাতি দেউতাৰ মৰিশালিৰ পিনে যাবলৈ ল'লোঁ। লগত তিনিবছৰীয়া ভতিজাটোক ল'লোঁ। বাটত যাওঁতে তাক সুধিলোঁ— 'ককা মৰাৰ দিনা ঘৰত কোনে কোনে কান্দিছিলনো?' সি ঘেঁহাই ঘেঁহাই ক'লে— 'বৰতাই (ককাই) ঢেৰ কান্দিছিল। ডাঙৰ আইতাই (ডাঙৰ পেহী) ঢেৰ কান্দিছিল। আপায়ে (বাইদেউ) ঢেৰ কান্দিছিল...।' মই সুধিলোঁ— 'আইতাই (মাহি)?' সি অলপপৰ ভাবি উত্তৰ দিলে— 'আইতাক কন্দা মই নাই দেখা।' মই মনতে প্ৰশ্ন কৰিলোঁ— 'নিজৰ পতিৰ মৃত্যুত পত্নীয়ে কন্দা নাই? কিহৰ বাবে? এসময়ত প্ৰিয়জনৰ দুখ-কষ্ট জৰ্জৰতা সহিব নোৱাৰি এতিয়া তেওঁৰ মুক্তিত সন্তুষ্টি লাভ কৰিছে?' হ'বও পাৰে। কিন্তু আমাৰ মাও এক নমুনা। মানুহৰ পৰা লুকুৱাই লুকুৱাই কান্দিব জানে যে।

দেউতাৰ মৰিশালিটো আইতাৰটোৰ কাষতে আছিল— ককা অকণ্তিৰ দিনতে ৰাখি থৈ যোৱা হাবি-বননিখনৰ কাষতে। মৰিশালিটো মাত্ৰ কেইদিনমানৰ পুৰণা যদিও শুকান বাঁহপাত পৰি বেচ লেতেৰা হৈ আছিল। মনতে ভাবিলোঁ দুই এদিনতে শ্ৰাদ্ধ আছে, তেতিয়াই মই ভালকৈ চাফা কৰি দিম।

ঠিক ভবামতেই দুদিনমানৰ পাছত মই মৰিশালিটো চাফা কৰিবলৈ গ'লোঁ। সৰা পাতবোৰ সাৰি দি কেঁচা মাটিৰ ভেটিটো বোকা পানী ছটিয়াই লিপি দিলোঁ। মচি হোৱাত দেউতাৰ চৰণৰ কাষত মাটি চাকি এগছ জ্বলাই সেৱা এটি ল'লোঁ। হঠাৎ শোকে খুন্দা মাৰি ধৰিলে। লক্ষ্য কৰিলোঁ দেউতাৰ মৃত্যুৰ পাছত প্ৰথমবাৰৰ বাবে মই কান্দিছোঁ। (মোৰ শোকটো ইমান পৰে ক'ত লুকাই আছিল?) দেউতাৰ প্ৰতি উদয় হোৱা কৃতজ্ঞতাত মোৰ মূৰ দোঁ খাই আহিল। সেই কৃতজ্ঞতাৰ গভীৰতা হয়তো কোনেও জুখিব নোৱাৰিব। দেউতাৰ কি আছিল চাওকচোন। এখন দুৰ্গম গাঁৱত দেউতাকে দি থৈ যোৱা কেইডৰামান মাটি আছিল— চাবলৈ এটি পৰিয়াল। দেউতাৰ সপোন নাছিল; মোৰ সপোনেই আছিল দেউতাৰো সপোন। মোৰ সপোনৰ পোখাটি লহপহকৈ বাঢ়িবলৈ দেউতাই যিমান পাৰি সাৰ-জাবৰ যোগান ধৰিছিল। কত কৃচ্ছ্ৰসাধনা তথা দুৰ্যোগৰ সময়তো সপোনৰ সেই

আঁতডাল এৰি দিয়া নাছিল। দৰিদ্ৰতাৰ সকলো গণ্ডী ওফৰাই নিজৰ পুত্ৰক এদিন বিশ্বৰ এখন আগশাৰীৰ বিশ্ববিদ্যালয়ত বিজ্ঞানৰ গৱেষণাৰ বাবে উপযুক্ত কৰি তোলাত ভূমিকা পালন কৰিছিল। দেউতাৰ কষ্টই প্ৰমাণ কৰিলে যে এই পৃথিৱীখন কেৱল এচাম সুবিধা থকা মানুহৰ বাবে নহয়। দেউতাৰ সপোনৰ এনে সফল বাস্তৱ ৰূপায়ণত ময়ো গৌৰৱান্বিত। পৃথিৱীৰ প্ৰত্যেক মানুহেই নিজৰ দেউতাকক শ্ৰেষ্ঠ বুলি কয় চাগে। কিন্তু মোৰ ক'বলৈ মন গৈছে, আমাৰ দেউতা মোৰ বাবে শ্ৰেষ্ঠতৰ। মই দেখা পৃথিৱীৰ নৱ আলোককণ দেউতাৰেই কৃচ্ছ্ৰসাধনাৰ ফল। ঠিক তেনে এক কৃতজ্ঞতাতেই মই দেউতাক বাৰে বাৰে স্মৰণ কৰিবলৈ ধৰিলোঁ।

ঘৰত থকা দিনকেইটাত বহুত মানুহ লগ পালোঁ। গাঁৱৰ, সম্বন্ধৰ, চিনাকি-অচিনাকি বহু লোক। খেনো খেনোৱে ক'লে— 'মৰিবৰ হোৱাই নাছিল, কেনেকৈযে ভাগ্যৰ দুৰ্বিপাকত পৰিল।' খেনোৱে ক'লে— 'এহ মানুহ এদিন মৰিবই; কিন্তু এওঁ কিমান শান্তি-আনন্দত মৰিছে। পুতেক এটাক মানুহ কৰি থৈ গ'ল। মানুহ মানে বহুত ডাঙৰ মানুহ।' বহুতে শলাগিলে। কোনোৱে ক'লে— 'আমাৰবোৰেনো কি কৰিলে?' তাৰ পাছত মানুহবোৰৰ মাজতে গুণ গুণ আলোচনা হ'ল— কাৰ কি সপোন আছিল। কাৰ বুকুত কি বোজা আছে। অভাৱ-অনাটন-অভিযোগ-হতাশা।

মই শুনিবলৈ পালোঁ— আজিকালি হেনো গাঁৱত সৰহভাগ মাক-বাপেকে ল'ৰা-ছোৱালীক চাকি জ্বলাই হ'লেও পঢ়িবলৈ দিয়ে। আনৰ কথা দূৰ-স্বয়ং আমাৰ মাই নাতিয়েকক (অৰ্থাৎ তিনি বছৰীয়া মোৰ ভতিজাটোক) ৰাতিপুৱা শুই উঠিয়েই পঢ়াৰ পাতত বহিবলৈ দিয়ে। মই বিচুৰ্তি খালোঁ— হে ভগৱান তিনি বছৰীয়া ল'ৰাটোৱেনো কি জানিছে বাৰু এতিয়াই? মাই নামানে— এতিয়াৰ পৰা পঢ়াৰ পাতত বহিলেহে হেনো সি ভৱিষ্যতে মোৰ দৰে হ'ব পাৰিব। সৰ্বনাশ। মানুহবোৰৰ মাজত তাৰমানে এটা সপোনে ভালকৈ বাহ লৈছে— এটা সাৰ্বিক সপোন। ল'ৰা-ছোৱালীৰ যোগেদি জীৱনত আগুৱাই যোৱাৰ সপোন। মই বেচ সন্তুষ্ট হৈ উঠিছিলোঁ— দেখক, সকলোৱেই সপোন দেখক। সপোনৰ যোগেদিয়ে দৰিদ্ৰতাৰ নিৰ্দয় শিকলি ছিঙি সকলো আগুৱাই যাওক। নহ'লেচোন মানুহবোৰ প্ৰজন্মৰ পিছত প্ৰজন্ম বন্দী হৈ আছে দৰিদ্ৰতাৰ মেৰপাকত।

সন্ধিয়া গাঁৱৰ ৰাস্তাইদি ওলাই গ'লে কাৰোবাৰ কাৰোবাৰ ঘৰৰ ভিতৰত টিমিক-টামাক চাকিৰ পোহৰ দেখিবলৈ পালোঁ। আমাৰ গাঁৱৰ বহুতৰে ঘৰত এতিয়াও বিজুলী যোগান নাই। কল্পনা কৰি ললোঁ- চাকিৰ পোহৰৰ চৌপাশে চাগে কেইটিমান ল'ৰা-ছোৱালী। মানুহৰ ঘৰে ঘৰে সপোন হৈ জ্বলি থকা সেই বন্তিগছি যাতে নুমাই নাযায় তাৰেই প্ৰাৰ্থনা কৰিলোঁ।

সপোন প্ৰত্যেকৰে আছেই। অভাৱ-অনাতনে শীৰ্ণ কৰা আমাৰ সমাজৰ কোটি কোটি মানৱৰ স্পন্দন সপোনবোৰ যেন মোৰ কাণত আহি প্ৰতিধ্বনিত হ'লহি। বুকুত গুপুতে পুহি ৰখা এই জীয়া সপোনবোৰৰ গৰাকীয়ে মোক যেন ৰিঙিয়াই কৈছিল—মোৰো এটা সপোন আছে।

তাৰ পিছত এদিন ঘৰৰ পৰা আমেৰিকালৈ উভতি আহিলোঁ।

বৰ্তমান ৱাশ্বিংটন বিশ্ববিদ্যালয়ৰ স্কুল অৱ মেডিচিনত গৱেষণাৰত গৱেষক বিজ্ঞানী তথা ইন'ভেশ্যন ফেল' ড° ৰুবুল মাউতে শৈশৱ-যৌৱনত দৰিদ্ৰতা আৰু নানান প্ৰতিবন্ধকতাৰ বিৰুদ্ধে অশেষ সংগ্ৰাম কৰিও এদিন আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাচাছুচেটচ বিশ্ববিদ্যালয়ৰ পৰা আধুনিক জীৱবিজ্ঞানৰ এক যুগান্তকাৰী আৱিষ্কাৰ 'জিন এডিটিং'ৰ বিষয়ত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰে। উল্লেখনীয়, মানৱ কোষৰ ত্ৰুটিপূৰ্ণ জিন সম্পাদনাৰ যোগেদি মানৱ সভ্যতাৰ পৰা সহস্ৰাধিক জেনেটিক ৰোগ নিৰ্মূল কৰাৰ সংকল্পৰে গৱেষণাত ব্যস্ত হৈ থকাৰ সময়তে ড° মাউতৰ দেউতাকে আঁকোৱালি লয় এক দুৰাৰোগ্য জেনেটিক ৰোগক।

'মোৰো এটা সপোন আছে' মূলতঃ এখন আত্মজীৱনীমূলক গ্ৰন্থ। ইয়াত সন্নিৱিষ্ট হৈছে— কঠোৰ সংগ্ৰামেৰে পাৰ কৰা ড° মাউতৰ শৈশৱ-কৈশোৰ তথা জীৱনৰ ঘাত-প্ৰতিঘাত, আমেৰিকাত কৰা বৈজ্ঞানিক উদ্ভাৱন আৰু শয্যাগত পিতৃৰ সৈতে সম্পৰ্কিত এক সংবেদনশীল কাহিনী।



Purbayon
Publication
Guwahati | Assam | India
purbayonindia21@gmail.com
www.purbayon.com
cover : sanjib bora www.sanjibbora.com
ISBN 978-93-87263-02-4
9 789387 263024